ভাৰত—মাটি আৰু মানুহ

অসমৰ জনজাতি

সংগ্ৰাহক

এছ. বৰকটকী

অনুবাদক

হেম বৰুৱা

STATE CENTRAL LIBRARY
Call No.
ASSAM.

নেচনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া

নতুন দিল্লী

March 1972 (Phalguna 1893)

মাৰ্চ ১৯৭২ (ফাগুন ১৮৯৩)

মূল্য: ৬·২৫

Tribes of Assam (*Assamese*)

পৰিবেশক:

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী
অসম

ডাইৰেক্টৰ, নেছনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, নতুন দিল্লী—১৬ৰ দ্বাৰা প্ৰকাশিত আৰু
নালন্দা প্ৰেছ—১৫৯·১৬০, বিধান সৰণী, কলিকতা—৬ৰ দ্বাৰা মুদ্ৰিত।

আগকথা

বৈচিত্ৰ্য, কমনীয়তা, সংস্কৃতিৰ সমৃদ্ধি আৰু জন-গাথাৰ পিনৰ পৰা অসমৰ জনজাতীয় সমাজ চমকপ্ৰদ। দৃশ্যাৱলীৰ পিনৰ পৰাও এই সকলৰ বাসভূমি হৈছে আমাৰ দেশৰ এক বৈচিত্ৰ্যপূৰ্ণ আৰু মনোৰম অংশবিশেষ। নেফাৰ (নৰ্থ ইষ্ট ফ্ৰন্টিয়াৰ এজেঞ্চী) নিচিনা ঠাই এডোখৰতো জনজাতি সমূহ ভাষা, সামাজিক জীৱন আৰু জন-গাথাৰ পিনৰ পৰা পৰস্পৰে পৃথক। স্বকীয়া জীৱন পদ্ধতি আৰু সম্পূৰ্ণৰূপে স্বকীয়া উপভাষা কওঁতা জনজাতীয় মানুহেৰে এই এজেঞ্চীটো ভৰপূৰ। এই সকলৰ বিজড়িত নগাসকল বাস কৰা অঞ্চলটো একেবাৰে স্বকীয়া। সংখ্যাত তাকৰীয়া যদিও, এই অঞ্চলৰ বুৰঞ্জীত নগাসকলে তাৎপৰ্য্যপূৰ্ণ ঠাই অধিকাৰ কৰিছে। নগালেণ্ডতও স্বকীয়া উপভাষা কওঁতা ভালেমান জনজাতিৰ লোক বাস কৰে। ইয়াৰ উপৰিও দেশৰ উন্নত হিন্দু সংস্কৃতিৰ অঞ্চল হৈছে মনোৰম মণিপুৰ। নৃত্য আৰু বোৱণ শিল্পৰ ক্ষেত্ৰত, নাটকৈ শিল্পকলাৰ ক্ষেত্ৰত মণিপুৰ হৈছে দেশৰ অধিক উন্নত অঞ্চলসমূহৰ ভিতৰতে এখন। ইন্দো-ব্ৰহ্মীয় সীমান্তৰ দক্ষিণাঞ্চলৰ শেষভাগত লুচাই সকল বাস কৰে। এই সকলক মিজো বোলা হয়। এইসকল হৈছে অতি আকৰ্ষণীয়, বৰ্ত্তান আৰু মনোৰম লোক। ৰাজ্যখনৰ দক্ষিণ পূব সীমান্তত মিকিৰ আৰু জয়ন্তীয়া সকল থাকে। ইয়াৰ লগতে খাছিয়া সকলৰ নাম লব পাৰি। ৰাজধানী শ্বিলঙক মধ্যাঞ্চলত লোৱা এইসকল হৈছে এক বিশিষ্ট ভাগ। পাকিস্তানৰ সীমান্তত অৱস্থিত পূবদিশৰ শেষ অঞ্চলত গাৰোসকল থাকে।

ৰাজ্যৰ সীমান্তত বসবাস কৰা জনজাতিয়ে অঞ্চলটোক বিশেষ কমনীয়তা দিছে। দুখৰ বিষয়, দেশৰ আন অঞ্চলৰ মানুহে এইসকলৰ বিষয়ে সমূলি নাজানে। এই অঞ্চলৰ উন্নত ঐতিহ্য আৰু জন-গাথাৰ বিষয়ে বাহিৰৰ মানুহে জনাটো অত্যাৱশ্যক।

অসম লোক সেৱা আয়োগৰ ভূতপূৰ্ব্ব চেয়াৰমেন শ্ৰীএচ. বৰকটকীয়ে জনজাতি সকলৰ বিষয়ে চমু বিবৰণৰে এই কিতাপখন সংকলন কৰিছে। এই কিতাপখনে অঞ্চলটো ভালকৈ জনাত সহায় কৰিব।

বি. ভি. কেশকৰ

সূচীপত্ৰ

		পৃষ্ঠা
	আগকথা	
অধ্যায়		
১।	পাহাৰৰ জীৱন	1
১।	গাৰো	20
৩।	খাছীয়া	37
	বি. পাগ, ডেপুটী কমিছনাৰ	
	ছিডিউলড্ কাষ্টছ্ এণ্ড ট্ৰাইব্‌ছ্	
৪।	জয়ন্তীয়া	53
	টি. বিস্বাই, আই, এ. এছ.	
৫।	মিকিৰ সকল	63
৬।	উত্তৰ কাছাৰ পাহাৰৰ জনজাতিসমূহ	79
৭।	মিজো	101
	আৰ. থাংলিৰা, অসম পাব্লিক ছাৰ্ভিছ কমিছনৰ সদস্য	
৮।	দক্ষিণ লুচাই পাহাৰৰ কম জনাজাত জনজাতিসমূহ	123
	এছ. দাস, আই. এ. এছ	
৯।	জনগাথা	137
১০।	ওচৰচুবুৰীয়া অঞ্চলৰ চিত্ৰপট	188
	গ্ৰন্থপঞ্জী. নিৰ্ঘণ্ট।	

কৃতজ্ঞতা

এই সংকলনলৈ অৱদান জনোৱা সকলৰ উপৰিও নিম্ন-উল্লিখিত ভদ্ৰলোক সকলৰ ওচৰত মই কৃতজ্ঞ।

(১) অসমৰ পৰ্য্যটন বিভাগৰ উপসঞ্চালক শ্ৰীএফ. ৰহমান। এইজনাই সংকলনৰ প্ৰায়বোৰ ছবি গোটাই দিছে।

(১) অসমৰ তথ্য আৰু জনসম্পৰ্কৰক্ষা বিভাগৰ সঞ্চালক শ্ৰীডি. চি. ভূঞা। এইজনাই বিভাগীয় প্ৰায়বোৰ ছবি ব্যৱহাৰ কৰিবলৈ অনুমতি দিছে।

(৩) শ্ৰীএল. এছ. ইংটি, আই. এ. এছ। এখেতে মিকিৰ সম্বন্ধে ৰচিত অধ্যায়টোত সহায় কৰিছে। ইয়াৰ উপৰিও সৰ্ব্বশ্ৰী আৰিফ আলি, এ. শইকীয়া আই. এ. এছ আৰু এন. ছি. হিলছ, ডিষ্ট্ৰিক্ট কাউঞ্চিলৰ সহকাৰী সচিব বি. জেমা, এই সকলে উত্তৰ কাছাৰ পাহাৰৰ জনজাতি সকলৰ বিষয়ে ৰচিত অধ্যায়টোত সহায় কৰিছে।

এছ. বৰকটকী

অধ্যায় ১

পাহাৰৰ জীৱন

অসমৰ ভৈয়াম অঞ্চলত বসবাস কৰা কোনো কোনো সম্প্ৰদায়ৰ ক্ষেত্ৰত জনজাতীয় বোলা শব্দটো প্ৰয়োগ কৰা একপ্ৰকাৰ ভুল কথা। আচলতে ভাৰতৰ অধিবাসী কোন আছিল, সেইবিষয়ে আমি সঠিককৈ নাজানো। মধ্য এছিয়াৰ পৰা আৰ্য্যসকল এইখন দেশলৈ অহাৰ পূৰ্বে দ্ৰাবিড়ীসকল বা অষ্ট্ৰিক ভাষাভাষী সকল এইখন দেশৰে যাই বাসিন্দা নে আন দেশৰ পৰা আহি বসতি কৰা লোক আছিল, সেই বিষয়েও নাজানো। দ্ৰাবিড়সকলৰ আগৰ মানুহবোৰ অসম পৰ্য্যন্ত পৰিব্যাপ্ত আছিল নে নাই, সেইবিষয়েও কোৱাটো টান। অৱশ্যে কোনো কোনো নৃতত্ত্ববিদে নামনি অসমৰ মানুহ আৰু কৈৱৰ্ত্তসকলৰ লেখীয়া কোনো কোনো সম্প্ৰদায়ৰ মাজত দ্ৰাবিড়-পূৰ্ব্বৰ দৈহিক আকৃতি লক্ষ্য কৰিছে। আমি নিশ্চয়কৈ কব পৰাৰ ভিতৰত হৈছে খ্ঃ পূঃ দুহেজাৰ বছৰৰ আগতে উত্তৰাঞ্চলৰ পৰা অসমেদি ভাৰতলৈ বহুতো মঙ্গোলীয় মানুহ আহিছিল। উত্তৰ ব্ৰহ্মদেশৰ পৰা অহা মানুহৰ সৈতে গোট খাই এইসকল অতি-আদিম কালৰে পৰা অসমৰ জনসমষ্টিৰ বিৰাট এক অংশ বুলি পৰিগণিত হৈছিল। প্ৰাচীন সংস্কৃত পুথিত, যাইকৈ মহাভাৰত আৰু ৰামায়ণ মহাকাব্য দুখনত আৰু পুৰাণ সমূহত অসমৰ বাসিন্দাসকলক ম্লেছ, কিৰাত আৰু চীনা বোলা হৈছে। আন শব্দত এইসকল হৈছে অনাৰ্য্য বৰ্বৰ।

দেখাত ঢৌৰ ওপৰত ঢৌ হৈ এই অনুপ্ৰবেশ হৈছিল। এনেদৰে অহা মানুহবোৰ আছিল ইণ্ডোচীন ভাষা গোষ্ঠীৰ। ইয়াৰে দুটা অতি মূল্যবান ভাষাগোষ্ঠী হৈছে মনখেমেৰ আৰু তিব্বত-বৰ্ম্মীয়। তৃতীয়টো হৈছে সেইসকলৰ শেষ অনুপ্ৰবেশকাৰী আহোমসকলৰ দ্বাৰা কথিত শ্যাম ভাষা সন্নিবিষ্ট ছিয়ামীজ চীন। আনবোৰত কৈ মনখেমেৰ ভাষাগোষ্ঠীৰ মানুহ আগতে আহিছিল যেন অনুমান হয়।

অৱশেষত সম্ভৱতঃ এইসকলক পাছৰ তিব্বত-বৰ্ম্মীয় অনুপ্ৰৱেশকাৰী সকলে খাছিয়া পাহাৰলৈ খেদি পঠিয়ায়। এই ভাষাগোষ্ঠীৰ মানুহ বিদ্যমান এই অঞ্চলটোৱেই হৈছে অসমৰ একমাত্ৰ অঞ্চল। তিব্বত-বৰ্ম্মীয় ভাষাগোষ্ঠীৰ ভিতৰত তিনিটা ঠেঙুলি হৈছে প্ৰধান, যেনে নগা, কুকি-চীন আৰু বড়ো। নগা আৰু কুকি ভাষাভাষী সকলক পাহাৰলৈ খেদি পঠোৱা হৈছিল। এনেদৰেই বড়োভাষাই ঘাই ভাষাৰ ঠাই লয়। ইয়াৰ অন্তৰ্ভুক্ত হৈ আছে, ভৈয়াম অঞ্চলৰ গাৰোপাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰৰ সকলো জীৱিত অনাৰ্য্য ভাষা। কছাৰী, মেছ, গাৰো, ডিমাছা, ত্ৰিপুৰা, লালুং, ৰাভা আৰু চুটীয়া ভাষা হৈছে বড়োভাষাৰ পৰা ওলোৱা।

যি সময়ত মঙ্গোলীয় সকল উত্তৰপূব অঞ্চলৰ পৰা অসমত সোমাইছিল, সেইসময়ত আৰ্য্যসকলে আদিম অধিবাসীসকলক দক্ষিণাঞ্চললৈ খেদি সমগ্ৰ উত্তৰ ভাৰতত ঘাইকৈ গঙ্গা উপত্যকাত বিয়পি পৰিছিল। অৱশেষত ইয়াৰে কিছুমান আৰ্য্যাৱৰ্ত্তৰ পূৰ্ব্বাঞ্চল ভ্ৰমণ কৰি বিহাৰ আৰু উত্তৰ বঙ্গইদি অসম সোমাইছিলহি। দেহৰ আকৃতিৰ পিনৰ পৰ পৰীক্ষা কৰি চালে, অসমত আৰ্য্যৰ তেজৰ সঁতি অতি ক্ষীণ। সম্ভৱতঃ অসমীয়াৰ মাজত বিশুদ্ধ আৰ্য্যগোষ্ঠীৰ মানুহ হৈছে ব্ৰাহ্মণ পণ্ডিতসকল। বিদ্যাবুদ্ধি আৰু উন্নত সংস্কৃতিৰ কাৰণে এইসকলক অনা-আৰ্য্য নৃপতিবৰ্গই ৰাজসভালৈ আনিছিল। এই ব্ৰাহ্মণসকলৰ সৈতে উচ্চ আৰু নিম্নবৰ্ণৰ মানুহো আহিছিল। উদাহৰণ স্বৰূপে অসমৰ কলিতা (কায়স্থ) সকল হৈছে সম্পূৰ্ণৰূপে আৰ্য্য আকৃতিৰ। চাৰ এডৱাৰ্ড গেইটে এইসকলক "দেশৰ স্থানীয় নাৰীৰ গৰ্ভত প্ৰথম আৰ্য্য অনুপ্ৰৱেশকাৰীৰ বংশধৰ" বুলি অনুমান কৰে।

আমাৰ প্ৰদেশত আৰ্য্য মঙ্গোলীয় সংস্কৃতিৰ মিলন ঘটিছিল। অসমৰ বিষয়ে এইটোৱেই হৈছে সবাতোকৈ তাৎপৰ্য্যপূৰ্ণ কথা। সংখ্যাৰ পিনৰ পৰা তাকৰীয়া হলেও আনবোৰ দুৰ্ব্বল সংস্কৃতি-ধাৰাৰ ওপৰত কেনেকৈ প্ৰভাব বিস্তাৰ হৈছিল, তাৰ উদাহৰণ

ইয়াত পোৱা যায়। এনেদৰেই অসমত বৰ্ত্তমান অৱস্থাত মঙ্গোলীয় সকলে কেনেদৰে আৰ্য্য-সংস্কৃত গোষ্ঠীৰ অসমীয়া ভাষা ব্যৱহাৰ কৰে, তাৰ প্ৰমাণ পাওঁ। জনজাতীয় ভাষাৰ ক্ষেত্ৰত আৰ্য্যগোষ্ঠীৰ ভাষা এটাই প্ৰভাৱ বিস্তাৰ কৰাতকৈ ই হিন্দুধৰ্ম্মৰ প্ৰভাৱৰ কথাহে বুজায়। উত্তৰভাৰতৰ ব্ৰাহ্মণ সমাজে সমতলভূমিৰ সকলো জন-জাতীয় মানুহকে হিন্দুধৰ্ম্ম সাৰটি লবলৈ বাধ্য কৰিছিল। এই-সকলৰ ভিতৰত অসমত ছশ বছৰৰ অধিককাল শাসন কৰা শক্তিশালী আহোম সকলো পৰে। নিজৰ ধৰ্ম্ম ত্যাগ কৰি হিন্দুধৰ্ম্ম গ্ৰহণ কৰাৰ উপৰিও এইসকলে আহোম ভাষাও বিস্মৃত হৈছিল। এইসকলে অসমীয়া ভাষা গ্ৰহণ কৰিছিল। বৰ্ত্তমান আহোম ভাষা মৃত ভাষালৈ পৰিণত হৈছে। প্ৰায় আধাডজন দেওধাইৰ (আহোম পুৰোহিত) বাহিৰে আনে এইভাষা সম্ভৱতঃ নাজানে। বড়ো গোষ্ঠীৰ সকলোবোৰ ভাষাৰ ক্ষেত্ৰত এইষাৰ কথা সঁচা। ভিতৰ অঞ্চলৰ কোনো কোনো পুৰুষ-মহিলাই যদিও ৰাভা আৰু কছাৰী ভাষা কয়, তথাপি সময়ত এই ভাষা দুটাও সম্পূৰ্ণৰূপে নিশ্চিহ্ন হৈ যাব, সেই বিষয়ে সন্দেহ নাই। এইবোৰ কথাৰ পৰা অসমৰ জনসমাজৰ এভাগ মানুহ যে জনজাতীয় নাইধা এইসকলৰ মূল পুৰুষ জন যে জনজাতীয়, সেইষাৰ কথা থাৰব কৰিব পাৰি। জনজাতীয় সমাজৰ বহুতেই সংমিশ্ৰণৰ জৰীয়তে তেওঁলোকৰ জনজাতীয় আচাৰ-পদ্ধতি হেৰোৱায়, ভৈয়াম অঞ্চলত বসবাস কৰা মানুহৰ ক্ষেত্ৰত সমজাতীয় এক সংমিশ্ৰণ চলি আছে। সম্পূৰ্ণৰূপে পৰিচিত জনজাতীয় মানুহ আজি পাহাৰতহে পোৱা যায়।

অসমৰ পাহাৰী জনজাতিৰ মানুহ গাৰোপাহাৰ, সংযুক্ত খাছিয়া আৰু জয়ন্তীয়া পাহাৰ, সংযুক্ত মিকিৰ আৰু উত্তৰ কাছাৰ পাহাৰ আৰু মিজো পাহাৰত থাকে। উত্তৰ কাছাৰ পাহাৰত ডিমাছা, কুকি আৰু জেমী নগাসকলৰ লেখীয়া বহুতো জনজাতীয় মানুহ থাকে।

পাহাৰলৈ গোনতে অহা মানুহৰ পৰ্ব্বতীয়া দৃশ্যাৱলী, বাসিন্দা-সকলৰ সৰলতা, উৎফুল্লতা, একাগ্ৰতা, নম্ৰতা, অতিথিপৰায়ণতা,

বলবীৰ্য্য, বৈচিত্ৰ্য আৰু সম্পূৰ্ণৰূপে গণতান্ত্ৰিক চিন্তাধাৰাই দৃষ্টি আকৰ্ষণ কৰে।

কাশ্মীৰৰ বাহিৰে ভাৰতৰ অন্য-ঠাইত অসমৰ পাহাৰ সমূহৰ দৰে মনোৰম প্ৰাকৃতিক দৃশ্য আৰু ক'তো নাই। শ্বিলঙৰ পৰা হাফলঙলৈ ঢৌ খেলি থকা মেহগনি আৰু পাইন গছৰ ঘোৰ অৰণ্যানীৰ মাজেদি মটৰ গাড়ীৰে গতি কৰোঁতে কোনো কোনোৱে তুষাৰ-ধৱল পৰ্ব্বতমালাৰ অবিহনে চুইজাৰলেণ্ডৰ কথা (এইবিষয়ে খাছিয়াসকলৰ বিষয়ে লিখা পুথিত কৰ্ণেল গৰ্ডনে অভিমত দিছে) কল্পনা কৰিব পাৰে। উত্তৰ কাছাৰ পৰ্ব্বত-মালা সোমোৱাৰ লগে লগে চকুত পৰে, সমতলৰ দৃশ্যাৱলী, দ খাল আৰু থিয় পাহাৰ। হাফলঙৰ ডাকবঙলাৰ বাৰান্দাত বহি থাকোঁতে সন্ধিয়া নীল পৰ্ব্বতমালা দূৰণিৰ দিগ্বলয়ত লুপ্ত হৈ যোৱা দৃশ্য, পৰ্ব্বত মালাৰ শিখৰত অস্তমিত সূৰ্য্যৰ শেষ ৰশ্মি পৰি অবৰ্ণনীয় এক সৌন্দৰ্য্যৰ সৃষ্টি হোৱাটো চকুত পৰে।

মিজো জিলাৰ দৃশ্যাৱলী সুকীয়া। খাছিয়া আৰু জয়ন্তীয়া নাইবা উত্তৰ কাছাৰ পাহাৰৰ দৃশ্যাৱলীৰ ৰিজনিত ই কঠিন। জিলাখনৰ দক্ষিণ-পূব অঞ্চলত অৱস্থিত নীল পৰ্ব্বতৰ (সাত হাজাৰ ছশ ফুট) শিখৰৰ পৰা এই দৃশ্য বঢ়িয়াকৈ উপভোগ কৰিব পাৰি। দূৰদূৰণিৰ নিকা দিশৰ পিনে চালে বঙ্গোপসাগৰত সূৰ্য্য জলমলাই উঠা দৃশ্য চকুত পৰা সম্ভৱ।

পৰিৱেশে আমাৰ স্বভাৱ আৰু ব্যক্তিত্বক গঢ় দিয়ে। যিবোৰ পদ্ধতিবিশেষক জনজাতীয় বুলি আখ্যা দিয়া হয়, সেইবোৰৰ পৰিৱেশক জনজাতীয় ৰাইজ বাস কৰা অঞ্চলবিশেষৰ জলবায়ু, মাটিৰ ধৰণ, পৰ্ব্বতমালা আৰু দৃশ্যাৱলীয়ে ৰূপায়িত কৰে। স্কটলেণ্ডৰ লেখীয়াকৈ আনবোৰ দেশৰ দৰে পাহাৰী জীৱন কঠিন। এডোখৰ ভেনেই সংকীৰ্ণ মাটিৰ পৰা মিজো বা জেমী নগা এজনে কেনেদৰে জীৱিকা অৰ্জ্জন কৰে, কল্পনা কৰাটো টান। বাতি নৌ পুৱাওঁতেই গাঁৱৰ মাইকী মানুহে বেতৰ বা

বাঁহৰ পাচি একোটাত কিছুমান বাঁহৰ চুঙা লৈ দিনটোৰ ব্যৱহাৰৰ কাৰণে শ শ ফুট দূৰৈৰ জলপ্ৰপাতৰ পৰা পানী আনিবলৈ যায়। পিঠিত পানীৰ একোটা বোজা লৈ পাহাৰৰ ওপৰলৈ উঠাটো বৰ কষ্টকৰ। উলটি অহাৰ পিছ মুহূৰ্ত্তত জুমখেতিলৈ স্বামীৰ সৈতে ওলাই যোৱাৰ আগতে পৰিয়ালটোৰ কাৰণে তেওঁলোকে ৰন্ধাবঢ়া কৰিবলগীয়া হয়। দুপৰীয়া আধাঘণ্টা মানৰ ভিতৰতে পথাৰলৈ লৈ যোৱা আহাৰ (এই আহাৰৰ ভিতৰত থাকে ভাত, লোন আৰু জলকীয়া) শেষ কৰিবলগীয়া হয় আৰু বেলি বুৰ নোযোৱালৈকে কাম কৰিবলগীয়া হয়। এই কামৰ ভিতৰত হৈছে খেতিৰ যি স্তৰতে নহওক লাগিলে কোৰ মৰা, গুটি সিঁচা, কাঁইট গুচোৱা ইত্যাদি। অলপ সময়ৰ কাৰণে সন্ধিয়া মতামানুহে জিৰণি লয়। এই কণ সময়তে তেওঁলোকে “জু” খায় আৰু নৃত্য কৰে। আনহাতে মাইকী মানুহ ঘৰুৱা কামত যেনে ৰন্ধাবঢ়া, গাহৰী-কুকুৰা আৰু লৰাছোৱালী লালন-পালন কৰা ইত্যাদি কামত ব্যস্ত হৈ পৰে। উৎসৱৰ দিনা “জু” খাই সঙ্গীতৰ তালে তালে মতামাইকী দুয়ো নৃত্য কৰে। আজি কিছুদিনৰ আগলৈকে পাহাৰৰ জনজাতীয় জীৱনৰ এইটো এটা সাধাৰণ কথা আছিল। আন এটা ক্ষেত্ৰত ব্যৱহাৰ কৰা টমাছ গ্ৰেৰ কৱিতাৰ পংক্তি এটাৰে ইয়াক সমুচিত ভাৱে বৰ্ণনা কৰিব পাৰি :

“অজটিল জনসমাজৰ পৰিৱেশৰ বহুদূৰ আঁতৰত, আঁতৰত
সিহঁতৰ গুৰুগম্ভীৰ ভাৱধাৰাৰ কেতিয়াও মৃত্যু নঘটে,
জীৱনৰ শীতল উপত্যকাত,
সিহঁতৰ খৰিয়ালহীন জীৱনধাৰা প্ৰবাহিত হয়।”

“জু” খোৱা, নৃত্যগীত কৰা, ভোজভাত খোৱাটো সকলো জনজাতীয় মানুহৰ লক্ষণ। ইয়াৰ উপৰিও মন কৰিবলগীয়া একেষাৰ কথা হৈছে যে পাহাৰী মানুহ বৰ সঙ্গীতপ্ৰিয়। লুচাইসকলে ভাওনা কৰে, তেওঁলোকৰ সুহুৰি আৰু গীত মাতৰ

কেউদিশৰ পৰ্ব্বতমালাত প্ৰতিধ্বনি উঠে। এই প্ৰতিধ্বনিয়ে অন্তৰত সঙ্গীতৰ জোৱাৰ নমায়। প্ৰতিধ্বনিয়ে, অপেশ্বৰী বা বনকুঁৱৰী যিয়েই নহওক লাগিলে, সঙ্গীত-প্ৰতিভাৰ প্ৰমাণ কৰে বুলি এওঁলোকে ধাৰণা কৰে।

দৈহিক সৌন্দৰ্য্যৰ পিনৰ পৰা খাছিয়া মাইকীমানুহ সমতল-ভূমি নাইবা পাহাৰৰ আন মাইকী মানুহতকৈ অধিক আকৰ্ষণীয়। এওঁলোকৰ গাৰ বৰণ সোণবৰণীয়া। এওঁলোকৰ নিমজ প্ৰতিকৃতিত পশ্চিম এছিয়াৰ বোল আছে। আগতে কৈ অহাৰ দৰে নৃতত্ত্বৰ পিনৰ পৰা খাছিয়া মানুহ অসমৰ আন পাহাৰী জনজাতীয় মানুহৰ সৈতে নিমিলে। এই বিধ উত্তৰ-পূবৰ পৰা অহা মানুহ বুলি ধাৰণা কৰা হয়। আনহাতে খাছিয়া মানুহ আহে দক্ষিণ পূবৰ পৰা। এই সকলৰ মনখেমৰ গোষ্ঠীৰ ভাষা কোৱা মানুহ আজিও কেম্বোডিয়া আৰু পেগুত আছে। নৃতৃত্ত্ববিদ্ সকলৰ মতে খাছিয়া আৰু মালয়েছিয়াৰ মানুহৰ মাজত বিশেষ কিছুমান আচাৰ-পদ্ধতিৰ সাদৃশ্য আছে।

কিছুমান কাহিনীৰ মতে আদিতে গাৰোসকল তিব্বতত বাস কৰিছিল। এই কাহিনীবোৰৰ কথা নধৰিলেও গাৰোসকল তিব্বত-বৰ্মীয় গোষ্ঠীৰ মানুহ। অসমৰ ভৈয়াম অঞ্চলত বাস কৰা জন-জাতীয় মানুহৰ সৈতে এই সকলৰ সাদৃশ্য অধিক। উত্তৰ কাছাৰ পাহাৰ আৰু ত্ৰিপুৰাৰ কোনো কোনো অঞ্চলৰ কথিত ভাষাক "লিংগুইছ্‌টিক্‌ ছাৰ্ভে অব্‌ ইণ্ডিয়া" বোলা কিতাপত গ্ৰীয়েৰছনে বড়ো ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত কৰিছে। ভাষা আৰু আকৃতিৰ পিনৰ পৰা গাৰোসকলৰ কছাৰী সকলৰ সৈতে যথেষ্ট মিল আছে। এই সাদৃশ্য ইমান গভীৰ যে গাৰোসকলৰ বিষয়ে ৰচিত পুথিত মেজৰ প্লেফেয়াৰে এই দুয়োটা জনগোষ্ঠীৰ মানুহ আদিতে একেটা গোষ্ঠীভুক্ত আছিল বুলি কব খোজে। অৱ-শেষত দুটা ফৈদত বিভক্ত হৈ ব্ৰহ্মপুত্ৰৰ উত্তৰাঞ্চলত কছাৰী আৰু দক্ষিণাঞ্চলত গাৰো সিঁচৰতি হৈ পৰিল বুলি কয়।

আদি পুৰুষ মিকিৰ সকলৰ উৎপত্তি এতিয়াও অজানিত। উত্তৰ কাছাৰ পাহাৰত থকা জনজাতীয় মানুহৰ ভিতৰত জেমীসকল নগা পাহাৰৰ পৰা অহা মানুহ। এইসকল কাচ্ছা নগাৰ উপ-গোষ্ঠী অংশ বিশেষ। আনহাতে এইসকল আঙ্গামী নগাৰ এটা প্ৰশাখা। আঙ্গামী নগাৰ মতামানুহ শাৰীৰিক শক্তি আৰু পুৰুষসুলভ সৌন্দৰ্য্যৰ বাবে প্ৰখ্যাত। এই কাৰণেই জেমী নগাৰ মতা পহু পোৱালী যৌৱন আৰু পুৰুষসুলভ আৰ্কষণীয়তাৰ প্ৰতীক। ষোড়শ শতিকাৰ আৰম্ভনীত আহোমৰ দ্বাৰা পৰাজিত, উজনি অসমৰ শাসনকৰ্ত্তা কছাৰীৰ বংশধৰ হৈছে ডিমাছা। উত্তৰ কাছাৰ পাহাৰলৈ মিজো-পাহাৰৰ পৰা দুটা সোঁতত বিভক্ত হৈ কুকি সকল আহে। মিজো পাহাৰৰ পৰা এইসকল অধিক শক্তিশালী লুচাই সকলৰ দ্বাৰা বিতাৰিত হয়। লুচাইসকল ব্ৰহ্মদেশৰ চীন পৰ্ব্বতৰ পৰা ইয়ালৈ আহে।

সকলো পৰ্ব্বতীয়া জাতিৰ মাজত যদিও আহিঁ সমজাতীয়, তথাপি ঘৰুৱা-জীৱন, পদ্ধতি আৰু বিশ্বাসৰ ক্ষেত্ৰত এইসকলৰ মাজত কিছুদূৰ স্থানীয় পাৰ্থক্য নথকা নহয়। পথাৰৰ পৰা কঠোৰ শ্ৰমৰ অন্তত জিৰণি লোৱা, 'জু' খোৱা, নৃত্য-গীত কৰা, ভোজভাত খোৱা, মাছধৰা আৰু চিকাৰ কৰা, এইবোৰ সকলো জনজাতীয় মানুহৰ প্ৰকৃতিগত অভ্যাস। ইয়াৰ উপৰিও পৃথক কৰা প্ৰত্যেক জনজাতীয় সমাজৰ নিজস্ব কিছুমান বিশেষত্ব আছে। উদাহৰণ স্বৰূপে গাৰো-পাহাৰ জিলাৰ উপায়ুক্ত এজনে সঠিক মন্তব্য কৰিছিল: "প্ৰত্যেকজন গাৰোৰ জীৱন দায় দিয়াত বা লোৱাত অতিবাহিত হয়। পঞ্চাছ বছৰৰ পূৰ্ব্বে এজন মানুহৰ আজু ককাকক যেনিবা হত্যা কৰা হ'ল, হত্যাকাৰী জনৰ উত্তৰাধিকাৰী জনৰ পৰা এওঁ দায়ৰ বাবে ধন বিচাৰে। আৰু এই ধন যদি দিয়া নহয় তেতিয়াহলে উত্তৰাধিকাৰী জনৰ উত্তৰাধিকাৰী জনেও ধন বিচাৰে।" আন বহুতো পাহাৰী জিলাত ভুক্তভোগী জনক ধন দি মীমাংসা কৰা হয়। তথাপি এই ৰীতি গাৰোপাহাৰত প্ৰচলিত ৰীতিৰ দৰে কটকটীয়া নহয়।

জনজাতীয় সমাজত বিবাহ-পদ্ধতি, উত্তৰাধিকাৰীত্বৰ নিয়ম ইত্যাদি সুকীয়া। গাৰো আৰু খাছিয়া সমাজত মাতৃ-প্ৰথা বিদ্যমান। সাৰ্ব্বজনীন মাতৃ এগৰাকীৰ পৰা জন্ম হোৱাটো ধাৰণা কৰা হয়। নাৰীজাতিৰ জৰীয়তে ই প্ৰবৰ্ত্তমান হৈ থাকে। বিবাহৰ পিছত স্বামী পত্নীৰ ঘৰত বাস কৰিবলগীয়া হয়। ইয়াৰ অন্যথা কেতিয়াও নহয়। কনিষ্ঠা জীয়ৰীয়ে সকলো সা-সম্পত্তি পায়। গাৰোসকলৰ সমাজত জোঁৱাই যেতিয়া পত্নীৰ গৃহত বাস কৰিবলৈ যায়, তেতিয়া সি তাৰ শহুৰেকৰ নক্ৰম, অৰ্থাৎ পিতৃগোষ্ঠীৰ প্ৰতিনিধি হয়। শহুৰেকৰ মৃত্যুৰ পিছত নক্ৰমজনে বিধবা শাহুৰেকক বিয়া কৰায়। এইদৰেই মাতৃ আৰু কন্যা উভয়ৰে তেওঁ স্বামী হয়। এইটো আচৰিত হব লগা পদ্ধতিবিশেষ। আন জনজাতীয় সমাজত বিজনি দিব পৰা এনে কোনো পদ্ধতি নাই।

আনবোৰ পাহাৰী জনজাতীয় সমাজ হৈছে পিতৃপ্ৰধান। বিবাহৰ মূল্য দি লুচাই, জেমী নগা আৰু কুকিয়ে পত্নীক ক্ৰয় কৰিবলগীয়া হয়। এই মূল্য মেথোনৰ (বনৰীয়া বলধ বা গাই) সংখ্যাৰে নিৰ্ণয় কৰা হয়। পত্নীৰ দোষৰ কাৰণে যদি বিবাহ-বিচ্ছেদ হয়, তেতিয়া হলে কন্যাৰ পিতাকে বিবাহৰ মূল্য ঘূৰাই দিব লগা হয়। আনহাতে স্বামীৰ দোষৰ কাৰণে বিবাহ-বিচ্ছেদ যদি হয়, তেতিয়াহলে মূল্য তেওঁ ঘূৰাই নাপায়। আমি পাহাৰত পুৰুষতকৈ নাৰীৰ জীৱন অধিক কষ্টকৰ বুলি যদি ধৰি লওঁ, তেতিয়াহলে পিতৃপ্ৰধান জনজাতীয় সমাজত ছোৱালীয়ে বিবাহৰ মূল্যবিচৰা পদ্ধতিবিশেষৰ কথা বুজিবলৈ সহজ হয়। পথাৰত কাম কৰিব লগীয়া নোহোৱা যুৱকে মুক্তভাৱে অৰণ্যত চিকাৰ কৰা, মাছধৰা, মদ্যপান কৰা, নৃত্যগীত কৰা, প্ৰেমকাৰ্য্যত মুক্তভাৱে লিপ্ত থকা, আদি কামত ব্যস্ত থাকে। আনহাতে পুৱাৰ পৰা সন্ধিয়ালৈকে মাকক ঘৰুৱা বনবাবী কৰা আৰু পুৰুষৰ কামকাজত সহায় কৰা কাৰ্য্যত ছোৱালী ব্যস্ত থাকিব লগীয়া হয়। এই কাৰণেই কুমাৰী ছোৱালী একোজনীক পৰিয়ালৰ বিশেষ

সম্পদ বুলি ভবাটো আৰু যুক্তিপূৰ্ণ মূল্যৰ অবিহনে দান কৰাটো উচিত নহয় বুলি ধাৰণা কৰাটো আচৰিত কথা নহয়।

সকলো জনজাতীয় মানুহৰ মাজত বিবাহ-বিচ্ছেদ সহজ। গাৰোসমাজত সৰ্ব্বসম্মতি ক্ৰমে নিৰ্দ্ধাৰিত ষাঠি টকা ৰূপ বা তেনেধৰণৰ দায় মোচন কৰিলে বিবাহ-বিচ্ছেদ সম্পাদিত হোৱাটো সাধাৰণ নিয়ম। খাছিয়া সমাজত ই আৰু সহজ। সাক্ষী আগত লৈ স্বামীয়ে পত্নীক পাঁচোটা কড়ি বা পাঁচোটা পইচা দিয়ে। এইদৰে পত্নীয়েও দিয়ে। স্বামীয়ে সেই দহোটা কড়ি হাতত লৈ মাটিত থেকেচা মাৰি দিয়ে। এইদৰেই বিবাহ-বিচ্ছেদ সম্পূৰ্ণ হয়।

খাছিয়া আৰু জয়ন্তীয়া (চিংটেং) সমাজত বিবাহ-বিচ্ছেদ এনে সাধাৰণ বস্তু যে কোনো কোনো সময়ত সন্তানেও আনকি নিজৰ পিতৃৰ কথা নাজানে। বিবাহ-বিচ্ছেদৰ ক্ষেত্ৰত এনে তবহুৰ সহজ ব্যৱস্থা থকা সত্বেও কৰ্ণেল গৰ্ডনে এনেদৰে কয়: "সাধাৰণ সম্প্ৰদায়ৰ মাজত বিবাহ-বিচ্ছেদৰ যি কুফল, অৰ্থাৎ বিবাহৰ জৰীয়তে জন্ম পোৱা সন্তানৰ ওপৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে খাছিয়াসকলৰ ধাৰণা অতি অস্পষ্ট। সন্তানসন্ততি মাতৃৰ লগত থাকে। বিবাহ-বিচ্ছেদৰ ক্ষেত্ৰত ইহঁতক মাতৃৰ পৰিয়ালে ভৰণ-পোষণ দিব লগা হয়।"

বিবাহ আৰু বিচ্ছেদৰ সহজ ৰীতি-পদ্ধতিৰ পৰা পাহাৰী জনজাতীয় মানুহৰ যৌন-বিষয়ক ধাৰণা যে বিজ্ঞানসম্মত আৰু উদাৰ, সেইবিষয়ে অনুমান কৰিব পাৰি। অবিবাহিত লৰাছোৱালীৰ প্ৰায় জীৱনৰ ক্ষেত্ৰত হেঙাৰ দিয়া নহয়। আনকি বিবাহপূৰ্ব্বৰ গৰ্ভধাৰণকো বেয়াচকুৰে চোৱা নহয়। নাৰীসমাজৰ ক্ষেত্ৰত বিবাহৰ পিছত বিশেষকৈ এক যৌন মানদণ্ড বিচৰা হয়। এইষাৰ কথা জেমী নগা আৰু আন নগা জনজাতিৰ মাজত বিশেষকৈ প্ৰবৰ্ত্তমান। বিবাহিতা নাৰীৰ বলাৎকাৰক মানুহ হত্যাতকৈ অধিক ঘৃণনীয় বুলি ধৰা হয়। "দি নাগাপাঠ" বোলা কিতাপত প্ৰাহামবাৱাৰে চিত্তাকৰ্ষক বৰ্ণনা এটা দিছে। কেনেকৈনো গাঁৱৰ বয়সস্থ সকলে বলাৎকাৰ-

কাৰী এজনক গাঁৱৰ আন ডেকা লৰাই খুছি মৰাৰ পৰা ৰক্ষা কৰিলে আৰু ৰাজহুৱা ন্যায় ৰক্ষাৰ্থে সেই মানুহটোকে এইসকলে কেনেকৈ গাঁৱৰ পৰা বিতাৰিত কৰিলে, তাৰ সুন্দৰ বৰ্ণনা কিতাপখনত আছে।

বন্যজন্তু চিকাৰ, মাছধৰা ইত্যাদিৰ উপৰিও কিছুমান দিনৰ আগলৈকে গাৰো আৰু নগাসমাজত মূৰ কটা প্ৰথা প্ৰচলন আছিল। ভৈয়াম অঞ্চলত মানুহ হত্যা কৰাৰ উপৰিও বলি দিবলৈকো মানুহ লাগিছিল। ১৮৭৪ চনত হে গাৰো পাহাৰত সম্পূৰ্ণৰূপে মূৰ কটা প্ৰথা নিৰ্ম্মূল কৰা হয়। সেই বছৰতে জিলাৰ সদৰঠাই তুৰাৰ পৰা কেইমাইল মান দূৰৈৰ ৰংৰেনগিৰি বোলা ঠাই এডোখৰত জিলাৰ উপায়ুক্তৰ ওচৰত দুশত কৈয়ো অধিক মানুহৰ মূৰৰ খোলা দিয়া হয়।

কুকিৰ বাহিৰে জনজাতীয় আন সমাজত মূৰ কটা প্ৰথাৰ প্ৰচলনৰ কোনো প্ৰমাণ নাই। কিছুদিনৰ আগলৈকে বৃটিছ শক্তিৰ দ্বাৰা সম্পূৰ্ণৰূপে কৰায়ত্ত কৰা লুচাইসকলে নামনি অঞ্চলত আক্ৰমণ কৰিছিল। কিন্তু এইসকল, মানুহৰ মূৰ অনাতকৈ বন্দী অনাত হে অধিকভাৱে ব্যস্ত আছিল। বিশেষ ভাৱে খাছিয়া আৰু জয়ন্তীয়া পাহাৰত নৰবলি প্ৰচলিত আছিল। জয়ন্তীয়া সকলে ভৈয়ামৰ তান্ত্ৰিক হিন্দুৰ পৰা সম্ভৱতঃ এইটো বস্তু পাইছিল। গুৱাহাটীৰ ওচৰৰ কামাখ্যা পাহাৰত নৰবলি হৈছিল। সেইদৰে হিন্দুধৰ্ম্ম গ্ৰহণ কৰোঁতা মিৰিসকলে সদিয়াৰ ওচৰৰ ভয়ঙ্কৰী দেৱীৰ তাম্ৰেশ্বৰী মন্দিৰত নৰবলি দিছিল বুলি জনা যায়। কৰ্ণেল গৰ্ডনৰ মতে, আদিতে জয়ন্তীয়া সকলে দেৱী স্বৰূপে পূজা কৰা কপিলী নৈৰ উদ্দেশ্যেৰে এনে তৰহৰ নৰবলি দিছিল। জয়ন্তীয়া পাহাৰত গৰম পানী বোলা ঠাইডোখৰৰ ওচৰৰ কপিলী নৈৰ পাৰত এতিয়াও নৰবলি দিয়া শিলাখণ্ড দেখা যায়।

খাছিয়া সকলৰ মতে, প্ৰচলিত নৰবলি প্ৰথা আচৰিত ধৰণৰ এক অনুষ্ঠান। খাছিয়াৰ মাজত উ থেন্ নামেৰে লিখা বিৰাট এটা সৰ্পৰ আখ্যান আছে। এই সৰ্প-দেৱতাক নৰবলিৰ দ্বাৰাইহে সন্তুষ্ট কৰিব পাৰি বুলি এক ধাৰণা বিদ্যমান। কৰ্ণেল গৰ্ডনৰ কিতাপৰ

পৰা লোৱা লোমহৰ্ষক আখ্যানটোৰ বিষয়ে নিম্ন উল্লিখিত বিবৰণত পোৱা যায়। "এসময়ত চেৰাপুঞ্জীৰ ওচৰৰ মানুহ আৰু জন্তুৰ-মাজত আতঙ্কৰ সৃষ্টি কৰা বিবাট এটা সৰ্প বা থে্‌ন গুহা এটাত বাস কৰিছিল। এবাৰ লগত এজাক ছাগলী লৈ সাহসী মানুহ এজন গুহালৈ নামি যায়। থে্‌ন দেৱতাক এটা এটাকৈ ছাগলী দিয়ে। ক্ৰমাৎ সাপটোৰ সহৃদয়তা বৃদ্ধি পায়। মানুহটোৰ কথামতে, মাংসৰ লোভত ই মুখ মেলি দিবলৈ ধৰিলে। ক্ৰমাৎ ভুয়োজনৰ [illegible]ত বিশ্বাস হলত উ-চুড-নোহ নামৰ দেৱতা এজনৰ (এইজনাৰ বাসভূমি হৈছে, চোহৰাৰিম বোলা ঠাই এডোখৰৰ দাঁতি কাষৰীয়া অৰণ্য এখন) পৰামৰ্শ অনুসাৰে কমাৰ শালত লো এডোখৰ গঢ়াই লৈ আগৰ দৰে সাপটোক মুখ মেলিবলৈ কলে। বঙা লো ডোখৰ তাৰ মুখৰ ভিতৰত ভৰাই তাক হত্যা কৰা হল। ইয়াৰ পিছত সাপটো কাটি ডোখৰ বোৰ ৰাইজক খাবলৈ অনুৰোধ জনাই সি কেউপিনে ছটিয়াই দিলে। য'তেই তেওঁৰ আদেশ মান্য কৰা হল, ত'তেই ঠাই-ডোখৰ সাপমুক্ত হল। ইয়াৰে ভেনেই সৰু মাংস এডোখৰ থাকি গল। এই ডোখৰ মাংস কোনেও খাব নোৱাৰিলে। ইয়াৰ পৰাই বহু সৰ্পৰ উদয় হৈ চেৰা আৰু দাঁতি কাষৰীয়া মানুহৰ মাজত ঠাই ললে। যদিও মাজেসময়ে নিজেই যায়, তথাপি মানুহৰ ঘৰত সাপে বাঁহ ললে, সেই সাপ আঁতৰাবলৈ টান। ই পৰিয়ালক কোনোবাই উপহাৰ দিয়া বা বিক্ৰি কৰা সা-সম্পত্তি বিচাৰিবলৈ লয়। সাপে সম্পত্তি ভাল পায়। মানুহৰ তেজৰ সলনি সম্পত্তি বৃদ্ধি কৰিবলৈ গাত লয়। এই ক্ষুধা মাজে মাজে উক দিয়ে। ইয়াৰ প্ৰমাণ হৈছে চহকী পৰিয়ালৰ কোনোজনৰ অসুস্থতা, কোনোজনৰ ব্যৰ্থ অভিযান নাইবা সমূহ পৰিয়ালৰ দৰিদ্ৰতা। নৰবলিৰ দ্বাৰা এই ক্ষুধা নিবাৰণ কৰিব পাৰি। নৰহত্যাকাৰী জনে বলি দিব লগা মানুহজনৰ পৰা কপৰ-কেচীৰে চুলি একোছা কাটে। এইদৰে হাতৰ আঙুলিৰ নখো কাটে। ইয়াৰ পিছত অলপমান নাকৰ তেজ উলিয়াই বাঁহৰ চুঙা এটাত ৰখা হয়। এই সকলো বস্তু সৰ্পদেৱতালৈ উছৰ্গা কৰা হয়। বলি—

দিওঁতাজনক উ নংচেনোহ বোলা হয়। ইয়াৰ অৰ্থ হৈছে ঢোল কোবাওঁতা। অভিযান পূৰ্ণ কৰাৰ পূৰ্ব্বেই তেওঁ কা এড্ টাং-ছি-স্নেম্ (এবছৰৰ কাৰণে সংৰক্ষিত মদ) বোলা এবিধ মদ খায়। ধাৰণা কৰা হয় যে এই মদে হত্যাকাৰীক সাহস আৰু সৰ্প দেৱতাক বিশেষ বলিৰ নিৰ্ণয় কৰা ক্ষমতা দিয়ে। ইয়াৰ পিছত হাতত সৰু এডাল গজাল লৈ নংচেনোহে আচল বলিজনক বিচাৰি আগবাঢ়ে। এই কাৰণে এইজনাৰ নাম নংচেনোহ হল, অৰ্থাৎ যি হত্যা কৰে। বলিজনক লোৰ অস্ত্ৰেৰে নিধন কৰাটো দোষণীয় কথা। কাৰণ, লোৰ অস্ত্ৰেৰে থে্লন দেৱতাক হত্যা কৰা হৈছিল। ওপৰত কৈ অহা ৰূপৰ কেছীখন, মৃতকৰ নাক বিন্ধাবলৈ ৰূপৰ শলখা এডাল, আৰু তেজ ধৰিবলৈ সৰু বাঁহৰ চুঙা এটা হাতত লৈ যোৱা হয়। উখাওটিন্‌ডেপ্ নামৰ মন্ত্ৰৰে শোধিত হালধীৰে মিহলি ভাত অলপ নংচেহনোহে লগত লৈ যায়। হত্যাকাৰী জনক বলিৰ আগত ইয়াৰে অলপ ভাত দিয়ে। ইয়াৰ উদ্দেশ্য হৈছে বলিক বলিৰ কাৰণে প্ৰস্তুত কৰাটো। তেতিয়া ই নংচেনোহৰ কাৰণে সহজ হৈ পৰে। বহুতো কাৰণৰ বাবে বলিক সহজে নিধন কৰাটো সাধাৰণ কথা নহয়। তেতিয়া নং চেনোহে তলত উল্লেখ কৰা উপায় অৱলম্বন কৰে। তেওঁ বলিৰ অলপ চুলি নাইবা কাপোৰৰ আগ এডোখৰ কাটি থে্লইনৰ উদ্দেশ্যে উছৰ্গা কৰে। চুলিৰ নাইবা কাপোৰৰ আগ এডোখৰ নং চেনোহে কাটি থে্লইনৰ উদ্দেশ্যে উছৰ্গা কৰাটো বলিৰ কাৰণে দুৰ্ভাগ্যজনক কথা। ক্ৰমাৎ শুকাই ক্ষীণাই এওঁ মৃত্যুৰ মুখত পৰে। কেতিয়াবা নং-চেনোহে বলিৰ সমুখত শিলগুটি ছটিয়ায় নাইবা বলিৰ ঘৰৰ দুৱাৰত নিশা ঢকিয়ায়। ইয়াৰ পিছত ঘৰলৈ উলটি আহি সৰ্পদেৱতাক আহ্বান জনাই অকৃতকাৰ্য্য হল বুলি কয়। কিছু সময়ৰ কাৰণে থে্লন দেৱতা সন্তুষ্ট হয়। অৱশেষত দেৱতাজন আকৌ সক্ৰিয় হয় আৰু মানুহ জনৰ পৰিয়ালৰ কাৰোবাৰ বেমাৰ পেলায়। মানুহৰ তেজ নোপোৱাৰ কাৰণে এইদৰে অতৃপ্তি ঘোষণা কৰে। থে্লইনে সৃত্তা এডালৰ সমান হব পাৰে। সেই কাৰণেই নং-ৰী থে্লন বা থে্লনৰ

ৰথীয়াজনে ঘৰৰ কোনোবা নিৰাপদ চুকত খৰাহি নাইবা কলহ এটাত সৰ্প দেৱতাক বন্দী কৰি থয়। থে্নলৈ উছৰ্গাৰ সময় যেতিয়া আহে, তেতিয়া মাজনিশা ভাল ক্ষণ এটা থিৰাং কৰি ৰথীয়াজনৰ ঘৰৰ মজিয়াত দামী কাপোৰ পৰা হয়, ফুলাৰ মেলি থোৱা হয়। আৰু এখন পিতলৰ কাঁহিত মজিয়াত বলিৰ তেজ, চুলি বা কাপোৰ এডোখৰ থোৱা হয়। কাঁহিখনৰ চাৰিওফালে পৰিয়ালৰ মানুহ গোট খায়। সেই পৰিয়ালৰ সবাতোকৈ বয়সস্থ জনে সৰু চোল এটাত চাপৰ মাৰি থে্ইন দেৱতাৰ উদ্দেশ্যেৰে কয় "কো' নী কো' কাপা (মোমাই হেবা, পিতাই হেবা) ওলাই আহাঁ। তোমালৈ এইয়া আহাৰ সজাই থৈছোঁ। তোমাক সন্তুষ্ট কৰিবলৈ যিমান পাৰো সিমান যত্ন কৰি অৱশেষত কৃতকাৰ্য্য হৈছোঁক। আমাৰ স্বাস্থ্য আৰু সম্পত্তি বাঢ়িবলৈ আশীৰ্ব্বাদ দিয়া"। লুকাই থকা ঠাইৰ পৰা থে্ইন ওলাই আহি, সৰ্পৰূপ ধাৰণ কৰি কাঁহিৰ ওচৰলৈ আহি আশাৰে বাট চাই থাকে। প্ৰেতাত্মা ওলাই কাঁহিখনত থিয় হৈ হাঁহিবলৈ ধৰে, তেতিয়া সৰ্প দেৱতাই প্ৰেতাত্মাক ভৰিৰ পৰা ধৰি একালৰ পৰা খাবলৈ ধৰে। বলিয়েও হাঁহি থাকে। লাহে লাহে দেৱতাজনে বলিৰ সৰ্ব্বশৰীৰ গ্ৰাস কৰে। যিজন মানুহৰ চুলি নাইবা কাপোৰ কাটি অনা হয়, সেইজন মানুহৰ এই প্ৰেতাত্মাটো যদি হয়, তেন্তে মানুহজনৰ ততালিকে মৃত্যু হয়। পাহাৰৰ বহুতো পৰিয়ালকে থে্ইন দেৱতাক আশ্ৰয় দিয়া হৈছে বুলি সন্দেহ কৰা হয়। ভয় কৰি এই সকলক এৰৰীয়া কৰাও হয়। বিশ্বাসটো মানুহৰ মাজত অতি দকৈ শিপাইছে। শ্বিলং বা চেৰাপুঞ্জীৰ লেথীয়া ঠাইত নং চেনোই পায় বুলি সন্ধিয়া খাছিয়া সকল আজিও অকলে ওলাই যাবলৈ ভয় কৰে। জয়ন্তীয়া পৰ্ব্বতত কা টাৰোহ্ বোলা ভূত এটাই পালে মানুহৰ বা পৰিয়ালৰ সকলো ধন, আ-অলঙ্কাৰ সা-সম্পত্তি যেনেকৈ বিসৰ্জ্জন দিব লগা হয়, সেইদৰে থে্ইন সৰ্পদেৱতাক ঘৰ বা পৰিয়ালৰ বাহিৰ কৰিব লগা হলে সকলো বিসৰ্জ্জন দিব লগা হয়। কেনেবাকৈ থে্ইন দেৱতাই পিছ লয় বুলি এই সম্পত্তি কোনেও

চুবলৈ সাহস নকৰে। বিশ্বাস এটা আছে—থে্ল্ইন দেৱতাই ছিয়েমৰ ফৈদত প্ৰৱেশ কৰিব নোৱাৰে। সেই কাৰণে থে্ল্ইনৰ ৰখীয়াৰ সা-সম্পত্তি কেৱল ছিয়েমেহে ভোগ কৰিব পাৰে। অলপ আগতে শ্বিলঙলৈ অহা মুছলমান বন্ধুৱা এজন খাছিয়া ছোৱালী এজনীৰ প্ৰেমত পৰি তাইৰ ঘৰত থাকিবলৈ লয়। লগৰীয়া সকলক কোৱা নিম্ন-উল্লিখিত কথাষাৰে থে্ল্ইন দেৱতাৰ বিষয়ে এনে ধাৰণা সম্পূৰ্ণ-ৰূপে লুপ্ত পোৱা নাই যে সেইষাৰ কথা সাব্যস্ত কৰে। "বিয়াৰ কিছুদিনৰ পিছত তেওঁ আৱিস্কাৰ কৰিলে যে খাছিয়া পত্নীৰ মাকে ঘৰত এটা ভূত পুহিছে। ভূত টো এবাৰ দেখুৱাবলৈ তেওঁ বাৰে বাৰে পত্নীক অনুৰোধ কৰিলে। পত্নী অলৰ অচৰ। অৱশেষত তেওঁৰ পৰা ভালমতে প্ৰতিশ্ৰুতি গ্ৰহণ কৰি, কাকো নকবলৈ কৈ ঘৰৰ চুক এটালৈ নি সৰু এটা বাকচ দেখুৱালে। সেই বাকচটোত ঘড়ীৰ ডাঁৰ এডালৰ সমান সৰু এডাল সাপ আছিল। সাপটোৰ মূৰত হাত বুলাই দিয়াৰ লগে লগে তৎক্ষণাৎ ফণাৰে সৈতে সাপটো এটা ফেঁটী সাপ হল। ভয় খাই স্বামীয়ে ভূতটোক নোজোকাবলৈ পত্নীক খাটিলে। আকৌ হাত বুলাই দিয়াৰ লগে লগে সাপটো সৰু হৈ বাকচত আৱদ্ধ হল।"

চেৰা, নংক্ৰেন আৰু মিলিয়াম ছিয়েম-ৰাজ্যত থে্ল্ইন দেৱতাক আৰু থে্ল্ইনৰ ৰখীয়া সকলক বৰ ভয় কৰা হয়। আনকি কিবা অশুভ হয় বুলি এওঁলোকৰ নামকে উচ্চাৰণ নকৰে। সম্ভৱতঃ এইটো ধাৰণা অতি প্ৰাচীন। থে্ল্ইন সৰ্পদেৱতাৰ উদ্দেশ্যেৰে যি বলি দিয়া হয়, সেই বলি সম্ভৱতঃ আদিতে সৰ্পদেৱতাৰ উদ্দেশ্যেৰে কম্বোদীয়-বাসীসকলে দিছিল। ফ'বছৰ মতে, এই অঞ্চল বিশেষ "নিঃসন্দেহে মন সকলৰ আদিমতম বাসস্থান"।

পাহাৰী জনজাতিৰ মাজত প্ৰচলিত জড়োপাসনাৰ স্থানীয় ব্যতিক্ৰমসমূহে হিন্দু ধৰ্ম্মৰ সৈতে ইয়াৰ সৰ্ব্বসাধাৰণ ঐক্য স্থাপন কৰে। এওঁলোকে এজন পৰমেশ্বৰক (উদাহৰণ স্বৰূপে, লুচাই সকলৰ পাথীয়ান আৰু গাৰো সকলৰ তাঁতৰা ৰেবুজা) বিশ্বাস কৰে।

এই জনাৰ অধীনত বহুতো দেৱদেৱী আছে। অশুভ পৰিণতি আৰু বিপদ আপদ নিৰ্ম্মূল কৰিবলৈ এই সকলক পশু পক্ষী আদিৰ বলি দি তৃপ্ত কৰিবলগীয়া হয়। অসমৰ ভৈয়াম অঞ্চলত কামাখ্যা মন্দিৰক কেন্দ্ৰ কৰি উৎপত্তি লাভ কৰা তান্ত্ৰিক ধৰ্ম্মই এই অঞ্চলবোৰৰ জনজাতীয় ৰাইজৰ ধাৰণা আৰু ৰীতি নীতি প্ৰভাৱান্বিত কৰিছিল। আন ভাষাত কবলৈ গলে, হিন্দুধৰ্ম্মৰ পদ্ধতি বিশেষৰ ওপৰত জনজাতীয় ৰাইজৰ প্ৰভাৱ যথেষ্ট। ওচৰচুবুৰীয়া জনজাতীয় মানুহক সম্ভৱতঃ আকৰ্ষণ কৰাৰ মানসেৰে পুৰোহিতে এইবোৰক গ্ৰহণ কৰিছিল। যুগে যুগে হিন্দুধৰ্ম্মৰ মূল মন্ত্ৰ হৈছে গ্ৰহণ, ধৰ্ম্মান্তৰ নহয়। যুগৰ কোনো এটা ক্ষণতেই নিজৰ মতলৈ অনাৰ উদ্দেশ্যেৰে হিন্দুৱে আনক কেতিয়াও ধৰ্ম্মান্তৰ কৰিবলৈ বিচৰা নাছিল। কছাৰী আৰু আহোম সকলৰ লেখীয়াকৈ বৃটিছ আৰু খৃষ্টিয়ান মিছনেৰী সকল অসমলৈ অহাৰ পূৰ্ব্বে এইটো উপায়েৰে বহুতো জনজাতীয় মানুহ অসমীয়া হিন্দুধৰ্ম্মত খাপ খাই পৰিলহেঁতেন। সমাজ আৰু প্ৰশাসনীয় গণতন্ত্ৰ হৈছে অসমৰ পাহাৰী জনজাতীয় জীৱনৰ মূল আধাৰ। কেইটামান সাধাৰণ উদাহৰণ নধৰিলেও কব পাৰি, মাটি সম্প্ৰদায়ৰ, ব্যক্তিৰ নহয়। যদিও কিছুদিনৰ আগলৈকে গাৰোপাহাৰত নোকমা (গাঁওবুঢ়া), খাছিয়া আৰু জয়ন্তীয়া পাহাৰত ছিয়েম, দলৈ নাইবা ৰজা, লুচাই পাহাৰত মুখীয়াল জন সকলো মাটিৰ অধিকাৰী আছিল, তথাপি, গাঁৱৰ মানুহে ইচ্ছা অনুযায়ী মাটি চহাব পাৰিছিল। সমাজত উচ্চ আৰু নিম্ন বোলা কোনো পাৰ্থক্য নাছিল। ঐশ্বৰ্য্য-সম্পদ বা উপাৰ্জ্জনে সামাজিক সা-সুবিধা নিদিছিল।

ওচৰচুবুৰীয়াই এসময়ত ৰজা বুলি ভবা ক্ষমতাশালী লুচাই মুখিয়াল নাইবা খাছিয়া ছিয়েম অতি সাধাৰণ ব্যক্তি আছিল। এই সকল সবাতো লাঞ্ছিত জনৰ লেখীয়া আছিল। বলীজনে নিৰ্ব্বলী জনক কৰাৰ দৰে গাঁৱৰ আন দুখীয়া নিচলাক ধনীজনে সহায় কৰিবলৈ প্ৰস্তুত আছিল। আচলতে ৰাইজৰ ওপৰত

কৰ্তৃত্ব অটুট ৰখা লুচাই মুখিয়াল জন গাঁৱৰ আনমানুহৰ পিতৃ-স্বৰূপ আছিল। অভাৱ অনাটনৰ সময়ত গাঁৱৰ কোনোবা মানুহে যদি মুখিয়ালৰ ভঁৰালৰ পৰা ধানো চুৰ কৰিছিল, সেই কাৰ্য্য অপৰাধ বুলি ধৰা নহৈছিল।

জনজাতীয় সমাজত প্ৰশাসনীয় ব্যৱস্থাত গণতান্ত্ৰিক ৰীতি-পদ্ধতি প্ৰকাশ পাইছিল। খাছিয়া ছিয়েম আছিল বিধানসম্মত নৃপতি। স্বতন্ত্ৰ-ভাৱে কোনো সিদ্ধান্ত এওঁলোকে লব নোৱাৰিছিল। এওঁলোকৰ হৈ সাধাৰণতে মন্ত্ৰীয়েহে সকলো সিদ্ধান্ত লৈছিল। লুচাই মুখিয়াল সকল যথোচিত-ভাৱে যদিও পৰাক্ৰমী আৰু কৰ্তৃত্বশীলব্যক্তি আছিল, তথাপি এই সকলেও গাঁৱৰ উপচ (বুঢ়ামেথা) সকলৰ সিদ্ধান্ত দলিয়াই পেলোৱা মানে নিজৰ বিপদ মাতি অনাটোহে বুজায়। মুখিয়াল বা ছিয়েমক উত্তৰাধিকাৰ সুত্ৰে যদিও প্ৰশাসনৰ গুৰিয়াল পতা হয়, তথাপি প্ৰশাসন-ব্যৱস্থা আছিল সম্পূৰ্ণৰূপে গণতান্ত্ৰিক। মুখিয়াল বা দলপতি নিৰ্ব্বাচনৰ ক্ষেত্ৰত জনজাতীয় ৰীতি অনুসাৰে উত্তৰ কাছাৰ পাহাৰত উত্তৰাধিকাৰীত্ব আৰু নিৰ্ব্বাচন, ছুয়োটা পদ্ধতিৰে প্ৰচলন আছে। গাঁৱৰ সকলো পুৰুষ ব্যক্তিয়ে সহযোগ কৰা আদালতত মুকলিভাৱে গোচৰ শুনা যায়। বিচাৰৰ কাৰণে আনকি কোনো কোনো অঞ্চলত মাইকী মানুহো উপস্থিত থাকে। সিদ্ধান্ত গাঁৱৰ মুখিয়াল বা উপদেষ্টা সকলৰ নহৈ সমূহ গাঁৱৰে বুলি পৰিগণিত হৈছিল। প্ৰশাসনীয় এই ৰীতিয়ে ৰাইজৰ মন যথোচিত ভাৱে আকৰ্ষিত কৰিছিল। এই ব্যৱস্থাত তেওঁলোক সুখীও আছিল। পৃথিৱীৰ অৰ্দ্ধভাগত শাসন বিস্তাৰ কৰোঁতা বৃটিছে স্থানীয় এনে প্ৰশাসনীয় ব্যৱস্থাৰ ওপৰত হেতাওপৰা কৰা নাছিল। নাইবা ইয়াক ধ্বংস কৰিবলৈকো যত্ন কৰা নাছিল। গাঁৱত বয়সস্থ জন নাইবা গাঁওবুঢ়াৰ হাতত সকলো প্ৰশাসনীয় অধিকাৰ ন্যস্ত কৰা হৈছিল। জিলাধিপতি বা মহকুমাধিপতিয়ে এনেবোৰ বিচাৰত ভাগ লয় যেনে, সীমাবিবাদ, বা ৰাজনৈতিক হত্যাকাণ্ডৰ বিষয়ত।

স্বাধীনতাৰ পৰিপ্ৰেক্ষিতত পৰ্ব্বতীয়া প্ৰশাসনীয় বিধিব্যৱস্থাৰ বহুতখিনি পৰিবৰ্ত্তন ঘটিছে। সংবিধানৰ ষষ্ঠচ্ছেদ অনুসাৰে জিলা পৰিষদ বোৰ সৃষ্টি হলত পূৰ্ব্বৰ আচহুৰা দলীয় ৰাজনীতিয়ে পাহাৰত প্ৰৱেশ কৰিছে। ইয়াৰ উপৰিও ন ন চৰকাৰী বিভাগৰ সৃষ্টি হৈছে। এইবোৰ পৰিচালনা কৰিবলৈ ভৈয়ামৰ পৰা শ শ কৰ্ম্মচাৰী আনিব লগা হৈছে—ৰাইজৰ জীৱনত এই সকলৰ কোনো বৰগুনি নাই, নাইবা কৰ্ম্মপন্থা একত্ৰীত কৰিবলৈ কোনো অনুষ্ঠানো নাছিল—আচলতে এইসকলে পুৰণি শক্তিশালী কৰ্ম্মঠ প্ৰশাসন ব্যৱস্থা নষ্ট কৰি ৰাইজৰ জীৱনত বিতুষ্টি ঘটাইছে।

এই পিনৰ পৰা চাবলৈ গলে লুচাই পাহাৰত মুখিয়াল-তন্ত্ৰ বিনাশকাৰ্য্য অপৰিপক্ক আৰু দুৰ্ভাগ্যজনক আছিল। এই ব্যৱস্থাৰ পৰিণতি হৈছে সুখী আৰু হাস্যময় মিজোৰ ভূমিখণ্ডত অশান্তিৰ সৃষ্টি।

যিহকে নহওক লাগিলে, নতুন প্ৰশাসন ব্যৱস্থাই পাহাৰী ৰাইজৰ চৰিত্ৰ নিম্নগামী আৰু ধ্বংসমুখী কৰে। ৰাইজৰ সবাতোকৈ আকৰ্ষণীয় গুণ হৈছে, আত্মবিশ্বাস আৰু আত্ম-সাহায্য। গাঁৱৰ আলিপদূলি, পঢ়াশালি, গিৰ্জ্জা, হাস্পতালৰ বাবে গৃহনিৰ্ম্মাণ, ইত্যাদিৰ উপৰিও, এইসকলে ধন নোলোৱাকৈ ৰাজহুৱা অনুষ্ঠান যেনে নাদ, পুখুৰী, খেলপথাৰ ইত্যাদি স্বতঃস্ফূৰ্ট ভাৱে সাজিছিল। আচলতে এইবোৰ প্ৰকৃততে সমূহীয়া কাম। স্থানীয় অৱস্থা নাইবা ৰাইজৰ দৃষ্টিভঙ্গীৰ বুজ নোলোৱাকৈ সৰ্ব্বভাৰতীয় আঁহিত সজা উন্নতিৰ খণ্ডবোৰ লগতে আৰ্থিক সাহায্য বা সমূহীয়া উন্নতিৰ বাবে সহজে ঋণ দিয়াটোৱে এই ছবিখন সম্পূৰ্ণ ৰূপে সলাইছে। ৰাইজে ওপৰত উল্লেখ কৰা কামবোৰ এতিয়া ধন নোলোৱাকৈ কৰিব নোখোজে। ই এওঁলোকৰ দৃষ্টিভঙ্গী এনেকৈ সলাইছে যে আনকি এওঁলোকে খেতিৰ পথাৰত যেনেদৰে চকু দিব লাগে তেনেদৰে নিদিয়ে। এওঁলোকে জানে খেতি ভাল নহলে চৰকাৰে এওঁলোকক নিশ্চয় বিনামূলীয়া, সাহায্যমূলক চাউল দিব। একো নকৰাকৈ চৰকাৰৰ হাতৰ পৰা কিবা এটা সৰকোৱাটো এওঁলোকৰ অভ্যাস হৈ পৰিছিল।

এনে কাম কৰিব পৰাটো প্ৰশংসনীয় বুলি পৰিগণিত হৈছে। এইবোৰে এওঁলোকৰ চৰিত্ৰৰ ওপৰত এনেকৈ আঘাত কৰিছে যে এসময়ৰ শক্তিশালী, শক্তিসম্পন্ন মানুহ আজি সম্পূৰ্ণৰূপে দুৰ্নীতিপৰায়ণ আৰু নীতিহীন হৈ পৰিছে। অসত্যৰ আশ্ৰয় লৈ কিবা পুৰস্কাৰ সৰকোৱাটো এওঁলোকৰ বাবে প্ৰশংসনীয় উদ্যম হৈ পৰিছে। আনকি এনে ধৰণৰ পুৰস্কাৰ এওঁলোকক শান্তিপ্ৰিয় আৰু নিৰৱ হৈ থাকিবলৈ দিয়া হয় বুলি ঘোষণা কৰিবলৈকো পৰাম্মুখ নহয়।

খৃষ্টান ধৰ্ম্মলৈ হোৱা সমূহীয়া ধৰ্ম্মান্তৰ বাদো অনিষ্টকৰ, নীতিহীন আৰু জাতীয় স্বাৰ্থবিৰোধী। ই পাহাৰী বাইজৰ চৰিত্ৰ হনন কৰিছে। এইষাৰ কথা বহলকৈ কবলৈ হলে ডেকাচাঙৰ কথা উল্লেখ কৰিম। গাৰোপাহাৰত ডেকা চাঙক নোক্ পেত, লুচাই পাহাৰত জাল্‌বাক্, নগা গাঁৱত মৰাং আৰু মিকিৰে মাৰো বোলে। জনজাতীয় গাঁৱৰ ডেকাচাং হৈছে আকৰ্ষণীয় অনুষ্ঠান। ই ব্যক্তিত্বৰ পৰিচায়কো। এই সংগঠনত বয়সীয়া আন লৰাৰ পৰিচৰ্য্যা কৰিব লগীয়া হয়। লগতে নিৰ্দ্দেশো মানিব লগীয়া হয়। কৃষিৰ, বাইজৰ অন্যান্য সামাজিক কৰ্ম্মসংস্থাৰ সৈতে সংযোগ কৰাৰ উপৰিও, এইবোৰ সংগঠনে যুৱকৰ শৃঙ্খলাজ্ঞান, বয়সস্থজনৰ প্ৰতি সন্মান, ৰাইজৰ প্ৰতি সেৱাভাৱ আৰু বহুধৰণৰ প্ৰশংসনীয় গুণৰাশিৰ অভ্যুদয় সাধন কৰে।

এনে সংগঠনত অন্তৰ্ভুক্ত হৈ থকা ডেকাচামে পথাৰত সন্মিলিত ভাৱে কাম কৰে। যৰে প্ৰতি এডোখৰকৈ মাটি দিয়া হয়। ভদ্ৰ বিহাৰ বিনিময়ত শ্ৰম দান কৰা হয়। কথিত আছে, মিকিৰ পাহাৰত হেনো পুৰণি কালত কামত প্ৰতাৰক জনক জীয়াই জীয়াই পুৰি মৰা হৈছিল। বৰ্ত্তমান এনেধৰণৰ কঠোৰ শাস্তি বিহিব নোৱাৰি। যিয়েই নহওক লাগিলে, প্ৰায়েই কঠোৰ ভাৱে মাৰধৰ কৰা হৈছিল। মৃতকৰ উদ্দেশ্যে হোৱা উৎসৱ আদিত মাৰো, জাল্‌বাক্ বা মৰাঙৰ যুৱকক সামাজিক সেৱাৰ বাবে বৰকৈ বিচৰা হৈছিল। প্ৰাচীন ৰীতিনীতিক জীয়াই ৰখা নৃত্যগীত আদিও এই অনুষ্ঠান সমূহত অনুষ্ঠিত হৈছিল।

দুখৰ বিষয়, এনে সংগঠন ক্রমাৎ আজি পুৰণি ভগ্নাৱশেষ হৈছে।

আচহুৱা অনুষ্ঠানৰ প্রাচীন ৰাইজৰ মাজত সৰ্ব্বাধিক, যুক্তিহীন অনুপ্রৱেশক চোকাভাষাত সমালোচনা কৰাৰ বাহিৰে নির্ম্মূল কৰাৰ আন উপায় নাই। নিজৰ মাটিৰ পৰা তেওঁলোকক এইবোৰে উঘালি পেলাইছে। নিজৰ জাতি আৰু জাতীয় ঐতিহ্যৰ প্রতি বিদ্বেষৰ সৃষ্টি কৰিছে। এইবোৰৰ জৰীয়তে এওঁলোকৰ গৰ্ব্ব আৰু আত্মসন্মান নষ্ট হৈছে। লগতে আচহুৱা এবিধ মানুহলৈ এওঁলোক ৰূপান্তৰিত হৈছে। জনজাতীয় ভিত্তিত, লগতে প্রাচীন জীৱন পদ্ধতিক, যি জীৱনপদ্ধতি আন কাৰো বিজনিত নিয়ন্ত্ৰৰ নহয়, নিৰ্ম্মূল কৰি, এওঁলোকৰ মাজত ভবিষ্যতৰ কাৰণে অস্পষ্ট আশঙ্কা আৰু হতাশাৰ সৃষ্টি কৰা হৈছে। এনেধৰণৰ মানসিক অশান্তিৰ সৃষ্টি কৰা হৈছে, যি নগা আৰু মিজো পাহাৰত হোৱাৰ দৰে হিংসাৰ প্রকাশ কৰে।

অধ্যায় ২

গাৰোসকল

পূব-পাকিস্তানৰ মৈমনসিং-জিলাৰ দাঁতিকাষৰীয়া অসমৰ পশ্চিমাঞ্চলত অৱস্থিত গাৰোপাহাৰ জিলাত গাৰোসকল বাস কৰে। ইয়াৰ উপৰিও গাতে লাগি থকা অসমৰ গোৱালপাৰা আৰু কামৰূপ জিলাৰ ভৈয়াম অঞ্চলত বহুতো গাৰো থাকে। পূব পাকিস্তানৰ মৈমনসিং জিলাতো গাৰোৰ বুজন ভাগ এটা আছে। পাকিস্তানত ধাৰাবাহিক ৰূপে হোৱা অত্যাচাৰৰ বাবে ১৯৬৪ চনত মৈমনসিঙৰ ভৈয়াম অঞ্চলৰ প্ৰায় একলাখ গাৰোমানুহ—এইবোৰ প্ৰায়েই খৃষ্টান—অসমলৈ আহে। ইয়াৰে অকস্মাৎ ঘৰবাৰী হেৰোওৱা দুৰ্দ্দশাগ্ৰস্ত কেইহাজাৰ মান মানুহক গাৰো পাহাৰত থোৱা হয়। কেইহাজাৰ মানক গোৱালপাৰা জিলাৰ মাটিয়া বোলা ঠাই এডোখৰৰ বিৰাট আশ্ৰয়প্ৰাৰ্থীৰ শিবিৰত ঠাই দিয়া হয়। গাৰোপাহাৰ জিলাৰ জনসংখ্যা হৈছে প্ৰায় ৩০০,০০০ জন। এই এলেকাৰ মাটিকালি হৈছে তিনিহাজাৰ বৰ্গমাইল।

অসমৰ আন এটা পাহাৰী জনজাতি লুচায়ে নিজকে মিজো (মি = মানুহ, = জো = পৰ্ব্বত) বোলাৰ দৰে, গাৰোসকলেও নিজকে আচিকমান্দা (আচিক = পৰ্ব্বত, মান্দা = মানুহ) বোলে। গাৰোৰ আদিম বাসভূমিৰ বিষয়ে আমি নাজানো। নিজৰ ধাৰণা মতে, এওঁলোকৰ আদিম বাসস্থান আছিল তিব্বতত। এনে ধৰণৰ কাহিনী এটা বহু যুগ ধৰি গাৰোৰ মাজত প্ৰচলিত হৈ আছে। গাৰোৰ বিষয়ে ৰচিত পুথিত মেজৰ প্লেফেয়াৰে এনেদৰে মত দিছে: "গাৰো আৰু তিব্বতীয় ভাষাৰ সামঞ্জস্য, দুয়োটা জাতিৰ মানুহৰ ঘণ্টাৰ প্ৰতি সম্মোহন, "ইয়াকৰ নেজৰ প্ৰতি শ্ৰদ্ধা আৰু মূল্যবোধ— "ইয়াক" কেতিয়াও গাৰোপাহাৰত নাছিল,—এনেধৰণৰ উপকৰণ সামঞ্জস্যৰ জৰীয়তে গাৰোৰ সৈতে তিব্বতৰ বুৰঞ্জীমূলক সম্বন্ধ

থাপিব নোৱাৰি। অসমৰ ভৈয়ামৰ আনবোৰ জনজাতীয় মানুহৰ দৰে গাৰোও এই অঞ্চল বিশেষলৈ চীন আৰু ব্ৰহ্মদেশৰ উজনি ভাগৰ পৰা আহিছিল। প্ৰাগ্ ঐতিহাসিক যুগত ভাৰতৰ এই অঞ্চল-বিশেষলৈ অহা মঙ্গোলীয় অনুপ্ৰৱেশৰ ই মুখ্য অভিযান। আদিতে মানুহৰ অনুপ্ৰৱেশ যে তিব্বত আৰু চীনদেশৰ পশ্চিমাঞ্চলৰ পৰা সাৰ্থক হৈছিল, সেইষাৰ কথা কেৱল সম্ভৱেই নহয়, সত্যও।

ভাষাতত্ত্বৰ পণ্ডিতৰ মতে, গাৰো তিব্বত-বৰ্ম্মীয় ভাষাগোষ্ঠীৰ মানুহ। ত্ৰিপুৰাৰ এভাগ, উত্তৰ কাছাৰ পাহাৰ আৰু অসমৰ ভৈয়াম অঞ্চলৰ জনজাতীয় মানুহৰ সৈতে এওঁলোকৰ ভাষাগত সম্বন্ধ নিগূঢ়। "লিংগুইষ্টিক ছাৰ্ভে অব্ ইণ্ডিয়া" বোলা পুথিত গ্ৰীয়েৰছনে জনজাতীয় সকলো ভাষাক বড়োভাষাৰ অন্তৰ্ভুক্ত কৰিছে। দেহৰ আৰু ভাষাৰ মিলৰ পৰা গাৰো, সকলো জনজাতিৰ মাজত, কছাৰীৰ সৈতে মিলে। এই সাদৃশ্য ইমান গভীৰ যে মেজৰ প্লেফেয়াৰে ধাৰণা কৰিছে—আগতে দুয়োটা জনজাতি একেটা গোষ্ঠীৰ অন্তৰ্ভুক্ত আছিল। অৱশেষত দুয়োটা গোষ্ঠী দুটা সুকীয়া ভাগত বিভক্ত হৈ কছাৰী ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে, আৰু গাৰো ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে বিয়পি পৰে। ইয়াৰ প্ৰমাণ স্বৰূপে কছাৰীৰ ৰাজধানী ডিমাপুৰত থকা 'সাঁমা' বোলা শিলাস্তম্ভ আৰু গাৰোৰ মৃতকৰ শ্ৰদ্ধাৰ্থে অনুষ্ঠিত 'কিমা' বোলা শিলাস্তম্ভৰ সাদৃশ্যৰ কথা কোৱা হয়। মেজৰ প্লেফে-য়াৰে নিজে স্বীকাৰ কৰা মতে এইটো বৃহৎ বস্তুৰ সৈতে সাধাৰণ বস্তুৰ বিজুনি।

গাৰোৰ আদিম উৎপত্তিৰ কথা বিশ্লেষণ কৰি মেজৰ প্লেফেয়াৰে এনেদৰে মত দিয়ে: "নগা পাহাৰৰ আও অঞ্চলত বসবাস কৰা তুৰাৰ আমেৰিকান ব্যাপ্টিষ্ট মিছনেৰী এজনে মোক কৈছিল: কোনো কোনো আও মানুহে মোক সুধিছিল, আমাৰ এইফালৰ পৰা প্ৰাচীন কালত আপোনাসকলৰ ফাললৈ ৭০০ আও মানুহ গৈছিল। আপুনি সেইসকলৰ বংশধৰ নেকি?" মৃতকৰ সদগতিৰ উদ্দেশ্যেৰে পালিত উৎসৱবোৰৰ (এই মতানুসাৰে বলি দিয়াৰ পূৰ্ব্বে বলধ গৰু এটা

তিনিকোণীয়া খুটা এটাত এবাল দিয়া হয়) আন কিছুমান প্ৰথা মূৰ কটা, ইত্যাদিয়ে গাৰো আৰু নগাৰ মাজৰ সাদৃশ্যৰ কথা কয়। এই জনজাতি দুটাৰ বাহিৰে অঞ্চলৰ আনমানুহৰ মাজত মূৰ কটা প্ৰথা প্ৰচলিত নাছিল। এইবোৰ কথাৰ পৰা মেজৰ প্লেফেয়াৰে অনুমান কৰে যে, আদিতে গাৰো ডিমাপুৰৰ কোনোবা দাঁতিকাষৰীয়া অঞ্চলত বসবাস কৰিছিল। অৱস্থানৰ নিকটৱৰ্ত্তীতাই নগাৰ কিছুমান পদ্ধতি আৰু ৰীতি-নীতি গ্ৰহণ কৰিবলৈ এওঁলোকক বাধ্য কৰিছিল।

এইসকলৰ দৈহিক আকৃতিৰ বিষয়ে কৰ্ণেল ডেল্টনে চিত্তধৰ্ম্মী বৰ্ণনা "ডেচ্ক্ৰিপ্টিভ এন্থলজি অৱ বেঙ্গল" বোলা পুথিত দিছে: "এওঁলোকৰ মুখ ঘূৰণীয়া আৰু চুটি। কপাল পিছলৈ বৈ পৰা বিধৰ নহয়। চকু সৰু আৰু বেকা, ৰং ক'লা। কপাল চকুৰ পিনে কিছু, আগবঢ়া বিধৰ, নাক চকুত পৰা বিধৰ নহয়। সমগ্ৰ মুখ চেপেটা কিবা এটাহে যেন। এই চেপেটা মুখমণ্ডলত মুখখন জিলিকি থাকে।" ওখই পুৰুষ একোজন প্ৰায় পাঁচ ফুট। মহিলা একোগৰাকী ৪½ ফুট। মেজৰ প্লেফেয়াৰে দিয়া বৰ্ণনা কেইটামান কথাৰ সংযোজনে সম্পূৰ্ণ কৰিব।

"সাধাৰণতে মাইকী মানুহবোৰ ধুনীয়া নহয়। বিশেষকৈ গাভৰু কালত এওঁলোক দেখিবলৈ ধুনীয়া আৰু স্বাস্থ্যৱতী হয়। এওঁলোকৰ সৰল হাঁহিভৰা মুখে মানুহক আকৰ্ষণ কৰে। কাণত ওলমি থকা বিৰাট কেৰু হৈছে এওঁলোকৰ সৰাতোকৈ ডাঙৰ বস্তু। কেতিয়াবা এওঁলোকৰ কেৰুৱে কাণৰ লটি ছিঙি দুডোখৰ কৰে। এইটোৱেই হৈছে সৌন্দৰ্য্যহীনতাৰ ঘাই কাৰণ। মতামানুহৰ মুখত সাধাৰণতে দাড়ি নাই যদিও কোনো কোনোৱে দুই এডাল দাড়ি নৰখাকৈ নাথাকে। নাকৰ তলত কোনো কোনোৱে গোঁফ ৰাখে যদিও এই গোঁফ তেনেই লিঙলিঙীয়া, ওপৰৰ ওঠৰ ফাললৈ বৈ অহা কেইদাল মান চুলি মাথোন। আনবোৰ চুলি এওঁলোকে ছিঙি পেলায়।

দৈহিক গঠনৰ এই বৰ্ণনা অসম উপত্যকাৰ ঘাইকৈ কছাৰীৰ

সৈতে বৰকৈ মিলে। এই জনজাতীয় মানুহবোৰ অসমৰ একেজন ৰজাৰ অধীনত থকা হেতুকে, লগতে হিন্দুধৰ্ম্মৰ প্ৰভাৱৰ হেতুকে সম্পূৰ্ণৰূপে অসমীয়া হৈ পৰিছে। যদিও কোনো কোনো প্ৰাচীন পন্থী জনজাতীয় মানুহ এতিয়াও দোভাষী হৈ আছে, আহোম আৰু চুটিয়া, লগতে ব্ৰহ্মপুত্ৰ আৰু উপনৈ বোৰৰ উপত্যকা ভূমিত বাস কৰা আন জনজাতীয় মানুহেও এসময়ৰ ক্ষমতাশালী আহোম আৰু চুটিয়াৰ দৰে সময়ত নিজৰ ভাষা হেৰোৱাৰ লগাটো স্বাভাৱিক কথা।

বাসস্থান দূৰৈত হোৱা হেতুকে এই পদ্ধতি বিশেষ পাহাৰী জনজাতিৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পৰা নহৈছিল। যাতায়াত সুচল হোৱা হেতুকে মিকিৰৰ মাজত হোৱাৰ দৰে গাৰোৰ মাজতো এই পদ্ধতি প্ৰয়োগ কৰিব পৰা হ'লহেঁতেন। বৃটিছৰ আগমনে, লগত অহা খৃষ্টান মিছনেৰী সকলে পাহাৰী বাইজৰ বিভিন্নতাৰ ব্যক্তিত্ব জীয়াই ৰাখি এই সকল মানুহক সভ্য কৰিবলৈ বিচৰাটোৱে ভৈয়াম অঞ্চলৰ পৰা এইসকলক পৃথক কৰে। আজি দুখজনক ভাৱে এই বিভিন্নতাৰ পৰিণতি আন পাহাৰী বাইজৰ দৰে অসমৰ গাৰো বাইজে দাবী জনোৱা সুকীয়া পাৰ্ব্বত্য ৰাজ্যত প্ৰকাশ পাইছে।

গাৰোৰ বুৰঞ্জীৰ বিষয়ে একো জনা নাযায়। ই যিয়েই নহওক লাগিলে, এইসকল যে বৰ পুৰণি মানুহ, সন্দেহ নাই। কিছুদিনৰ আগলৈকে এইসকলক ওচৰচুবুৰীয়া ভৈয়াম অঞ্চলৰ জিলা কেইখনমানত কৰা সঘন আক্ৰমণৰ হেতুকে নিষ্ঠুৰ আৰু ৰক্তপীপাসু বৰ্ব্বৰ বুলি জনা গৈছিল। এনেবোৰ আক্ৰমণত বহুতো মানুহৰ মৃত্যু হৈছিল। সেইবোৰৰ মূৰকাটি লগত উপহাৰ স্বৰূপে লৈ যোৱা হৈছিল। নগা সকলৰ দৰে এই সকলৰ বাবেও মূৰ কটা জনপ্ৰিয় প্ৰথা। ধেমালিতে হত্যা কৰাৰ উপৰিও বলিৰ কাৰণে জীয়া মানুহৰ প্ৰয়োজন হৈছিল। সকলোবোৰ উৎসৱতে, বাইকৈ নকমাৰ (গাঁওবুঢ়াৰ) মৃত্যু-উৎসৱত নৰবলিৰে দেৱতাক তৃপ্ত কৰিবলগীয়া হৈছিল। সংযুক্ত খাছিয়া আৰু জয়ন্তীয়া পাহাৰ জিলাত একেদৰে নৰবলি দিয়া হৈছিল। যি ছটা শিলত নৰবলি দিয়া হৈছিল, সেই ছটা

শিল কপিলীনৈৰ পাৰৰ জয়ন্তীয়া পাহাৰৰ গৰমপানীৰ দাঁতিকাষৰীয়া অঞ্চলত আজিও বিদ্যমান। গাৰোপাহাৰত ১৮৭৪ চনত মূৰ কটা প্ৰথা একেবাৰে বন্ধ কৰা হয়। গাৰো পাহাৰ জিলাৰ সদৰধাই তুৰাৰ দাঁতিকাষৰীয়া ৰং ৰেনগিৰি বোলা ঠাই এডোখৰত সেইটো বছৰতে উপায়ুক্তক প্ৰায় ত্ৰিশ মূৰৰ খোলা উপহাৰ দিয়া হয়। এনে আক্ৰমণৰ হেতুকে তেতিয়ালৈকে পাহাৰী জনজাতিৰ ক্ষেত্ৰত হস্তক্ষেপ কৰি বৃটিছ শাসকে (এই সকলক হস্তক্ষেপ কৰা নহৈছিল, কাৰণ এই সকলৰ কঠুৱা মাটিত তেনেধৰণৰ শোষণ কৰিবলগীয়া একো পদাৰ্থ নাছিল) অসমৰ আন অঞ্চল প্ৰশাসনীয় অধীনলৈ অনাৰ দৰে, ১৮৭২ চনত গাৰোভূমি সম্পূৰ্ণৰূপে আনে। গাৰোপাহাৰ তেতিয়া-লৈকে গোৱালপাৰা জিলাৰ অন্তৰ্ভুক্ত আছিল। পূৰ্ব্ব দিশৰ তুৰাৰ অঞ্চল নধৰি এই অঞ্চলটো বঙ্গদেশৰ ৰংপুৰ চহৰৰ পৰা শাসন কৰা হৈছিল। ১৭৬৫ চনৰ ১১ আগষ্ট তাৰিখে যেতিয়ালৈকে মোগল সম্ৰাটে ফৰ্মাণৰ জৰীয়তে বিশমকৈ ইষ্ট ইণ্ডিয়া কোম্পানীলৈ[১] হস্তান্তৰিত কৰা নাছিল, তেতিয়ালৈকে এই অঞ্চলটো বঙ্গদেশৰ জিলা স্বৰূপে পৰিগণিত হৈছিল। সুকীয়া চীফ্ কমিচনাৰৰ প্ৰদেশ হলত ১৮৭৪ চনত এই অঞ্চলটো অসমৰ অংগ হয়।

দেশ স্বাধীন হোৱাৰ লগে লগে জিলা পৰিষদবোৰ স্থাপিত হোৱাৰ আগ মুহূৰ্ত্তলৈকে উপায়ুক্তই গাৰোপাহাৰ জিলাক শাসন কৰিছিল। নিয়মতান্ত্ৰিক বা প্ৰশাসনীয় সকলো কথাতে এই-জনাৰ সিদ্ধান্ত আছিল শেষ কথা। আচলতে এইজনা আছিল সৰ্ব্ব-নিয়ন্তা। গাঁৱৰ বুঢ়ামেথাৰ সহযোগত ৰাইজে সকলো কথাৰ মীমাংসা কৰিছিল। গাঁৱৰ ৰাইজে ওৱে জীৱনৰ কাৰণে লস্কৰ এজন নিৰ্ব্বাচিত কৰে। হাকিমৰ দৰে এওঁ সকলো সৰু সৰু বিচাৰ সোধে। (গহীন ধৰণৰ মেল-মোকৰ্দ্দমা কাচিৎহে হয়)। আচল ক্ষমতা লস্কৰৰ হাতত নহয়, নিৰ্ব্বাচন কৰা গাঁৱৰ মুখিয়াল

---

১ গেইটৰ অসম বুৰঞ্জী

মানুহৰ ওপৰতহে ন্যস্ত। পদ্ধতিটো গণতান্ত্রিক আৰু কাৰ্য্যক্ষম। জিলাপৰিষদ সমূহৰ অভ্যুদয়ে ক্ষমতাৰ আচল কেন্দ্র গাঁৱৰ পৰা ভূবাত অৱস্থিত সদৰ ঠাইলৈ নিছে। ইয়াৰ দ্বাৰা সৰ্ব্বসাধাৰণ ৰাইজৰ কিবা উপকাৰ হৈছে বুলি কবলৈ যোৱাটো সন্দেহজনক।

দুই

গাৰ্হস্থ্য জীৱন

পোছাক পৰিচ্ছদ :

গাৰোৰ পোছাক পৰিচ্ছদ সাধাৰণ। ছয় বা সাত ফুট দীঘল, ছয় ইঞ্চি মান বহল, একোডাল লেংটি পুৰুষে মাৰে। গাৰ ওপৰভাগ ঢাকিবলৈ কেতিয়াবা একোটা চোলাও ব্যৱহাৰ কৰে। জাৰৰ দিনত একোখন নীল বৰণীয়া কপাহী কাপোৰ লোৱাৰ বাহিৰে গাটো সাধাৰণতে উদং হৈ থাকে। মূৰৰ ওপৰভাগ উদং কৈ ৰাখি সাধাৰণতে একোটা পাগুৰী মৰা হয়। মাইকীমানুহৰ সাজসজ্জাও একেধৰণৰ। দীঘলে দেৰফুট মান আৰু বহলে এফুটমান এডোখৰ কাপোৰ ওলোমাই পিন্ধা হয়। সাধাৰণতে একোটা চোলা নাইবা একোখন কাপোৰ পাগুৰী মাৰি লোৱা হয়। জাৰৰ দিনৰ বাহিৰে গাৰ ওপৰ ভাগত কাপোৰৰ জঞ্জাল নাই। গাভৰু ছোৱালীৰ ক্ষেত্ৰত এনেধৰণৰ মুকলি ভাবে বাহিৰৰ মানুহৰ কাৰণে (বিশেষকৈ ডেকামানুহৰ কাৰণে) প্ৰথম দৃষ্টিত কিবা এক মোহনীয় আকৰ্ষণৰ সৃষ্টি কৰে। কোনো কোনো ক্ষেত্ৰত লেংটিবোৰ কড়ি বা আম মণিৰে বুটা তোলা হয়। পুৰুষ আৰু মহিলা, উভয়েই কাণৰ কড়িয়া বৰ ভাল পায়। কোনো কোনো জনীয়ে কেতিয়াবা পঞ্চাছটাকৈ কড়ি পিন্ধে। ইয়াৰ ভৰত কাণ ওলমে আৰু কেতিয়াবা কাণৰ লটি-ছিডি দুডোখৰ হয়। উৎসৱ আদিত আৰু নৃত্য কৰোঁতে পুৰুষ-মহিলা উভয়ে মূৰৰ পাগুৰী সজায় আৰু নানাধৰণৰ মণি বা ভীমৰাজ পখীৰ পাখি গোজে। পুৰুষ মহিলা উভয়েই পিতলৰ বা ৰূপৰ খাৰু পিন্ধে। নোক্‌মাৰ লেখীয়া গাঁৱৰ মুখিয়াল মানুহে হাতৰ কিলাকুটিৰ ওপৰত লোৰ গধুৰ আঙঠি পিন্ধে। সেই আঙঠিটোক "জেক্‌শীল্‌" বোলা হয়। কঁকালত মণিমুক্তা খচিত এওঁলোকে একোডাল

মেৰবান্ধ মাৰে। কোনো কোনো ক্ষেত্ৰত মানুহে হাতত একোখন তৰোৱাল বা একোডাল যাঠী লোৱা দেখা যায়।

গাৰোসকল মূলতে হৈছে কৃষক। মেজৰ প্লেফেয়াৰে কৰৰ দৰে, মাটি চহোৱাটো তাৰ জীৱনৰ কৰ্ম্মপন্থাৰ আৰম্ভণী আৰু শেষ বস্তু। সি এইটো কামত সকলো আত্মশক্তি প্ৰয়োগ কৰে। অসমৰ আন পাহাৰী জনজাতিৰ লেখীয়াকৈ এওঁলোকে ধ্বংসাত্মক "ঝুম" ৰীতিৰ খেতি কৰে। গাঁৱৰ কাৰণে মূল্যবান গছেৰে ভৰপূৰ ব[illegible] অঞ্চল এটা প্ৰতিবছৰে বাচি লোৱা হয়। গছ কাটি পেলোৱা হয়। গছ শুকুৱাৰ পিছত গোটেই ঠাইডোখৰত জুই লগোৱা হয়। এইদৰে মাটিত সাৰ দিয়াৰ পিছত গুটি সিঁচা হয়। পিছৰ বছৰত একেদৰে মাটি চহোৱা হয়। খেতিৰ মাটিৰ পৰিমাণ কম হোৱা হেতুকে একেডোখৰ মাটিলৈকে কিছু বছৰৰ পিছত ঘূৰি যাবলগীয়া হয়। ইতিমধ্যে গজি উঠা গছগছনিবোৰ কাটি পেলাবলগীয়া হয়। জনসংখ্যা বঢ়াৰ হেতুকে ঝুম ৰীতিৰ চক্ৰ ক্ৰমাৎ সংকীৰ্ণ হৈ আহিছে। দহ বাৰ বছৰৰ পৰিবৰ্ত্তে পাঁচবছৰ নাইবা তিনিবছৰ হৈছেগৈ। খেতিৰ এই পদ্ধতিৰ দ্বাৰা মাটিৰ যি ক্ষতি কৰা হয়, সেই ক্ষতি বিৰাট ক্ষতি। কুমাৰী অৰণ্যানীক এনেদৰে ধ্বংস কৰাৰ পৰিবৰ্ত্তে আজিৰ দিনত প্ৰচলিত স্থায়ী ব্যৱস্থা যেতিয়ালৈকে প্ৰয়োগ কৰিব নোৱাৰি—যেনে আঙ্গামী নগা সকলে প্ৰয়োগ কৰা টেৰেচ পদ্ধতিৰ খেতি—তেতিয়ালৈকে পাহাৰী অঞ্চলবোৰ মানুহৰ বসতিৰ বাবে অনুপযুক্ত মৰুভূমিলৈ ৰূপান্তৰিত হোৱাটো সম্ভৱ।

শস্যাদি :

আচল শস্যাদিৰ ভিতৰত হৈছে চাউল। এই চাউলেই মাই খাদ্যবস্তু। যৱ, ধান, শাক পাছলি, আদা আৰু নীল যথেষ্ট পৰিমাণে কৰা হয়। বৰ্ত্তমান কাজুবাদাম আৰু অমিতাৰ খেতি আৰম্ভ কৰা হৈছে। ধানৰ পিছতেই খেতিৰ মাই সম্পদ হৈছে কপাহ। প্ৰচুৰ পৰিমাণে কপাহ খেতি কৰা হেতুকে গাৰো, অসমৰ

অন্যান্য জনজাতিৰ বিজনিত আৰ্থিকভাৱে আগবঢ়া। গাৰোৰ সা-সম্পত্তিৰ ঘাই বৰঙনি এইটো বস্তুৰ পৰা অহা। জিলাখনৰ বহুতো ঠাইত লা খেতিও হয়।

খাদ্য আৰু পানীয় বস্তু:

ভাত এওঁলোকৰ আহাৰৰ ভিতৰত ঘাই বস্তু। দিনটোৰ ভিতৰত তিনিবাৰকৈ এওঁলোকে ভাত খায়। জীৱজন্তুৰ ভিতৰত যেনে, ছাগলী, গাহৰী, কুকুৰা, হাঁহ, কুকুৰ, মেকুৰী, সাপ, জেঠী, বাদুলী, উঁই পৰুৱা, সকলো বস্তু গাৰোৱে খায়। হাতীৰ মাংস বৰ তৃপ্তিদায়ক খাদ্য। বাঘৰ মাংসহে কেৱল এওঁলোকে নাখায়। নিতৌ এওঁলোকে শুকান মাছ খায়। শুকান মাছক "নাকাম" বোলা হয়।

আনবোৰ পাহাৰী জাতিৰ দৰে মদ্যপান এওঁলোকৰ ঘাইবস্তু। খৃষ্টান ধৰ্ম্মই মদ্যপানৰ ক্ষেত্ৰত অবাঞ্ছিত আহুকালৰ সৃষ্টি কৰিছে। এই মদ কাৰখানাত তৈয়াৰ কৰা মদ নহয়। ঘৰতে চাউল বা যৰ-ধানেৰে তৈয়াৰ কৰা মদহে। দৈনন্দিন ব্যৱহাৰৰ বাহিৰেও ধৰ্ম্মকেন্দ্ৰী উপাসনা আৰু ভোজভাতত মদ অপৰ্য্যাপ্ত পৰিমাণে ব্যৱহাৰ কৰা হয়। খাদ্যবস্তুৰ লগত যিমান মদ দিয়া হয়, তাৰ ওপৰতে নোক্‌মা বা আন প্ৰতিপত্তিশালী ব্যক্তিৰ মৰ্য্যাদা নিৰ্ভৰ কৰে।

নৃত্য:

মদ্যপানৰ লগতে, মহৰ শিঙৰ পেঁপা, বাঁহৰ বাঁহী, আৰু ঢোলেৰে সংগঠিত সঙ্গীতৰ সৈতে কৰা নৃত্য সকলো ধৰ্ম্মকেন্দ্ৰী আৰু সামাজিক উৎসৱৰ প্ৰাণবস্তু। হাতত ঢাল আৰু তৰোৱাল লৈ পুৰুষে নৃত্য কৰে। অঙ্গচালনাৰ মাজতে এওঁলোকে "কৈ, কৈ" বুলি চিঞৰে। কোনো কোনো নৃত্যত পুৰুষ মহিলাই একেলগে ভাগ লয়। কোনো কোনো ক্ষেত্ৰতহে এওঁলোকে আচুতীয়াকৈ নাচে। নগা আনকি লুচাই নৃত্যৰ লগত বিজালে, গাৰোৰ নৃত্য বৰ মৃদু যেন লাগে। সঙ্গীত সৃষ্টিৰ বাবে ব্যৱহাৰ কৰা যন্ত্ৰপাতিৰ

কথা ওপৰত উল্লেখ কৰা হৈছে যেনে, ঢোল, শিঙৰ বা বাঁহৰ পেঁপা, পিতলৰ ঘণ্টা ইত্যাদি। মদ্যপান আৰু নৃত্যৰ বাহিৰে এওঁলোকৰ আন সামূহিক উপভোগৰ বস্তু নাই। খেলধেমালি, শাৰীৰিক শক্তিৰ পৰিচায়ক। এইবোৰ কৌশল বা বুদ্ধিৰ পৰিচায়ক নহয়। চিকাৰ কৰা, মাছ ধৰা ইত্যাদি জনপ্ৰিয় বস্তু। চিকাৰ কাচিৎহে অস্ত্ৰশস্ত্ৰৰ জৰীয়তে কৰা হয়। ফান্দ পতাই হৈছে চিকাৰৰ ম'ই কৌশল। ফান্দবোৰ মানুহৰ কাৰণে বৰ বিপদজনক। মাছ এওঁলোকৰ প্ৰিয় খাদ্যবস্তু। নৈ বা জুৰিত বান্ধ ব'ন্ধি গাঁৱলীয়ে মাছৰ কাৰণে ফান্দ পাতে। সোণেশ্বৰী নৈত সোঁতৰ সৈতে উটি যোৱা মাছক বাঁহেৰে যাঠী মাৰি চিকাৰ কৰা হয়। সেই অঞ্চলৰ গাৰো এনেদৰে মাছ চিকাৰ কৰা কাৰ্য্যত পটু।

শিল্প উদ্যোগ :

আগতে কৈ অহাৰ দৰে, গাৰো ঘাইকৈ কৃষিজীৱী। মাইকী মানুহে তাত বোৱাৰ বাহিৰে—এইটো বস্তু অসমৰ আন ভৈয়াম অঞ্চল আৰু পাহাৰ অঞ্চলতো প্ৰচলিত—বাঁহ আৰু বেতৰ পাটী তৈয়াৰ কৰাৰ বাহিৰে, কিছু লো বা তামৰ অস্ত্ৰ শস্ত্ৰ আৰু নাও তৈয়াৰ কৰাৰ বাহিৰে, এওঁলোকৰ আন একো কুটিৰ শিল্প নাই। জিলাখন ভূ-তাত্ত্বিক, ঘাইকৈ প্ৰথম শ্ৰেণীৰ কয়লাৰ কাৰণে প্ৰখ্যাত। খাছিয়া পাহাৰৰ সীমান্ত অঞ্চলৰ নাগুলবিব্ৰা বোলা ঠাইত এডোখৰত তাপ বিদ্যুৎ কেন্দ্ৰ এটা পতা হৈছে। ইয়াৰ ওচৰতে ব্যৱসায়িকভাৱে কয়লাৰ উৎকৰ্ষ সাধন কৰা হব। ৰেল লাইনেৰে ঠাই ডোখৰ সংযোগ কৰিব পাৰিলে গোটেই জিলাখনৰে মানুহৰ চৰিত্ৰত পৰিবৰ্তন-কামী বিৰাট উদ্যোগ চক্ৰ এটাৰ সম্ভাৱনা পৰিস্ফুট হব।

তিনি

ৰীতি-পদ্ধতি আৰু বিশ্বাস

আগতে কৈ অহাৰ দৰে বহুতো গাৰো, গাৰো পাহাৰৰ বাহিৰেও অসমৰ ভৈয়াম অঞ্চলত আৰু পূব পাকিস্তানত থাকে। স্বকীয়া ৰীতিপদ্ধতিসমৃদ্ধ কিছুমান উপজাতিত গাৰোসকল বিভক্ত। গাৰোৰ তিনিটা ঘাই ফৈদ হৈছে মাৰাক, মমীন আৰু চাংমা। বিবাহৰ ক্ষেত্ৰত প্ৰত্যেকটো ফৈদ বহিৰ্জাগতিক। নিজৰ ফৈদৰ ভিতৰত বিয়াবাৰু নহয়। কিছুমান উপফৈদ যেনে আবেঙ, আবেঙ, আৰু চিবা ঘাই ফৈদৰ পৰা বেলেগ হৈ স্বতন্ত্ৰীয়া বৈবাহিক গোটত পৰিণত হৈছে।

খাছিয়াৰ দৰে গাৰোও মাতৃপ্ৰধান ফৈদ। যিটো শব্দৰ ওপৰত ভিত্তি কৰি সমাজ এখন প্ৰৱৰ্ত্তি আছে, সেইটো শব্দ হৈছে মাছং। কৰ্ণেল ডেল্টনে এই শব্দটো "মাতৃত্ব" বুলি অনুবাদ কৰিছে। ই হওঁতে পৰিয়াল একোটা নুবুজায়। মাছঙৰ সকলো সদস্য একে গৰাকী মাতৃৰ সন্তান বুলি কোৱা হয়। খাছিয়া আৰু গাৰোৰ মতে, পিতৃ হৈছে বাহিৰৰ মানুহ। সন্তানবৰ্গই এওঁৰ পৰিয়ালক কাচিৎহে স্বীকাৰ কৰে। সাধাৰণতে "মাছং" নামৰ সৈতে জড়িত থাকে। কিছুমান জন্তু, নৈ, গুহা ইত্যাদি নামৰ সৈতে জড়িত থাকে। বং চন মাছুং—ইয়াৰ অৰ্থ হৈছে ভালুকৰ পোৱালী। কপৌ মাছুম ৰাছৰা মাছুম (নৈৰ নামেৰে) ইত্যাদি।

বৈবাহিক সম্বন্ধ ঘাইকৈ বহিৰ্জাগতিক। স্বামী আৰু স্ত্ৰী দুয়ো বেলেগ ফৈদৰ হব লাগিব। চাংমাই চাংমা নাইবা মমীনে মমীন বিয়া কৰাব নোৱাৰে। লৰাছোৱালীহঁত মাকৰ ফৈদত জাহ যায়। মাক যদি মমীন, পিতাক যদি চাংমা হয়, তেন্তে লৰা-ছোৱালীহঁত মমীন হব, চাংমা নহয়। বিয়াৰ প্ৰস্তাৱ সদায়েই

ছোৱালীৰ পিনৰ পৰা আছে। ছোৱালীয়েহে দৰা বাচে। সাধাৰণতে পৰিয়ালৰ একেজনী ছোৱালী বা কনিষ্ঠা জনীক পেহীয়েকৰ পুতেকলৈ দিয়া হয়। এনে সম্বন্ধীয়া মানুহ নাথাকিলে পিতাকৰ মাতৃ-ফৈদৰ কাৰোবাৰ লৈতে সম্বন্ধ কৰা হয়। বিয়াৰ পিছত জোঁৱাই, পত্নীৰ পিতৃমাতৃৰ ঘৰত থাকিবলৈ আছে। সি হয় শহুৰেকৰ নোক্‌ৰাম অৰ্থাৎ মাতৃৰ পৰিয়ালত পিতৃ ফৈদৰ প্ৰতিনিধি। শহুৰেকৰ মৃত্যুৰ পিছত নোক্‌ৰামে বিধবা শাহুৱেকক বিয়া কৰায়। এইদৰেই এওঁ মাতৃ আৰু কন্যা উভয়ৰে স্বামী হয়। শিক্ষাপ্ৰাপ্ত গাৰোৰ কোনো কোনোৱে এই ৰীতিক ঘৃণা কৰে। এইটো আচৰিত পদ্ধতি। এই লেখীয়া পদ্ধতি কোনো প্ৰাচীন সমাজত আছে নে নাই, সেই বিষয়ে মই নাজানো। বিধবা গৰাকীৰ লৈতে বিবাহবন্ধন যথোচিত কঠোৰ নহয়। যাতে জীয়াৰীহঁতে মাকৰ সা-সম্পত্তিৰ ভাগ পাব পাৰে, তাৰ বাবে ডেকা স্বামীৰ ঔৰসত বৃদ্ধা পত্নীৰ গৰ্ভত সন্তানে থিত লব লাগিব।

বিধবা গৰাকীক বিয়া কৰাবলৈ নোক্‌ৰাম যেতিয়া নাথাকে, তেতিয়া স্বামীৰ মৃত্যুৰ পিছত বিধবা গৰাকীয়ে পৰিয়ালৰ অনুমতি নোহোৱাকৈ বিবাহবন্ধনত পুনৰ সোমাব নোৱাৰে। আকিম বোলা এই পদ্ধতিটোৱে নাৰীজাতিক পঙ্গু কৰিছিল। এই পদ্ধতিক স্বীকাৰ কৰি লবলৈ চৰকাৰ অমত হৈছিল। কাৰ্য্যত এই পদ্ধতিক আজিও সন্মান জনোৱা হয়। যিমান পত্নী গ্ৰহণ কৰোঁ বোলে পুৰুষে সিমান পত্নী গ্ৰহণ কৰিব পাৰে। তেওঁ যদি বায়েক ভনীয়েকক বিয়া কৰাব খোজে, তেন্তে বায়েকক আগতে বিয়া কৰাব লাগিব। কোনোবা পুৰুষে দ্বিতীয় বাৰ বিয়া কৰাব খুজিলে প্ৰথমা পত্নীৰ অনুমতি লব লাগিব। এনেদৰে অনুমতি নললে প্ৰথমা পত্নীক ধন (দায়) দিব লগা হব পাৰে। প্ৰথমা পত্নীক ঘাই পত্নী, অৰ্থাৎ "জিক্‌-মামুং" বোলা হয়। আন কেইগৰাকী পত্নীক বক্ষিতা, অৰ্থাৎ "জিক্‌-গাই" বোলা হয়। সামাজিক ক্ষেত্ৰত জিক্‌-গাই সকল নিম্ন স্তৰৰ নহয়। আন পত্নীক বিয়া কৰোৱাৰ আগতে হওক বা পিছতে

হওক বিধবা খুৰীয়েকক বিয়া কৰালে, সেই গৰাকী জিক্-মামুং হয়। স্বামীৰ ভাগিনক বিয়া কৰাবলৈ অমত হোৱা নাৰীয়ে ভাগিনক "দায়" দিব লগা হয়।

মিজোৰ মাজত থকাৰ দৰে গাৰোৰ মাজত যৌতুক প্ৰথা নাই।

যৌন-বিচ্যুতি ইত্যাদি কাৰণত বিবাহ-বিচ্ছেদ অতি সহজ। কোনো কাৰণ নোহোৱাকৈ ষাঠী টকা ৰূপ "দায়" দিলেই পুৰুষ বা নাৰীয়ে বিবাহ-বিচ্ছেদ কৰিব পাৰে।

উত্তৰাধিকাৰীত্ব : মাতৃৰ জৰীয়তে উত্তৰাধিকাৰীত্ব সাব্যস্ত কৰা হয়, পিতৃৰ জৰীয়তে নহয়। ই সম্পূৰ্ণৰূপে মাতৃ কেন্দ্ৰীভূত। উত্তৰাধিকাৰী সূত্ৰে কোনো পুৰুষে কেতিয়াও সা-সম্পত্তি পাব নোৱাৰে। জীয়ৰী নাইবা জীয়ৰীৰ জীয়ৰীয়েহে পায়। যেতিয়া কন্যা সন্তান নাথাকে, তেতিয়া মাছুঙৰ আন মহিলা গৰাকীয়ে ভাগ পায়।

মাটিৰ বন্দোৱস্তী :

অসমৰ আন পাহাৰী জনজাতিৰ মাজত মাটি হৈছে একেখন গাঁৱৰ ৰাইজৰ। ই কোনো ব্যক্তিৰ সম্পত্তি নহয়। গাৰোৰ মাজত গাঁৱৰ সকলো মাটিৰ অধিপতি হৈছে গাঁওবুঢ়া অৰ্থাৎ নোক্মা। আচলতে এইটো বৰ্যাস্থা চিন্তাজগতৰ বস্তু। বাস্তৱতে গাঁও একোখনৰ মাটি একোজন ব্যক্তিৰ, য'ত তেওঁ খেতি কৰে। পত্নীৰ মাছুঙৰ অনুমতি অনুযায়ী নোক্মাই মাটি বেচিব পাৰে।

বিবাহৰ মীমাংসা :

গাৰোপাহাৰ জিলাৰ উপায়ুক্ত এজনে সুন্দৰ মন্তব্য এফাকি কৰিছে : "প্ৰত্যেক গাৰোৰ জীৱন 'দায়' (ঋণ পৰিশোধ) দাবী কৰোঁতে নাইবা দিবলৈ অস্বীকাৰ কৰোঁতে অতিবাহিত হয়। পঞ্চাছ বছৰৰ পূৰ্বে কোনোবা এজন মানুহৰ আজুককাকক হত্যা কৰা হৈছিল। সেইজনে হত্যাকাৰীৰ সন্তান সন্ততিৰ ওচৰত দায়ৰ দাবী জনায়। সেইসকলে যদি নিদিয়ে, নাইবা এই ঋণ যেতিয়ালৈকে

পৰিশোধিত নহয়, তেতিয়ালৈকে উত্তৰাধিকাৰী সকলে দাবী উত্থাপিত কৰে।" এওঁলোকৰ বিবাদসমূহ সাধাৰণ। এটা দলে আনটো দলৰ ওচৰত "দায়"ৰ দাবী জনায়। বৃটিছ প্ৰশাসন সংস্থাপিত হলত লস্কৰ নামেৰে এবিধ গাঁৱলীয়া কৰ্ম্মচাৰীৰ সৃষ্টি হ'ল। এইবোৰ গাঁৱৰ পুলিচ আৰু অবৈতনিক হাকিমৰ লেখীয়া। লস্কৰ সকলে বিবাদ মীমাংসা কৰে। বিচাৰত গাঁৱৰ সকলো মানুহে ভাগ লয়। লস্কৰ জনে সভাৰ অধ্যক্ষ স্বৰূপে সিদ্ধান্ত দিয়ে। জটিল ফৌজদাৰী মোকৰ্দ্দমা তুৰা সদৰ ঠাইত চৰকাৰী হাকিমে সোধে। লস্কৰৰ সিদ্ধান্তৰ বিপক্ষেও ইয়াত আপীল হয়।

মৌখিক সাক্ষীৰে যেতিয়া বিচাৰ কৰিব পৰা হয়, তেতিয়া আদেশ নাইবা শপত গ্ৰহণেৰে বিচাৰ কৰা হয়। মেজৰ প্লেফেয়াৰে দুবিধ আদেশৰ কথা লেখিছে। প্ৰথমটো হৈছে "শিল চোৱা", অৰ্থাৎ তপত লোৰ আদেশ। পুৰোহিতে (কামাল) লো এডোখৰ বঙাকৈ তপতায়। কপাহ আৰু গছপাত দি হাতৰ তলুৱাত এই তপত লো ডোখৰ ৰখা হয়। এনেকৈ সাক্ষীক শপত গ্ৰহণ কৰোৱা হয়। সত্যবাদীজনক তপত লোৱে একো কৰিব নোৱাৰে বুলি অনুমান কৰা হয়। দ্বিতীয় বিধ আদেশক "চক্ লা-চোৱা" বোলে। কণী এটা উতলা পানীৰ পাত্ৰ এটাত থোৱা হয়। সত্যবাদী জনে পানীত হাত জুবুৰিয়াই কণীটো আনিব লাগে। হাতত ঘা লাগিব নালাগিব। পূৰণি কালত মানুহ এজনৰ সত্যবাদিতা জুখিবলৈ নিশাটোৰ কাৰণে মানুহজনক হাবিৰ মাজত গছ একোপাত বান্ধি থৈ অহা নিয়ম আছিল। মানুহজনক যদি বাঘে নাখায়, তেতিয়াহলে সেইজন মানুহে সঁচা কৈছে বুলি অনুমান কৰা হয়। আজিও এই পদ্ধতি পালন কৰা হয়। আজি হওঁতে মানুহৰ ঠাইত গৰু বা গাহৰি একোটা থোৱা হয়।

মেজৰ প্লেফেয়াৰে কোৱাৰ দৰে "গাৰোৰ শপতত প্ৰথমতে থাকে বিবৃতিৰ বিষয়ে সত্যতাৰ ঘোষণা, দ্বিতীয়তে থাকে ভূতপ্ৰেতে অসত্য-বাদীজনক আগুৰি ধৰাৰ কথা।" নগাৰ দৰে গাৰোৱেও বাঘৰ দাঁত

এটা কামুৰি শপত খায়। ইয়াৰ অৰ্থ হৈছে, মিছা কথা কলে তেওঁক বাঘে খাব। বাঘে খাই মৰাটো মানুহৰ কাৰণে দুৰ্ভাগ্যজনক। ইয়াৰ কাৰণে বাঘৰ হাতৰ পৰা পৰিয়াল আৰু সম্বন্ধীয়া মানুহৰ ৰক্ষাৰ্থে বহুতো পশুপক্ষী বলি দিব লগা হয়।

ধৰ্ম্ম সম্বন্ধীয় বিশ্বাস :

জড়োপাসক গাৰোৰ ধৰ্ম্ম একপ্ৰকাৰ প্ৰাথমিক হিন্দু ধৰ্ম্ম। ইতিমধ্যে আমেৰিকান ব্যাপ্টিষ্ট আৰু ৰোমান কেথলিক মিছনেৰী সকলে এওঁলোকৰ শতকৰা ত্ৰিশভাগক খৃষ্টান ধৰ্ম্মলৈ ধৰ্ম্মান্তৰ কৰিছে। পৃথিৱী আৰু মানুহৰ উৎপত্তি বিষয়ক এই সকলৰ প্ৰায়েই বাইবেল শাস্ত্ৰৰ লগত মিলে। বিৰাট জলধাৰাৰ বাহিৰে আদিতে একোৱেই নাছিল। মাটি নাছিল। অন্ধকাৰে সকলো বস্তু আৱৰি থৈছে। গাৰোৰ ঘাই দেৱতা তাঁতৰা ৰেবুঙ্গাই নিজৰ নিম্নস্তৰৰ প্ৰতিনিধি নেস্তু-ন'পান্তু পঠিয়াই পৃথিৱী সৃষ্টি কৰায়। এই জনা দেৱতা হৈছে হিন্দুৰ পৌৰাণিক আখ্যানৰ ব্ৰহ্মা। পোনতে পানীৰ তলৰ পৰা এমুঠি বোকা অনিবলৈ নেস্তু-ন'পান্তুৱে গুৱৰুৱা এটাক পাচিলে। এনেদৰে অনা মাটিৰে তেওঁ পৃথিৱী গঢ়িলে। পোনতে বাম্পৰ আৰু পানী ভেকুলি সৃষ্টি কৰা হয়। সকলো জন্তুৰে উচ্চতম প্ৰতীক মানুহ শেহতীয়াকৈ সৃষ্টি কৰা হয়। প্ৰথম গৰাকী পুৰুষ আৰু মহিলাৰ নাম হৈছে শনি আৰু মুনি। এই সকলৰ সন্তান দুজনৰ নাম হৈছে গান-চং আৰু ডুজং। এইসকল হৈছে, নৰ আৰু মাণ্ডেৰ জনকজননী। (নৰ শব্দৰ সংস্কৃত অৰ্থ হৈছে মানুহ, মাণ্ডেৰ গাৰো অৰ্থ হৈছে মানুহ)। এই দুজনাই হৈছে গাৰোৰ আদিম জনকজননী।

মানুহ আৰু পৃথিৱীৰ উৎপত্তিৰ কথা এৰিলেও আগতে কৈ অহাৰ দৰে গাৰো ধৰ্ম্ম হৈছে, হিন্দু আৰু প্ৰকৃতি উপাসনাৰ সান-মিহলি সৃষ্টি। এওঁলোকে প্ৰতিজন মানুহৰ গাত প্ৰেতাত্মা একোটা থাকে বুলি বিশ্বাস কৰে। পুনৰ জন্ম নোহোৱালৈকে মৃত্যুৱে প্ৰেতাত্মাক আনঠাইত বন্দী কৰি ৰাখে। এটা জীৱনৰ পাপে পুনৰ জন্মৰ ওপৰত প্ৰভাৱ পেলায়। সৰাত্তোকৈ নিম্নস্তৰৰ পুনৰ জন্ম

হৈছে পোক পৰুৱা বা গছগছনি। ইয়াৰ ওপৰৰ পুনৰ জন্ম হৈছে চৰাই-চিৰিকতি আৰু জীৱজন্তু। শেহতীয়া পুনৰ জন্ম হৈছে মানুহ। একেখন মাচুঙতে পুনৰ জন্মিব পৰাটো হৈছে পবিত্ৰ জীৱনৰ পৰিচায়ক।

হিন্দুৰ দৰে প্ৰধান দেৱতা তাতৰা ৰেবুঙ্গান ন'ছিৰে গালো'ৰ বহুতো দেৱদেৱী আছে। যেনে চোৰা ডুবি, উৎপন্নৰ ৰক্ষক, চালজং, উৰ্ব্বৰতাৰ ৰক্ষক, গ'ৰেৰা, শক্তি দেৱতা, চুছিম, ধনসম্পত্তিৰ দেৱী। নৈসৰ্গিক বস্তুসমূহকো হিন্দুৰ দৰে উপাসনা কৰা হয়। ঋতু পৰিৱৰ্ত্তনৰ উদ্দেশ্যেৰে জোনবেলি তৰাক আকাশত নিক্ষেপিত দেৱদেৱী বুলি অনুমান কৰা হয়। বিজুলী, বজ্ৰপাত, বতাহ-বৰষুণ, ভূমিকম্প, ইত্যাদিৰ গুৰিতে দেৱতা একোজন আছে বুলি অনুমান কৰা হয়। এইসকলক চৰাই চিৰিকতি, জীৱজন্তুৰ বলি, ইত্যাদিৰে তুষ্ট কৰিব পৰা হয়। বতৰ খৰাং হলে ঢোল বজাই মাই পুৰোহিতৰ গাত পানী ঢলা হয়। অতিপাত বৰষুণ হলে তাপ আৰু পোহৰৰ কাৰণে শলাক চোৰাৰ (সূৰ্য্যদেৱতাৰ উৎসৱ) আদি কৰা হয়। তুয়োটা উৎসৱতে ছাগলি বা কুকুৰা এটা বলি দিয়া হয়।

ধৰ্মীয় সকলো উৎসৱতে দেৱতাৰ তৃপ্তি বিধানৰ অৰ্থে বলিৰ দা-যোগাৰ কৰা হয়। খেতিৰ বাবেই কেৱল নহয়, বেমাৰ-আজাৰ জন্ম-মৃত্যু, বিবাহ আদিতো দেৱতাৰ তৃপ্তি বিধান কৰা হয়। কেৱল ব্যক্তিৰ অসুখ-অশান্তিৰ বাবে পূজাপাতল দিয়াৰ উপৰিও সমাজৰ সমূহীয়া কল্যাণৰ অৰ্থে বলিৰ বাৰ্ষিক উৎসৱ একোখন গাৱেঁ পালন কৰে।

গালো সকল কৃষি-জীৱী। গুটি সিঁচাকে আৰম্ভ কৰি খেতিৰ বিভিন্ন স্তৰত বহুতো উৎসৱ পালন কৰা হয়। খেতি চপোৱাৰ সময়ত সবাতোকৈ ডাঙৰ উৎসৱ "ওৱাংগালা" পালন কৰা হয়। "ওৱাংগালা" অসমীয়াৰ ভোগালী বিহুৰ সৈতে একে। তিনিদিনৰ কাৰণে এই উৎসৱ ভোজ, নৃত্য আৰু মদৰ সহায়েৰে অনুষ্ঠিত হয়। মানুহক সোধ পোছ কৰাৰ দাই ঠেঁচা পৰে নোকমাৰ ওপৰত।

হিন্দুৰ দৰে গাৰোৱেও উপৰিপুৰুষক শ্ৰদ্ধা কৰে। এইষাৰ কথা মৃতকৰ উদ্দেশ্যে অৰ্পণ কৰা আহাৰ আৰু স্মৃতি ৰক্ষাৰ্থে শিলাস্তম্ভ স্থাপনৰ জৰিয়তে প্ৰকাশ পায়। এনে তৰহৰ প্ৰথা আৰু বিশ্বাসৰ জৰিয়তে ওচৰচুৰুৰীয়া ভৈয়াম অঞ্চলৰ হিন্দুধৰ্ম্মত দীক্ষিত সমাজে গাৰোৰ ধৰ্ম্মসম্বন্ধীয় বিশ্বাসৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলোৱা কথাষাৰ সাব্যস্ত কৰিব পাৰি। গুৱাহাটীৰ ওচৰৰ কামাখ্যা পাহাৰত অসমৰ কাৰণে গঢ়ি উঠা তান্ত্ৰিক ধৰ্ম্মত যি জনজাতীয় ৰীতি-পদ্ধতি আছে, সেই ৰীতি-পদ্ধতিসমূহ সম্ভৱতঃ ওচৰচুৰুৰীয়া জনজাতীয় মানুহক আকৰ্ষণ কৰাৰ উদ্দেশ্যেৰে হিন্দু পুৰোহিতবৰ্গই গ্ৰহণ কৰিছিল। যুগে যুগে প্ৰচলিত হিন্দু ধৰ্ম্মৰ ৰীতি-পদ্ধতি ধৰ্ম্মান্তৰ বাদ নহয়, গ্ৰহণ বাদহে।

অধ্যায় ৩

খাছিয়াসকল

আজি খাছিয়াসকল খাছিয়া আৰু জয়ন্তীয়া জিলাত বাস কৰে। গাৰোপাহাৰ, উত্তৰ কাছাৰ পাহাৰ, বৰাইল পাহাৰ অসমৰ পৰ্ব্বতমালাৰ অংশ। ই ব্ৰহ্মপুত্ৰ আৰু সুৰমা উপত্যকাৰ মাজত ব্যৱধান সৃষ্টি কৰে। গাৰো-খাছিয়া উত্তৰ কাছাৰ পাহাৰৰ জনাজাত উপত্যকাৰ পূবে হিমালয় পৰ্ব্বতমালাৰ উপপাহাৰ পাটকাই আৰু ব্ৰহ্মদেশৰ আৰাকান য়োমা, মনিপুৰৰ পৰ্ব্বতমালালৈ চুই গৈছে। সমতলভূমিৰ সৰ্ব্বোচ্চ শিখৰ হৈছে ৬.৪৫০ ফুটীয়া শিলং-পিক, ৬,৩৯০ ফুটীয়া ছুৰেন পিক, ৬,১৮৩ ফুটীয়া বাবলেং পিক আৰু ৬,০৭৭ ফুটীয়া ডিংগিয়ে। সমগ্ৰ সমতল ভূমি খণ্ডত মানুহ থাকে। ইয়াত খেতিও হয়।

দক্ষিণ অঞ্চলৰ সমতল ভূমিৰ পৰ্ব্বতমালা থিয়, গা অতিপাত হেলনীয়া। উত্তৰ ছিলেটৰ (এতিয়া পূব পাকিস্তানত) ভৈয়াম অঞ্চলৰ পৰা ওলোৱা নৈবোৰ এই অঞ্চলৰ বৰষুণে (ইয়াত বছৰি বৰষুণ হৈছে ৪০০-৬০০ ইঞ্চি) জীপ দিয়া। পৰ্ব্বতৰ পৰা ওলোৱা নৈ আৰু জুৰিয়ে অপূৰ্ব্ব স্ৰোতধাৰাৰ সৃষ্টি কৰে। এই পাহাৰৰ নামনি অঞ্চল হাবিৰে ভৰপূৰ। উজনি অঞ্চল আৰু মধ্যাঞ্চলত ঠায়ে ঠায়ে সৰল আৰু গুৰু গছে ঢৌ খেলি গোৱা পাহাৰ লানি। পাহাৰৰ শিখৰৰ সাধাৰণতে তলভাগত অৱস্থিত এই গছবোৰক প্ৰায়েই পবিত্ৰ বুলি ধৰা হয়।

উৎপত্তি :

● খাছিয়া মানুহবিলাক ক'ৰ পৰা আহিছিল, এই প্ৰশ্নৰ সমাধান নাই যদিও এই বিষয়ে যুগে যুগে কৰা মন্তব্যবোৰৰ চমু উল্লেখ দিব পাৰি।

.ভাৰতৰ সংস্কৃতিক ৰূপ দিয়া চাৰিটা ভাষাগোষ্ঠীৰ কথা গেইটে কয়। এই কেইটা হৈছে দ্ৰাবিড়ী, মুণ্ডা, ইণ্ডোচীন আৰু আৰ্য্য গোষ্ঠীৰ ভাষা। ইণ্ডোচীন ভাষা পৰিয়ালক এইজনাই আৰু কেইটামান ভাষাগোষ্ঠীত ভগাইছে। যেনে মনখমেৰ, তিব্বত-বৰ্ম্মীয় আৰু শ্যামচীন। প্ৰসিদ্ধ ভাষাবিদ চাৰ গ্ৰীয়েৰছনৰ সৈতে খোজ মিলাই খাছিয়াসকল মনখমেৰ ভাষাগোষ্ঠীৰ বুলি গেইটে কয়। ভাৰতত এই ভাষা কওঁতা এওঁলোকহে একমাত্ৰ মানুহ।

গৰ্ডনে লোগানৰ আৱিস্কাৰৰ কথা কয়। শব্দ কিছুমান ফঁহিয়াই খাছিয়াৰ ভাষাগত সাদৃশ্য, এইজনাই ভাৰতৰ বহিৰাঞ্চলৰ সৈতে কৰে। যেনে মন বা ব্ৰহ্মদেশৰ পেগু আৰু টেনাছেৰিম অঞ্চলৰ চালেঙ, কেম্বোডিয়াৰ খেমেৰ আৰু আনামৰ জনসংখ্যাৰ সৰহভাগ। গৰ্ডনে আৰু কয় যে, পেটাৰ স্মাতে খাছিয়া ভাষা মনখমেৰ ভাষাৰ সৈতেই কেৱল নহয়, নিকোবৰ আৰু মালয় উপদ্বীপৰ ভালেমান উপভাষাৰ সৈতে সংযোজিত কৰে।

১৮৭৫ চনত মালয় উপদ্বীপত এটা সম্বলিত মূৰৰ শিলা-স্তম্ভৰ প্ৰতি ১৮৯৬ চনত পীয়েলে আমাৰ দৃষ্টি আকৰ্ষণ কৰে। একেটা বস্তু হো-মুণ্ডাৰ বাসভূমি ছোটনাগ-পুৰতো আৱিস্কৃত হয়। ওপৰত উল্লেখ কৰা শিলাস্তম্ভৰ লোৰ প্ৰতিকৃতি আজিও দুটা পাহাৰী জাতিয়ে ব্যৱহাৰ কৰা দেখা যায়। নগাৰ কেনোবা এটা জাতি আৰু খাছিয়া জাতিয়ে এইটো বস্তু ব্যৱহাৰ কৰা দেখা যায়। আচৰিত হৰ লগা কথা, ওচৰচুবুৰীয়া সকলৰ দৰে খাছিয়াই আজিও নাঙলৰ ব্যৱহাৰ নকৰে। এওঁলোকে কোৰ হে ব্যৱহাৰ কৰে। নগাই শিলাস্তম্ভক "ম-গয়ো" বোলে। খাছিয়াই "ম-সৌউ" "ম-খু" বোলে। এনেবোৰ কথাৰ পৰা এসময়ত মালয় দ্বীপ বা ছোট নাগপুৰৰ মানুহৰ সৈতে প্ৰস্তৰ যুগত খাছিয়াৰ কিবা সম্বন্ধ আছিল বোলাটো সম্ভৱ।

প্ৰাচীন খাছিয়াই শিলৰ স্মৃতিস্তম্ভ স্থাপন কৰিছিল। গ্ৰীয়েৰছনে কোৱাৰ দৰে, শিলৰ এনে তৰহৰ স্মৃতিস্তম্ভ পৃথিৱীৰ আন-ঠাইতো

পোৱা যায়। ভাৰতত হো-মুণ্ডা আৰু খাছিয়াৰ লেখীয়া কেইটা-মান জনজাতীয় গোষ্ঠীৰ মানুহৰ মাজত পোৱা যায়। ভাৰতৰ আন অঞ্চলৰ আৰু খাছিয়া-জয়ন্তীয়া পাহাৰৰ শিলৰ স্মৃতিস্তম্ভ-বোৰ বিচাৰি চালে দেখা যায় যে, এইবোৰৰ সাদৃশ্য হো-মুণ্ডাৰ স্মৃতিস্তম্ভৰ সৈতে অধিক। ইয়াৰ উপৰিও দুয়োটা জাতিৰ মাজত শৱ-দাহ পদ্ধতিও একে। উদাহৰণ স্বৰূপে দুয়োটা জাতিয়ে মৰা-মানুহ পোৰে, হাড়বোৰ শিলৰ খৰাহিত সাঁচি থয়। খাছিয়াই এই হাড়ক "মছিং" বোলে। স্মৃতি ৰক্ষাৰ্থে দুয়োটা জাতিয়েই শিলাস্তম্ভ স্থাপন কৰে। এইবোৰ সাদৃশ্য চালে দেখা যায়, দুয়োটা জাতি, এটা ভাৰতৰ মধ্যাঞ্চলত আৰু আনটো উত্তৰ-পূব অঞ্চলত অৱস্থিত, একেটা গুৰিৰ পৰা উৎপত্তি লাভ কৰা বুলিব পাৰি। দুয়োটা জাতিৰ মাজত কোনো সম্বন্ধ নাছিল যদিও একেটা সংস্কৃতিৰ পৰা প্ৰভাৱ গ্ৰহণ কৰিছে বোলাটো সম্ভৱতঃ ভুল নহব।

কৃষি :

জীৱনৰ এইটো দিশৰ বিষয়ে ৰচিত পুস্তিকা এখনত নিম্ন-লিখিত মন্তব্যটো আছে, "পাহাৰী জাতিৰ ভিতৰত কোনেও খাছিয়াৰ দৰে উন্নত কৃষিব্যৱস্থাৰ কথা কব নোৱাৰে।" খাছিয়াৰ কৃষি বিস্তৃত। পথাৰৰ সাৰবস্তুৰ সৈতে ইয়াৰ সম্বন্ধ। সমতল ভূমিত থকা মধ্যাঞ্চলত জলসিঞ্চনৰ দ্বাৰাই টেৰেচ পদ্ধতিত ধানখেতি কৰা হয়। পাহাৰে স্বাকাৰ কৰা জিলাৰ উত্তৰাঞ্চলতো এনে তৰহৰ পথাৰ আছে। ইয়াৰ উপৰিও জলসিঞ্চন নকৰাকৈ ধান, আলুগুটি, নৰধান, জলকীয়া, ইত্যাদি পৰ্ব্বতীয়া ঢালিকাষৰীয়া অঞ্চলত জুম পদ্ধতিৰে কৰা হয়।

খনি আৰু খনিজাত বস্তু :

খাছিয়া আৰু জয়ন্তীয়া পাহাৰত কয়লা পোৱা যায়। সবাতোকৈ ডাঙৰ কয়লাৰ পথাৰ দুখন হৈছে চেৰাপুঞ্জী আৰু লাকাদং। ভাৰতৰ

আন অঞ্চলত থকাৰ দৰে খাছিয়া আৰু জয়ন্তীয়া পাহাৰতো লো আছে। খাছিয়া পাহাৰত লো গলাই এতিয়াও সৰু সৰু ডোখৰ কৈ স্থানীয় বজাৰলৈ পঠোৱা হয়। সমতলভূমিৰ সবাতোকৈ দাঁতিত থকা শিলাখণ্ডৰ বেয়া হোৱা গ্ৰেণাইটৰ মাজত মণিমুক্তাৰ দৰে লো পোৱা যায়। এই লো ভাল বস্তু। কোৰ আৰু ৰেইট (এবিধ সৰ্ব্বসাধাৰণ কামৰ কাৰণে ব্যৱহৃত গধুৰ দা) কৰোঁতা সকলে এই লো বৰ বিচাৰে। এসময়ত এইটো উদ্যোগ বৰকৈ বিস্তাৰিত হৈছিল যদিও কাৰখানাত তৈয়াৰী সামগ্ৰীৰ আগত ই আজি পৰাভূত হৈ মৃত্যুমুখী হৈছে।

জিলাখনৰ দক্ষিণাঞ্চলত পোৱা বহুতো চূণশিল হৈছে ইয়'ৰ পিছত সবাতোকৈ বৃহৎ পদাৰ্থ। বৃটিছ শাসনৰ কিছুকাললৈকে এইবোৰ স্তৰৰ চূণশিল যোগান ধৰা হৈছিল। ছিলেটৰ চূণ বঙ্গদেশৰ মোগল ৰাজ্যপালৰ একছেটীয়া সম্পত্তি আছিল। এইবোৰৰ উল্লেখ পুৰণি চনদ, ফৰমান আৰু ইষ্ট্ ইণ্ডিয়া কোম্পানীৰ সৈতে স্বাক্ষৰিত চুক্তিত পোৱা যায়। এই চুক্তি অনুসাৰে ইষ্ট্ ইণ্ডিয়া কোম্পানীয়ে ইয়াৰ শাসন ভাৰ পায়।

প্ৰশাসন ব্যৱস্থা :

খাছিয়া পাহাৰৰ সৰহভাগ হৈছে স্বাধীন নৃপতি ৰাজ্য। এইবোৰ বৃটিছ চৰকাৰৰ সৈতে চুক্তিবদ্ধ। অ'ত ত'ত সিঁচৰতি হৈ থকা গাঁও কেইখন মানহে বৃটিছৰ অধীনত আছিল। ১৮৪৩ চনৰ পূৰ্ব্বে এইবোৰ অঞ্চল বিশেষ কাৰণত বৃটিছৰ শাসনাধীন হয়। নিজৰ নিৰ্ব্বাচিত প্ৰতিনিধিৰ জৰীয়তে ৰাইজ শাসিত হৈছিল। এইসকল নিজৰ দৰবাৰ বা পৰিষদৰ ওচৰত জগৰীয়া আছিল। এওঁলোকে চৰকাৰক কোনো ৰাজহ নিদিছিল। ৰাজ দায়িত্ব হাতত লোৱাৰ লগে লগে ছীয়েমে স্থায়ী শক্তি বৃটিছক খনি আৰু খনিজাত বস্তু, হাতী, বনাঞ্চল, আৰু ৰাজ্যৰ আন প্ৰকৃতিগত সম্পদৰাজিৰ দায়িত্ব দিব লগা হৈছিল। এইবোৰৰ পৰা উৎপন্ন হোৱা লাভাংশৰ অৰ্দ্ধেক ছীয়েমে পাইছিল। ৰাইজৰ সৰু সৰু বিচাৰ নৃপতিয়ে নিজ দৰবাৰত

গারো—চিনক মহিলাই নাচতৈ সাজ-কাচ ওলাইছে



উৰ্মাটিংগনৰ দলং খাছি পাহাৰ

খাছি তিৰোতাই পানী আনিবলৈ গৈছে

খাচি প্ৰধানসকল

কুটিৰ শিল্প খাঁচ পাহাৰ

কৰিছিল। ডাঙৰ ডাঙৰ বিচাৰ নাইবা আন্তঃসংস্থিক খৰিয়াল পলিটিকেল এজেন্টৰ কাছাৰীত সোধা হৈছিল।

ইয়াৰ পিছত জিলাধিপতি আৰু সেইজনাৰ কাচাৰীক ক্ষমতা দিয়া হল। এতিয়া বিশেষকৈ ১৯৫২ চনৰ পিছৰ পৰা ভাৰতীয় সংবিধানৰ ষষ্ঠ ছেদৰ দ্বাৰাই জিলাখন শাসিত হৈছে।

ভূমি সংস্কাৰ :

কোনো বিৰোধিতা নোহোৱাকৈ কব পাৰি, খাছিয়া সমাজত মাটি অৱশেষত ৰাইজৰ। ব্যক্তিগত ভাৱে মুখিয়াল জনৰ নিজা মাটি বাৰী বা সা-সম্পত্তি থাকিব পাৰে। সেইবুলি মুখিয়াল হোৱা হেতুকে মাটিৰ ওপৰত তেওঁৰ বিশেষ কোনো স্বত্ব নাথাকে।

পৰিয়ালৰ, ফৈদৰ, নাইবা সমূহীয়া ৰাইজৰ হলেও মাটি ৰাইজৰহে। মুখিয়ালৰ নিজা কোনো মাটি নাই। সেই কাৰণে কামত লগোৱা হেতুকে ৰাইজৰ ওপৰত তেওঁ কোনো মাটিৰ ৰাজহ ধাৰ্য্য কৰিব নোৱাৰে। সেইদৰে ৰাইজৰ ওপৰত কৰ কাটলো ধাৰ্য্য কৰিব নোৱাৰে। সাধাৰণ মানুহ ৰাজাৰ সন্তান। এই কাৰণেই মাটিৰ ওপৰত তেওঁলোকৰ অধিকাৰ আছে।

শাস্তিমূলক ব্যৱস্থা :

খাছিয়াৰ উচ্চ পৰ্যায়ৰ নীতিজ্ঞান আৰু আইন-শৃঙ্খলা জ্ঞান আছে। আইনৰ কঠোৰতাই মানুহৰ বিবেকক আজি মষিমূৰ কৰিব পাৰে। খাছিয়া আইন ভঙ্গকাৰীতো মানুহৰ ক্ষেত্ৰত বৰ কঠোৰ আছিল, কাৰণ অবিচাৰৰ পুনৰাবৃত্তি হোৱাটো তেওঁলোকে নিবিচাৰিছিল।

হত্যাৰ শাস্তি দোষীক মৰিয়াই মৃত্যুদণ্ড দিয়াটো আছিল। আজীৱন কাৰাদণ্ডেৰে নাইবা এহেজাৰ এশ টকা আৰু এটা গাহৰি পোৱালী জৰিমনাৰে, যৌন-বিচ্যুতিৰ শাস্তি দিয়া হৈছিল। স্বামীয়ে যদি পত্নীক আন কাৰোবাৰ সৈতে বেয়া অৱস্থাত পায়, তেন্তে কোনো দণ্ড নোপোৱাকৈ প্ৰাচীন বিধান অনুসাৰে ছুয়োকো হত্যা

কৰিব পাৰে। বিবাহিতা নাৰীক বলাৎকাৰ কৰা জনক আজীৱন কাৰাদণ্ড দিয়া হয়। কুমাৰী ছোৱালীৰ ক্ষেত্ৰত এটা গাহৰি পোৱালী আৰু শকত এটা জৰিমনা কৰা হয়। যৌন বাধানিষেধক অৱজ্ঞা কৰোঁতা জনক এৰৰীয়া কৰা হয় নাইবা গাঁৱৰ পৰা নিৰ্ব্বাসন দিয়া হয়। অগ্নি সংযোগ কৰা অপৰাধীক আজীৱন কাৰাদণ্ড দিয়া হয়, নাইবা খাছিয়া ৰাজ্যৰ পৰা বহিস্কাৰ কৰা হয়। মানুহৰ গাত ভূত মেলোঁতা জনক আৰু যদি ভূতে পোৱা মানুহজনৰ ইতিমধ্যে মৃত্যু হয়, তেতিয়া ভূত লগাওঁতা মানুহজনক পৰ্ব্বতৰ পৰা বগৰাই দিয়া হয়। ডকাইতি বা চুৰ কৰোঁতাজনক বাঁহৰ চাঙত তুলি জলকায়াৰ জুই দিয়া হয়। এনে তৰহৰ শাস্তিমূলক পৰিণতিৰ বিষয়ে বৰ্ণনা কৰাতকৈ কল্পনা কৰাটোহে ভাল।

ধৰ্ম্ম আৰু কিছুমান আমোদজনক কাহিনী:

খাছিয়া সকলে উ ব্লে নংথ (স্রষ্টা, ভগৱান) বোলা দেৱতাক গভীৰ বিশ্বাস কৰে। এসময়ত পৃথিৱীখন কুমাৰী, সৎ, পাপশূন্য আছিল বুলি এওঁলোকে ধাৰণা কৰে। মানুহে স্রষ্টাৰ সৈতে মুকলিভাৱে আদান-প্ৰদান কৰে। মানুহৰ দৰে জীৱজন্তুৱে কথা কব পাৰিছিল। দেৱতা, মানুহ আৰু জীৱজন্তুৱে সমিল মিলকৈ বাস কৰিছিল। মানুহ আৰু দেৱতাৰ মাজত এনে এক নীতি আছিল বুলি এইসকলে ধাৰণা কৰিছিল। মনত ঈৰ্ষা আৰু আত্মকেন্দ্ৰিকতাই ঠাই পোৱাৰ লগে লগে এই নীতি উৰলি যায়। এওঁলোকৰ ধৰ্ম্ম ভগৱান প্ৰদত্ত বুলি খাছিয়াই ধাৰণা কৰিছিল। ই এটা উপায়, যাৰ দ্বাৰাই প্ৰাচীন সমন্বয় পুনৰ উদ্ধাৰ কৰিব পাৰি। খাছিয়াৰ মতে ধৰ্ম্ম হৈছে এটা পদ্ধতি বা এটা উপায়। ইয়াকেই তেওঁলোকে "কা হুৱাম খেইন কা নিয়াম বিচাৰ", অৰ্থাৎ যুক্তি ধৰ্ম্ম বুলিছিল। যিহকে নকৰক লাগিলে, যেনে মঙ্গল চোৱা, বলি দিয়া, প্ৰাৰ্থনা কৰা, সন্তানৰ নাম দিয়া, মৃতকৰ সংস্কাৰ কৰা ইত্যাদি হৈছে খাছিয়াৰ মতে ভগৱানৰ পথা ঘুৰাই অনাটো। তলত দিয়া কাহিনীটোৰ জৰিয়তে এই ধাৰণা পুৰুষানুক্ৰমে প্ৰবাহিত হৈ আহিছে।

বহুযুগৰ পূৰ্ব্বেই প্ৰথম দিনাই ভগৱানে স্বৰ্গ আৰু জননী পৃথিৱীৰ সৃষ্টি কৰে। জননী পৃথিৱীৰ পাঁচোটা সন্তান, যেনে, চন্দ্ৰ (পুৰুষ), সবিতা (নাৰী), পানী, বায়ু আৰু অগ্নি আছিল। চন্দ্ৰ আৰু সবিতাৰ মিলনত আকাশত গ্ৰহতৰাৰ জন্ম হয়। বাকী সন্তান তিনিটাৰ সংযোগত পৃথিৱীত সকলো বস্তুৰে উৎপত্তি হয়। সকলো বস্তুৰ উৎপত্তিৰ পিছত পৃথিৱী ধুনীয়া কৰা হ'ল। সকলো বস্তুকে শাসন কৰিবলৈ জননী পৃথিৱীয়ে ভগৱানৰ ওচৰত শাসনকৰ্ত্তা এজন বিচাৰিলে। প্ৰস্তাৱটোত ভগৱান সন্তুষ্ট হ'ল। এই বুলি লগত[illegible] ষোল্লট জনজাতীয় মানুহৰ পৰিষদ এখন আহ্বান কৰিলে। এই ষোল্লটা জাতিৰ সাতটা পৃথিৱীলৈ গৈ বাস কৰাৰ সিদ্ধান্ত কৰা হ'ল। এই কাৰণেই খাছিয়াই নিজকে "সাতোটা পৰকুটীৰৰ আৰু সাতোটা বাঁহৰ মানুহ" বুলি কয়।

এই সাতোটা জনজাতিৰ অধীনত পৃথিৱী সমৃদ্ধিশালী হ'ল। ভগৱানে সৃষ্টবস্তু সকলোৰে সৈতে মুক্তভাৱে আদান প্ৰদান কৰিবলৈ ল'লে। ভগৱানে আনকি এই সাতোটা জাতিৰ সৈতে সংস্থাপন স্থাপন কৰি পৰ্য্যাপ্ত আদান প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দি এক ৰীতি-নীতিৰ প্ৰৱৰ্ত্তন কৰে। এই নীতিনীতিৰ প্ৰতীক হৈছে পাহাৰৰ ওপৰত ভগৱানে ৰোৱা "কা দিয়েঙ্গীৎ"—দিয়েঙ্গীৎ পাহাৰ হৈছে অহা যোৱা কৰিবলৈ এডাল জখলা। স্বৰ্গ আৰু মৰ্ত্ত্যলোকলৈ সহজে অহাযোৱা কৰিবলৈ পোৱা মানুহে এনেকৈয়ে সুখেৰে থাকিবলৈ ললে।

বহুদিন এইদৰে যাবলৈ নাপালে। মানুহৰ সুখ আৰু সমৃদ্ধিত, লগতে ভগৱানৰ প্ৰতি ঈৰ্ষান্বিত হৈ সাগৰৰ পৰা উৎপত্তি লাভ কৰা এজন দেৱতাই মানুহৰ পতনৰ আঁচনি প্ৰস্তুত কৰিবলৈ ল'লে। আঁচনি কৰি লৈ "চৰ্দ্দঙ আৰু চখিন" বোলা দুজন ভাই-ককাইৰ সৈতে বন্ধুত্ব কৰিবলৈ ল'লে। সময়ত তেওঁ বন্ধু দুজনক ক'লে: "চোৱা, দিয়েঙ্গীৎ যেন গছজোপা এজোপা ডাঙৰ গছ। চাওঁ নাথাকিলে গছজোপাই এদিন বৰ ডাঙৰ হৈ জোন বেলি ঢকা

সকলোকে আচ্ছন্ন কৰি পৃথিৱীক ঘোপ মৰা অন্ধকাৰত নিমজ্জিত কৰিব। ৰুদ্ধশ্বাস হৈ আমি সকলোবোৰ মৰিম। ককাই-ভাই দুজনে এইষাৰ কথা বৰ সঠিক যেন পালে। ইয়াৰ বতৰা দি আনকি মত লবলৈকো দৃঢ় সঙ্কল্প হ'ল। অভিসন্ধি পূৰণ হোৱা দেখি অসত্য-বাদীজন সাগৰৰ তলীৰ নিজা ঘৰলৈ গ'ল।

কথাষাৰ শুনা মাত্ৰকে সকলো একমত হৈ গছজোপা কাটি পেলোৱাটো থিৰাং কৰিলে। কমাৰক ৰেইট এখন (এবিধ দা) আৰু কুঠাৰ এখন সাজি দিবলৈ ক'লে। এইদৰে স্বত্ব পাই সিহঁতে গছজোপা কাটিবলৈ ল'লে। ওৰেটো দিন কটাৰ পিছত বাকীছোৱা কাম পিছদিনা কৰিব বুলি মনস্থ কৰি ঘৰলৈ উলটি আহিল। মাজনিশা সকলো নিৰৱ হলত বাঘ এটাই কটা ঠাইত চেলেকি দিলত কটা গছজোপা আকৌ আগৰ দৰে হ'ল। পিছদিনা কামলৈ আহি গছজোপাৰ গাত কটাৰ একো চিন নেদেখি মানুহবোৰ বৰ আচৰিত হ'ল। তথাপি আকৌ কাটিবলৈ ল'লে। নিশা ঘৰলৈ যোৱাৰ পিছত ওলাই আহি বাঘটোৱে আকৌ একে কামকে কৰিলে। তৃতীয় নিশাও একেদৰেই ঘটনাটো সংঘটিত হলত, ৰহস্যটোৰ বিষয়ে আলোচনা কৰি সিদ্ধান্ত এটাত উপনীত হবলৈ সমূহ ৰাইজৰ সভা এখন পাতিবলৈ ঠিক কৰিলে। ইয়াৰ বাবে দিন এটা ধাৰ্য্য কৰা হ'ল।

নিৰ্দ্ধাৰিত দিনা সকলো মানুহ আহিল আৰু গছজোপা কাটিবলৈ উপায় বিচাৰিবলৈ ধৰিলে। গছজোপাই গোটেই পৃথিৱীকে গ্ৰাস কৰি যেন সম্পূৰ্ণ অন্ধকাৰৰ সৃষ্টি কৰিব, এনে অনুমান হ'ল। মানুহ-বোৰে যুক্তি আগবঢ়ালে যদিও একো নহ'ল। তেওঁলোক আচৰিত হ'ল। এনেতে ফ্ৰেইট (তেনেই সৰু চৰাই) নামৰে চৰাই এটা ওলাই মানুহক সম্বোধন কৰি ক'লে: বাঘ বুঢ়াই কোৱা শুনিছিলোঁ। দিয়েজাই গছজোপাৰ কাৰণে পৃথিৱী অন্ধকাৰময় হব। তেতিয়া নিৰাপদে মই ঘূৰি ফুৰিব পৰা হম। গছজোপাৰ ঘা বোৰ চেলেকি সি ডকুৰাই থাকিব" কথাষাৰ শুনা মাত্ৰকে সভাৰ মানুহ আতঙ্কত

হতভম্ব হ'ল। শ্রেইট চবাইজনীয়ে আকৌ কলে : "ভয় নাখাবা, বাইজ দিনটোৰ কাৰণে আকৌ আহিলে উলটি যাবৰ সময়ত তোমালোকৰ অস্ত্রশস্ত্র বোৰ গছজোপাত বান্ধি থৈ যাবা। চেৰ্লেকিৰ খুজিলেই বাঘ টোৱে জিভাত দুখ পাব। এনেদৰেই তাৰ চেলেকা বন্ধ হব।" এই উপদেশে সভাসদ মণ্ডলাক যথেষ্ট আনন্দ দিলে। শিকাই দিয়া মতে পিছদিনা তেওঁলোকে কামটো কৰিলে। জিভা ছুকাল হোৱা দেখি ভয়ত বাঘটোৱে লৰ মাৰিলে। গছজোপা কাটি পেলাবলৈ বাইজো সক্ষম হ'ল। গছজোপা মাটিত পৰাৰ কম্পন গোটেই পৃথিৱীয়ে অনুভৱ কৰিলে। য'তেই ইয়াৰ ৰস পৰিল, ত'তেই বালিৰ লগত মিহলি হৈ কয়লা হ'ল। গছজোপাৰ মৃত্যু সৰ্বাঙ্গীণ হ'ল। আজিও পৃথিৱীৰ কতো দিয়েঙ্গীই গছ নাই। কাৰণ গছজোপাৰ লগতে গুটিবোৰো নষ্ট হ'ল।

দিয়েঙ্গীই গছজোপা কটাৰ পিছত মানুহে দেখিলে যে তাৰ জীৱনৰ বাটটো কাটি পেলাইছে। ভগবানৰ নাইবা সৰগৰ আন দেৱতাৰ সৈতে মানুহে আদান-প্রদান কৰা কাৰ্য্যত বাধা পৰিছে। ইমানদিনে উপভোগ কৰা শান্তি আৰু আনন্দৰ ওৰ পৰিছে। মানুহ আকৌ বিমোৰত পৰিল। মানুহৰ অৱস্থা দেখি ভগবানৰ মৰম উপজিল। স্বৰ্গৰ পথ আকৌ কেনেকৈ মুকলি কৰিব পাৰি, সেইবাৰ কথা শিকাবলৈ শেমবাৰৰ কাৰণে ভগবান মৰ্ত্তালোকলৈ আহিল। ছনাই উলটি যোৱাৰ পূৰ্বে স্বৰ্গৰ পথ কেনেকৈ মুকলি হব পাৰে, সেইবাৰ কথা মানুহক শিকোৱাটো উচিত হব বুলি ভগবানে ভাবিলে। এই কাৰণে মাটি চহাই বতৰত গুটি সিঁচিব লাগে কেনেকৈ, আৰু ভগবানৰ উদ্দেশ্যে কেনেকৈ উৎসৱ আদি পাতিব লাগে, সেইবিষয়ে শিক্ষা দিবলৈ ললে। মানুহৰ সৈতে ভগবানে দেখাদেখিকৈ কথা পাতিব নোৱাৰা হ'ল। চিহ্ন আৰু প্রতীকৰ সহায়েৰে কথা পাতিব লগা হ'ল। এই চিহ্ন আৰু প্রতীক মানুহে বুজিব পৰা হব লাগিব, ইয়াকে কৰিবলৈ হলে উৎসৱ আদি ভালকৈ পালন কৰিব লাগিব। ইয়াৰ পিছত ভগবান আঁতৰি গল।

মানুহে এই নীতি কিছুসময়ৰ কাৰণে পালন কৰিলে। চেষ্টা কৰিলে যদিও ভগৱানৰ ওচৰলৈ মানুহ আৰু যাব নোৱাৰা হ'ল নাইবা সেইজনাৰ মাত কথাও নুশুনা হ'ল। ক'ৰবাত ভুল হৈছে নাইবা কিবা কাম আধৰুৰা হৈ আছে বুলি মানুহে ধাৰণা কৰিবলৈ ধৰিলে। তাৰ উপলব্ধি হ'ল যে স্ৰষ্টাৰ পৰা সি আঁতৰি আহিছে, লগতে বুজিলে সি এতিয়া কা টাইকট অৰ্থাৎ প্ৰেতাত্মাৰ বাণীৰ অধীনত। কা বেইটিৰ বোলা এই গ্লানি সি মচি পেলাব নোৱাৰিলে। যুগে যুগে ই বৈ গ'ল। কা টাইকট বা বেইটিৰ অভিশাপ নপৰা জন্তু-জগতত হতাশ হৈ সি আশ্ৰয় ল'লে।

ডাঙৰ সভা এখনত জন্তু এটাক স্বইচ্ছাৰে গৈ ভগৱানৰ কথা কবলৈ মানুহে অনুৰোধ জনালে। এনে গধুৰ দায়িত্ব এটা লবলৈ কোনো জন্তু হত অমত হ'ল। সকলো শেষত কুকুৰা এটাই অসম্ভৱক সম্ভৱ কৰিবলৈ আগবাঢ়ি আহিল। ভগৱানক সেৱা এটা জনাই ভগৱান আৰু মানুহৰ মাজত উচিয়াং অৰ্থাৎ মধ্যস্থতাকাৰী স্বৰূপে সি দেখা দিলে। মানুহৰ পাপ আৰু বাধাৰ পৰিণতি গা'ত লবলৈ সাজু নে বুলি ভগৱানে তাক সুধিলে। কুকুৰাটোৱে সেই কাম কৰিবলৈ সাজু বুলি ক'লে। কথাষাৰ শুনি কুকুৰাটোক ভগৱানে মধ্যস্থতাকাৰী স্বৰূপে গ্ৰহণ কৰিলে। ওয়ান চিন স্বৰূপে কুকুৰাটোক ভগৱানে বেলি ওলোৱা ঘোষণা কৰিবলৈ মাত এটা দিলে। আৰু মানুহে কুকুৰাৰ নাৰীভুৰু আৰু কণীৰ চোকোৰাৰে ভগৱানক যে বিচাৰিছে, সেই বিষয়ে জনাবলৈ নিৰ্দেশ দিলে।

উ থ্লেন বা সৰ্পৰ কাহিনী :

আন প্ৰাচীন জাতিৰ দৰে খাছিয়াই সৰ্প দেৱতাক গভীৰ বিশ্বাস কৰে। সৰ্প দেৱতাক এওঁলোকে উ থ্লেন বুলিছিল। ইয়াক কেন্দ্ৰ কৰি কাহিনী এটা গঢ়ি উঠিছিল। যুগে যুগে কাহিনীটোৱে বেলেগ ৰূপ লৈ আহিছে। থ্লেন দেৱতা দেখিবলৈ কেনে ধৰণৰ কোনেও নাজানে। দেৱতাজনে জীৱজন্তুৰ যেনে নিগনি, মেকুৰী, জোক, মাছ আৰু কেতিয়াবা ক'লা কেৰাহী এখনৰ ৰূপ লব পাৰিছিল।

আমি ইয়াৰ বিষয়ে সৰ্প বুলিহে ভাবোঁ। পাহাৰত পোৱা অজগৰ সাপ এবিধক থ্লেইন বোলা হয়। তলত আমি থ্লেইনক কেন্দ্ৰ কৰি ৰচিত কিছুমান কাহিনী আৰু উপকথাৰ সাৰাংশ দিব খুজিছোঁ।

বহুযুগৰ পূৰ্ব্বে বানগিৰটোহ বোলা সৰু গাঁও এখন ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰ আছিল। বস্তুবাহানি লৈ ইয়াৰ বজাৰলৈ সমূহ দেশৰ পৰা মানুহ আহিছিল। গাঁৱৰ মানুহ নিমিলা সংখ্যাত ইয়ালৈ আহিলে বৰ আচৰিত ভাৱে নিমিলা সংখ্যাৰ মানুহজন নোহোৱা হয়। কথাষাৰ বাৰে বাৰে সংঘটিত হলত বানগিৰটোহ বজাৰলৈ মানুহ যাবলৈ ভয় কৰা হ'ল। আতঙ্কিত হৈ সহায় বিচাৰি এই সকল উব্লেই বা কা ব্লেইৰ কাষ চাপিলে। দয়াশীল হৈ উব্লেই (ভগবানে) লেই শ্বিলঙক (শ্বিলং শিখৰৰ দেৱতা) কথাটোৰ বুজ লবলৈ কলে। লগত চিৰমোহ বা কাৰছেনৰ মুখিয়াল জনক লৈ উথ্লেনৰ বিষয়ে লেই শ্বিলং বুজ লবলৈ আগ বাঢ়িল। বহু বিচাৰ কৰি লেই শ্বিলঙে বুজিলে যে ওচৰৰ গুহা এটাৰ প্ৰেতাত্মা এটাই মানুহক হত্যা কৰি খাই পেলাইছে। এই দানৱটোক হত্যা কৰিবলৈ চিৰমোহৰ মুখিয়াল জনক তেতিয়া তেওঁ পাচিলে। হাতত তপত লো এডাল লৈ চিৰ-মোহৰ মুখিয়াল জন গুহাত সোমাল আৰু গাহৰি মঙহ অলপ আনিছে বুলি থ্লেইনক কলে। কথাষাৰ শুনি থ্লেইনে মুখখন বহল কৈ মেলিলে। চিৰমোহে তাৰ মুখত তপত লো ডাল সুমুৱাই দিলে। ঘটনাটোত সাপটোৰ মৃত্যু ঘটিল। বানগিৰটোহৰ বজাৰলৈ গৈ চিৰমোহে গাঁৱৰ ৰাইজক ঘটনাটোৰ সবিশেষ কলে। সাপটোৱে নকৈ জীৱন পোৱাৰ আশঙ্কা কৰি তেওঁলোকক তাক সম্পূৰ্ণকৈ খাবলৈ কলে। কথাষাৰত ৰাইজ বৰ আনন্দিত হ'ল। কেৱামাইলো দীঘল গাৰ সাপটোৰ ছাল বখলিয়াবলৈ ধৰিলে। মৰিবৰ সময়ত সি কৰা অঙ্গীভঙ্গীয়ে বহুতো খহনীয়াৰ সৃষ্টি কৰিলে। আজি আমি যাক 'ম'মিউ গজ' বুলি জানো সেইটো তাৰেই সৃষ্টি। কেইবা ডোখৰ কৈ সাপটো কাটি খাবলৈ নিৰ্দ্দেশ দি মানুহৰ মাজত বিলাই দিয়া হ'ল। লগতে কোনো ভাগ সাঁচি নথবলৈ নিৰ্দ্দেশ দিয়া হ'ল।

এই নিয়মৰ অন্যথা কৰোঁতা জনক মৃত্যুদণ্ড দিয়া হব বুলিও ঘোষণা কৰা হ'ল।

নাতিনীজনীৰ কাৰণে এগৰাকী বুঢ়ী মানুহে অলপ মঙহ লৈ ঘোৰাৰ বাহিৰে আন সকলোৰে নিৰ্দ্দেশ মতে কাম কৰিলে। ঘৰলৈ আহি মানুহ গৰাকীয়ে টিনগীয়েৰত (ধোৰাঁচাঙত) মঙহ টুকুৰা সাঁচি থৈ নাতিনীজনীক পিছত বস্তুটো দিবলৈ পাহৰিলে। ঘৰত এদিন অকলে থাকোঁতে কণ্ঠস্বৰ এটা ধ্বনিত হ'ল। মাতটোৱে কালে: "মই জীয়াই থাকিম নে মৰিম?" ৰহস্যজনক প্ৰত্যুত্তৰ এটা আহিল: "জীয়াই থাকিম, মানুহে মোৰ নিৰ্দ্দেশ অমান্য কৰিছে।" মানুহজনীৰ ভয় লাগিল। মঙহ থোৱা মাটিৰ পাত্ৰটোলৈ ভুমুকিয়াই চাই দেখিলে, থ্লেইনৰ মঙহ থোৱা পাত্ৰটোত ই আকৌ পুনৰ জীৱিত হৈছে আৰু সৰু প্ৰেতাত্মা এটাৰ সৃষ্টি হৈছে। প্ৰেতাত্মাটোৱে মানুহজনীক ঐশ্বৰ্য্য সম্পদ বৃদ্ধি হোৱাৰ প্ৰতিশ্ৰুতি দি পোহপাল দি ৰাখিবলৈ কলে। মানুজনীৰ উপায় নোহোৱা হ'ল। ঘটনাটোৰ বিষয়ে আনক কলে নিৰ্দ্দেশ অমান্য কৰাৰ দোষত তাই মৃত্যু বৰণ কৰিব লাগিব।

থ্লেইনে কোৱা মতে সময়ত মাইকী মানুহজনী ঐশ্বৰ্য্যশালিনী আৰু সমৃদ্ধিশালিনী হ'ল। এদিন কপালত কোঁট থকা ছাগলী এটা আনি থ্লেইনৰ আগত বলি দিবলৈ তাইক কলে। নিৰ্দ্দেশ অনুসৰি মানুহজনীয়ে কাম কৰিলে। আগ বঢ়োৱাত থ্লেইনে ছাগলীটো গ্ৰহণ নকৰি থং নকৰি, মানুহজনীক কলে, দেখিবলৈ তাইৰ লেথীয়া ছাগলী এটা লাগে। তেতিয়া তাক এটা মানুহ লাগে বুলি তাই বুজিলে। কথাষাৰত তাই আকৌ কঁপিবলৈ ধৰিলে। তথাপি নিৰ্দ্দেশ অনুসৰি তাই কাম কৰিব লাগিব। আজিও খাছিয়াৰ মাজত এটা ধাৰণা আছে যে পৰিয়ালত থ্লেইন পোহা মানুহ আছে। মাজ নিশা এওঁলোকে থ্লেইনক দিবলৈ মানুহৰ তেজ, আঙুলিৰ নখ আৰু চুলি বিচাৰি যায়। মানুহ যদি হত্যা কৰিব নোৱাৰে, তেতিয়াহলে তেওঁলোকে ভুক্তভোগীৰ এডোখৰ কাপোৰ নাইবা একোছা চুলি কাটি আনে। যেনে, কলাবোবা মানুহ নাইবা লেঙেৰা মানুহৰ

লেখীয়া অসম্পূর্ণ মানুহৰ তেজ খ্রেইনে গ্রহণ নকৰে। লগতে মানুহ-জন খাছিয়া হব লাগিব। কাৰণ খাছিয়াই হে সকলোখিনি মড়স খোৱা নাছিল, আনে খাইছিল।

ধৰ্ম্ম :

জীৱনৰ প্রতিটো দিশতে ৰীতি-নীতি আছে! অকণো ভুল নোহোৱাকৈ কব পাৰি যে এওঁলোকৰ সমূহ দৃষ্টিভঙ্গী উৎসৱমুখী, অর্থাৎ সমগ্র জীৱনটোৱেই এটা উৎসৱ। খাছিয়াৰ কাৰণে ধৰ্ম্ম হৈছে "অভ্যাস" বা "জীৱন-পদ্ধতি"। এইটোকে খাছিয়াই ক[illegible] উ ব্লেই বা কা ব্লেই (ভগবান) উপৰিপুৰুষ, দেৱতা সকল, জীৱিত পিতৃমাতৃ, দদাই খুৰী ভ্রাতৃ ভগ্নী, বন্ধু, আৰু সম্পৰ্কীয়া সকলৰ উদ্দেশ্যে পালন কৰিব লগীয়া ৰীতি নীতি আছে। খাছিয়াৰ প্রতিটো দিনৰ জীৱন কিছুমান ৰীতিনীতি আৰু উৎসৱেৰে আগুৰি থকা। পুৱা শুই উঠি দিনটোৰ কাৰণে জুই ধৰাৰ পৰা নিশা পাটীত নপৰালৈকে ওৰেটো জীৱন তাৰ উৎসৱমুখৰ। উদাহৰণ স্বৰূপে, শুই উঠিয়েই সি ম'বীৰছু (উধানৰ শিলাস্তম্ভ তিনিটা) ক প্রণাম জনায়। এইটো কাম সি পাত্রটো লাহে লাহে চেপেনাৰে তপতাই কৰে। জুহালৰ বস্তুসম্ভাৰ যেনে চেপেনা, জুইশাল নাইবা ভাতৰন্ধা পাত্র সমূহক সি ভৰিৰে নোচোৱে। কাৰণ এনে কৰাটো সাভ (বেয়াকথা)। কোনেও জুইৰ ওপৰত থকা পাত্রৰ পৰা আহাৰ নিনিয়ে, এইটো কৰিব লগীয়া হলে দিয়াৰ আগতে গৃহিনীয়ে এটা মন্ত্র মাতে : "টিৰছ', টিৰছিয়াং"। তপতে তপতে পাত্রৰ পৰা আহাৰ খোৱাটো অমঙ্গল জনক কথা। খাওঁতাজনৰ কিবা দুর্ঘটনা ঘটিব পাৰে।

ভাত খাবলৈ লওঁতে মানুহে কাঁহিৰ ভাত এটোপা লৈ দেৱতাৰ উদ্দেশ্যেৰে ধন্যবাদ জনায়। এইটো খৃষ্টান ৰীতিৰ লৈতে মিলে। নাৰিকলৰ কোৰোকাৰে পানী উলিয়াই তামৰ পাত্রৰ পৰা খায়। এনেকৈ পানী উলিয়াওঁতে বেচিকৈ শব্দ কৰিব নাপায়। কাৰণ এনে কার্য্যই পাত্রটোৰ শূন্যতা বুজোৱাৰ উপৰিও এই শব্দই

সমূহ পৰিয়ালৰ, পৰিয়ালৰ ধনসম্পত্তিৰ বা গৰ্ভথলীৰ শূন্যতা বুজাব পাৰে।

সামাজিক মাতকথাও এটা উৎসর বিশেষ। আচলতে ইও এটা উৎসরহে। ঘৰৰ ভিতৰেদি মাতোঁতাজন কেতিয়াও পাব হৈ যাব নাপায়। মুখৰ দুৱাৰেদি যদি সোমোৱা হয় তেন্তে সেই দুৱাৰেদি ওলাই যাব লাগে। পিচ দুৱাৰেদি গলে পৰিয়ালৰ দেৱতা লৈই ইওক লৈ যোৱাটো বুজাব পাৰে। অতিথিপৰায়ণতাৰ বিশেষ চিন হৈছে আগন্তুক জনক এখন তামোল দিয়াটো। তামোল চূণ সানি পাণেৰে সৈতে খোৱা নিয়ম। পাণ পাত কেতিয়াও বাহিৰখন ভিতৰ কৰি জাপিব নাপায়। বাহিৰ কৰিহে জাপিব পায়। আগন্তুক জনে আৰু চূণ বিচাৰিলে পাণ পাত বা তামোল কটাৰীৰ আগত লগাই দিব লাগে। কটাৰীৰে দিয়া মানে আগন্তুক জনক ভয় দেখুওৱাটোহে বুজায়। কটাৰীৰ আগটো চাউলত সুমুৱাই ছাগলী বা কুকুৰা কটা হয়। আলহী যোৱা মাত্ৰকে জাবৰজোথৰ তেওঁৰ পিছতে পেলাব নাপায়। এইটো কৰা মানে ভূত প্ৰেত মেলি দিয়াটো। দুৱাৰ জপাওঁতে হাতেৰে ঠেঁচুকি নহয়, মুখামুখি হৈহে জপাব লাগে। গাৰে ঠেঁচুকি জপাব নাপায় কাৰণ তেনে কাম মৃতকৰ ভূতেহে কৰে। মৃতকে সকলো কাম জীৱিতজনে কৰাৰ বিপৰীত ধৰণেৰে কৰে। ইয়াৰ অৰ্থ হৈছে, মৃতকৰ দৰে যদি জীৱিতজনেও কাম কৰে, তেন্তে সেইজনৰ মৃত্যু হব পাৰে।

সাধাৰণ মন্তব্য :

খাছিয়া মানুহ প্ৰফুল্ল চিত্তৰ আৰু পাতল অন্তৰৰ। এওঁলোকে ধেমালি বুজি পায়। চেৰাপুঞ্জিৰ পৰা পেৰিয়াঘাটলৈ যোৱা গোটেই পৰ্ব্বতীয়া বাটছোৱা এওঁলোকৰ গীতমাত বা হাঁহি ধেমালিৰে পুৰাতে মুখৰ হয়। সাধাৰণতে মাইকীমানুহ অধিক প্ৰফুল্ল চিত্তৰ। সংকোচবিহীনা ভাৱে এওঁলোকে বাটকৰাক হাঁহিৰে বুৰায়। এওঁলোক কৰ্ম্মঠ মানুহ। সাধাৰণতে এওঁলোকৰ মন, মগজু শীতল। কেতিয়াবাহে হিংসাত্মক ভাৱে খং উঠে। এইটো

সম্ভৱতঃ এওঁলোকৰ মুকলি মনৰ পৰিচায়ক। বিনয়ী যদিও এওঁলোক ডাঠ মনোভাবৰ নহয়।

খাছিয়া অতিপাত সঙ্গীতপ্ৰিয় মানুহ। এওঁলোকে গীত গাই ভাল পায়। প্ৰায় এশবছৰ কাল ওৱেলছ-ৰ প্ৰভাৱত থকা হেতুকে এওঁলোকে ওৱেলছ্ মানুহতকৈ ভালকৈ ওৱেলছ্-সুৰ গাব পাৰে। সহজে যে নতুন কথা আৰু পদ্ধতি গ্ৰহণ কৰিব পাৰে, সেই বিষয়ে এইষাৰ কথাৰ পৰাই অনুমান কৰিব পাৰি।

এওঁলোকে বহিৰ্জীৱন ভাল পায়। এওঁলোকে দিন এ[illegible]টা হাবিত কটায়। চিকাৰ, মাছ-ধৰা আৰু কাঁড়মৰা এওঁলোকৰ খাই জিৰণিৰ উপায়। ধনু আৰু কাঁড় এওঁলোকৰ কাৰণে সৰ্ব্বশ্ৰেষ্ঠ আছিলা। এই বস্তু দুটা ব্যৱহাৰৰ ক্ষেত্ৰত এওঁলোক পাকৈত। বজাৰৰ দিনা ধনুকাঁড়ৰ প্ৰতিদ্বন্দিতা চাবলগীয়া বস্তু।

খাছিয়াই শাৰীৰিক শ্ৰম বেয়া নাপায়। কোনোবা চৰকাৰী অফিছৰ কেৰেণী, ডাক্তৰ বা শিক্ষকে নিজৰ আলুগুটি খেতিত কোৰ মাৰিবলৈ সদায় প্ৰস্তুত। পাণেৰে সৈতে এওঁলোকে প্ৰায় সকলো সময়তে তামোল খাই থাকে। পুৰুষ মহিলা, সৰু সৰু লৰাছোৱালী সকলো তামোল খোৱাত পাকৈত। আৰু যাত্ৰা পথৰ দূৰত্ব খোৱা তামোল পাণৰ জোখেৰে কৰা হয়। যদিও ভাত বা যৱ ধানেৰ তৈয়াৰী মদ্যপান সৰহীয়াকৈ কৰা হয়, তথাপি এওঁলোকে কানি নাখায়। লাওপানী দেশৰ ভিতৰতে তৈয়াৰ কৰা হয়। এইটো বস্তু কেৱল পানীয় দ্ৰব্য স্বৰূপে নহয়, উৎসৱ আদিতো ব্যৱহাৰ কৰা হয়।

আজি খাছিয়াৰ সংখ্যা তিনিলাখ জন। কলেজ বা স্কুলৰ অধ্যাপক, ডাক্তৰ আৰু শুশ্ৰূষাকাৰী, হাকিম আৰু বিচাৰপতি, কেৰেণী আৰু কৰ্ম্মচাৰী, সাউদ আৰু ব্যৱসায়ী স্বৰূপে এওঁলোকে অসমৰ জীৱনলৈ এক সৃষ্টিমূলক বৰঙনি যোগাইছে। এই সকলোবোৰতে পুৰুষৰ সমানে নাৰীয়েও বৰঙনি যোগাইছে।

শিক্ষাৰ মানদণ্ড উন্নত। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ ই সমগ্ৰ ভাৰতত উন্নত। বহুতো ডেকাগাভৰুৱে আমেৰিকা বা বৃটেইনৰ লেখীয়া বিদেশত শিক্ষা লাভ কৰিছে।

জয়ন্তীয়া বা পানেৰ সকল

অসমৰ আন পাহাৰী জনজাতিৰ লেখীয়াকৈ জয়ন্তীয়া বা পানেৰ সকলৰ আদিম বুৰঞ্জী অন্ধকাৰাচ্ছন্ন। এওঁলোকৰ কোনো লিখিত বুৰঞ্জী নাই। এওঁলোকৰ আদিম জাতিগুৰিৰ বিষয়ে সঠিক কৈ জনা নাযায়।

সম্ভৱতঃ এওঁলোক দূৰ প্ৰাচ্য নাইবা ব্ৰহ্মদেশেদি চীন দেশৰ পৰা আজিৰ গৃহভূমিলৈ আহিছিল আৰু বৰ্ত্তমান জয়ন্তীয়া পাহাৰ বুলি জনাজাত অঞ্চলত ৰাজ্য পাতিছিল। অৱশেষত এওঁলোকে ওচৰচুবুৰীয়া ছিলেট আৰু নগাঁও জিলাৰ সমতল ভূমিতো ৰাজত্ব বিস্তাৰ কৰিছিল। কোনো কোনো দলিল, মুদ্ৰা আৰু তামৰ ফলিৰ পৰা অনুমান কৰিব পাৰি যে ভৈয়াম অঞ্চলত জয়ন্তীয়া ৰজাৰ আধিপত্য স্থাপন কৰোঁতা প্ৰথম জনা ৰজাৰ নাম আছিল পৰ্ব্বতৰায়।

জয়ন্তীয়া ৰাজ্য:

অসমলৈ বৃটিছৰ আগমনৰ পূৰ্ব্বে ভৈয়াম অঞ্চলৰ, যেনে, ছিলেট নগৰ আৰু কাছাৰ সীমান্তৰ মধ্যৱৰ্ত্তী এলেকা, সুৰমা উপত্যকাৰ পৰ্ব্বতৰ দাঁতিযেদি নগাঁও জিলাৰ কলং নৈলৈকে বিয়পি থকা অঞ্চল ডোখৰত জয়ন্তীয়া ৰাজ্য আছিল। এই ৰাজ্যত ৰাজত্ব কৰিছিল সেই সময়ৰ অতি পৰাক্ৰমী জয়ন্তীয়া ৰজাসকলে। এইসকলে অসমৰ আহোম আৰু কছাৰী ৰজাৰ সৈতে কূটনৈতিক সম্বন্ধ স্থাপন কৰিছিল।

জয়ন্তীয়া ৰজাৰ শেষ নৃপতি ৰাজেন্দ্ৰ সিঙক বৃটিছে ৰাজ্যচ্যুত কৰা দিনালৈ অৰ্থাৎ ১৮৩৫ চনৰ ১৫ মাৰ্চ তাৰিখলৈকে জয়ন্তীয়াপুৰ এইসকলে ৰাজত্ব কৰিছিল।

জনসাধাৰণ:

সংযুক্ত খাছিয়া-জয়ন্তীয়া পাহাৰ জিলাৰ জয়ন্তীয়া পাহাৰ ভাগত জয়ন্তীয়া বা পানেৰ সকল থাকে। কোনো কোনো জয়ন্তীয়া কাছাৰ

জিলাৰ অৰণ্য অঞ্চলতো থাকে। জয়ন্তীয়া বা পানেৰ খাছিয়াৰ সৈতে একে গোষ্ঠীযুক্ত মানুহ। এই সকলৰ জীৱন পদ্ধতি আৰু বহুতো ক্ষেত্ৰত যথেষ্ট মিল আছে। বহিৰাগতৰ চকুত দুয়োটা জাতি একে। জাতিদুটাৰ মাজত থকা বিভিন্নতাৰ কথা তেওঁলোকেহে জানে।

ভাষা :

জয়ন্তীয়া পাহাৰৰ ঘাই কথিত ভাষা হৈছে পানেৰ ; গঠন, বিষয়বস্তু, আৰু উচ্চাৰণৰ ক্ষেত্ৰত এইটো ভাষা খাছিয়া ভাষাৰ নিচিনা।

মন-পালেঙ আৰু ওৱা যিটো ভাষাৰ অন্তৰ্ভুক্ত সেইটো মনখেমেৰ ভাষা-পৰিয়ালৰ এইটো অন্তৰ্ভুক্ত ভাষা বুলি কোৱা হয়। পানেৰ ভাষাৰ কোনো লিখিত সাহিত্য নাই। বৃটিছ আহিলত খাছিয়া আৰু জয়ন্তীয়াই ৰোমানলিপি ব্যৱহাৰ কৰিবলৈ লয়। জোৱাইৰ শ্ৰীএলবিন্ পেৰিয়েটে লিখা পানেৰ ভাষাৰ একমাত্ৰ প্ৰকাশিত পুথি হৈছে "কা কোটৰৱাই পানেৰ"।

জীৱিকা :

ঘাইকৈ পানেৰ হৈছে কৃষিজীৱী। অসমৰ আন পাহাৰী জনজাতিৰ লেখীয়া কৈ এওঁলোকৰ সৰহভাগে চলন্ত খেতি নকৰে, স্থায়ী খেতিহে কৰে। তিতা মাটিত গজোৱা ঘাই শস্য হৈছে ধান। ওখ ঠাইতো কিছু পৰিমাণৰ ধান খেতি কৰা হয়। পানেৰ বোৰ কৰ্ম্ঠ মানুহ। এওঁলোকে খেতিৰ পথাৰৰ তিতা মাটি প্ৰস্তুত কৰিব জানে। এওঁলোকে ধুনীয়া টেৰেছ খেতিপথাৰত স্থানীয় জলসিঞ্চন ব্যৱস্থা কৰে। এইবোৰত যথেষ্ট পৰিচালনাৰ কৌশল নিহিত হৈ আছে। পথাৰলৈ বহুত দূৰৈৰ পৰা পানী অনা হয়। এওঁলোকে বলধে টনা নাঙলো ব্যৱহাৰ কৰে। আনেবোৰ খাদ্যবস্তু যেনে যৱধান, আলুগুটি, মিঠা আলু ইত্যাদি বাৰী নাইবা গাঁৱৰ দাঁতিকাষৰীয়া অঞ্চলত পৰিপূৰক খাদ্যবস্তু স্বৰূপে কৰে। গৰু ছাগলীৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিবলৈ বুলি বাগিছাবোৰ ওপৰত গছ দি চাৰিপাঁচ ফুট ওখ

মাটিৰ ঢাপেৰে আগুৰি লয়। পূব পাকিস্তানৰ সীমান্ত অঞ্চলত নানা তৰহৰ ফলমূল, যেনে সুমথিৰা, মাটিকঠাল, নেমুটেঙা, লেচু, আদিৰ খেতি কৰা হয়। এইবোৰ ঠাইত পাণ আৰু তামোলৰ খেতিও কৰা হয়। দেশ বিভাজনৰ পূৰ্ব্বে সীমান্তৰ বজাৰত বস্তু বেচাকিনা কৰা এই অঞ্চলৰ মানুহবোৰ বৰ সমৃদ্ধিশালী আছিল। বিভাজনৰ পৰিণতি স্বৰূপে এই সমৃদ্ধিশালী বাণিজ্যৰ ওৰ পৰে আৰু এওঁলোকৰ অৰ্থনীতি বিপন্ন হয়। আন ঠাইত চাকৰি নাইবা খেতিৰ মাটি বিচাৰি এওঁলোকৰ কোনো কোনোৱে নিজৰ ঘৰ এৰিবলৈ বাধ্য হৈছিল। পথাৰত, বাগিছাত বা অৰণ্যত পুৰুষ-মহিলা উভয়ে একেলগে শ্ৰম কৰিছিল, আলিবাট বন্ধা কামত এওঁলোকে ভাগ লয়। নিৰ্ম্মাণ কাৰ্যাত এওঁলোকৰ দক্ষতা প্ৰশংসনীয়। বজাৰৰ দিনা পাচিত বস্তু লৈ বেচিবলৈ স্থানীয় বজাৰলৈ মাইকীমানুহ অহা দেখাটো আচৰিত কথা নহয়। দৈনন্দিন বস্তু পাচিত লৈ সন্ধিয়া নিজ গাঁৱলৈ প্ৰত্যাৱৰ্ত্তন কৰে। এওঁলোকে জীৱন ভাল পায়, কামো ভাল পায় বা যিমানেই দীঘলীয়া বা কঠোৰ নহওক লাগিলে এওঁলোকে ওবেটো বাট গীত গাই হাঁহিধেমালি কৰি যায়, কেইবা মাইলো দূৰৈৰ বজাৰলৈ এওঁলোক যায়। বহুতো সময়ত এওঁলোকে নিশা বাটত কটাব লগা হয়। কাৰো কাৰণে কোনো কাম মৰ্য্যাদা হানিকৰ বুলি বিবেচিত নহয়। কামৰ ওপৰত ভিত্তি কৰা কোনো শ্ৰেণীবিভাগ নাই।

এওঁলোকৰ পৰিপূৰক কাম হৈছে খৰাহি, পাচি সজা আৰু ঘৰচীয়া জন্তুৰ যত্ন লোৱাটো। এওঁলোকৰ কোনো কোনো ব্যৱসায়ী। দৰ্জ্জীৰ কাম, কাঠমিস্ত্ৰীৰ কাম, সোণাৰীৰ কাম, ইত্যাদি নানা ধৰণৰ লাভজনক কামত এওঁলোকৰ বহুতো ব্যস্ত থাকে।

ৰীতি নীতি আৰু বিশ্বাস :

খাছিয়াৰ দৰে পানেৰো মাতৃপ্ৰধান, ধিটো গোষ্ঠীৰ ওপৰত ভিত্তি কৰি সম্বন্ধ স্থাপন কৰা হয়, তাক 'কুৰ' বোলে, ইয়াক 'কিপঙ' বোলা শাখা কেইটামানত বিভক্ত কৰা হৈছে। "কুৰৰ" সকলোবোৰ

মানুহেই একেগৰাকী জননীৰ পৰা জন্ম লোৱা বুলি কোৱা হয়, জন্ম সদায়েই মাতৃৰ জৰিয়তে হয়।

এওঁলোকৰ বিবাহ সদায়েই বহুমুখী। স্বামী-স্ত্ৰী দুয়ো বেলেগ ফৈদৰ। এজন ৰিম্বায়ে আন এজন ৰিম্বাইক নাইবা এজন ব্লাই আন এজন ব্লাক বিয়া কৰাব নোৱাৰে। কুৰৰ কিছুমান প্ৰশাখাও আছে। ৰিম্বাই এজনে নাজিয়াৰ এজনক বা আন 'কুৰ'ত বিয়া কৰাব নোৱাৰে 'কু'ৰ বোৰৰ সম্বন্ধ অতি প্ৰাচীন। 'কু'ৰ একোটাৰ নাম জীয়ৰীহঁতে দিছিল নাইবা একোটা 'কুৰ'ৰ জননীয়ে আন এটা কুৰৰ সন্তানক গাখীৰ দি ডাঙৰ দীঘল কৰিছিল বা বিপদত এটা 'কুৰে' আন এটা 'কুৰ'ক সহায় কৰিছিল। লৰাছোৱালীহঁত মাকৰ ফৈদৰ হয়। মাক যদি ৰিম্বাই আৰু পিতাক যদি ব্লা হয়, লৰাছোৱালীহঁত ৰিম্বাই হয়। বিবাহৰ প্ৰস্তাৱ পুৰুষৰ পিনৰ পৰা আহে। সাধাৰণতে পিতৃমাতৃয়ে নহয়, ডেকা একোজনেহে পত্নী বাচে। বিয়াৰ পিচত পত্নীৰ পিতৃগৃহত সম্পূৰ্ণাঙ্গ সদস্য স্বৰূপে থাকিবলৈ তেওঁ নাহে। নিশাটো কটাবলৈ পত্নীৰ ঘৰলৈ সাজ লগাত আহে। পুৱাই আহাৰ খাবলৈ আৰু দিনটোৰ কাৰণে ঘৰত বা পথাৰত শ্ৰম কৰিবলৈ মাকৰ ঘৰলৈ যায়। এওঁৰ উপাৰ্জ্জন পত্নী নাইবা সতি-সন্ততিয়ে নাপায়, মাতৃ আৰু ভগ্নী সকলেহে পায়। ওবেটো জীৱন তেওঁ মাকৰ 'কুৰ'ৰ হৈয়ে থাকে আৰু মৃত্যুতো ই তেওঁৰ দায়িত্ব লয়। পত্নীৰ সম্বন্ধীয় মানুহে মৃতকৰ সংকাৰ কৰিব নোৱাৰে। কুৰে কুৰে আৰু পবিয়াল পাত্ৰত থবলৈ হাড় গোটায়। এই পদ্ধতিটো অৰণ্যে ক্ৰমাৎ লোপ পাই আহিছে। খৃষ্টান ধৰ্ম্মী হোৱাহঁতৰ ভিতৰত এই পদ্ধতিটো সম্পূৰ্ণৰূপে এৰা হৈছে। যি সকলৰ মাজত একে গৰাকী মাতৃৰ অধীনত যুটীয়া পৰিয়াল ব্যৱস্থা আজিও চলি আছে, সেই সকলৰ ভিতৰত পত্নীৰ ভ্ৰাতৃ বা খুৰাক হঁতে মা-সম্পত্তি চায়। প্ৰাচীন পন্থী সকলৰ ভিতৰতো আনকি এই ৰীতি লোপ পাই অহিছে। শিক্ষিত আৰু বেতন

ভোগী সকলে পত্নীৰ সৈতে নিজা ঘৰ সাজে আৰু সন্তি-সন্ততিক শিক্ষা দি ডাঙৰ দীঘল কৰে। সময়ৰ পৰিৱৰ্ত্তনে এই পৰিৱৰ্ত্তন সাৰ্য়ন্ত কৰিছে। আজি কাম বিচাৰি পুৰুষে নিজাঘৰ আৰু গাঁও এৰি যাব লগা হয়: পত্নীৰ সৈতে এওঁলোকে নিজা ঘৰ সাজে। সেই ঘৰত পতি-পত্নী উভয়ে থাকে আৰু কাম কৰে। শিক্ষা আৰু যোগা-যোগৰ বিস্তাৰে সামাজিক আদান প্ৰদান বহলাইছে। গাঁৱক বিশ্বব্ৰহ্মাণ্ড বুলি ভবা দিন উকলিছে। গাঁৱৰ ভিতৰত নাইবা গাঁৱৰ ওচৰতে বিবাহ যোগাৰ কৰাটো আজি টানহৈ পৰিছে। পুৰুষ পত্নী আৰু সতিসন্ততি নাইবা মাতৃ আৰু ভগ্নীৰ সৈতে থাকিব লাগিব। অৱস্থাই আজি প্ৰথম বিধৰ লগত থকাটো বাধ্য কৰিছে। এই সংগঠনে অৱশ্যে সামাজিক সংগঠনৰ ওপৰত গভীৰ ভাৱে ৰেখাপাত কৰা নাই। সন্তান-সন্ততি আজিও মাকৰ ফৈদৰ হৈ থাকে। মাতৃপ্ৰধান ব্যৱস্থা আজিও প্ৰৱৰ্ত্তমান।

পানেৰে মৃতদেহ ভস্মীভূত কৰি ফৈদৰ সমূহীয়া ভঁৰালত উপৰি-পুৰুষ সকলৰ সৈতে হাড়বোৰ একে লগে থয়। এওঁলোকে মৃত্যুৰ পিছৰ জীৱনত বিশ্বাস কৰে। কথাবাৰ ৰোগী নাইবা মৃতকৰ উদ্দেশ্যেৰে পালন কৰা উৎসৱাদিত প্ৰকাশ পায়। পৰিয়ালত কাৰোবাৰ যেতিয়া অসুখ হয়, ভূত খেদিবলৈ উপৰিপুৰুষ সকলৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়।

প্ৰশাসনীয় ব্যৱস্থা :

জয়ন্তীয়া ৰজাৰ আমোলত জয়ন্তীয়া পাহাৰৰ শাসনভাৰ স্থানীয় মুখিয়াল যেনে, দলৈ আৰু ছৰ্দ্দাৰ, সকলৰ হাতত ন্যস্ত আছিল।

প্ৰশাসনীয় কাৰ্য্যকলাপৰ মুখিয়াল হোৱাৰ উপৰিও দলৈয়ে ধৰ্ম্মীয় কাৰ্য্যও কৰিব লগীয়া হৈছিল। 'পাটৰ', 'বাচন', 'ডান', এইসকল নিয়ন্ত্ৰৰ কৰ্ম্মচাৰীয়ে সহায় কৰিছিল। নিজৰ ঠাইৰ সকলোৰা গোচৰাদি পাটৰে শুধিব পাৰিছিল। পুলিচ আৰু পিয়ন স্বৰূপে 'বাচন' সকলে দলৈ সকলৰ নিৰ্দ্দেশ পালন কৰিছিল। প্ৰত্যেক দলৈৰ অধীনত ডান সকলে ৰজাৰৰ পৰা ৰাজহ আৰু টেক্স সংগ্ৰহ

কৰিছিল। দলৈৰ অধীনত যেনে 'সঙ্গত', 'ছুটিয়া', 'হাৰামুইড', ডুহলিয়া', ইত্যাদি কৰ্ম্মচাৰীও আছিল। 'সঙ্গত' হৈছে 'পাটৰ'ৰ অধীনৰ কৰ্ম্মচাৰী। ক্ষমতাত এওঁ ডাৰোগা এজনৰ সমান। 'ছুটিয়া' হৈছে গাঁৱৰ ঘোষক। ৰাজসভা আৰু দৰবাৰত এইজনে আসন ঠিক কৰে। 'হাৰামুইড' হৈছে সঙ্গীতজ্ঞৰ নেতা। 'ডুহলীয়া' বাঁহীবজাওঁতা আৰু ধৰ্ম্মীয় উৎসৱত বিবিধ ঢোল বজাওঁতা 'ভুৰি' সকল এই সঙ্গীতজ্ঞ সকলৰ অন্তৰ্ভুক্ত।

কোনো কোনো ঠাইত যেনে নাৰটিয়াঙ্, বালিয়াঙ্, জোৱাই, নঙ্‌বা, খ্বাঙ্‌পুঙত সামাজিক সেৱাৰ কাৰণে 'দলৈ' 'পাটৰ' আৰু অন্যান্য কৰ্ম্মচাৰীক খেতিৰ মাটি দিয়া হয়।

জয়ন্তীয়া ৰজাই পানেৰৰ ওপৰত কেতিয়াও ৰাজহ ধাৰ্য্য কৰা নাছিল। স্বীকাৰ কৰি লোৱাৰ চিনস্বৰূপে বছৰি ৰজাক দলৈয়ে একোটাকৈ ছাগলী দিছিল। ১৯৩৫ চনত বৃটিছে জয়ন্তীয়া ৰাজ্যলৈ জয়ন্তীয়া ৰজাৰ আমোলত প্ৰৱৰ্ত্তা একেধৰণৰ প্ৰশাসন চলাবলৈ ধৰিলে। প্ৰশাসনৰ মুখিয়াল স্বৰূপে এওঁলোকে দলৈ আৰু ছৰ্দ্দাৰক ৰাখিলে। দলৈ সকলে সকলো দেৱানী মোকৰ্দ্দমা আৰু সাধাৰণ ধৰণৰ ফৰিয়াদী গোচৰ লব পাৰিছিল।

১৮৫৩ চনত জিলাখনৰ বিষয়ে দিয়া মিঃ মিলছ্‌ৰ প্ৰশাসনীয় প্ৰতিবেদনত জয়ন্তীয়া অঞ্চলত প্ৰশাসনীয় শাসনৰ অভাৱৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে। এইজনাই ঘৰ-ৰাজহ ধাৰ্য্য কৰিবলৈ আৰু দলৈৰ শৃঙ্খলাহীনতাৰ ভৰ পেলাবলৈ থানা এখন পাতিব লাগে বুলি পৰামৰ্শ আগ বঢ়াইছিল। জোৱাইত এখন থানা পতা হল। ঘৰ-ৰাজহৰ কাৰণে ১৮৬০ চনত বিপ্লৱৰ সৃষ্টি হয়। এই বিপ্লৱ নিৰ্ম্মূল কৰা হয়। ইয়াৰ পিছত বৃটিছ কৰ্ত্তৃপক্ষই আয়কৰ নিৰ্দ্ধাৰণ কৰাটো দিহা কৰিলে। ই ১৮৬০ চনৰ বিপ্লৱৰ জুইকুৰা আকৌ জ্বলাই তুলি বিৰাট প্ৰতিবাদৰ সৃষ্টি কৰে। উ-কিয়াঙ্-নংবাহৰ নেতৃত্বত বৃটিছৰ সৈতে যুঁজিবৰ কাৰণে, লগতে স্বাধীন হবৰ কাৰণে ৰাইজ একগোট হৈ থিয় দিয়ে। এই যুঁজখন জিকিবলৈ বৃটিছ চৰকাৰক ডুবছৰ কাল

লাগিছিল। ১৮৬৩ চনৰ নবেম্বৰ মাহতহে উ-কিয়াঙ্-নংবাহক বৃটিছৰ তলতীয়া কৰ্ম্মচাৰী এজনৰ প্ৰতাৰণাৰ জৰীয়তে ধৰিব পৰা হ'ল। সহযোগ বিচাৰি উ-কিয়াঙ নংবাহক এটা উচ্চ পদ যাচিছিল। এইটো লবলৈ অমান্তি হোৱাত তেওঁৰ ফাঁচী হ'ল। জয়ন্তীয়াই এওঁক শ্ৰদ্ধা কৰে। আজিও গৰ্ব্ব, প্ৰেম আৰু শ্ৰদ্ধাৰে তেওঁৰ নাম স্মৰণ কৰে।

১৯৪৭ চনত ভাৰতৰ বাইজৰ হাতলৈ ক্ষমতা আহিলত অসমৰ পাহাৰী অঞ্চলত স্বায়ত্ব শাসন প্ৰৱৰ্ত্তিবলৈ লয়। ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী অনুসৰি নিজৰ কল্যাণৰ অৰ্থে কাম কৰিবলৈ পাহাৰী জিলাসমূহক স্বায়ত্ব শাসিত পৰিষদীয় আৰু জিলা পৰিষদ বোলা কাৰ্য্যকৰী অনুষ্ঠান দিয়া হয়। পোনতে খাছিয়া আৰু জয়ন্তীয়া পাহাৰ সংযুক্ত খাছিয়া আৰু জয়ন্তীয়া পাহাৰ জিলা ৰূপে স্বায়ত্ব শাসিত জিলালৈ ৰূপান্তৰিত কৰা হয়। পোনৰে পৰা জয়ন্তীয়াৰ নিজা ৰজা আছিল। আনকি বৃটিছে লওঁতেও এওঁলোকৰ সুকীয়া প্ৰশাসনীয় ব্যৱস্থা আছিল। এই কাৰণেই জোৱাই মহকুমাৰ কাৰণে ১৯৬৭ চনত এখন সুকীয়া জিলা পৰিষদ গঠন কৰা হয়।

উৎসৱ আদি :

স্বভাৱতে পানেৰহঁত উৎফুল্ল-চিত্তৰ মানুহ। এওঁলোকে খেল খেমালি, হাঁহিখেমালি, চিকাৰ, মাছধৰা, নৃত্যকৰা আৰু মালযুঁজ ভাল পায়। এওঁলোকৰ উৎসৱৰ ভিতৰত সবাতোকৈ জনপ্ৰিয় উৎসৱ হৈছে "বেহ্ দিনখ্লাম।" এই উৎসৱটো বছৰত এবাৰ কৈ জোৱাই মহকুমাত আৰু ওচৰচুবুৰীয়া গাঁও অঞ্চলত অতি উৎসাহেৰে পতা হয়। উৎসৱটো সাধাৰণতে জুলাই মাহত পতা হয়। এইটো বৰ জনপ্ৰিয় আৰু ৰঙীন উৎসৱ। ঢোল আৰু পেপাৰ সুৰত ডেকা আৰু বুঢ়া দুয়োবিধ পুৰুষে উৎসৱত যোগ দিয়ে। নৃত্যটোক আধুনিক ৰক্-এন্-ৰলৰ আৰু টুইষ্টৰ আগজাননী বুলিব পাৰি। সঙ্গীতৰ লগত সুৰ মিলাই নৃত্যকাৰীহঁতে গা আৰু হাত জোকাৰি অকলে বা জোৰা পাতি নাইবা সমদলত নৃত্য কৰে।

উৎসৱ টো সপ্তাহ কাল জুৰি চলে। শেষৰটো দিন হৈছে তাণ্ডৱ

দিন। সেইদিনা দুপৰীয়া সময়ত "আইত্‌নাব" বোলা জলস্রোতত উটুৱাবলৈ ৰথ নিয়া হয়। বেলেগ বেলেগ আহিৰ ৰঙীন কাগজ আৰু বাঁহেৰে তৈয়াৰী ৰথবোৰ ওখ আৰু এইবোৰৰ গঠন জকমকীয়া। মতামানুহে নৃত্যৰে শেষৰ দিনা উৎসৱ পালন কৰা দৃশ্য চাবলৈ মাইকীমানুহ আৰু লৰাছোৱালীহঁত ভাল কাপোৰ পিন্ধি ওলাই আহে। "আইত্‌নাব" জলাশয়লৈ ৰথবোৰ যেতিয়া অনা হয়, মতামানুহ বোৰে নানা ভঙ্গী কৰি, বেঁকা হৈ বাগৰি জোকাৰি নৃত্যত মতলীয়া হয়। কেউপিনে পানী আৰু বোকা ছটিওৱা হয়। আনন্দমুখৰ এই দৃশ্য চাবলৈ দেশৰ সকলো অঞ্চলৰ পৰা মানুহ আহে।

এই উৎসৱ-টোৰ বহুতখিনিৰ ৰথযাত্ৰা উৎসৱৰ সৈতে মিল আছে। ই জয়ন্তীয়াৰ ওপৰত হিন্দুধৰ্ম্মৰ প্ৰভাৱৰ কথা স্পষ্টভাৱে কয়।

জোৱাই স্বায়ত্ব শাসিত জিলাৰ আকৰ্ষণীয় ঠাইবোৰ :

মহকুমাৰ সদৰ ঠাই জোৱাইৰ পৰা যাব পৰা আলিৰ জিলাখনত বহুতো আকৰ্ষণীয় ঠাই আছে। উত্তৰ ভাগত এসময়ৰ জয়ন্তীয়া ৰজাৰ গ্ৰীষ্ম ৰাজধানী থকা নৰটিয়ঙ্‌ আছে। ই মিনটেং নৈৰ পাৰত অৱস্থিত। ইয়াৰ ওচৰৰ মূলঙ্‌ বোলা ঠাই এডোখৰত সাপ্তাহিক ৰজাৰ এখন বহে। ই বিৰাট শিলাখণ্ডৰ পৰিবেষ্টিত। যেহেতু ওচৰত শিল নাই, জয়ন্তীয়া ৰজাই এই শিলা স্তম্ভ সমূহ সৃজাওঁতে যথেষ্ট শ্ৰম আৰু কৌশল প্ৰয়োগ কৰিব লগীয়া হৈছিল। মাটিৰ পৰা সবাতোকৈ ওখ স্তম্ভটো হৈছে ২৬ ফুট ৬ ইঞ্চি। ই বহলে ছয় ফুট ৯ ইঞ্চি আৰু ইয়াৰ গভীৰতা হৈছে ২ ফুট ৩ ইঞ্চি। ওচৰত কেইবাটাও পুৰণি পুখুৰী আছে। ইয়াৰে ডাঙৰ কেইটা হৈছে বীল জিস্পামাছি, মিঙ্‌কইটক আৰু উম্‌টিচঙ্‌।

মিনটেং নৈৰ ওচৰৰ পাহাৰ এটাত ৰাজপ্ৰাসাদৰ ভগ্নাৱশেষ আছে। এসময়ৰ নৰ্‌টিয়াঙৰ গৌৰৱোজ্জ্বল দিনবোৰ সোঁৱৰাবলৈ

এতিয়াও প্ৰাসাদৰ দেৱালৰ এছোৱা-থিয়-হৈ আছে। দেৱালখন ইটাৰে তৈয়াৰী। প্ৰাসাদৰ ভিতৰলৈ সোমাবলৈ এখন বক্ৰ দুৱাৰ আছে। হাউলিৰ ভিতৰত এতিয়াও নৰটিয়াঙৰ, হিন্দু আঁতি-গুৰিৰ ৰাইজৰ অৰ্থে ধৰ্মীয় অনুষ্ঠান পালন কৰিবলৈ পুৰোহিতৰ ঘৰ আছে। জোঁৱাইৰ পৰা ১১ মাইল দূৰৈৰ চিন্দই নোলা গাঁওখনৰ ওচৰৰ কপাসবৰ গুহাত চূণশিল পোৱা যায়। এই গুহাবোৰত ছবি সম্বলিত বিৰাট একোটা সুৰঙ্গ আছে। গুহাৰ দুৱাৰমুখত এলিফেণ্ট পুল টো আছে। সময়ৰ আক্ৰমণক অস্বীকাৰ কৰা ইয়াত নানাধৰণৰ ছবি আছে। পানীত বুৰ মাৰিবলৈ যোৱা ভঙ্গীত সজা এলিফেণ্ট পুলৰ হাতীটো শিল এডোখৰৰ পৰা কাটি উলিওৱা হৈছে। আন দুখন ছবিত চন্দ্ৰ আৰু সূৰ্য্য আছে। ভাৰত বিভাজনৰ পূৰ্ব্বে ছিলেটজিলাৰ (এতিয়া পূৰ্ব পাকিস্তানত) পৰা বহুতো মানুহ ইয়ালৈ তীৰ্থ কৰিবলৈ আহিছিল।

জয়ন্তীয়া বজাই জোৱাইৰ পৰা জয়ন্তীয়া পুৰলৈ সজা বাট-টোৱে ইঞ্জিনিয়াৰিং কৌশলৰ উচ্চ পৰ্য্যায়ৰ প্ৰমাণ দিয়াৰ উপৰিও মনোৰম দৃশ্যাৱলীৰ কথা কয়। প্ৰু মুৰি আৰু উমিয়াক নিয়েহ শিলৰ সাকো দুখনে যুগে যুগে বানপানী প্ৰতিহত কৰি আহিছে। এইবোৰ অখণ্ডিত শিলৰ ডোখৰেৰে সজা। এইবোৰত মনোৰমকৈ ফুল বচা হৈছে।

কপিলী নৈৰ পৰা এক ফাৰ্লং মান দূৰৈত জিলাখনৰ পূৱ ভাগে গৰমপানীৰ উঁহ আছে। এই উঁহ বোৰৰ পানী যথেষ্ট তপত। কপিলী নৈখনৰ ওপৰভাগত নৈৰ আকস্মিক পতনে সৃষ্টি কৰা গাম্ভীৰ্য্য আৰু সৌন্দৰ্য্যৰ চমকপ্ৰদ সংমিশ্ৰণ 'আলে' নামৰ এটা জলপ্ৰপাত আছে। এসময়ত ইয়াৰ পাৰতে কালীগোসানীলৈ মানুহ বলি দিয়া হৈছিল।

জোৱাইৰ পৰা প্ৰায় ছমাইল দূৰৈত পশ্চিমৰ ফালে পাইন গছেৰে ভৰপূৰ বাগৰি অহা ভূমিত থাডলাছকীন নামেৰে এটা

মনোৰম হ্ৰদ আছে। সমতলভূমিৰ বাইজৰ বিপক্ষে অভিযান চলাবলৈ জয়ন্তীয়া পুৰৰ পৰা নগাঁৱৰ ফাললৈ যাওঁতে বাটত শিৰিৰ পাতি থকা জয়ন্তীয়াৰ সৰ্ব্বশ্ৰেষ্ঠ সেনাধ্যক্ষ উ-চাজৰ-নাঙলিৰ সেনা সকলে ধনুৰ আগেৰে এই হ্ৰদটো খান্দিছিল বুলি কথিত।

ওখই প্ৰায় চাৰিহেজাৰ ফুট মনোৰম জলবায়ু, সৰল গছেৰে ভৰপূৰ আৰু সোণোৱালী সুমথিৰা টেঙাৰ উদ্যান থকা জয়ন্তীয়া পাহাৰ এলেকা মনোৰম ঠাই। এনে মনোৰম ঠাই পৃথিৱীৰ এই ফালে ক'তো নাই।

অধ্যায় ৫

মিকিৰ সকল

জনসংখ্যাৰ পিনৰ পৰা প্ৰায় এক লাখ জনীয়া মিকিৰ সকল এটা বৃহৎ জনজাতি। এই সকল শিৱসাগৰ জিলাৰ গোলাঘাট মহকুমা, নগাঁও, কামৰূপ, খাছিয়া পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰত সিঁচৰতি হৈ আছে। এই সকলৰ ঘাই বাসভূমি হৈছে নিজৰ না[illegible]ৰে জনাজাত পাহাৰ। মিকিৰ হৈছে অসমীয়াই এই জনজাতিটোক দিয়া নাম। তেওঁলোকে নিজকে আৰলেঙ বুলি কয়। ইয়াৰ অৰ্থ হৈছে মানুহ। এই অঞ্চলৰ আন বহুতো জনজাতিয়ে নিজকে "মানুহ" বোলাৰ পৰিচয় আছে। যেনে চিংফৌ (=মানুহ), বড়ো (=মানুহ)। একেদৰেই আন দুটা জনজাতিৰ কথা উল্লেখ কৰিব পাৰি। আচিক মাণ্ডে (=পাহাৰী মানুহ) মিজো (=পাহাৰী মানুহ)। এইয়া গাৰো আৰু লুচাইৰ নাম। সম্ভৱতঃ প্ৰত্যেকটো জনজাতিয়ে নিজৰ গোষ্ঠীভুক্ত মানুহক কেৱল মানুহ বুলি ভাবিছিল।

ওচৰৰ খাছিয়া বা নগা পাহাৰৰ বিজনিত মিকিৰ পাহাৰৰ উচ্চতা কম। খাছিয়া আৰু জয়ন্তীয়া পাহাৰৰ দৰে মিকিৰ সকল বসবাস কৰা পাহাৰ বা ভৈয়াম অঞ্চলৰ জলবায়ু মনোৰম নহয়। আজি কিছুদিনৰ আগলৈকে এই অঞ্চলটোত মেলেৰিয়া আৰু কলাজ্বৰৰ প্ৰাদুৰ্ভাৱ অধিক আছিল। ৰাজ্যৰ ভিতৰত ইয়াতেই সৰহভাগ কুষ্ঠৰোগী আছে। বতৰৰ অসুবিধাৰ কথাবোৰ মানুহৰ দৈহিক আকৃতিত প্ৰতিফলিত হয়। ওচৰ চুবুৰীয়া আঙ্গামী নগা বা জয়ন্তীয়া অঞ্চলৰ মানুহৰ লেখীয়াকৈ মিকিৰ সকল বগা বা শুৱনীয়া গালৰ নহয়। এওঁলোকৰ দৈহিক আকৃতি পাহাৰৰ আনবোৰ তিব্বতবৰ্মীয় মানুহতকৈ অসমীয়া সমাজৰ জনজাতীয় মানুহৰ সৈতে মিলে। অ'ত ত'ত বগা মানুহ দুই একজন থাকিলেও এওঁলোকৰ গাৰ বং সাধাৰণতে মুগা বৰণীয়া হালধীয়া। ৫ ফুট ৪ ইঞ্চি উচ্চতাৰ মতামানুহবোৰ

সাধাৰণতে ওখ। গাৰোৰ দৰে এওঁলোকৰ ওপৰ ওঁঠত গোঁফৰ প্ৰতিকৃতি দুই এডাল নোম থকাৰ বাহিৰে গাৰোৰ দৰে এওঁলোকৰ মুখমণ্ডলতো নোম তেনেই তাকৰীয়া। নগাৰ দৰে হৃষ্টপুষ্ট নহলেও লেঠাৰি নিছিগাকৈ কঠিন শ্ৰম কৰিব পৰা মিকিৰবোৰ টান মানুহ। এওঁলোক ভাল মুটীয়া। বহুতো মাইল একেলগে গধুৰ বস্তু এওঁলোকে কঢ়িয়াই নিব পাৰে। মূৰত বেতৰ বা বাঁহৰ চোচেৰে বন্ধা বোজা-বোৰ এওঁলোকে পিঠিৰে কঢ়িয়ায়।

মিকিৰৰ সাজপোছাক বৰ মনোৰম। মতা মানুহে আঁঠুলৈকে ওলমি থকা তলৰ ফাললৈ বুটা তোলা হাত নথকা এবিধ আঁচ থকা কোটচোলা (ছই) পিন্ধে। এওঁলোকে বিকং বোলা একোখন চুটি চুৰীয়া পিন্ধে। এইখন কেতিয়াবা বেছমৰে তৈয়াৰী। মূৰত একোটা এওঁলোকে পাগুৰী (পহু) মাৰে। জাৰৰ দিনত অসমীয়া মানুহৰ দৰে একোখন এৰীসূতাৰে তৈয়াৰী গৰম বৰকাপোৰ লয়।

লুচাই পাহাৰৰ লাখেৰৰ দৰে, বুটা তোলা পেটীৰে (ভান্‌কক্) ককালত বান্ধি মাইকী মানুহবোৰে একোখন মেখেলা (পিনি) পিন্ধে। বাহুৰ তলেদি সৰকা, বুকুখন আটিল কৈ বন্ধা এখন কাপোৰৰ (খীছু) বাহিৰে এওঁলোকৰ দেহৰ ওপৰ ভাগত একো নাথাকে। পিছফাললৈ চুলি আঁচুৰি মতামাইকী উভয়ে একোটা গাঠি দিয়ে।

অসমীয়া থুৰীয়াৰ লেখীয়াকৈ মাইকী মানুহে কাণত একো যোৰ ৰূপৰ থুৰীয়া (কাদেং চিনৰ) পিন্ধে। কাণৰ ওপৰ ভাগত সোণ বা ৰূপৰ (নো-ৰিক) মাকুৰী পিন্ধে। খাছিয়াৰ দৰে এওঁলোকেও নেকলেছ (লেক), আঙঠি (আৰ্‌নাম), সোণ ৰূপৰ সাতশৰী পিন্ধে। উৎসৱৰ দিনা মতামাইকী দুয়োৰে মূৰ ভীমৰাজৰ পাখিৰে শোভিত কৰা হয়। ব্যৱহৃত অস্ত্ৰশস্ত্ৰৰ ভিতৰত হৈছে দা (নোক্-ঙাৰ), যাঠী (চিৰ), আৰু বাঁহেৰে তৈয়াৰী ধনু (ৰপ্‌থালি)।

মিকিৰৰ মতা মানুহে গাৰ কোনো অংশতে চিন নিদিয়ে। গাভৰু হোৱাৰ লগে লগে কপাল, নাক, ওঁঠ আৰু থুতৰিৰ ওপৰ ভাগত নীলবৰণীয়া ৰেখা টানি লয়। বৰ্মীয় সকলে অসম আক্ৰমণ

কৰিবৰ সময়ৰ পৰা গাভৰুঠতক আক্ৰমণকাৰীৰ পৰা ৰক্ষা কৰিবলৈ এই পদ্ধতি গ্ৰহণ কৰা হৈছিল বুলি কোৱা হয়।

মিকিৰৰ আদিম ঠাইৰ বিষয়ে জনা নাযায়। কাহিনী কিছুমানৰ মতে, এওঁলোকৰ আদিম বাসভূমি দক্ষিণ পূব এচিয়াৰ কোনো অঞ্চলত আছিল। এইবোৰ ইমান অস্পষ্ট যে, অকণো বিশ্বাসযোগ্য নহয়। অসমৰ আন কোনোবা জনজাতিৰ সৈতে সম্বন্ধৰ দাবী এওঁলোকে নকৰে। ভাষাৰ পিনৰ পৰা কুকি সকলৰ সৈতে আৰু ৰীতিনীতিৰ পিনৰ পৰা নগাৰ সৈতে গভীৰ সাদৃশ্য আছে। তথাপি ব্ৰহ্ম আৰু অসমৰ মাজৰ পৰ্ব্বতীয়া তিব্বত বৰ্ম্মীয় জাতি সমূহৰ সৈতে একে কৰিব নোৱাৰা এওঁলোক এটা স্বকীয়া জাতি।

আন জনজাতীয়ৰ সৈতে পৃথক কৰা মিকিৰৰ ঘাই লক্ষণ হৈছে এওঁলোকৰ প্ৰশান্ত প্ৰকৃতি। ওচৰ চুবুৰীয়া জাতিপুঞ্জ, যেনে নগা, কুকি, কছাৰী আৰু চিনটাঙে নিজৰ ভিতৰত খৰিয়াল কৰে। মিকিৰে আচুতীয়াকৈ থাকি কৃষি, চিকাৰ (পশুপক্ষী উভয়ে) আৰু মাছ ধৰা পন্থা অৱলম্বন কৰিছিল। ইয়াৰ উপৰিও আনবোৰ জাতি যুগৰ অন্তত কেইটামান উপশাখাত বিভক্ত হয় যদিও আদিম ঠাইৰ পৰা স্বকীয়া ঠাইলৈ অহা সত্বেও মিকিৰে নিজৰ ঐক্য ৰক্ষা কৰি আহিছে।

আদিম উৎপত্তি যিহকে নহওক লাগিলে মিকিৰ উত্তৰ কাছাৰ পাহাৰত আজি সদলবলে আছে। পূবৰ পৰা আঙ্গামী আৰু কাচ্ছা নগা আৰু দক্ষিণপূবৰ পৰা কুকিৰ আক্ৰমণে সম্ভৱতঃ জয়ন্তীয়া পাহাৰলৈ এওঁলোকক বিতাৰিত কৰিলে। তাত চিনটাঙ মুখিয়ালৰ দ্বাৰা অত্যাচাৰিত হৈ অসমৰ ভৈয়াম অঞ্চলত ৰাজত্ব কৰা আহোমৰ পৰা নিৰাপত্তা বিচাৰিলে। তাৰ পিছৰ পৰা এওঁলোকক দিয়া এলেকাত শান্তিপূৰ্ণভাৱে এওঁলোকে বাস কৰি আহিছে।

অসমৰ আন জনজাতীয় ৰাইজৰ বিজনিত, বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত মিকিৰ অনুন্নত। সমতলভূমিৰ ওচৰ চুবুৰীয়া হোৱা হেতুকে মিকিৰৰ মাজত খৃষ্টান মিছনেৰী বিশেষ আগবাঢ়িব নোৱাৰাটো ইয়াৰ কাৰণ বোলা হয়। আচলতে ভৈয়াম অঞ্চলত বাস কৰা মিকিৰক

অসমীয়া মানুহৰ সৈতে পৃথক কৰিব নোৱাৰা হৈছে। সাধাৰণতে এওঁলোক দোভাষী হৈ পৰিছে। বাহিৰত অসমীয়া কয় আৰু ঘৰতহে মিকিৰ ভাষা কয়। এনে ধৰণৰ একীভূত কৰা প্ৰথাই পাহাৰী মিকিৰৰ মাজতো কাম কৰা দেখা যায়। ৰাজনীতি আৰু ধৰ্ম্মান্তৰ-বাদে বিপৰীতমুখে নেটানিলে আন জনজাতিৰ লেখীয়াকৈ মিকিৰ অসমীয়াৰ সৈতে সম্পূৰ্ণৰূপে একে হৈ যোৱাটো সময়ৰ কথাহে।

গাৰ্হস্থ্য জীৱন ইত্যাদি :

কুকিৰ বাহিৰে আনবোৰ ওচৰচুবুৰীয়াৰ লেখীয়াকৈ নহয়, মিকিৰে মাটিৰ পৰা ভালেমান ফুট ওখত চাং সাজে। ঘৰ বাঁহৰ কামিৰে সজা হয়, চালত খেৰ দিয়া হয়। ঘৰ একোটা সুকীয়া কোঠালীত বিভক্ত। মাজেদি দিয়া এখন বিভাজনে (আৰ্পঙ্) ঘৰটো মাজে মাজে দুভাগ কৰে। বাওঁহাতৰ ভাগটোক 'কুট' বোলা হয়। ইয়াত ধান খোৱাৰ উপৰিও পৰিয়ালটো শোৱে। ইয়াত একোখন জুহালো থাকে। আনটো ভাগক 'কাম' বোলা হয়। এইটো আলহীৰ কাৰণে। "কুট"ৰ দুৱাৰ মাথোন এখন। 'কাম'ৰ আগফালে আৰু পিছফালে এখন কৈ দুৱাৰ থাকে। 'কাম'ত দুখনকৈ জুহাল। ঘাই মজিয়াৰ পৰা ওখকৈ সজা টিবুঙ বোলা চাঙত এওঁলোকে পানীৰ চুঙা আদি থয়। ঘৰৰ আগফালে এটা (হংকুপ) আৰু পিছফালে এটাকৈ (পাংহংকুপ) বাৰান্দা থাকে। ইয়াৰ দুৰণিত এখন চালনী দিয়া চাং (পাং) থাকে। "কুট"ৰ বাওঁহাতে তলৰ ফাললৈ এখন বিভক্ত কৰা মজিয়াত কুকুৰা আৰু ছাগলীৰ (ভ ৰই) ভঁৰাল থাকে। "কুট"ৰ ডাম্-টাক্ বোলা ঠাইত ভঁৰাল ঘৰ আৰু পৰিয়ালটোৰ শোৱা ঠাই। কুটৰ মাজভাগত জুহালৰ পিছফালে ডাম্বুক বোলা ঠাইত বয়সপ্ৰাপ্ত লৰা ছোৱালীহঁত শোৱে। ঠেঙ-পই-ৰই বোলা ঠাইত খৰি থোৱা হয়। ডাঙৰ ঘৰত নিশা কটাবৰ কাৰণে আলহীৰ কাৰণে এডোখৰ ঠাই (হঙ্ কাছ্লা) থোৱা হয়। সোঁ ফালে থকা ডনুডন্ বোলা জখলাৰে ঘৰৰ চাং পাব পাৰি।

ঘৰৰ আচবাবৰ ভিতৰত নিশা শুবৰ কাৰণে একোখন বাঁহৰ

কামিৰে সজা চাং আছে, লগতে অসমীয়া পীৰাৰ লেখীয়া এডোখৰ কাঠ (ইঙ্ হই) থাকে। ধান, ঘকৰা বস্তু আৰু কাপোৰ কানি থবলৈ বাঁহৰ একোটা পাচি আছে। ডুখৰীয়া বাঁহ (লঙ্ বং, অসমীয়া চুঙা) পানী থবলৈ আৰু আ-অলঙ্কাৰ লগতে আন মূল্যবান বস্তু থবলৈ ব্যৱহাৰ কৰা হয়।

শস্য, খাদ্যবস্তু, পানীয় দ্ৰব্য ইত্যাদি :

মিকিৰৰ ঘাই শস্য হৈছে ধান। আন পাহাৰী জিলাৰ দৰে খেতি জুম পদ্ধতিৰে কৰা হয়। ইয়াৰ উপৰিও এওঁলোকে প্ৰচুৰ পৰিমাণে যৱধান, কপাহ, জাম আৰু এড়াগছৰ খেতি কৰে। এড়িৰ পলুক খুৱাবলৈ এড়াগছৰ খেতি কৰা হয়।

শিল্পজাত বস্তু ভাকৰীয়া। সমগ্ৰ অসমৰ দৰে ইয়াৰো মাইকী মানুহে নিজৰ আৰু পৰিয়ালটোৰ কাপোৰ কানি কাঠৰ তাঁতত বয়। প্ৰতিঘৰতে হোৱা নীলেৰে কপাহী বা এড়িয়া সূতা বোলোৱা হয়।

পুৰণি কালৰ পৰা চলি থকা অনুষ্ঠান স্বৰূপে এওঁলোকৰ প্ৰতিখন গাঁৱতে একোখন কমাৰশাল আছে। কমাৰে দা, কটাৰী, যাঠী আৰু বৰশি সাজে। খাছিয়াৰ দৰে কুমাৰে চাকত মাটিৰ পাত্ৰ গঢ়ে। সোণ বা ৰূপৰ আ-অলঙ্কাৰ মিকিৰে নিজে গঢ়ি লয়। বজাৰৰ পৰা সস্তীয়া বেয়া বিদেশী বস্তু কিনাৰ আগ্ৰহে এই উদ্যোগ সমূহ মৃত্যুমুখী কৰিছে।

আগতে কৈ অহাৰ দৰে মিকিৰৰ ঘাই খাদ্যবস্তু হৈছে ভাত। লগত তেওঁলোকে কুকুৰা, ছাগলী আৰু গাহৰিৰ মঙহ খায়। কণী এওঁলোকৰ প্ৰিয় খাদ্য যদিও এড়িৰ পলু হৈছে এওঁলোকৰ অতি জনপ্ৰিয় খাদ্য। মাছ প্ৰচুৰ পৰিমাণে পোৱা যায়। বিশেষকৈ শুকান আৰু ধোঁৱাত দিয়া মাছ এওঁলোকে প্ৰায় প্ৰতিদিনে খায়। আনবোৰ পাহাৰী জনজাতিৰ লেখীয়াকৈ এওঁলোকে গাখীৰ নাখায়। কিবা এটা অজুহাত উলিয়াই দিনটোৰ যেই কোনো সময়তে এওঁলোকে লাওপানী (মৰ পো) খায়। আইনৰ জৰীয়তে বাধা নোহোৱালৈকে এওঁলোকে মুকলিভাবে কানি খাইছিল। চোৰাংকৈ কানি এতিয়াও

খোৱা হয়। মিকিৰ নিস্তেজ হোৱাৰ ইও এটা কাৰণ। ধপাত ধোঁৱাখোৱাত খোৱাৰ উপৰিও চোবায়ো খোৱা হয়। এইদৰে তামোলো খোৱা হয়। অসমীয়াই তামোল খোৱাৰ জোখাৰে বাটৰ দূৰত্ব জোখাৰ দৰে এওঁলোকেও জোখে। (অসমীয়া—এখন তামোল খোৱাৰ বাট অৰ্থাৎ এখন তামোল খোৱাৰ সমান দূৰত্ব)।

কৃষি, সমাজ আৰু আনবোৰ কামৰ সৈতে সংযোজিত মুখ্য অনুষ্ঠান (অঞ্চলৰ প্ৰায় জনজাতিৰ লেখীয়াকৈ) হৈছে মাৰো বা টেৰাঙ (অসমীয়া ডেকা-চাং)। দুখৰ কথা যে, এনে এটা মনোৰম অনুষ্ঠান ধ্বংসমুখী হৈছে।

পুৰণি কালত বাৰবছৰৰ পৰা কুৰিবছৰ বয়সৰ ডেকা লৰাহঁত একেলগে মাৰোত আছিল। আজি কালি কিছুদূৰ গাঁওবুঢ়াই মাৰোৰ ঠাই লৈছে। নগাৰ মৰাঙ আৰু মিজোৰ জলবাকৰ সৈতে ইয়াৰ সাদৃশ্য আছে। বৰ্ত্তমান জলবাক অনুষ্ঠান প্ৰায় সম্পূৰ্ণভাৱে লুপ্ত হৈছে। সৰু লৰাই ডাঙৰ লৰাৰ আদেশ পালন কৰিব লগা হোৱা হেতুকে ডেকাচাঙৰ জৰীয়তে শৃঙ্খলাজ্ঞান, বয়সীয়াৰ প্ৰতি শ্ৰদ্ধা, সামাজিক সেৱা ভাব আৰু ভালেমান প্ৰশংসনীয় গুণৰাশিৰ উদয় হৈছে।

মাৰোৰ অন্তৰ্ভূক্ত বিষয়ববীয়া আছিল বা আছে। মুখিয়াল লৰাজনক 'ক্লেংখাৰপ' বোলা হয়। ইয়াৰ পিছত ক্লেং-ডাম' 'সদৰ-কেথে', সদৰ-চ', 'চাঙহ'-কেৰাই', 'বাৰ লন' (জোখকাঠি কঢ়িয়াওঁতা), 'চং ক্ৰুপ-পি' আৰু 'চেং ক্ৰুপ চ' (প্ৰধান আৰু সহকাৰী ঢুলীয়া), 'ফানক্ৰো' (মুখিয়ালৰ আল ধৰা লৰা), "মটন আৰে" "মটৰ আৰভি", "লেঙবঙ প'" (পানী কঢ়িয়াওঁতা), আৰকেক প'" (সোঁতা কঢ়িয়াওঁতা আৰু "চিংহাক প'" (অস্ত্ৰশস্ত্ৰৰ খৰাহি কঢ়িয়াওঁতা, ইত্যাদি আছিল।

গাঁৱৰ ডেকাহঁতে (বিচুমা) পথাৰত একেলগে কাম কৰে। পথাৰৰ এছোৱা প্ৰতিঘৰৰ কাৰণে আচুতীয়াকৈ দিয়া হয়। শ্ৰম দণ্ডবিধানেৰে আদায় কৰা হয়। পুৰণি কালত কামত ফাকি দিওঁতা

জনক জীয়াই জীয়াই পুৰি মৰা হৈছিল। আজি অৱশ্যে এনেধৰণৰ কঠোৰ দণ্ড দিব নোৱাৰি। তথাপি কাম ফাকি দিওঁতাজনক আজিও ৰৰকৈ কোবোৱা হয়। মৃতকৰ কাৰণে কৰা পূজাসেৱা, ঘাইকৈ সমাজসেৱা, মাবোৰ লবাইতৰ বিশেষ প্ৰয়োজন। পূৰ্বণি ৰীতি-নীতি জীয়াই ৰখা এই চাং বোৰত নৃত্যগীত কৰা হয়। মিকিৰৰ, ঘাইকৈ ডেকাইতৰ চিকাৰ আৰু মাছধৰা বৰ প্ৰিয়। এওঁলোকে লগত কুকুৰ, যাঠী, আৰু ফান্দ লৈ চিকাৰ কৰে। মাছ সাধাৰণতে বৰশিৰে ধৰা হয়। অসমৰ কোনো কোনো ঠাইত প্ৰচলিত ধৰণেৰে থোকা[illegible]কে জুলুকিৰেও মাছ ধৰা হয়।

সামাজিক সংগঠন, আইন, ৰীতি-নীতি ইত্যাদি :

মিকিৰ ছিংথং, ৰংহেং আৰু আমৰি, এই তিনিটা ফৈদত বিভক্ত। পূৰ্বৰ গোলাঘাট আৰু উত্তৰ কাছাৰ পাহাৰৰ মহকুমা অঞ্চলত অৱস্থিত মিকিৰ পাহাৰত ছিংথং থাকে। নগাঁও জিলাৰ ভৈয়াম অঞ্চলত ৰংহেং, খাছিয়া আৰু জয়ন্তীয়া পাহাৰ আৰু কামৰূপ জিলাত আমৰি সকল থাকে। প্ৰত্যেকটো শাখাৰ একোটা 'কুৰ' আছে। (কুৰ-ফৈদ—খাছিয়া সকলৰ পৰা ধাৰ কৰা শব্দ) বিবাহৰ ক্ষেত্ৰত একেধৰণৰ বহিৰ্জাগতিক ৰীতি-নীতি মানে। এওঁলোকৰ পাঁচোটা ডাঙৰ গোষ্ঠী বা কুৰ আছে : (১) ইংটি, (২) টেৰাং (৩) টেৰণ, (৪) টিমুঙ (৫) ইংহি। ইংটি শাখাটো আকৌ পাঁচোটা গোষ্ঠীত বিভক্ত : (১) হেনচেক্ কিলিঙ, কাথাৰ, ইঙলেঙ আৰু টাৰো। টেৰাং এঘাৰটা খেলত, টেৰণ ছটা খেলত আৰু টিমুঙ আৰু ইংহি সকল গাইপ্ৰতি ত্ৰিশটা খেলত বিভক্ত।

লবাছোৱালীহঁত পিতাকৰ "কুৰৰ" হয়। সদস্যসকল একেটা "কুৰৰ' ভ্ৰাতৃ ভগ্নীবুলি বিবেচিত হোৱা হেতুকে একেটা "কুৰৰ" ভিতৰত বিবাহ নিষিদ্ধ। এওঁলোকে মাকৰ ফালৰ প্ৰথম ভতিজা আৰু মোমাইৰ জীয়ৰীহঁতক বিয়া কৰাব পাৰে। মিকিৰ মতামানুহৰ নাম হৈছে যেনে, চাৰদোক্, বুৰা, মন, পাটৰ, দিলি, লঙ। মাইকীমানুহৰ নাম হৈছে যেনে, কাৰেঙ, কাছি, কাৰান আৰু

কাজিৰ। মাইকীমানুহৰ নামৰ আগত ব্যৱহৃত কা_ শব্দাংশ নিশ্চয় খাছিয়াৰ পৰা ধাৰ কৰা।

বাল্যবিবাহ অজ্ঞাত বস্তু। লৰাই ১৬ বছৰৰ পিছত আৰু ছোৱালীয়ে ১৪ বছৰৰ পিছত বিয়া কৰায়। বিয়াৰ সাধাৰণ বয়স হৈছে লৰাৰ ক্ষেত্ৰত ১৮ বা ১৯ আৰু ছোৱালীৰ ক্ষেত্ৰত ১৫। লৰাই যদি কোনোবা ছোৱালী বাচে, তেন্তে ছোৱালীৰ দেউতাকৰ ওচৰলৈ নিজৰ দেউতাকক নাইবা পিতৃমাতৃ উভয়কে পঠিয়ায়। ছোৱালীক তেওঁ এটা আঙঠি বা এডাল গলপতা দিয়ে। কেতিয়াবা কোমোৰা এটাত এক পাত্ৰ লাওপানী নিয়া হয় আৰু ইয়াক গ্ৰহণো কৰা হয়। এনেদৰে গ্ৰহণ কৰাৰ পিছত ছোৱালীয়ে আন লৰা বিয়া কৰালে গাঁৱৰ সভাই ছোৱালীৰ পৰিয়ালক দণ্ড বিহে। বিবাহৰ দিনধাৰ্য্য সকলো ক্ষেত্ৰতে সমান নহয়। লৰা আৰু ছোৱালী যদি সমান হয়, তেন্তে সোনকালেই হয়। বিযাৰ দিন ধাৰ্য্য হোৱাৰ লগে লগে দুয়োটা পৰিয়ালে লাও-পানী আৰু আন গভীৰ পানীয় দ্ৰব্য যোগাৰ কৰে। লৰা ধনী পৰিয়ালৰ হলে গোটেই দলটোৰ কাৰণে পানীয় দ্ৰব্য যোগান ধৰে। লৰা কন্যাৰ ঘৰলৈ কেইবাখনো গাঁৱৰ মাজেদি যদি যাব লগা হয়, তেন্তে প্ৰতিখন গাঁৱকে এক কোমোৰা লাও-পানী দিব লগা হয়। কন্যাৰ ঘৰ পোৱাৰ লগে লগে তেওঁলোক বহি পৰে আৰু লৰাৰ দলে ছোৱালীৰ দেউতাকক এক কোমোৰা লাও-পানী আৰু এবটল আন পানীয় দ্ৰব্য দিয়ে। ইয়াৰ পিছত কথাৰ আদান-প্ৰদান হয়। ছোৱালীৰ দেউতাকে দৰাৰ দলটোক সোধে— সিহঁত কেলৈ আহিছে? বা সিহঁতে উপঢৌকন কিয় দিছে? দৰাৰ দেউতাকে কয় "আপোনাৰ ভগ্নী (অৰ্থাৎ দৰাৰ মাক) বুঢ়ী হৈছে আৰু কামকাজ কৰিব নোৱাৰা হৈছে। সেই কাৰণেই আমাৰ লৰাই আপোনাৰ জীয়ৰীক বিয়া কৰাব খোজে। তেতিয়া কইনাৰ দেউতাকে কয়" মোৰ ছোৱালীজনী বৰ অকামিলা। তাই তাঁত ববলৈ বা আন ঘৰুৱা কামকাজ কৰিব নাজানে।" লৰাৰ

দেউতাকে কয়ঃ "ভয় খাব নালাগে, সেইবোৰ কাম আমি শিকাই লম।" এনেদৰে কথা হোৱাৰ পিছত কইনাৰ দেউতাকে গৃহস্থনীক জীয়েক সম্মত হয় নে নহয়, সেইবিষয়ে সুধিবলৈ কয়। মিকিৰৰ নিয়ম অনুসাৰে জীয়ৰীয়ে সম্মতি ব্যক্ত নকৰিলে লাও-পানী বা আন পানীয় দ্ৰব্য চুব নোৱাৰে। ছোৱালীয়ে সম্মতি দিলে দুয়োজন দেউতাকে লাওপানী আৰু আন পানীয় দ্ৰব্য খায়। কেতিয়াবা ওৰেটো নিশা ছোৱালীৰ সম্মতিৰ কাৰণে বাট চাব লগা হয়। এইদৰে বৈ থাকোঁতে গাঁৱৰ আনমানুহেও এনে ধৰণৰ ৰীতি-নীতিত যোগ দি গায়ঃ "আমাৰ জীয়ৰীক তোমাৰ [illegible] বা দৰাৰ দলক দিব নোৱাৰোঁ।" ইয়াৰ প্ৰত্যুত্তৰত দৰাঘৰীয়াই কয়ঃ "তোমালোকৰ লগত থাকিবলৈ আমাৰ লৰাক এৰি থৈ যাব নোৱাৰোঁ।" এইদৰেই চলি থাকে। অৱশেষত সম্মতি পোৱাৰ পিছত, লাওপানী আৰু আন পানীয় দ্ৰব্য খাই অন্ত কৰাৰ পিছত দৰাৰ কাৰণে ছোৱালীয়ে ঘৰৰ ভিতৰত পাটী পাৰে। লাজ লাগিলে নিজে নগৈ লৰাই শোৱা পাটীলৈ কাপোৰ কানি কাৰ পঠাই দিব পাৰে। পিছদিনা পিতৃমাতৃক লগত লৈ ছোৱালী স্বামী-গৃহলৈ যায়। মাক দেউতাকক আহাৰ আৰু পানীয় দ্ৰব্য ভোগ কৰিবলৈ দিয়া হয়। পিছদিনা তেওঁলোক নিজা ঘৰলৈ গুচি আহে। ছোৱালী যদি মাক দেউতাকৰ একমাত্ৰ জীয়ৰী বা উত্তৰাধিকাৰী হয়, তেন্তে তাই নিজোঘৰৰ পৰা নাযায়। তেতিয়া লৰাটোহে শহুৰেকৰ ঘৰলৈ আহিব লগা হয়। এই ধৰণৰ বিয়াক 'আকমেন' বোলা হয়। কাচিৎহে এনে ধৰণৰ বিয়া হয়। সাধাৰণতে মিকিৰ এক বিবাহভুক্ত মানুহ। কোনেও দুজনী তিৰোতা বিয়া কৰাব নোৱাৰে। ধনীমানুহে একনীতকৈ অধিক তিৰোতা বিয়া কৰোৱাৰ উদাহৰণ অৱশ্যে আছে। বিবাহ-বিচ্ছেদ কাচিৎহে হয়। কোনো সতি-সন্ততি নহলে নাইবা বিয়াৰ পিছত ছোৱালীৰ ঘৰলৈ গৈ স্বামীগৃহলৈ নহা হলে, বিবাহ বিচ্ছেদৰ অনুমতি দিয়া হয়। দ্বিতীয় ক্ষেত্ৰত লৰাই ছোৱালীৰ পিতৃমাতৃৰ

গৃহলৈ একোমোৰা লাওপানী লৈ গৈ নিজকে মুক্ত বুলি ঘোষণা কৰিব লাগে। বিচ্ছেদৰ পিছত দুয়োটা পক্ষই আকৌ বিয়া কৰাব পাৰে। বিধবাবিবাহো স্বীকাৰ কৰি লোৱা হয়।

লৰাই সম্পত্তি পায়। পত্নী আৰু জীয়ৰীহঁতে একো নাপায়। লৰা নাথাকিলে নিজা 'কুৰ'ৰ ওচৰ সম্বন্ধীয়া জনে সম্পত্তি পায়। মৃতকৰ যদি কোনো পুত্ৰসন্তান বা ভ্ৰাতৃ আদি নাথাকে, তেতিয়া হলে বিধবা গৰাকীয়ে স্বামীৰ কুৰৰ-কাৰোবাক যদি বিয়া কৰায়, তেন্তে সেই সম্পত্তি ৰাখিব পাৰিব। বিধবাই সদায়েই ব্যক্তিগত সা-সম্পত্তি ৰাখিব পাৰে। সম্পত্তিৰ সৰহভাগ বৰ লৰাই পায়। প্ৰায়েই মৃত্যুৰ পূৰ্ব্বেই দেউতাকে সম্পত্তি ভগোৱা দেখা যায়। দেউতাকৰ মৃত্যুৰ পিছতো লৰাহঁত একেলগে থাকি মাকক সহায় কৰে।

ধৰ্ম্মীয় বিশ্বাস :

অসমৰ আনবোৰ পাহাৰী জাতিৰ নিচিনাকৈ আগতে কৈ অহাৰ দৰে খৃষ্টীয় ধৰ্ম্মই মিকিৰৰ মাজত বিশেষ আগ বাঢ়িব পৰা নাই। মিকিৰৰ কোনো মূৰ্ত্তি বা মন্দিৰ নাই। এওঁলোকৰ দেৱতা বহুতো। বেলেগ সময়ত, বেলেগ ঠাইত, বেলেগ পদ্ধতিৰে সেইবোৰ উপাসনা কৰা হয়। আৰ্‌নাম কাথে, (সৰ্ব্বশ্ৰেষ্ঠ ভগবান) হৈছে সকলো ঘৰৰে দেৱতা। এইজনা দেৱতাৰ উপাসনা সঘনে নহলেও তিনি বছৰৰ মূৰে মূৰে দেৱতাজনে একোটাকৈ বলি পায়। এইজনাক যদিও সৰ্ব্বশ্ৰেষ্ঠ ভগবান বোলা হৈছে, তথাপি আন দেৱতাৰ ওপৰত এইজনাৰ কৰ্তৃত্ব নাই। গাহৰি হৈছে, এইজনাৰ প্ৰিয়বস্তু। কাৰোবাৰ অসুখ হলে জ্যোতিষীয়ে আৰনাম্ কাথেৰ পৰিয়ালৰ অন্তৰ্ভুক্ত হব খুজিছে বুলি কয়। সেই সময়ত উৎসৱ কৰা হয় যদিও কোনো বস্তু উছৰ্গা কৰা নহয়। তিনি বছৰৰ মূৰত বা তাৰ আগতে পৰিয়ালৰ যদি কাৰোবাৰ অসুখ হয়। তেন্তে গাহৰি এটা মাৰি লাওপানী আৰু মদেৰে গাঁৱৰ ৰাইজক ভোজ এটা দিয়া হয়। আন এজন দেৱতাক পেং বোলা

প্লেট ১ -গারো—আবেং জনজাতীয় লোক জনে নাচতে শুনাইছে

প্লেট ২—শিমদুর মেয়ে এগবাকী বাঁচি মারু



প্লেট ৩—একাকী নির্জন মহিলা



প্লেট ১—একজন নিগ্রো

হয়। এইজনাও ঘৰৰ উপাস্য দেৱতা। এইজনাৰ উদ্দেশ্যেৰে বছৰি একোটাকৈ ছাগলী বলি দিয়া হয়। বছৰৰ খেতিৰ প্ৰথম শস্যৰ লগতে ভাত, যৱধান, আৰু একোমোৰা লাওপানী ঘৰৰ পিৰালিত এইজনাৰ কাৰণে থোৱা হয়। আন এজনা দেৱতা হৈছে 'হেম্ফি-আৰ্নাম্'। বেমাৰ আজাৰৰ পৰা ৰক্ষা পৰিবৰ কাৰণে এইজনাক মানুহে প্ৰাৰ্থনা জনায়। ৰেক্ আৰ্লঙ্ বোলাজন যদিও ঘৰুৱা দেৱতা, এইজনাৰ পূজা অৰ্চ্চনা পথাৰতহে হয়। এইজনাৰ বাবে কুকুৰা এটা বলি দিয়া হয়। 'আৰনেম্ পাৰো' বোলা দেৱতাজনক ভাতৰ ১০০ ভাগ দিয়া হয়। বগা ছাগলী বা বগা কুকুৰাৰ বলি দি এইজনাৰ উপাসনা কৰা হয়। ইয়াৰ উপৰিও বেমাৰৰ নামেৰে নামকৰণ কৰা বহুতো দেৱতা আছে। জোনবেলিৰ দৰে প্ৰকৃতিৰ সকলোবোৰ চমকপ্ৰদ বস্তুক দৈৱিক বস্তু বুলি ধৰা হয় যদিও, বিশেষ কোনো পূজাবিধিৰ যোগান ধৰা নহয়। ডাঙৰ ডাঙৰ পৰ্ব্বতৰ ঠাইবোৰ, জলপ্ৰপাত, চাকনৈয়া, শিলাখণ্ড, ইত্যাদি সকলোতে মানুহৰ কামৰ বুজ লওঁতাআক বলিৰে তুষ্ট কৰিব লগীয়া একোজনকৈ দেৱতা আছে। অৰণ্যানীৰ এইবোৰ স্থানীয় দেৱতাৰ বাঘৰ হাতৰ পৰা নাইবা ভয়ঙ্কৰ বেমাৰ আজাৰৰ পৰ ৰক্ষা পৰিবলৈ পূজা অৰ্চ্চনা কৰা হয়। গছ বা জীৱজন্তুৰ পূজা নহয়।

মিকিৰে পুনৰ জন্মত বিশ্বাস কৰে। মৃত সম্বন্ধীয়া মানুহৰ নামেৰে এওঁলোকে সন্তি সন্ততিৰ নামকৰণ কৰে। মৃতকজন এই পৃথিৱীলৈ পুনৰ আগমন কৰে বুলি ধাৰণা কৰা হয়।

যাদু আৰু জ্যোতিষ :

কোনোবা মানুহ বা দানৱে কৰা যাদুৰ ফল স্বৰূপ বুলি বহুত দিনীয়া বেমাৰক ধৰা হৈছিল। চাং-কেলাঙ্-এবাঙ্ বা লডেট্, অসমীয়াত যাক মঙ্গলতী বোলে, তেনে এজন মানুহক বেমাৰটো কোনে লগাইছে, উলিয়াবলৈ কামত লগোৱা হয়। অসমীয়া মঙ্গলতীৰ দৰে চাউল বা কড়িৰে মঙ্গল চোৱা হয়। আন কোনো পাহাৰী জাতিৰ লেখীয়াকৈ কেতিয়াবা কণী ভাঙি মঙ্গল চোৱা হয়।

কেতিয়াবা নোক্-জিৰ বোলা দীঘল নালৰ দাৰেও মঙ্গল চোৱা হয়। উপৰ মূৰ কৈ দা খন হাতত লোৱা হয়। সম্ভৱ শত্রু বা অসন্তুষ্ট দেৱতা নাইবা দানৱৰ নাম মন্ত্র মাতি উচ্চাৰণ কৰা হয়। শুদ্ধ নামটো মতাৰ লগে লগে দাখন কঁপিবলৈ ধৰে বা কঁপিছে বুলি অনুমান কৰা হয়। এনেদৰেই দোষীক ধৰা হয়। কোনোবা দেৱতা বা দানৱৰ কাৰণে যদি অসুখ হৈছে, তেন্তে সেইজনাৰ তৃপ্তি বিধান কৰা হয়। মানুহ যদি হয়, তেন্তে সেইজনে নিয়োগ কৰা ভূত খেদিবলৈ প্রয়োজনীয় পূজা কৰা হয়। এনে ধৰণৰ মানুহৰ বিচাৰ মে বা গাঁৱৰ পৰিষদে কৰে। দৈৱিক প্রভাৱৰ দ্বাৰা অনুপ্রাণিত হৈ কাম কৰা চাং-কেলাঙ্-এবাঙ্ হৈছে উচ্চ পৰ্য্যায়ৰ মঙ্গলতী। লডেট বা লডেট্-পী হৈছে সাধাৰণ ধৰণৰ মঙ্গলতী। দুয়োবিধ মঙ্গলতীকে উছে-পী (স্ত্রীলিঙ্গ উছি-পী) বুলি জনা যায়।

প্রতিজ্ঞা আৰু প্রতিশ্রুতি :

গাৰো বা আন জনজাতিৰ লেখীয়াকৈ মিকিৰৰ কোনো প্রতিশ্রুতি নাই। সঙ্কল্প আৰু পৰিণতিৰ আশ্রয় গ্রহণ কৰা হয়। মানুহৰ মূৰত পৃথিৱীখন থোৱা হয়। তেওঁ কয়: "মই যাতে এই ধূলিৰ দৰে হওঁ", নাইবা বাঘৰ দাঁত চুচি পানীত মিহলাই খোৱা হয় আৰু শপত গ্রহণ কৰা হয়, "বাঘে খাওক"। একেদৰে হাতীৰ দাঁত চুচিও ব্যৱহাৰ কৰা হয়। সেই ক্ষেত্রত শপত গ্রহণ কৰা হয় এনেদৰে "হাতীয়ে মোক গচকি মাৰক"। সঁচা কথা এষাৰ প্রতিপন্ন কৰিবলৈ বা দোষাৰোপ অস্বীকাৰ কৰিবলৈ এনে শপত গ্রহণ কৰা হয়।

মৃতকৰ সংকাৰ উৎসৱ[১] :

মিকিৰৰ সকলোবোৰ উৎসৱতকৈ সংকাৰ উৎসৱ অধিক বিস্তৃত, ব্যয়বহুল আৰু আৱশ্যকীয়। মৃত সন্তানৰ জন্মতো এনে তবহৰ উৎসৱ বাধ্যতামূলক। কলেৰা বা বসন্তত মানুহ মৰিলে সেইজনক তৎক্ষণাৎ পোতা হয়। অৱশেষত হাড়বোৰ খান্দি উলিয়াই আকৌ নকৈ পোতা হয় আৰু সংকাৰ কৰা হয়। এদিনৰ কাৰণে ঘৰত

[১]এল. এচ. ইংটি, আই-এ এৰৰ দ্বাৰা সংশোধিত

মৃত মানুহজনক থোৱা হয়, যদিহে স্বাভাৱিকভাৱে সংকাৰ কৰা হয়, তেন্তে এসপ্তাহ বা বাৰ দিনলৈকো ৰখা হয়। 'কুট'ত মৃতদেহ ৰখা হয়। এই কেইদিন "কামত" পৰিয়ালৰ বাবে বন্ধা হয়। মৃতকৰ পত্নী নাইবা কোনোবা ওচৰচুবুৰীয়া সম্বন্ধীয়া মানুহ জুৰি এটা বা জলপ্ৰপাত এটা পাৰহৈ ৰান্ধিবাঢ়ি খাব লাগে। এই কেইদিন ঘৰত কোনো থাকিব নোৱাৰে। মানুহজন যদি চহকী হয়, তেন্তে ঘৰতে লাওপানী তৈয়াৰী কৰা হয়। ধান বনা হয়, মৃতকৰ সংকাৰৰ উদ্দেশ্যেৰে সুবিধাজনক দিন এটা ধাৰ্য্য কৰা যায়। ঘৰটো যদি ডাঙৰ নহয়, তেন্তে গাঁৱৰ বাইজে আগকালৰ চাং খনৰ সৈতে লগ লগাই আৰু এখন চাং সাজি দিয়ে, মৃত্যুৰ দিনাৰে পৰা দিনেও নিশা মৃতকৰ ঘৰত শুবলৈ গাঁৱৰ বাইজে এজোকজনকৈ মানুহ দিয়ে. চাৰি পাঁচ দিন জোৰা উৎসৱৰ কাৰণে চাউল আৰু লাওপানী যথেষ্ট পৰিমাণে গোটোৱাৰ পিছত সন্ধিয়া আঠমান বজাত গাঁৱৰ ডেকা লৰাইতক মতা হয়। সিহঁত ঢোল লৈ ওলাই আহি মৃতকৰ ঘৰৰ আগত বজাবলৈ ধৰে। এখন হাতত ঢাল এখন আৰু সোঁ হাতত লাখুটি এডাল লৈ সিহঁতৰ কোনো কোনোৱে যোৰা পাণ্ডি নাচে। ছবাৰকৈ ঘূৰে আৰু ইটোৱে সিটোৰ হাতত ধৰি ঘূৰাঘূৰি কৈ নাচে। এই নাচটোক 'চমাংকান' বোলা হয়। প্ৰায় এঘণ্টামান এনেদৰে কটোৱাৰ পিছত সিহঁত গাওঁবুঢ়াৰ ঘৰলৈ শুবলৈ যায়। পিছদিনা সিহঁতে ঢোল নবজোৱাকৈ আহে আৰু এবেটা নাচকে নাচে। কিছু সময়ৰ পিছত সিহঁত নিজা ঘৰলৈ যায়। পিছদিনা আকৌ আহি একেদৰে নৃত্য কৰে। পিছদিনা পুৱা কুকুৰা এটা মাৰি জুইত সেকা হয়। তৃতীয় আৰু শেষৰ নিশাটো এওঁলোকৰ কাৰণে বিৰাট নৃত্য উৎসৱৰ নিশা। নিশা হোৱাৰ পূৰ্ব্বে ওৰেটো দিন ডেকাহঁতে শটো ওলোমাই লবলৈ বহুতো বাঁহৰ শলা প্ৰস্তুত কৰিবলগীয়া হয়। এই বাঁহডালক "বজাৰ" অৰ্থাৎ ফুলকটা দীঘল জেং ওলাই থকা বাঁহ বোলা হয়। লগতে মূৰত পাত থকা ফুলকটা একেধৰণৰ এডাল চুটি বাঁহ। মতামানুহৰ মৰিশালিলৈ গৈ তলত কাঠ দি মৰা শটো পুৰিবৰ কাৰণে

এখন 'মাচাং' বা বেদী তৈয়াৰ কৰা হয়। লাগতিয়াল বস্তুবোৰ যোগাৰ কৰিবলৈ এগৰাকী জনা বুঢ়া মানুহক দিয়া হয়। সহযোগীজনে ঢোল এটা কোবায়। ইয়াৰ পিছত মৰা শটো আচলতে কঢ়িয়াই নানে যদিও, কঢ়িয়াই অনা বুলি অনুমান কৰা এজনী গাভৰু ছোৱালীয়ে ওলায়। তাই পিঠিত একোমোৰা লাও পানীহে কঢ়িয়াই আনে। ছোৱালীজনী মৃতকৰ মাকৰ ফৈদৰ হব লাগিব। পৰিয়াল টোৱে পাৰিলে মৃতকৰ বাবে ছাগলী এটা মাৰে। হাতত জোৰ আৰু ঢোল লৈ মাজনিশা ঘৰত গাঁৱৰ মানুহবোৰ আৱিৰ্ভাৱ হয়। প্ৰত্যেকটো সমদলকে ঢোল বজাই আদৰণি জনোৱা হয়! এওঁলোকে সমলয়ী সুৰ সাধনত যোগ দিয়ে। সৰু লৰাছোৱালী হঁতে বঢ়িয়া কাপোৰ পিন্ধে। ক্লেঙ্ শ্বাৰপ'ই (গাঁৱৰ ডেকাহঁতৰ দলপতি) ডেকাহঁতক লাওপানী চুবলৈ আহ্বান কৰে। লাওপানী এতিয়াও খোৱা নাই। লাওপানী স্পৰ্শ কৰি তেওঁলোকে আকৌ নাচিবলৈ ধৰে। হাতত ধৰাধৰিকৈ তাত উপস্থিত থকা সকলোৱে চক্ৰাকাৰ কৰি নাচিবলৈ ধৰে। ছোৱালীহঁতে লৰাহঁতৰ চোলাত ধৰি আৰু লৰাহঁতে ছোৱালীহঁতৰ কঁকালৰ মেৰবান্ধত ধৰি নাচিবলৈ লয়। ছোৱালীহঁতে মূৰত একোখন ক'লা কাপোৰৰ ওৰণী লয় আৰু বঙা আঁচ থকা একোখন চুটি মেখেলা পিন্ধে। কুকুৰাই ডাক দিয়াৰ আগতে সাতজন ডেকা লৰা চাঙলৈ উঠে। তাৰে এজন 'কাম'ৰ ভিতৰ সোমাই নাচিবলৈ ধৰে। বাকী ছজন দুৱাৰ মুখত থাকে। আধাঘণ্টা মানৰ অন্তত তেওঁলোক নৃত্যৰত মানুহৰ ওচৰলৈ উলটি আহে। পুনৰ নিশা 'কাম'লৈ গৈ ৰাতি পুৱাই মানে তেওঁলোকে নাচে। ৰাতি পুওৱাৰ লগে লগে নৃত্যৰ অন্ত পৰে। চলীয়াহঁতে সুকীয়া সুৰ বজাই দহ বা বিশ বাৰ নাচে। সেই সময়ত মাৰিবৰ কাৰণে গাহৰি এটা নৃত্যৰত মানুহৰ ওচৰলৈ আনি বন্ধা হয়। গাহৰিটোৰ ওচৰতে ডেকাহঁতে দল বান্ধি মৃতাত্মা আৰু পৰিয়ালৰ বুৰঞ্জী কবলৈ লয়। ডেকা আৰু সৎকাৰ উৎসৱত ভাগ লওঁতা সকলৰ কাৰণে গাহৰিটো যেতিয়া কটা হয়, গাহৰিটো বান্ধি এইসকলে তাৰ মঙহ খাব লাগে।

ইয়াৰে অলপ মদ্ গ এগৰাকী বুঢ়ীমানুহে মৃতকৰ কাৰণে ৰাখি এভাগ কাঁহিত লৈ মৰা শটোৰ ওচৰলৈ নিব লাগে। মৃতদেহৰ ওচৰত তেতিয়া এজন বুঢ়া অভিজ্ঞ লোকে পূজা পাতল কৰে। এনেদৰে ৰন্ধা ভাত আৰু মদ্ গ সৰু সৰু ছোৱালীহঁতৰ মাজত বিলাই দিয়া হয়। উপভোগৰ বাবে মৃতকৰ ঘৰৰ পৰা ডেকা লৰাহঁতে ভাত, লাওপানী, লোন, জলকীয়া আৰু অন্যান্য শাকপাচলি পায়। খোৱাৰ পিছত দুজন বা তিনজন ডেকাই আলিৰ ন'ৰে ত'ৰে পৰা এটা কুকুৰা চৰাই ধৰে। মৰিশালিলৈ নি তাক বধ কৰা হয় আৰু তাতে খোৱা হয়। [illegible]ৰত ডেকাহঁতে নাচি থাকোঁতে গাহৰি পোৱালী এটা মাৰে। ইয়াৰ ঠেং আৰু মূৰ আলিৰ দাঁতিৰ সৰু লৰাহঁতলৈ পঠোৱা হয়। গাহৰিটোৰ তেজ বাঁহৰ চুঙা এটাত ধৰা হয়। এতিয়ামানে বুঢ়ীৰ ভাতৰন্ধা শেষ হৈছে। বুঢ়া আৰু গাভৰু ছোৱালী এজনী মৰিশালিলৈ যায়। ঘৰৰ ভিতৰ সোমাই বুঢ়া মানুহ এজনে মৰা শটো মৃতকৰ পুৰণি কাপোৰেৰে জাপি দি বাঁহ এডালত বান্ধে। ইয়াৰ পিছত ঢোল কোবাই সকলোৰোৰ মৰিশালিলৈ যায়। মৰা শ টো চিতাত তুলি জুই লগোৱা হয়। মৃতাত্মাৰ বিষয়ে মাইকী মানুহ বিলাকে গীত গাবলৈ ধৰে আৰু আনক ক'ত আৰু কেনেকৈ এইজনাই মৃত সম্বন্ধীয়ক পাব, সেই বিষয়ে কয়। মৰা শ টো সম্পূর্ণৰূপে ভস্মীভূত নহয় মানে ডেকাহঁতে মৰিশালিত নাচি থাকে। জুয়ে নোপোৰা হাড়বোৰ গোটাই কাপোৰেৰে বান্ধি পুতি থোৱা হয়। এতিয়া বুঢ়ী মানুহ গৰাকীয়ে ৰন্ধা ভাত এডোখৰ চেপটা শিলত মৰিশালিত থয়। এনেদৰে উৎসৱৰ সামৰণি পৰে।

উৎসৱ আদি :

মিকিৰসকলে বহুতো উৎসৱ পালন কৰে 'বিংকেৰ', গাঁৱৰ ধৰাবন্ধা বাৰ্ষিক উৎসৱ, খেতিৰ আগে আগে অৰ্থাৎ জুনমাহত এই উৎসৱটো পালন কৰা হয়। এই উৎসৱত তেওঁলোকে দিব পৰা ছাগলী বা কুকুৰা এটা বলি দিয়া হয়। 'বিকেৰ' উৎসৱত সঙ্গীত বা নৃত্য নাই। খেতি চপোৱাৰ সময়ত কোনো বস্তু বলি দিয়া নহয়।

খেতি চপোৱা আৰু ঘৰলৈ অনা কাৰ্য্যত গাঁৱৰ মানুহে ইজনে সিজনক সহায় কৰে। ইয়াৰ পিছত তেওঁলোকে বহুদিন সাঁচি থোৱা শুকান মাছ আৰু লাওপানীৰে ভোজ ভাত খায়। ভোজত কোনো জীৱজন্তু বধ কৰা নহয়। এওঁলোকে বিশ্বাস কৰে যে কিবা জীৱজন্তু বধ কৰিলে ঘৰলৈ অনা ধানৰ পৰিমাণ কমাটো সম্ভৱ।

অধ্যায় ৬

উত্তৰ কাছাৰ পাহাৰৰ জনজাতিসমূহ

উত্তৰ কাছাৰ পাহাৰৰ মহকুমাত মাইকৈ তিনিটা জনজাতি যেনে ডিমাছা-কাছাৰী, কুকি আৰু জেমী নগা থাকে। সংখ্যাত পঁশিচহেজাৰ জনীয়া ডিমাছা সকলেই সৰহীয়া। বৃটিছে ১৮৫৪ চনত অঞ্চলটো লোৱাৰ আগলৈকে ১৬শ শতিকা (১৫৩৬) চনলৈকে আন জনজাতীয় ৰাইজ সমূহৰ ওপৰত এওঁলোকে ৰাজত্ব কৰিছিল

সংযুক্ত মিকিৰ আৰু উত্তৰ কাছাৰ পাহাৰ জিলা সৃষ্টি নোহোৱালৈকে বৰ্ত্তমানৰ উত্তৰ কাছাৰ পাহাৰ মহকুমা কাছাৰ জিলাৰ অংশ বিশেষ আছিল। সুকীয়া এখন জিলা পৰিষদে কাৰ্য্য পালিকা প্ৰশাসন আৰু ন্যায় পালিকাৰ কাৰ্য্য সমাপন কৰিছিল। এই মহকুমা টোৰ মাটিকালি হৈছে ১৮৮৮ বৰ্গমাইল। জনসংখ্যা হৈছে ৫৪,০০০ জন।

১। ডিমাছা কছাৰী:

ভৈয়ামৰ কছাৰী সকলৰ পৰা পৃথক উত্তৰ কছাৰ পাহাৰৰ ডিমাছা মনোৰম মানুহ। ভৈয়ামৰ কছাৰী সকলৰ অসমীয়াৰ লগত (কাছাৰৰ ভৈয়ামৰ বঙালীৰ লগত) একেবাৰে মিহলি হৈ গৈ একপ্ৰকাৰ নিজভাষা আৰু ৰীতি-নীতি পাহৰি গৈছে। ভৈয়ামৰ মানুহৰ সৈতে ওচৰ সম্বন্ধহীন, পাহাৰৰ মাজত থকা ডিমাছাই সুকীয়া জনজাতীয় সম্প্ৰদায় স্বৰূপে আকৃতিৰ পিনৰ পৰা নিজকে ৰক্ষা কৰিছে। ইয়াৰে সৰহভাগ অৱশ্যে হিন্দু হৈছে।

বুৰঞ্জী:

বৃটিছে অসমৰ কাছাৰ অঞ্চল কৰায়ত্ত কৰি ভাৰতৰ অংশবিশেষ কৰালৈকে কছাৰীয়ে এই জিলাত ৰাজত্ব কৰিছিল। অসমৰ কাছাৰ জিলাৰ নাম কছাৰীয়ে দিয়া। কছাৰী বড়ো গোষ্ঠীৰ মানুহ। এওঁলোক আদিতে চীন দেশৰ নৈৰ ইয়াংছিকিয়াং আৰু হোৱাংহোৰ

উজনি ভাগত আছিল। প্ৰাচীন কালত এওঁলোকে সেই অঞ্চলৰ পৰা অসম, উত্তৰ বঙ্গ আৰু পশ্চিমে ত্ৰিপুৰালৈকে যায়। নামনি অসম আৰু উত্তৰ বঙ্গৰ কোচ আৰু মেছ সম্ভৱতঃ গাৰো আৰু লালুং, ৰাভা, ডিমাছা আৰু অসমৰ পাহাৰ আৰু ভৈয়াম অঞ্চলৰ জনজাতিৰ সৈতে এওঁলোক একে।

১৩শ শতিকাৰ আগভাগত আহোম সকলৰ আগমনৰ পূৰ্ব্বে উজনি অসমৰ শিৱসাগৰ জিলাৰ পশ্চিমাঞ্চলত, আজিৰ নগাঁও জিলা আৰু কাছাৰ জিলাৰ উত্তৰ ভাগক ডিমাপুৰত (মণিপুৰ ৰ'ড) ৰাজধানী হিচাবেলৈ কছাৰী সকলে ৰাজত্ব কৰিছিল। ১৫৩৪ চনত আৰু পিছত আহোম সকলে বাৰে বাৰে কছাৰী ৰাজ্য আক্ৰমণ কৰিছিল, এওঁলোকৰ ৰাজধানী ধ্বংসপ্ৰাপ্ত কৰিছিল। ইয়াৰ পিছতো কছাৰীসকলক আহুকাল দিছিল। ডেটচুঙৰ নেতৃত্বত কছাৰীসকলে উত্তৰ কাছাৰ পাহাৰৰ মাহুৰ নৈৰ ওচৰৰ মাইবঙলৈ ৰাজধানী স্থানান্তৰিত কৰি, নতুন ৰাজ্য এখন গঢ়ি তুলিছিল। আহোমৰ আক্ৰমণৰ পৰা পাহাৰ আৰু অৰণ্যানীয়ে ৰক্ষা কৰিব বুলি এওঁলোকে ভাবিছিল। কছাৰীৰ ৰাজধানী ডিমাপুৰৰ ভগ্নাৱশেষে কছাৰী যে সভ্যতা আৰু সংস্কৃতিৰ ক্ষেত্ৰত আহোমতকৈ উন্নত স্তৰৰ আছিল, সেইষাৰ কথা বুজায়। নতুন ঠাইতো আহোমে কছাৰীক শান্তিৰে থাকিবলৈ দিয়া নাছিল।

১৭০৬ চনত আহোমৰ পৰাক্ৰমী নৃপতি ৰুদ্ৰসিংহই ৩৫,০০৬ জন মানুহৰ সৈন্যবাহিনী লগত লৈ কছাৰীৰ ৰাজ্য আক্ৰমণ কৰে। নতুন ৰাজধানী মাইবঙ কৰায়ত্ত কৰাৰ উপৰিও ধ্বংস প্ৰাপ্ত কৰে। কছাৰী ৰজাই কাছাৰৰ ভৈয়াম অঞ্চলৰ খাছপুৰত আশ্ৰয় লয়। ইয়াতে এখন নতুন ৰাজধানী গঢ়ি উঠে। বিশ্বাসযোগ্য বুৰঞ্জীগত সত্য এটাৰ মতে কছাৰী-কোঁৱৰ এজনে ত্ৰিপুৰাৰ ৰাজকন্যা এগৰাকীক বিয়া কৰায় আৰু যৌতুকত বৰ্ত্তমানৰ কাছাৰ জিলাৰ অন্তৰ্ভুক্ত বৰাক্ উপত্যকা পায়। সেইসময়ত তাত জনসংখ্যা তেনেই পাতলীয়া আছিল। এই অঞ্চলত মণিপুৰ আৰু ব্ৰহ্মদেশৰ ৰজা সকলৰ সৈতে সংঘৰ্ষৰ উৎপত্তি

মোহোৱালৈকে আহোমৰ অধীনত কছাৰীয়ে শান্তিৰে শাসন কৰে। উনবিংশ শতাব্দীৰ আগ ভাগত ব্ৰহ্মদেশৰ নৃপতি সকল বৰ পৰাক্ৰমী হৈ উঠে। এওঁলোকে আহোমক পৰাস্ত কৰি মণিপুৰক দখললৈ আনি বৃটিছৰ ৰাজত্বৰ পিনলৈ যেনে বঙ্গদেশৰ অংশ বিশেষ ছিলেটৰ ফাললৈ আগ বাঢ়ে।

১৭৫৭ চনত ত্ৰিপুৰাবাসীৰ বিস্তৃত আক্ৰমণৰ পৰা কছাৰী ৰাজ্যক ৰক্ষা কৰাৰ মানসেৰে কছাৰী ৰজাৰ কটকীয়ে আহোম ৰজাৰ সহায় বিচাৰে। কছাৰী ৰজা 'মেখেলি' আৰু খুৰাক মাইবঙলৈ পলাই যায়। আহোমে অভিযান এটা আৰম্ভ কৰে। ঠিক সময়ত ত্ৰিপুৰা-বাসী ত্ৰিপুৰা পাহাৰলৈ পলাই যায়।

উত্তৰ কাছাৰ পাহাৰত থকা কছাৰীক বিশেষকৈ ডিমাছা বুলি কয়। শব্দটো হিৰিম্বা (ডিমাপুৰ হৈছে হিৰিম্বা পুৰৰ চমু সংস্কৰণ) এগৰাকী দানবীৰ নামেৰে কৰা হৈছে। সেই গৰাকীৰ গৰ্ভত দ্বিতীয় পাণ্ডৱ ভীমৰ দ্বাৰাই কাহিনীমতে ঘটোৎকচ নামেৰে পুত্ৰ সন্তান এটি জন্ম লয়। ১৭৯০ চনত কছাৰী ৰজাই হিন্দু ধৰ্ম্ম গ্ৰহণ কৰিলত কছাৰী ৰজাৰ উৎপত্তিৰ বিষয়ে এইষাৰ কথা সম্ভৱতঃ বামুন পণ্ডিতৰ আৱিস্কাৰ। এইষাৰ কথা লিপিবদ্ধ হৈ আছে যে, ৰজা কৃষ্ণচন্দ্ৰ আৰু ভায়েকক তামৰ গৰু এজনীৰ ভিতৰত সুমুৱাই ব্ৰাহ্মণে এইসকলক হিন্দু আৰু ভীমৰ ঔৰসজাত ক্ষত্ৰিয় বুলি ঘোষণা কৰে। বহু যুগ জোৰা, শ শ নৃপতিৰ কথাৰে এখন কাল্পনিক বংশাৱলীও সৃষ্টি কৰে।

১৮০৯ চনত চৰজিৎ সিং আৰু মৰজিৎ সিং দুই ভ্ৰাতৃদ্বয়ৰ দ্বাৰা মণিপুৰৰ ৰজা মধুচন্দ্ৰ সিংহাসনচ্যুত হয়। মধুচন্দ্ৰই কছাৰী ৰজাৰ সহায় বিচাৰে। সহায় দিয়াও হয়। সিংহাসন পুনৰ উদ্ধাৰ কৰিবলৈ যত্ন কৰোঁতে এইজনাক হত্যা কৰা হয়। অতি সোনকালে চৰজিৎ আৰু মৰজিতৰ কাজিয়া লাগে। মৰজিতে কছাৰী ৰাজ্যত আশ্ৰয় বিচাৰে। লগত লৈ অহা মণিপুৰী যোৰা এটাৰ কথাৰে কছাৰী ৰজাৰ ভায়েক গোবিন্দ চন্দ্ৰৰ সৈতে কাজিয়া লাগে। ফলত মৰজিতে কাছাৰ এৰে। বৰ্ম্মীৰ সহায় পাই এওঁ ১৮১২ চনত মণিপুৰৰ পৰা

চৰজিৎ আৰু গম্ভীৰ সিং ভ্ৰাতৃদ্বয়ক খেদি পঠায়। ১৮১৮ চনত এওঁ কাছাৰ আক্ৰমণ কৰে আৰু কছাৰী ৰাজত্ব কাঢ়িলৈ চৰজিৎ আৰু গম্ভীৰ সিং ভ্ৰাতৃদ্বয়ে এওঁক খেদি পঠিয়ায়। এনে সময়তে বৰ্ম্মীয় সকলে কাছাৰ আক্ৰমণ কৰি ৰাজ্যৰ সীমা বঢ়োৱাৰ কাৰণে যা-যোগাৰ কৰিছিল। ওচৰৰ ছিলেটট ৰাজত্ব কৰা বৃটিছ এনে ধৰণৰ পৰাক্ৰমী জাতি নিজৰ ৰাজ্যৰ কাষলৈ আগবাঢ়ি অহাত শঙ্কিত হৈ পৰিল। নামত কছাৰী ৰজা গোবিন্দ চন্দ্ৰৰ সৈতে বুজাপৰা হৈ বৰ্ম্মীয় আৰু মণিপুৰী কাঢ়ি লওঁতা সকলক খেদে আৰু আকৌ এবাৰ গোবিন্দ চন্দ্ৰক ৰাজসিংহাসনত বহুৱায়। হৰিটিকাৰত থাকিবলৈ লৈছিল যদিও ১৮৩০ চনত মণিপুৰী ৰজা গম্ভীৰ সিঙৰ আদেশ অনুসাৰে এই জনাক হত্যা কৰা হয়। এইজনাৰ কোনো বংশধৰ নথকাত ১৮৩২ চনত বৃটিছে কাছাৰ, বৃটিছ-ভাৰতৰ অন্তৰ্ভুক্ত কৰে।

ওপৰত কৈ অহাৰ দৰে কছাৰীৰ বিশেষকৈ দুটা ফৈদ আছে। এটা হৈছে ব্ৰহ্মপুত্ৰ উপত্যকাত থকা বড়ো নামেৰে জনাজাত। আনটো হৈছে, উত্তৰ কাছাৰ পাহাৰলৈ যোৱা ধনশিৰি উপত্যকাত ডিমাপুৰক ৰাজধানী কৰি লৈ ৰাজত্ব কৰা ডিমাছা। ছাৰ এডৱাৰ্ড গেইটৰ মতে ডিমাছা শব্দটো হৈছে, ডিমা-ফিছা অৰ্থাৎ বৰনৈৰ সন্তান বোলা শব্দ এটাৰ পৰা গ্ৰহণ কৰা।

তুলাৰাম সেনাপতিৰ নাম নললে সংক্ষিপ্তকৈ হলেও ডিমাছাৰ বুৰঞ্জী সম্পূৰ্ণ হব নোৱাৰে। এওঁৰ দেউতাক কাচ্ছাডিন কছাৰী ৰজা কৃষ্ণচন্দ্ৰৰ ঘৰৰ বন কৰা লৰা আছিল। উত্তৰ কাছাৰ পাহাৰত ৰজাই এওঁক কিবা বিষয় বাব দিয়ে। অৱশেষত ৰজাৰ বিপক্ষে বিপ্লৱ কৰাৰ দোষত ৰজাৰ মানুহে তেওঁক হত্যা কৰে। এওঁৰ লৰা. তুলাৰাম, সেইসময়ত ৰজাৰ সাধাৰণ পিয়ন আছিল। এওঁ পাহাৰলৈ পলাই গৈ নিজৰ নেতৃত্বত বিৰাট এক পাহাৰী মানুহৰ সৈন্যবাহিনী তৈয়াৰ কৰি তাৰ নিজে নিজে অধ্যক্ষ হয়। এই সকলৰ সহায়ত কছাৰী ৰজাই তেওঁক কাবু কৰিবলৈ কৰা সকলো চেষ্টা ব্যৰ্থ কৰে। এওঁৰ অধীনত বেলেগ জনজাতি যেনে কুকি, মাৰ আৰু জেমী নগা

থকা উত্তৰ কাছাৰ পাহাৰৰ কোনো কোনো অঞ্চলত আৰু মিকিৰ পাহাৰ জিলাৰ দক্ষিণাঞ্চলত ডিমাছাই ৰাজত্ব কৰে। সৈন্যবাহিনীৰ অধিনায়ক পতা এই জনাৰ জতিজাক গোবিন্দৰামে গোবিন্দ চন্দ্ৰৰ সৈন্যবাহিনীক পৰাস্ত কৰি জয়ন্তীয়া পাহাৰলৈ পলাই যোৱা তুলাৰামক অতৰ্কিতে আক্ৰমণ কৰে। ইয়াৰ পিছত উত্তৰ-পূব-সীমান্তৰ গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট ছাৰ ডেভিদ স্কটে তুলাৰামক উত্তৰ কাছাৰ পাহাৰত এডোখৰ মাটি দিয়ে। এই অঞ্চলটোৰ মাটিকালি হৈছে ২,০০০ বৰ্গমাইল। ইয়াৰ জনসংখ্যা হৈছে পাঁচহেজাৰ জন তাতোকৈ অলপ অধিক। এই অঞ্চলত ১৮৫০ চনত মৃত্যুৰ আগলৈকে তেওঁ ৰাজত্ব কৰে। এওঁৰ মৃত্যুৰ চাৰি বছৰৰ পিছত বৃটিছে ঠাইডোখৰ কাছাৰ জিলাৰ অন্তৰ্ভুক্ত কৰে।

ডিমাছা কছাৰীৰ উল্লেখনীয় এটি বিষয় হৈছে উত্তৰ কাছাৰ পাহাৰত বসবাস কৰা জনজাতিৰ সৰহ সংখ্যকে যেনে কুকি আৰু জেমী নগাই যদিও খৃষ্টান ধৰ্ম্ম গ্ৰহণ কৰিছে, তথাপি এই সকলৰ সৰহ ভাগেই হিন্দুধৰ্ম্ম গ্ৰহণ কৰিছে আৰু সম্পূৰ্ণৰূপে হিন্দুধৰ্ম্ম গ্ৰহণ নকৰা জনে পুৰণি ধৰ্ম্মীয় বিশ্বাস বা ৰীতিনীতি পৰিত্যাগ কৰা নাই। এনে তৰহৰ মানুহৰ সংখ্যা অৱশ্যে তেনেই তাকৰীয়া। এওঁলোকৰ প্ৰাচীন ৰীতি-পদ্ধতি হৈছে আজি বুৰঞ্জীৰ বস্তু। বামুণৰ প্ৰভাৱত কাছাৰৰ ভৈয়াম অঞ্চললৈ ৰাজধানী আনিলত বৃটিছ আমোলত লেখক সকলে লেখাৰ দৰে এই সকল হিন্দু হ'ল বোলাটো বৰ শুদ্ধ কথা নহয়। ১৬শ শতিকাৰ পৰা মাইবঙত এওঁলোকে সজা বহুতো মন্দিৰৰ পৰা আৰু প্ৰাচীন ৰাজধানী উজনি অসমৰ ডিমাপুৰত পোৱা ভগ্নাৱশেষৰ পৰা হিন্দু ধৰ্ম্মান্তৰবাদ বহু আগতে আৰম্ভ হৈছিল বুলিব পাৰি।

ডিমাছাৰ বিষয়ে ইংৰাজীত লেখা চি. এ, চম্বিট হৈছে প্ৰাচীনতম কৰ্তৃত্বশীল ব্যক্তি। এইজনাৰ মন্তব্য বৰ অশোভনীয়। এইজনাৰ মতে এওঁলোক "সাহসী সন্মানশীল, বা সত্যবাদী" নহয়। উত্তৰ কাছাৰত তেৰ বছৰ কাল বাস কৰা ষ্টুৱাৰ্টে বেকাৰৰ উল্লেখিত মত

ইয়াৰ বিপৰীত ধৰ্ম্মী। "এই সকলৰ সাহসৰ বিষয়ে;– কছাৰীক জাতিস্বৰূপে সাহসী বা কাপুৰুষ বুলিব নোৱাৰি। মই বহুতো কছাৰীয়ে এনে কাম কৰা দেখিছোঁ, যাক সাহসী নুবুলি নোৱাৰি। উদাহৰণ স্বৰূপে এবাৰ এটা নৰখাদক বাঘে গাঁও এখনত চিকাৰ কৰি ফুৰা দেখি হাতত যাঠী লৈ তিনিজন মানুহ ওলাই গল, বাঘৰ বাটটো বিচাৰি আটব্য হাবিত সোমাল। অকস্মাৎ বাঘটোৰ ওচৰলৈ আহিলত বাঘটোৱে প্ৰথমজন মানুহৰ কৰঙন এটাত কামোৰ মাৰি লৈ যোৱা দেখি বাকী দুজনে তাৰ মুখত যাঠী ভৰাই দি মানুহটো এৰি যাবলৈ বাধ্য কৰালে। ইয়াৰ পিছত তিনিওজনে খেদি বাঘটো মাৰিলে। আৰু বহুতো উদাহৰণ দিব পাৰি। চিকাৰলৈ ওলাই যাওঁতে লগত লৈ যোৱা কছাৰীৰ ব্যক্তিগত পৰিচয়ে সকলো কাপুৰুষালিৰ পৰা মুক্ত কৰিবলৈ আৰু দৃঢ়তা আৰু ধৈৰ্য্যৰ কাৰণে চৰিত্ৰৰ প্ৰশংসা কৰিবলৈ মোক বাধ্য কৰে।"

"সন্মানশীলতাৰ বিষয়ে, মই ভাবো, সভ্যতাই চেকা নলগোৱা পৰ্য্যন্ত কছাৰী সকল সাধাৰণ মানুহৰ দৰে সন্মানশীল।"

"নৈতিকতাৰ বিষয়ে, বহুত দিন পাহাৰী জাতিৰ মাজত থাকি কছাৰী সকলোতকৈ অধিক নীতিশীল বুলি কবলৈ মন যায়। পুৰুষ বা নাৰীৰ ক্ষেত্ৰত বিশ্বাস হীনতা বাস্তৱিকতে আপুৰুগীয়া। আন পাহাৰী মানুহৰ তুলনাত এওঁলোকৰ অবিবাহিত লৰাছোৱালী অধিকভাৱে সাধ্বী।"

"শাৰীৰিক গঠনেৰ পিনৰ পৰা মতামানুহ বলী আৰু আটিল। মাইকী মানুহ বোৰো সাধাৰণতে ডাঙৰ আৰু পৰিশ্ৰমী। গাৰ বৰণ সাধাৰণতে অলপ পাতলীয়া ক'লা। পুৰুষ আৰু নাৰী উভয়ৰে ওঁঠ ঘন, নাক ডাঙৰ আৰু গালৰ হাড় চকুত লগা।"

গাৰ্হস্থ্য জীৱন :

ডিমাছাসকল শান্তিপ্ৰিয় মানুহ। খং উঠিলে অৱশ্যে এওঁলোক প্ৰতিশোধ কামী হৈ পৰে। কুকি গোষ্ঠী আনবোৰ পাহাৰী জাতিৰ দৰে নাইবা মিকিৰৰ দৰে নহয়। এওঁলোকে ঘৰ মাটিত সাজে

আৰু ঘৰৰ ছাল জেমী ঘৰৰ দৰে নহয়, পোন পটীয়াকৈ মাটিৰ সমান্তৰালকৈ সজা হয়। পাহাৰ পৰিবেষ্টিত উপত্যকাত গাঁওবোৰ অৱস্থিত। প্ৰত্যেক গাঁৱৰে সহজে যাব পৰা মুকলি ঠাইত নড্ৰেঙ্ বোলা এবিধ ঘৰ আছে। ডেকাইঁতে নড্ৰেঙ্ ঘৰ মেলঘৰ স্বৰূপে ব্যৱহাৰ কৰে। মাইকী মানুহৰ ইয়াত প্ৰৱেশ নিষেধ।

মতামানুহে চুৰীয়া পিন্ধে আৰু কপাহী বা এড়িয়াৰ একোটা পাগুৰী মাৰে। মাইকীমানুহে দুখন কাপোৰ পিন্ধে। কঁকালৰ পৰা আঠুলৈকে বৈ পৰা এখন এড়িয়া মেখেলা আৰু ওপৰ ভা[illegible] কঁকাললৈ বৈ পৰা একোখন বুকু বন্ধা কাপোৰ।

কুকুৰ, মেকুৰী, বান্দৰ, সাপ, আৰু চিকাৰী জন্তুৰ বাহিৰে অ-হিন্দু ডিমাছাই সকলো খায়। জেঠী খায় আৰু উঁই পকৰা এওঁলোকৰ বৰ প্ৰিয় খাদ্য বুলি কোৱা হয়। মঙহ আৰু সম্পত্তি স্বৰূপে মেথোনৰ আদৰ যথেষ্ট। মেথোন ঘৰচীয়া কৰা হয়। মেথোন হৈছে ধন আৰু সম্পত্তিৰ প্ৰতীক। ডিমাছাই বৰ ধোঁৱা খায়। কিছুদিন আগলৈকে এওঁলোকে খুব কানিও খাইছিল। আনবোৰ পাহাৰী জনজাতি, বিশেষকৈ নগাৰ তুলনাত এওঁলোকে মদ কম খায়। এওঁলোকে মদ, ভোজ, বিয়া বা মৃত্যুউৎসৱত খাইকৈ কেইবাদিনো থকা বিষু-উৎসৱত (অসমীয়া বিহু) খায়। এই খেতি চপোৱা উৎসৱৰ সময়ত মতামানুহে যিমান পাৰে সিমান মদ খায় আৰু মাইকী মানুহৰ সৈতে যোৰা পাতি নাচি সকলো সময়তে উত্তেজিত হৈ থাকে। প্ৰত্যেক ডোখৰ সমান মাটিত এওঁলোকে খেতি কৰে। এনে মাটি নোপোৱা সকলেহে "জুম"খেতি কৰে। ডিমাছা সকলক ধৰি কছাৰী সাধাৰণতে ভাল সৈনিক। সৈন্যবাহিনী আৰু সশস্ত্ৰ পুলিচবাহিনীলৈ এওঁলোকক বৃটিছে মুকলিভাৱে আনিছিল। এড়ি পোহা, সূতাকটা আৰু তাঁত বোৱা হৈছে ঘাই কুটিৰ শিল্প। এইবোৰ কাম মাইকী মানুহেহে কৰে।

গাঁও সংগঠন :

কছাৰীৰজাৰ আমোলত পাহাৰ পৰিচালনাৰ দায়িত্ব সেনাপতি,

মুখিয়াল আইন বিষয়া আৰু বহুতো সহযোগীৰ ওপৰত ন্যস্ত হৈছিল। প্ৰত্যেক গাঁৱৰে আছিল আৰু আজিও আছে নিৰ্ব্বাচিত, সাধাৰণতে উত্তৰাধিকাৰী সূত্ৰে পোৱা 'কুনাঙ' নামেৰে একোজন গাঁওবুঢ়া। ডাঙৰ গাঁওবোৰৰ 'ডিলো' বোলা একোজন সহকাৰী গাঁওবুঢ়া থাকে। 'কুনাঙ'ৰ কৰ্ত্তৃত্ব যথেষ্ট। বিচাৰত যিমানে ভাগ লব খোজে, গাঁওবাসী সিমানৰ সহায় লৈ সাধাৰণ সকলো চুৰি, কাজিয়া আৰু সকলোধৰণৰ খৰিয়াল এওঁ মীমাংসা কৰে! মাইকী মানুহৰ ক্ষেত্ৰত বয়সস্থা মাইকীমানুহেও বিচাৰত যোগ দিয়ে। জটিল বিচাৰ কেইবাখনো মৌজাৰ প্ৰতিনিধিৰ সহযোগত কৰা হৈছিল। যৌন অপৰাধৰ কাৰণে পুৰণি কছাৰী ৰীতি অনুসাৰে শাস্তি দিয়াটো চমকপ্ৰদ বস্তু। উদাহৰণ স্বৰূপে যৌন-বিচ্যুতিৰ প্ৰমাণ হলে পুৰুষ মহিলা উভয়কে বজাৰলৈ নি তেওঁলোকৰ দোষ ঘোষণা কৰা হয়। তিনিবাৰ বজাৰ প্ৰদক্ষিণ কৰাৰ অন্তত তেওঁলোকক এৰি দিয়া হয়। কোনো জৰিমনা কৰা নাইবা শাস্তি দিয়া নহয়। একেধৰণৰ আন দোষতো যেনে ওচৰ সম্বন্ধীয় মানুহৰ মাজৰ যৌনসংযোগৰ কাৰণেও একে শাস্তিকে দিয়া হয়। গাৰো, মিকিৰ আৰু নগাৰ সাধাৰণ শপত পদ্বাও একে।

"এখন তৰোৱাল, অলপ মাটি, অলপ ধান, এগিলা চোৰাতৰ পাত, এডোখৰ নীল, আৰু এটা বাঘৰ দাঁত, দোকমোকালিতে কিবা খোৱাৰ আগতে গাঁৱৰ বাহিৰৰ চকা কৰা এডোখৰ মুকলি ঠাইলৈ নিয়া হয়। শপত খাব লগা মানুহক তেতিয়া গোটোৱা হয় আৰু বাহিৰলৈ ওলাই আঠোঁতে প্ৰত্যেকজনে আকাশলৈ চাই বস্তু কেইটালৈ আঙুলিয়াই কয়: "মই যদি মিছা কথা কওঁ, মোৰ গাত বজ্ৰপাত পৰক; সমুখত থকা তৰোৱাল খনৰ লেখীয়া তৰোৱালেৰে মোৰ মৃত্যু হওক; এই পৃথিৱীখন চোৰাই নিয়াৰ দৰে বৰষুণে মোৰ দেহা চোৰাই নিয়ক; এই ধানটোৰ লেখীয়াকৈ, যাক এবাৰ কলে খেতিৰ কথাৰে পাহৰি থকা যায়, মোৰ চিন সম্পূৰ্ণৰূপে হেৰাই যাওক; চোৰাতৰ পাতে মোৰ দেহাটো সদায় ক্ষতবিক্ষত কৰক;

মই যাতে নীল ডোখৰৰ দৰে নিস্তেজ হওঁ ; এই দাঁতটো থকা বাঘটোৰ লেখীয়া বাঘে মোক খাওক"।

ধৰ্ম্মীয় বিশ্বাস :

সৃষ্টি, পৃথিৱী, স্বৰ্গ, নৰক ইত্যাদিৰ বিষয়ে গাৰোৰ সৈতে কছাৰীৰ ধাৰণা একে। এইষাৰ কথাই মেজৰ প্লেফেয়াৰৰ ধাৰণা যে আদিতে দুয়োটা জাতি একে আছিল বুলি সাব্যস্ত কৰে। কছাৰীৰ দহজন দেৱতা আছে। এওঁলোকৰ মাই দেৱতাজন হৈছে "আলোৰজা"। পুৰোহিতক "জনৃটাইযাও" বোলা হয়। অতীতত প্ৰতিবছৰে অন্ততঃ এটাকৈ নৰবলি দিয়া হৈছিল।

প্ৰত্যেকটো ফৈদৰ একোজন নিজা দেৱতা আছে, সেইদৰে প্ৰত্যেক খন গাঁৱৰ পুৰোহিত শ্ৰেণীৰ হোজাই সকলে ধৰ্ম্মীয় ৰীতি-নীতি কাৰ্য্যত লগায়। জন্ম আৰু মৃত্যুত ধৰ্ম্মীয় উৎসৱ পালন কৰা হয়। মৃত্যু-উৎসৱত মহ পোৱালী বলি দিয়া নিয়ম। বছৰি পূজা পাতি গাঁওৰক্ষী দেৱতাক প্ৰত্যেকখন গাঁৱে সন্তুষ্ট কৰে। ৰোগীক ভাল কৰিবলৈ নাইবা বিপদ আপদ দূৰীভূত কৰিবলৈকো পূজা পতা হয়।

ৰীতি-নীতি :

ডিমাছাৰ কন্যাৰ মূল্যক কাল্‌টি বোলা হয়। এই মূল্য দবাৰ অৱস্থা নৈ পঞ্চাছৰ পৰা দুশ টকালৈকে হব পাৰে। আন জনজাতিৰ সৈতে কোনোবাই বিয়াৰ দিহা কৰিলে সেইজনাক সমাজৰ পৰা বহিষ্কাৰ কৰা হয়। হিন্দু ধৰ্ম্মৰ সত্বেও বাল্যবিবাহ একেবাৰে নাই। নিজে সঙ্গী বাচিবলৈ ছোৱালীহঁতে সম্পূৰ্ণ স্বতন্ত্ৰতা পায়।

সন্তান হোৱাৰ কুৰি দিনৰ আগৰ পৰাই মাতৃ গৰাকীক বেলেগ কৰি থোৱা হয়। স্বামী বা আন কোনোবা তেওঁৰ ওচৰলৈ যাব নোৱাৰে। সন্তান জন্মাৰ এসপ্তাহৰ পিছত ভোজ এটা পতা হয়। এই ভোজতেই গাঁৱৰ বুঢ়ীহঁতে সন্তানৰ কিবা এটা নাম থয়। সন্তান থকা বিবাহিত মানুহক অমুকৰ দেউতাক বা অমুকৰ মাক বোলা হয়। পুৰণি কালত অসমীয়াৰ মাজতো এইটো প্ৰথা আছিল।

সন্তান নথকাজনক ছেগ্ৰিফা বা ছেগ্ৰিমা, অৰ্থাৎ কোনো সন্তানবে দেউতাক বা মাক নহয় বোলা হৈছিল। যদিও বিবাহৰ মূল্য ঘূৰাই দিয়াটো লোকচান বুজাইছিল, তথাপি বিবাহ-বিচ্ছেদ টান নাছিল। পাৰম্পৰিক সন্মতিৰ জৰীয়তে প্ৰায়েই বিবাহ-বিচ্ছেদ হৈছিল। স্বামীয়ে পত্নীক যেতিয়া অসৎ ব্যৱহাৰ কৰে, আৰু পত্নীয়ে যেতিয়া কাল্‌টি ঘূৰাই দিব নোৱাৰা হয়, তেতিয়া তেওঁ পুনাঙ্ বা গাঁৱৰ আন বুঢ়া মেথাৰ আগত আপীল কৰিব পাৰে। এওঁলোকে তেতিয়া স্বামীক কোনো কাল্‌টি ঘূৰাই নিদিয়াকৈ বিবাহ-বিচ্ছেদ কৰাব পাৰে।

ককায়েকে ভায়েকৰ বিধবা পত্নীক বিয়া কৰাব পাৰে। সেই বুলি ইয়াৰ বিপৰীতটো হব নোৱাৰে। একেদৰে পুৰুষে পত্নীৰ ভনীয়েকক বিয়া কৰাব পাৰে, বায়েকক নহয়।

ডিমাছাৰ ছল্লিশটা পুৰুষ ফৈদ (ছেঙ্‌ফঙ) আৰু বিয়াল্লিছটা নাৰীফৈদ (জক্‌লুক্) আছে। কোনেও পিতৃ বা মাতৃ ফৈদত বিয়া কৰাব নোৱাৰে। সেইবুলি নিজৰ মাতৃফৈদৰ দেউতাকে বোৱাৰী আনিব পাৰে। এই নিয়মটো কঠোৰ ভাৱে পালন কৰা হয়। সমাজৰ পৰা বহিষ্কাৰ হৈ হে ইয়াক ভঙ্গ কৰিব পাৰি। দুটা ফৈদৰ দুগৰাকী মাইকীমানুহে একে কাপোৰ বা একে প্ৰসাধন একেখন পাটী ব্যৱহাৰ কৰা দূৰৰ কথা। যেহেতু ব্যৱহাৰ কৰিব নোৱাৰে, বহুবিবাহ স্বাভাৱিকতে কম। ওপৰত কন্যাৰ মূল্যৰ কথা কোৱা সত্বেও বৰ্ত্তমান আচল অৱস্থা হৈছে ভাল যৌতুক দি এজন ভাল দৰা পোৱাটো। আগৰ দৰে ডিমাছা আজিও উত্তৰ কাছাৰৰ মাই জনজাতি। এইটো সহজে অনুমান কৰিব পাৰি যে, বহু বছৰলৈ এওঁলোকে কেৱল মাই জনজাতি হৈ নাথাকি ৰাজ্যৰ কণাত বিশেষ অংশ গ্ৰহণ কৰিব, কাৰণ এওঁলোক কৰ্ম্মঠ, গ্ৰহণ শক্তিসম্পন্ন, প্ৰগতিশীল মানুহ।

২। কুকি :

কুকি বোলা শব্দটো ভৈয়ামৰ মানুহে কেৱল চীন-লুচাই-কুকি গোষ্ঠীৰ জনজাতিৰ ক্ষেত্ৰতে নহয়, খাছিয়া বা গাৰো বা মিকিৰ

ইত্যাদিত অন্তৰ্ভুক্ত কৰিব নোৱাৰা প্ৰায় সকলো পাহাৰী মানুহৰ ক্ষেত্ৰত অস্পষ্টভাৱে ব্যৱহাৰ কৰে। জনজাতিটোৱে নিজকে কেতিয়াও এইটো নামেৰে চিনাক্ত নকৰে। তেওঁলোকে ভাবে যে, এই নাম ভৈয়ামৰ মানুহে ঘৃণাৰে ব্যৱহাৰ কৰে।

ভালেমান ৰীতিনীতি সম্বলিত জনজাতি, উপজাতি আৰু ফৈদ বুজাবলৈ কুকি শব্দ সাধাৰণতে ব্যৱহাৰ কৰা হয়। এই সকলৰ মাজত থকা সৰ্ব্বসাধাৰণ লক্ষণসমূহে অঞ্চলৰ আন জনজাতি, যেনে নগাৰ পৰা এইসকলক পৃথক কৰে। ভাষাগত, ৰীতিগত, সামাজি[illegible] সংগঠনগত সাদৃশ্যৰ পৰা নিঃসন্দেহ হব পাৰি যে, আদিতে কুকি, লুচাই, আৰু চীন সকল, (ব্ৰহ্মদেশৰ চীন পাহাৰ) একেঠাইতে আছিল আৰু ইটো সিটোৰ সম্বন্ধিত। কানিমুনিকৈ এশ টা শব্দ বুটলি ললে দেখা যাব যে ইয়াৰে প্ৰায় পঞ্চাছটা শব্দ তিনিওটা ভাষাৰে একে। শাৰীৰিক গঠনৰ পিনৰ পৰা লুচাই বা চীনৰ ৰিজনিত কুকি সৰু আৰু নিশকতীয়া। এওঁলোকৰ চুলিফণিওৱা নিয়মে যাইকৈ খোপা বন্ধা নিয়মে এওঁলোকক মাইকীমুৱা কৰে। পাৰৈ মতামানুহৰ দৰে মাইকী মানুহে খোপা আগ ফালদৈ বান্ধে।

উত্তৰ কাছাৰ পাহাৰৰ কুকি জনসংখ্যা হৈছে প্ৰায় আঠহেজাৰ জন। ইয়াৰে আধা হৈছে আন এটা কুকি জনজাতিৰ মাৰ সকল। ভালেমান কুকি ফৈদ সামৰি এওঁলোকে বৰ্ত্তমান এটা সুকীয়া স্বতন্ত্ৰীয়া জনজাতি স্বৰূপে দাবী জনাইছে। ভাষা আৰু অন্যান্য সাদৃশ্যৰ পৰা মাৰ যে কুকি-চীন-লুচাই গোষ্ঠীৰ এটা উপজাতি, সেই বিষয়ে প্ৰশ্ন উঠিব নোৱাৰে। আচলতে মিজো জিলাত বাস কৰা মাৰ লুচাই বা মিজোৰ সৈতে একীভূত হৈ গৈছে। কথাষাৰ কুকিৰ বিষয়ে তলত দিয়া চমু বুৰঞ্জীৰ পৰা স্পষ্ট হৈ পৰিব।

কাহিনী অনুসাৰে কুকি আদিতে দক্ষিণ-পশ্চিম চীনৰ চীন লুঙ্ বোলা ঠাই এডোখৰৰ অধিবাসী আছিল। অসমৰ উত্তৰ-পুব অঞ্চলৰ আহোম সকল অহা শ্যাম দেশলৈ কিবা প্ৰাকৃতিক দুৰ্য্যোগে এওঁলোকক আহিবলৈ বাধ্য কৰে। ইয়াত কিছু পুৰুষ সুখেৰে

থকাব পিছত এওঁলোকক এটা ডাঙৰ আকালে নতুন মাটি বিচাৰি চীনডুইন উপত্যকাইদি চীন পাহাৰলৈ আহিবলৈ বাধ্য কৰে। আজিও ধ্বনিত হোৱা পুৰণি লোক গীত এটাই কাহিনীটো সাব্যস্ত কৰে।

"মোৰ পুৰণি চীন দেশ,
মোৰ ককাদেউতাৰ হিমালেই (হিমালয়)
মোৰ ককাদেউতাৰ পদ্ধতি সবাতোকৈ ভাল।
চীনলুঙৰ (চীন শিলাখণ্ডৰ) পদ্ধতি সবাতোকৈ ভাল।"

আদিম গৃহভূমি চীন্‌লুঙৰ দৰে নতুন ঠাইৰ নামো এওঁলোকে চীন্‌লুঙ্‌ ৰাখিলে। এইটো চীন, লুচাই আৰু কুকি জনজাতিৰ এটা সাধাৰণ নিয়ম। (এইসকল আগতেও আছিল আৰু আজিও অঘৰী)। এই সকলে নতুন ঠাইৰ নাম পুৰণি ঠাইৰ নামেৰে দিয়ে। ইয়াৰ পৰিণতি হৈছে উত্তৰ কাছাৰ পাহাৰৰ বহুতো গাঁৱৰ নাম, লুচাই পাহাৰৰ গাঁৱৰ নাম যেনে বিয়েট, থিয়ক, খবুঙ্‌, জটে, ডবনগঙ্‌ ইত্যাদিৰ সৈতে একে।

চীন পাহাৰৰ পৰা অধিক সাৰুৱা মাটি বিচাৰি কুকি সকল লুচাই পাহাৰলৈ গল। অধিক শক্তিসম্পন্ন লুচাই জনজাতি সমূহ ব্ৰহ্মদেশৰ পৰা অসমলৈ একেদৰে আহিল। বৰ্ত্তমানৰ মিজোজিলাৰ নামনিৰ অধিক উত্তৰ পৰীয়া গৰম অঞ্চললৈ কুকিসকলক ক্ৰমাৎ খেদি পঠোৱা হ'ল আৰু ইয়াত তেওঁলোক মাৰ (মাৰ উত্তৰ) বুলি জনাজাত হ'ল। ১৮শ শতিকাৰ শেষভাগত মাৰৰ দুটা উপজাতি যেনে, বাঙ্‌খল আৰু 'বীয়েট্‌' আন দুটা কুকি উপজাতি, যেনে 'জান্‌চেন্‌' (চাঙ্‌চেনহে বেচি শুদ্ধ) আৰু থাডাওৰ হেঁচাত নাইবা সম্ভৱতঃ এওঁলোকৰ ভ্ৰাম্যমান অনুভূতিৰ কেতিয়াও অন্ত নোহোৱা হেতুকে, কাছাৰৰ সমতল ভূমিয়েদি গৈ উত্তৰ কাছাৰ পাহাৰত বাস কৰিবলৈ লয় আৰু ইয়াত তেওঁলোকক 'প্ৰাচীন কুকি' বুলি জনাজাত হয়। অৱশেষত লুচাই সকলে জান্‌চেন আৰু থাডাওক বাঙখল আৰু বীয়েটৰ পথ অনুসৰণ কৰি উত্তৰ কাছাৰ পাহাৰত বাস কৰিবলৈ একেদৰে বাধ্য কৰে। ইয়াত তেওঁলোক "নতুন কুকি"

বুলি জনাজাত হয়। এই দ্বিতীয় পৰিভ্ৰমণ ১৮৫১-৫২ চনত হয়। মাৰে কুকি জনজাতিৰ পৰা সুকীয়া এটা স্বাধীন জনজাতি বুলি দাবী জনায়। কিন্তু লুচাই পাহাৰত থকা ভাগটো লুচাইৰ সৈতে প্ৰায় সম্পূৰ্ণৰূপে মিলি যায়। লাখেৰ আৰু পাৱেৰৰ বাহিৰে মিজো জিলাত লুচাই শব্দটোৱে সকলো জনজাতিকে সাৱটি লয়। এই সকলেও ক্ৰমাৎ একে হৈ যাবলৈ আৰম্ভ কৰিছে। লুচাই শব্দটো 'লুচেই' বোলা শব্দ এটাৰ পৰা আহৰণ কৰা। থাংলুৰ আৰু ছাইল' মুখিয়াল সকলৰ অধীনত এইটো জনজাতি সবাতোকৈ অতি শক্তিশালী হৈ সমগ্ৰ মিজো জিলাত ৰাজত্ব কৰিছিল। এইটোৱে আংশিকতাই সামগ্ৰিকতাৰ প্ৰতিনিধিত্ব কৰা বুজায়।

প্ৰায় এক লাখ জনীয়া কুকি হৈছে চীন পাহাৰ, লুচাই পাহাৰ, ত্ৰিপুৰা, কাছাৰ, মণিপুৰ, নগালেণ্ড, খাছিয়া আৰু জয়ন্তীয়া পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰত সিঁচৰতি হৈ থকা এটা পুৰঠ জনজাতি। যদিও ওপৰত উল্লেখ কৰা উত্তৰ কাছাৰ পাহাৰত থকা চাৰিটা কুকি জনজাতিক সাধাৰণতে কুকি বোলা হয়, ৰাঙখল আৰু জানচেন সকলৰ মাজত যথেষ্ট পাৰ্থক্য আছে। আগৰটোৰ গণতান্ত্ৰিক ঐতিহ্য আছে। এওঁলোকৰ গাঁওবোৰ 'কালিম্' বোলা গাঁওবুঢ়া বা 'কাবুৰ' বোলা সহকাৰী গাঁওবুঢ়া আৰু নিম্ন কৰ্ম্মচাৰী 'চপিয়া-কালিম্' আৰু 'চপিয়া কাবুৰ' এনেধৰণৰ গাঁৱৰ কৰ্ম্মচাৰীৰ দ্বাৰা পৰিচালিত হয়। এই পদবোৰ উত্তৰাধিকাৰী সূত্ৰে পোৱা নহয়। গাঁওবুঢ়া হবলৈ বিষয়াৰ গাঁঠনি তলৰ পিনৰ পৰা আৰম্ভ কৰিব লাগে। আনহাতে জানচেনক শাসন কৰে, উত্তৰাধিকাৰী সূত্ৰে পোৱা মুখিয়ালে। খটিছে লোৱাৰ আগলৈকে লুচাই মুখিয়াল সকলৰ দৰে এইসকলৰ ক্ষমতা প্ৰচুৰ আছিল।

ওপৰত "প্ৰাচীন কুকি" আৰু "নতুন কুকি" বুলি কৰা শ্ৰেণীবিভাগ বস্তুটোৰ ক্ষেত্ৰত শেষ শব্দ নহয়। মই "প্ৰাচীন কুকি" সমাজৰ আৰু "নতুন কুকি" সমাজৰ নহয় বুলি কোৱা জানচেন্ কুকিক লগ পাইছো। মিজো জিলাত ৰাঙখল (তাত এইসকলক ৰাঙচল

বোলা হয়) আৰু বীয়েট্ বহুতো জনজাতিৰ মাজত শ্বৰ বুলি সামগ্ৰিকভাৱে জনাজাত। অৰ্থাৎ লুচাইৰ ৰিজনিত এওঁলোকৰ গাঁও বোৰ উত্তৰত অৱস্থিত। এওঁলোকৰ মাজত খ'ছাক্ আৰু খ'থাঙ্ অৰ্থাৎ পূবৰ আৰু পশ্চিমৰ বোলা দুটা উপজাতি আছে।

ঘাই কুকি ফৈদ হৈছে বীয়েট্ চাঙচেন (জানচেন), থাডাও, খেল্মা, ৰাঙ্খল, চাকাচেপ্, বৈফেই, লিংথান্, থাঙ্গীন্, লুৰহিম্ আৰু মাৰ। ৰীতিনীতি ব্যৱস্থা, ধৰ্ম্মীয় অনুশাসন ইত্যাদি যেহেতু উপজাতি আৰু উপজাতি, ফৈদ আৰু ফৈদৰ মাজত পৃথক, এটা শ্ৰেণীৰ মানুহ বুলি কুকিৰ বিষয়ে সম্পূৰ্ণাঙ্গ ছবি এখন দাঙি ধৰাটো টান।

৩। জেমী নগা ঃ

প্ৰায় সাত হেজাৰ জনীয়া সৰু জেমী নগা সম্প্ৰদায়টো উত্তৰ কাছাৰ পাহাৰৰ তিনিটা অঞ্চলত, নগালেণ্ড আৰু মনিপুৰত সিচঁৰতি হৈ আছে। নগালেণ্ডত থকা হঁতে নিজকে জেলিয়াঙ্ বুলি কয়। এওঁলোক হৈছে কাচ্ছা নগা জনজাতিৰ এটা শাখা। উত্তৰ কাছাৰ পাহাৰত থকাহঁতে সেই ঠাইলৈ ১৮শ শতিকাত আহে। জেমী বোলা শব্দটো জিয়েম্ বোলা শব্দ এটাৰ পৰা আহৰণ কৰা হৈছে। ইয়াৰ অৰ্থ হৈছে গৰম অঞ্চল। এওঁলোকৰ আদিম বাসভূমিত কৈ উত্তৰ কাছাৰ পাহাৰৰ জলবায়ু অধিক তপত। এওঁলোকৰ কোনো কোনো লোক গাথাত চীন্মে, অৰ্থাৎ চীন দেশৰ উল্লেখ আছে। সম্ভৱতঃ উত্তৰ পূবৰ পৰা অসমলৈ শ শ বছৰৰ আগতে অহা মঙ্গোলীয় সম্প্ৰদায়ৰ এওঁলোক এটা স্ৰোতধাৰা।

আঙ্গামী নগাৰ সৈতে বিজালে চুটিচাপৰ জেমীক লেভেৰা আৰু মলিয়ন যেন লাগিব পাৰে। তথাপি এই কিতাপত বৰ্ণিত সকলো জনজাতিৰ মাজত এওঁলোকৰ কোনো সমূহীয়া ধৰ্ম্মান্তৰ ঘটা নাই। ই এওঁলোকৰ স্বাভাৱিক সম্মোহন ৰক্ষা কৰাত সহায় কৰিছে। আৰু দ্বিতীয়তে প্ৰশাসনৰ সত্বেও আদিম পদ্ধতিৰে এওঁলোকে প্ৰাচীন জনজাতীয় সংগঠন কিছুদূৰ অটুট ৰাখিছে। জেমী নগাৰ জীৱনৰ

এইষাৰ কথা বুৰঞ্জীসম্মত। দলবান্ধি এওঁলোক যেতিয়া নগা পাহাৰলৈ আহে, প্ৰত্যেক দলৰে একোজন দলপতি আৰু সহকাৰী দলপতি আছিল। এওঁলোকে বসবাস কৰিবলৈ নতুন ঠাই ললে। সেই ঠাইৰ সকলো মাটিৰ দলপতি আৰু সহকাৰী জন অধিকাৰী হৈছিল। প্ৰথমজন কাদিপিঅ' বোলা গাঁওবুঢ়া হৈছিল। ইয়াৰ অৰ্থ হৈছে 'মাটিৰ অধিকাৰী'। এই গাওঁবুঢ়া হঁতক ৰঙা একোখন কম্বল দি চৰকাৰে স্বীকৃতি দিছিল। ৰঙা কম্বল হৈছে দায়িত্বৰ প্ৰতীক্।

গাঁও পৰিষদৰ সহায়ত প্ৰত্যেকখন গাঁও বা প্ৰত্যেকটো সম্প্ৰদায় কাদিপিঅ'ই পৰিচালনা কৰিছিল। পৰিষদৰ 'গকুঙ্মে' বোলা মানুহজন পুৰোহিত। এইজনাৰ ক্ষমতা দ্বিতীয় স্তৰৰ। পৰিষদে যদিও সাধাৰণ বিচাৰ সুধিব লাগে, তথাপি আচলতে স্বাধীন আৰু সম্পূৰ্ণভাৱে বাস্তৱিকতে ই গাঁও পৰিচালনা কৰিব লাগে। গাঁও আৰু গাঁৱৰ মাজৰ বিবাদ হাকিমৰ কাছাৰীলৈ নিয়া হয়। আজি কিছুদিনৰ আগলৈকে গাঁও পৰিষদৰ মীমাংসাৰ বিপক্ষে কোনো আপীল নাছিল। - ব্যক্তিয়ে ইয়াৰ সিদ্ধান্ত মানি লব লাগিছিল নাইবা গাঁও এৰিব লাগিছিল। গুৰুতৰ অপৰাধৰ কাৰণে আছিল নিৰ্ব্বাসনে সাধাৰণ শাস্তি। যদিও সৰ্ব্বগ্ৰাসী শাসক নহয় এইজনাৰ সিদ্ধান্ত পৰিষদে বাইজৰ নিগূঢ় সমৰ্থনত দলিয়াই পেলাব পাৰে, তথাপি কাদিপিঅ'ৰ ক্ষমতা যথেষ্ট। বাহিৰৰ প্ৰভাৱৰ পৰা মুক্ত হৈ ইয়েই জেমীক নিজৰ সংগঠন, আইন আৰু ৰীতিপদ্ধতি ৰক্ষা কৰিবলৈ সহায় কৰিছে।

আঙ্গামী নগাৰ বিজনিত জেমীসকল সাধাৰণতে চুটিচাপৰ, গাৰ সোণবৰণীয়া ৰং, সৰু বেঁকা চকু, চেপেটা মুখ, ক'লা ঠৰঙা চুলি আৰু শক্তিশালী দেহাই জেমীক পুৰুষসুলভ আকৰ্ষণীয়তা দিছে। অসমৰ খাছিয়া আৰু আন পাহাৰী জনজাতীয় ভনীসকলৰ বিজনিত এওঁলোকৰ মাইকী মানুহ নাৰীসুলভ, আকৰ্ষণীয়তাৰ পিনৰ পৰা নিম্নস্তৰৰ।

মোৰাং :

জেমীৰ সামাজিক সংগঠনৰ ভিতৰত অধিক আকৰ্ষণীয় হৈছে মোৰাং (সমূহীয়া শয়ন-ঘৰ বা আড্ডাৰ ঠাই)। প্ৰত্যেকখন গাঁৱৰে অন্ততঃ দুখনকৈ (কাৰো কাৰো অধিককৈ) মোৰাং আছে। (১) হাংচেউকি বা ডেকাৰ দুৰ্গ ; (২) লেংচেউকি বা নাৰীৰ দুৰ্গ। এই অনুষ্ঠানৰ সদস্যক সমূহীয়া ভাৱে কীয়েঙ্ বোলা হয়। লৰা বা ছোৱালী, যিয়েই নহওক লাগিলে ওপজা মাত্ৰকে জেমী কীয়েঙৰ সদস্য হয়। সাত বা আঁঠ বছৰ হোৱাৰ লগে লগে লৰা বা ছোৱালী মোৰাঙত নিশা শুবলৈ যায়। এইটো বয়সৰ ওপৰৰ ডেকা মানুহ পিতৃমাতৃৰ গৃহত শোৱাটো লাজৰ কথা। ছোৱালীয়ে গুৰেটো দিন ঘৰত কাম কৰি মোৰাঙত নিশা শুবলৈ যায়। ইয়াতেই তেওঁলোকে গৃহস্থনীৰ তত্বাৱধানত গীত গাবলৈ, নাচিবলৈ, সূতা কাটিবলৈ, তাঁত ববলৈ আৰু কাপোৰত ফুল তুলিবলৈ শিকে। গৃহস্থনীৰ ঘৰৰ আগডোখৰক মোৰাং স্বৰূপে ব্যৱহাৰ কৰা হয়। এই নাৰী গৰাকী মাতৃ আৰু নেতৃ।

লৰাই আনহাতে সকলো সময় খাবলৈ বা বেমাৰ পৰিলে ঘৰলৈ অহাৰ বাহিৰে, মোৰাঙত কটায়। এই কাৰণেই তেওঁলোকৰ চৰিত্ৰৰ ওপৰত মোৰাঙৰ প্ৰভাৱ শক্তিশালী হোৱা হেতুকে আচৰিত হব লগা একো নাই। ডেকাদুৰ্গৰ অধিকাৰীজনক 'কেজেইপিউ' বোলা হয়। এই জনা হৈছে অধ্যক্ষ আৰু আদেশকৰ্ত্তা। এইজনাৰ আদেশ প্ৰশ্ন নোহোৱাকৈ মানিব লাগিব। মোৰাঙতে ডেকাইঁতে জীৱনযুদ্ধৰ কাৰণে শিক্ষা লয়। 'কেজেইপিউ'ৰ নেতৃত্বত এওঁলোকে তাতে মল্লযুঁজ, নৃত্য, গীত গাবলৈ, খৰাহি আৰু আন আন বস্তুবাহানি সাজিবলৈ শিকে। 'কেজেইপিউ'ৰ ঘৰৰ আগফাললৈ সাধাৰণতে ডেকাইঁতৰ মোৰাং সজা হয়।

আন এঠাইত কৈ অহাৰ দৰে এই পদ্ধতিটোৱে বঢ়িয়া সুফল দিয়ে। সকৰে পৰা ই ডেকাইঁতৰ অন্তৰত দায়িত্ববোধ, শৃঙ্খলাবোধ, আদানপ্ৰদান বোধ, আৰু বয়সত ডাঙৰ জনৰ প্ৰতি সেৱাৰ ভাৱ জগাই

তোলে। সক লৰাই ডাঙৰ লৰাৰ কাম কৰিব লাগে, মোৰাং নিকাকৈ থব লাগে, কাপোৰ ধুব লাগে, খৰি কঢ়িয়াব লাগে আৰু বা বতৰা কঢ়িওৱাৰ উপৰিও নানাধৰণৰ কাম কৰিব লগীয়া হয়। একেলগে মোৰাঙৰ সকলো সদস্যই সামাজিক সেৱা আৰু কায়িক শ্ৰমেৰে অভাৱগ্ৰস্ত জনক সহায় কৰিব লাগে। চমুকৈ কবলৈ গলে, মোৰাং হৈছে জেমীলৰাৰ প্ৰথম ঘৰ আৰু পিতৃগৃহ হৈছে দ্বিতীয় ঘৰ। বিয়াৰ পিছতহে মোৰাঙৰ সৈতে সম্বন্ধ ছেদ হয়। মোৰাঙতে প্ৰণয়ৰ পাতনি মেলি অৱশেষত বিয়া হয়। লৰাৰ মোৰাঙৰ কো[illegible]া ডেকা গোপনীয় ভাৱে নিশা ছোৱালীৰ মোবাঙলৈ যায় আৰু সম্ভৱতঃ গাৰ গোন্ধৰ পৰা উলিয়াই তাৰ প্ৰণয়িনীৰ কাষত এন্ধাৰতে শুই থাকে। পিতৃমাতৃৰ পিনৰ পৰা গভীৰ আপত্তি নহলে এনে ভৰহৰ নিশাৰ প্ৰণয় অৱশেষত বিয়ালৈ ৰূপান্তৰিত হয়। সাধাৰণতে ছোৱালীয়ে সঙ্গী বিচৰাৰ ক্ষেত্ৰত পিতৃমাতৃয়ে বাধা নিদিয়ে।

পাতনিত আগেয়ে উল্লেখ কৰাৰ দৰে, ছোৱালীৰ বিজনিত জেমী ডেকাৰ জীৱন ঈৰ্ষাৰ বস্তু। লাওপানী খোৱা, মেলমৰা, খৰাহি সজা, সঙ্গীত কৰা, আৰু ভীমৰাজ পক্ষীৰ পাখিৰে আৰু নানাবৰণীয়া সাজ পোচাকেৰে গাভৰুহঁতৰ প্ৰশংসা অৰ্জন কৰিবলৈ নিজকে সুসজ্জিত কৰা, নিশা বিয়াৰ আগলৈকে প্ৰণয়ৰ পাতনি মেলিবলৈ অনুমতি পোৱা এওঁলোকৰ জীৱন হৈছে দীঘলীয়া এক জিৰণি থলী। উপভোগৰ প্ৰতি, নৃত্য আৰু সঙ্গীতৰ প্ৰতি, ৰং আৰু প্ৰদৰ্শনীৰ প্ৰতি অপূৰ্ব্ব আকাঙ্খা থকা জেমীয়ে ডেকাহঁতক যিমান পাৰে সিমান আৰু তেওঁলোকৰ অৱস্থাই যিমান টানিব পাৰে সিমান উপভোগ কৰিবলৈ দিয়ে।

এই সুখ সম্ভোগৰ পৰিৱৰ্ত্তে আন কামৰ উপৰিও ডেকাহঁত গাঁওৰক্ষী হব লাগে। এইটো মূৰ কটা দিনৰে পৰা চলি অহা প্ৰথা। প্ৰশাসনৰ সত্ত্বেও নিশা অনুপ্ৰৱেশকাৰীৰ বিপক্ষে পহৰা নহলে এওঁলোকে নিৰাপদ বোধ নকৰে। আঙ্গামীৰ আক্ৰমণৰ কথা সম্ভৱতঃ এতিয়াও স্মৃতিত জীৱন্ত হৈ আছে।

ডেকাৰ বিজনিত জেমী ছোৱালীৰ জীৱন কঠিন। তাই খৰি লুৰিব লাগে, পানী আনিব লাগে, গুটি সিঁচিব লাগে, কাঁইট গুছাব লাগে, ধান কাটিব লাগে, ধান বানিব লাগে, ভাত ৰান্ধিব লাগে, সূতা কাটিব লাগে, কাপোৰ বব লাগে, ৰং দিব লাগে, কাপোৰ সীব লাগে, লৰাছোৱালীঁতক চাব লাগে আৰু ঘৰ চলাব লাগে। তাই পিতৃমাতৃৰ কাৰণে অৰ্থ নৈতিক শক্তি। এইকাৰণেই সম্ভৱতঃ তাইৰ দেউতাকে বিয়া কৰাব খোজা ডেকাজনৰ পৰা উপযুক্ত ধন কইনাৰ মূল্য স্বৰূপে বিচাৰে।

অৰ্থনীতিৰ পিনৰ পৰা মাইকীমানুহৰ স্থান যদিও মতামানুহতকৈ ওপৰত তথাপি সমাজ বা ৰাজহুৱা জীৱনত আচলতে তাইৰ কোনো স্থান নাই। উৎসৱ বা নৃত্যত এওঁলোকৰ কাম হৈছে পুৰুষক লাওপানী দিয়াটো আৰু আন কিবাকিবিৰ যোগান ধৰাটো। আদালতত নাৰী উপস্থিত হৈ বিচাৰত ভাগ লব নোৱাৰে। মাইকী মানুহে হত্যা কৰা জীৱজন্তুৰ মঙহ মতামানুহে হাতেৰে নোচোৱে। এইটো বিপৰীত ধৰ্মী কথা। তথাপি কাপোৰৰ ভাঁবৰ পৰা নাৰীয়ে জেমীৰ জীৱনত শক্তিশালীভাৱে প্ৰভাৱ পেলায়। প্ৰয়োজন হলে হাতত লাখুটি বা গদা লৈ মাতৃ বা পত্নী কাজিয়া ভাঙিবলৈ আৰু তেওঁলোকৰ লৰাক বা স্বামীক ঘৰলৈ ঘূৰাই আনিবলৈ ওলাই যায়। জেমীয়ে সাধাৰণতে পত্নীৰ কথাক বৰ সন্মান কৰে।

নাৰী ধৰ্ষণ প্ৰায় নাই বুলিব পাৰি। বিবাহিতা নাৰীৰ বলাৎকাৰ অতি ঘৃণনীয় অপৰাধ। এইদৰে অপহৃতা নাৰী গৰাকীৰ সম্বন্ধীয় পুৰুষসকলে অপহৰণকাৰীক যাঠীৰে খুচি মৰাটো শুদ্ধ কথা বুলি ভাবে। উৰুচুলা গ্ৰাহাম বাৰাৰে "নাগাপাঠ" বোলা কিতাপত এটা চিত্তাকৰ্ষক অৱস্থাৰ বৰ্ণনা দিছে। কেজেইপিউ আৰু গাঁও পৰিষদৰ সময়ৰ বাধাৰ কাৰণে অপৰাধী এজন ৰক্ষা পৰিছিল। এওঁক ছবছৰৰ কাৰণে নিৰ্ব্বাসন দিয়া হৈছিল। ৰায় দিয়াৰ পিছত কোনেও দোষীজনৰ অন্যায় সাধিব নোৱাৰিছিল। আৰু এইজনাক মোৰাং ৰক্ষীয়ে গাঁৱৰ পৰা নিৰাপদে বাহিৰলৈ লৈ যায়। গাঁও প্ৰশাসনৰ

ক্ষেত্রত আজিও কেজেউপিউ আৰু পৰিষদৰ ক্ষমতাৰ কথা ই বুজায়।

উৎসৱৰ প্রতি প্রতিভা থকা জেমীৰ জনপ্রিয় উপভোগৰ বস্তু হৈছে নৃত্য। উৎসৱত নিশা হাতত বন্তি লৈ জেমীয়ে নচা বা নৃত্য চাবলৈ বৰ মনোৰম। দর্শকৰ অন্তৰ থলীত প্রায় এশ ডেকা গাভৰু আবির্ভাৱ হয়। ঢোল আৰু কাঁহেৰে সৃষ্টি কৰা সঙ্গীতৰ তালে তালে নৃত্য ধীৰ, ছন্দুলায়মান, এবাধৰা গতিৰে আৰম্ভ হয়। ক্রমাৎ ই দ্রুত গতিৰ হয়। মতা মানুহবোৰে আকাশলৈ জাপ মাৰি মাটিত আকৌ গতিৰ সৈতে সমতা ৰাখি বাগৰি পাৰে। নৃত্যৰ শী[illegible]ু পোৱাৰ আগতে ভীমৰাজ পক্ষীৰ পাখিৰে সুশোভিত মূৰ আৰু হাতৰ পাখিৰ সৈতে দ্রুতগতিত লৰি থকা এখন ছবি যেন লাগে। মৃদু পোহৰত জকমকাই উঠা ৰঙীন কাপোৰেৰে সমদলটো ৰং, সঙ্গীত আৰু নৃত্যৰ সমাৰোহ হৈ পৰে।

ভালেমান জনজাতীয় মানুহৰ দৰে জেমীৰ কাৰণে নৃত্য হৈছে এবিধ কলা। প্রত্যেক গাঁৱৰে পাৰদর্শী শিল্পী আছে। ডেকা-ভ্রাম্যমান সমদলে গাঁৱে গাঁৱে লাওপানী আৰু চহকী মানুহৰ ঘৰত বিনামূলীয়া আহাৰৰ বাবে অভিনয় কৰি ফুৰে। ইয়াতেই সমূহ গাঁওখনে উপভোগ কৰে।

শক্তিশালী আৰু পুৰুষসুলভ হোৱা হেতুকে জেমীয়ে নানাতৰহৰ নিজা খেলধেমালিত আৰু চিকাৰ কার্য্যত আত্ম নিয়োগ কৰে। ইয়াৰ ভিতৰত অধিক উল্লেখনীয় হৈছে মেথোন চিকাৰ। ই হৈছে শক্তি আৰু সামর্থ্যৰ কঠোৰ পৰিচয়। মেথোন হৈছে একোটা ডাঙৰ মহৰ সমান অৰ্দ্ধবনৰীয়া জন্তু। খেদাত কেনেবাকৈ আহত আৰু নিহত হব লাগে বুলি জন্তুৰ শিং লতাৰে মেৰিয়াই গছৰ ছালেৰে বন্ধা হয়। এইটো বস্তু কাটিলে জন্তুটো এৰা পৰাৰ লগে লগে গাঁৱৰ পুৰোহিতে শকত এডাল লাখুটিৰে ইয়াৰ গলধনত মাৰ সোধায়। ইয়াৰ পৰিণতি স্বৰূপে খণ্ডত একো নাই হৈ যিহকে পায় তাকে [illegible]ন্তটোৱে আক্রমণ কৰিবলৈ ধৰে। যি জন ডেকাই ওদাহাতেৰে এ[illegible]দৰে খেদি যোৱা জন্তুটোক বাধা দি শিঙত ধৰি মাটিত বগৰাই দিব পাৰে, সেইজনেই

প্ৰতিদ্বন্দিতাত জয়ী হয়। এনে খেদাত বহুতো ডেকাই যোগ দিয়ে। বিজয়ী জনক কোনো বঁটা দিয়া নহয়। আনহাতে তেওঁ হত্যা কৰা জন্তুটো, সাজপোছাক আৰু ধনসোণ কাঢ়ি অনা হয়। কেতিয়াবা গাহৰি বা গৰু মাৰি বন্ধুবান্ধৱক খুৱাব লগা হয়। জেমীৰ ধাৰণা হৈছে যে যিজন এই শক্তি আৰু সাহসৰ অধিকাৰী, সেইজনে প্ৰকৃতিয়ে বঞ্চিত কৰা জনৰ সৈতে নিজৰ স্বাভাৱিক বস্তুৰ ভাগ কৰিব লাগে।

অজগৰ-চিকাৰ হৈছে আন এটা জনপ্ৰিয় বস্তু। সকলো নগা জনজাতিয়ে অজগৰক ভয়ৰ চকুৰে চায়। ই মানুহক যাদুৰে পানীত পেলাই মাৰিব পাৰে বুলি ধাৰণা কৰা যায়। প্ৰখ্যাত ৰাণী গাইডেলুৰ অতি মানৱীয় শক্তিৰ উঁহ তেওঁ পালন কৰা বিৰাট কায় অজগৰটোৰ গাত লুকাই আছিল বুলি ভৰা হয়। এওঁৰ নীতি বিশ্বাস কৰা সকলোৱেই ইয়াক উপাসনা কৰিছিল। আনে এনে পাপ আচৰণ কৰাটো সাহস কৰিব নোৱাৰে কাৰণে মণিপুৰৰ পলিটিকেল এজেণ্টে অৱশেষত সাপটো গুলিয়াই মাৰিছিল। গাঁৱৰ ওচৰত অজগৰৰ গোন্ধ পোৱাৰ লগে লগে মোৰাঙৰ পৰা ডেকা দল এটা গৈ জীয়াই জীয়াই ইয়াক ধৰি গাঁৱলৈ আনিবলৈ যত্ন কৰে। কোনোবা এজন বিৰাট সাপটোৰ মূৰত জপিয়াই উঠি ডিঙিত তাৰ একোডাল লাখুটি সোমোৱাই ধৰি ৰাখে। আন এটা ইয়াৰ নেজত জপিয়াই উঠে। দুজন বা এজনে ইয়াৰ মাজভাগৰ অৰ্থাৎ ঘাই গাটোৰ দায়িত্ব লয়। জন্তুটো যেতিয়া ডেকাহঁতৰ মোৰাঙলৈ অনা হয়, তাৰ গাৰ চিন চাই পুৰোহিতে তাৰ বিষয়ে কয়। অৱশেষত তাক হত্যা কৰা হয়। তাৰ মঙহ কেৱল বুঢ়া মানুহে খায়। ডেকাই ইয়াৰ মঙহ খোৱাত বাধা।

ধৰ্ম্মীয় বিশ্বাস আৰু ৰীতি-পদ্ধতি ইত্যাদি :

অঞ্চলৰ আ[illegible]াৰ পাহাৰী জনজাতিৰ লেখীয়াকৈ জেমী জড়োপাসক। [illegible]দ ধৰ্মলৈ ধৰ্মান্তৰ বাদ এতিয়াও বিশেষ আগবাঢ়িব পৰা নাই। এই কাৰণেই আন জনজাতি যেনে, সেই

সকলৰ মাজত সিঁচৰতি হৈ থকা কুকিৰ লেথীয়াকৈ নহয়, জেমায়ে নিজা জনজাতীয় সমাজ-সংগঠন, জনজাতীয় ৰীতি-নীতি আৰু পদ্ধতি সমূহ ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে। ওচৰা ওচৰিকৈ থকা খৃষ্টান আৰু অ-খৃষ্টান গাঁৱৰ মাজত যথোচিত প্ৰতিদ্বন্দ্বিতা, কোনো কোনো ক্ষেত্ৰত বিদ্বেষ বিদ্যমান। দুইবিধ গাঁৱৰ মাজৰ পাৰ্থক্যই মানুহৰ দৃষ্টি আকৰ্ষণ কৰে। খৃষ্টান গাঁওবোৰ হতাশা আৰু নিৰাশাৰ আলয়। মানুহৰ নিজা চৰিত্ৰ হেৰাইছে। যোৱাংবোৰ পতনমুখী হৈছে। জেমাৰ জীৱনৰ বহুত সৌষ্ঠৱ লোপ পাইছে। নৃত্য আৰু সঙ্গীতৰ পৰিবৰ্ত্তে ভগৱানৰ গৌৰৱ ঘোষিত স্তুতিগীতে ঠাই পাইছে। আনহাতে জড়োপাসক গাঁওবোৰৰ এতিয়াও কিছু প্ৰাচীন আনন্দ মুখৰতা আছে। জড়োপাসক জেমায়ে টিংৱাং বোলা এজন সৰ্ব্বশ্ৰেষ্ঠ ভগৱানত বিশ্বাস কৰে। এইজনাই আন দেৱতা আৰু দানৱৰ কাৰ্য্যাবিধি নিয়ন্ত্ৰণ কৰে। ধৰ্ম্মীয় ৰীতিনীতি পালন কৰা সৎমানুহ মৃত্যুৰ পিছত দেৱতাৰ ৰাজ্যলৈ যায় বুলি এওঁলোকে বিশ্বাস কৰে। প্ৰতি বছৰৰ আগ-ভাগত স্বাস্থ্যৰ দেৱতাক তৃপ্ত কৰাৰ মানসেৰে প্ৰতিখন গাঁৱে দহজনী কৈ কুকুৰা বলি (ক্ৰেইকেৰেন্) দিয়ে। ইয়াৰ উপৰিও পুৰোহিত বা গেকুড্মেৰ নিৰ্দ্দেশ অনুসাৰে বহুতো বলি দিয়া হয়। এইজনাৰ অতিমানৱীয় শক্তি আছে বুলি বিশ্বাস কৰা হয়। হাইজা, বসন্ত ইত্যাদিৰ সময়ত বেমাৰৰ পৰা আৰোগ্য লাভ কৰিবলৈ বলি দিয়া হয়। এনেদৰে গাহৰি, কুকুৰা, ছাগলী ইত্যাদিক অবিশ্ৰান্তভাৱে বলি দিব লগীয়া হোৱা প্ৰথাই জেমা মানুহৰ নিশকতীয়া পুঁজিৰ অৰ্থনৈতিক শোষণ কৰিছে। এইকাৰণেই সম্ভৱতঃ অনা খৃষ্টান সকলৰ মাজতো অধিক ব্যয়সঙ্কুল ধৰ্ম্মীয় উৎসৱ এৰিবৰ বাবে সংস্কাৰ-আন্দোলনৰ উৎপত্তি হৈছে।

ই যিহকে নহওক লাগিলে, সাধাৰণভাৱে কবলৈ হলে খৃষ্টান ধৰ্ম্মই বা সভ্যতাই (আমি যেনেকৈ বুজো) জেমীৰ জীৱনৰ ওপৰত দেখ দেখ প্ৰভাৱ পেলাব পৰা নাই। এওঁলোকৰ বহুতো ৰীতিনীতি সলনি নোহোৱাকৈ আছে। বহিৰ পৃথিৱীৰ বিষয়ে এওঁলোকে

বিশেষ নাজানে। কেউপিনে থকা পৃথিৱীখনেই হৈছে এওঁলোকৰ পৃথিৱী। এওঁলোকে একে লোকগীত গায়, একেধৰণৰ পুৰণি নাচ নাচে, একে সাজ পিন্ধে, একে আহাৰ আৰু পানীয় দ্ৰব্য (সম্ভৱতঃ) কম পৰিমাণে উপৰি পুৰুষ সকলে খোৱাৰ দৰে খায়। এই পুৰণি পৃথিৱীৰ পৰিৱেশে জেমীৰ জীৱন বাহিৰৰ মানুহৰ কাৰণে এনেদৰে চিত্ৰ ধৰ্ম্মী আৰু আকৰ্ষণীয় কৰে।

অধ্যায় ৭

মিজো

আজি কিছুদিন আগলৈকে বাহিৰৰ মানুহে মিজোক লুচাই বুলি জানিছিল। অসমৰ বাহিৰত এওঁলোকক খুব কম জানিছিল। ১৯৬৬ চনৰ মাৰ্চ মাহৰ বিদ্ৰোহৰ কাৰণে কেৱল ভাৰততে নহয়, বিশ্বতো এওঁলোক জনাজাত হৈছে। লুচাই বোলা শব্দটো 'লুচেই' বোলা শব্দ এটাৰ পৰা অনা হৈছে। উনবিংশ শতাব্দীৰ শেষ ভাগলৈ বৃটিছে অঞ্চলটো চামিল নকৰালৈকে 'লুচেই' নামৰ মিজোৰ এই উপজাতিয়েই প্ৰধান শাসক শ্ৰেণী হিচাবে আছিল। সাধাৰণ ভাৱে "মিজো" শব্দৰ অৰ্থ হৈছে পাহাৰী মানুহ (মি-মানুহ, জো-পাহাৰ)। সকলোবোৰ মানুহক এওঁলোক 'মিজো' বোলা নাছিল। এওঁলোকৰ সৈতে ভাষা, ৰীতি-নীতি, জীৱন-পদ্ধতিৰ সৈতে সাদৃশ্য থকা মণিপুৰ, ত্ৰিপুৰা, কাছাৰ, আৰু ব্ৰহ্মদেশৰ চীন পাহাৰৰ পাহাৰী মানুহ কিছুমানৰ ক্ষেত্ৰত এই নামটো প্ৰয়োগ কৰা হৈছে।

অসমৰ দক্ষিণাঞ্চলত তেনেই সীমাৰেখাত থকা মিজো পাহাৰ জিলাৰ আজি মিজোসকল অধিবাসী। ইয়াৰ উত্তৰে আছে কাছাৰ জিলা আৰু মণিপুৰ, পূবে আৰু দক্ষিণে ব্ৰহ্মদেশ, পশ্চিমে পূব পাকিস্তান আৰু ত্ৰিপুৰা। অসমৰ সবাতোকৈ ডাঙৰ জিলা স্বৰূপে ইয়াৰ মাটিকালি হৈছে ৮,১৪৯ বৰ্গমাইল। ব্ৰহ্মদেশৰ সৈতে ইয়াৰ সীমাৰেখা হৈছে, ১৭০ মাইল আৰু পাকিস্তানৰ সৈতে ১৫৮ মাইল। এই কাৰণেই নিৰাপত্তাৰ পিনৰ পৰা ই এক গুৰুত্বপূৰ্ণ অঞ্চল।

মিজো জিলা উত্তৰৰ পৰা দক্ষিণলৈ পোনে পোনে বিস্তৃত। ইয়াৰ দৈৰ্ঘ্য হৈছে বিস্তৃতিৰ প্ৰায় দুভাগ। সাধাৰণতে সৰু, হেলনীয়া আৰু ইটোৰ পৰা সিটো সৰু সৰু উপত্যকাৰ দ্বাৰা বিচ্ছিন্ন পাহাৰ বোৰ উত্তৰৰ পৰা দক্ষিণলৈ থকা। যদিও কিছুমান অ'ত ত'ত থকা

পাহাৰী শিখৰ ৬,০০০ ফুট ওখ, তথাপি পাহাৰ বোৰৰ সাধাৰণ উচ্চতা হৈছে সৰ্ব্বসম্মত স্তৰৰ পৰা ৩০০ ফুটৰ পৰা ৫০০০ ফুটলৈ। স্থানীয় মানুহে "ফংপুই" বুলিজনা নীল পৰ্ব্বত হৈছে জিলাখনৰ সাতহেজাৰ এশফুটীয়া সৰ্ব্বোচ্চ পাহাৰ। গোটেই বছৰটো জিলাখনৰ বায়ু বৰ মনোৰম। জহকালি জিলাৰ সদৰ আইজলৰ উত্তাপ মাত্ৰা হয় ২০'৩০° ৰ পৰা ১৯'৮° লৈ। আৰু জাৰৰ দিনত হয় ১১'৮° ৰ পৰা ২১'৩ চি লৈ। জিলাখনৰ মাজভাগত শীতকালীন ৰেখা অৱস্থিত। গতিকেই জিলাখন জহকালি বৰ গৰম নাইবা জাৰকালি বৰ চেঁচা নহয়।

সৌ সিদিনালৈকে বাহিৰৰ মানুহে মিজোক লুচাই বুলি জনা বাবে এইসকলৰ সৰহভাগ থকা জিলাখনক চৰকাৰী ভাৱে 'লুচাই পাহাৰ' বুলি জনা গৈছিল। ১৯৫৪ চনৰ এপ্ৰিল মাহৰ সংসদত গৃহীত হোৱা আইন এখনৰ জৰীয়তে মিজো জিলা বুলি ঠাইডোখৰ জনাজাত হ'ল। মিজোৱে জিলাখনক সদায়েই "মিজোৰাম" বোলে। ইয়াৰ অৰ্থ হৈছে "মিজো ভূমি"।

গোষ্ঠীগত ভাৱে মঙ্গোলীয় বৰ্ত্তমানৰ অঞ্চললৈ অহাৰ পূৰ্ব্বে মিজোৰ প্ৰাচীন বুৰঞ্জী সঠিক ভাৱে জনা নাযায় যদিও, বহুতো কৰ্ত্তৃত্বশীল ব্যক্তিৰ মতে এই সকলৰ উপৰি পুৰুষ ব্ৰহ্মদেশৰ চীন পাহাৰৰ পৰা অহা। ব্ৰহ্মদেশৰ শক্তিশালী জাতিসমূহে মিজোৰ পৰিক্ৰমণ বাধ্য কৰিছে। ব্ৰহ্মদেশৰ চীন পাহাৰৰ পৰা বিতাৰিত হৈ এওঁলোকে অষ্টাদশ শতিকাৰ শেষভাগত মিজোজিলাত খোপনি পোতে। কৰ্ত্তৃত্বশীল ব্যক্তিৰ নেতৃত্বত ৰাঙ্‌খল, বীয়েট আৰু থাডাওক উত্তৰলৈ খেদি পাৰৈ লাখেৰ অঞ্চলৰ বাহিৰে বৰ্ত্তমানৰ সমগ্ৰ মিজো জিলা মিজোৱে অধিকাৰ কৰে।

জনজাতিটোৰ মাজত এটা জনপ্ৰিয় কাহিনী আছে। এওঁলোকৰ উপৰি পুৰুষ সকল "চীন্‌লুঙ্‌" বোলা পৃথিৱীৰ গাঁত এটাৰ পৰা আহে। কাহিনীটোৰ মতে, বিৰাট এক দুৰ্যোগ কঢ়িয়াই অনা ভীষণ অন্ধকাৰে এসময়ত পৃথিৱীখন গ্ৰাস কৰিছিল। এই অন্ধকাৰত

সকলোবোৰ মানুহ নানা তবহৰ জীৱজন্তুলৈ ৰূপান্তৰিত হৈছিল। পৃথিৱীত মানবীয় জীৱনৰ ওৰ পৰিছিল। পৃথিৱীখন মেল খালত "চীনলুং" গাঁতৰ পৰা মানুহ আকৌ আৱিৰ্ভাৱ হয়। এইদৰে চলি থাকোঁতে আৰু সকলো বোৰ ফৈদ ওলাই অহাৰ পিছত ৰাল্টে ফৈদৰ দুজন মানুহ ওলাই আহি কথা পাতিবলৈ ধৰিলে। এইষাৰ কথাত ভগবানে বহুত মানুহ ওলাই আহিল বুলি ভাবি গাঁতটো শিল এছটাৰে জপাই দিলে।

মিজো হৈছে কেইবাটাও উপজাতিৰ সন্নিবিষ্ট এটা সাধাৰণ নাম। এওঁলোকৰ মাজত বিশেষকৈ জনাজাত হৈছে লুচেই, ৰাল্টে, মাৰ আৰু পাৱৈ (পই)। প্ৰত্যেক টো জনজাতিৰে ইটোৰ সৈতে সিটোৰ ওচৰ সম্বন্ধ থকা স্বকীয়া দোৱান আছে। ইয়াৰ উপৰিও লাখেৰ (এওঁলোকে নিজকে মাৰা বোলে) জিলাখনৰ প্ৰায় দক্ষিণাঞ্চলত থকা এটা ডাঙৰ জনজাতি আছে। আনবোৰ জনজাতিৰ বিজনিত এওঁলোকৰ দোৱান একেবাৰে স্বকীয়া। মিজোৰ মাজত যোগাযোগৰ বাই ভাষা হৈছে লুচেই ফৈদে ব্যৱহাৰ কৰা সাধাৰণতে মিজো ভাষা বা "ডুল্‌হিয়ান" ভাষা বুলি জনা ভাষাটো। আনবোৰ দোৱানৰ পৰা শব্দ গ্ৰহণ কৰা হেতুকে ভাষাটোৰ বহুতো সালসলনি হৈছে। মিজো আৰু মণিপুৰী ভাষাৰ বহুতো সাদৃশ্য আছে। ঊনবিংশ শতিকাৰ শেষভাগত খৃষ্টান মিছনেৰী সকলে প্ৰচলন কৰা ৰোমান লিপিৰে মিজো ভাষা লেখা হয়। বৰ্ত্তমান এইটো স্নাতক পৰীক্ষাৰ আৰু ৰাজ্যৰ লোক সেৱাৰ পৰীক্ষাৰ স্বীকৃত ভাষা স্বৰূপে পৰিগণিত হৈছে।

ধৰ্ম্ম :

খৃষ্টান ধৰ্ম্ম অহাৰ পূৰ্ব্বে আন প্ৰাচীন জাতিৰ দৰে মিজোসকল জড়োপাসক আছিল। সৎ হওক বা অসৎ হওক, গছ, পাহাৰ, শিলাখণ্ড, জানজুৰি নৈ, আৰু গুহাত দেৱতা থকা কথাষাৰত এওঁলোকে বিশ্বাস কৰিছিল। সৰ্ব্বশ্ৰেষ্ঠ দেৱতাজনক সকলোবস্তুৰে স্ৰষ্টা, দয়াশীল পাঠিয়ান (ভগবান) বুলিছিল। মানবীয় কৰ্ম্মপন্থাৰ

সৈতে এইজনাব সম্বন্ধ তেনেই ক্ষীণ আছিল। মানুহক অন্যায় কৰোঁতা "হোৰাই" (দানৱ বা ভূত) আছিল সৰ্ব্বসাধাৰণ পুৰুষ-নাৰীৰ কাৰণে ঘাই দেৱতা। কাৰোবাৰ বেমাৰ আজাৰ বা কিবা দুৰ্ঘটনা হলেই এই অসৎ আত্মাবোৰৰ কাৰণে সঘনাই উছৰ্গা নাইবা বলি দিয়া হৈছিল। পুৰোহিতে বা যাদুকৰীয়ে বিশেষ এক বেমাৰৰ কাৰণে কোন দেৱতা জগৰীয়া আৰু সেইজনৰ কেনেকৈ তৃপ্তিবিধান কৰিব পাৰি, সেইবিষয়ে জানিছিল বুলি অনুমান কৰা হয়। উছৰ্গা আৰু বলি পুৰোহিত জনে দিছিল। বেমাৰৰ আকাৰ চাই পদ্ধতিৰ সালসলনি হৈছিল। কোনো কোনো ক্ষেত্ৰত বলি এটা গাহৰি হব পাৰে। কোনো কোনো ক্ষেত্ৰত এজনী কুকুৰা বা এটা কুকুৰা বা আন কিবা ঘৰচীয়া জন্তু হব পাৰে। কোনো কোনো ক্ষেত্ৰত মানুহক, ঘাইকৈ মাইকী মানুহক পোৱা দেৱতাক "খহৰিং" বোলা হয়। কোনো কোনো মাইকীমানুহৰ গাত 'খহৰিং' থাকে আৰু এওঁলোকে গৈ আন মাইকীমানুহক ধৰে বুলি ধাৰণা কৰা হয়। এইদৰে ভূতে পোৱা মানুহজনী তন্দ্ৰাত পৰে, আৰু খহৰিঙে আগৰ মানুহজনীৰ দৰে কথা কৈ নানা তৰহৰ দাবী উত্থাপন কৰে বা কিছুমান অশোভনীয় গোপনীয় কথা ব্যক্ত কৰে। খহৰিঙে পোৱা মাইকীমানুহক সমাজে বৰ্জ্জন কৰে। এনে মানুহক কোনেও বিয়া কৰাব নোখোজে। এনে মানুহক প্ৰায়েই হত্যা কৰা হয়। খহৰিঙে পোৱা মানুহক চিএঙৰি, ঢোল বজাই, বন্দুকৰ গুলিৰে যাদু কৰি, ভাল কৰিব পৰা হয়।

মৃতকৰ আত্মা থকা আন পৃথিৱীত মিজোৱে বিশ্বাস কৰিছিল। ইয়াৰে এখন পীয়েল নৈৰ সিপাৰে থকা পীয়েলৰাল (স্বৰ্গ) (ৰালৰ অৰ্থ হৈছে সিপাৰৰ। পীয়েলৰালৰ অৰ্থ পীয়েল নৈৰ সিপাৰৰ) পীয়েলৰালত প্ৰৱেশ কৰোঁতা সকলে স্থায়ী আনন্দত দিন কটায় আৰু এই সকলক চেঁকীত বনা চাকা বিনামূলীয়া ভাত দিয়া হয়। মৃতকৰ আনখন পৃথিৱীৰ নাম হৈছে মিথি খোৱা (ইয়াৰ অৰ্থ হৈছে, মৃতকৰ



'বেহ্-ডিয়েন খ্লাম্' উৎসব (জোয়াই), জয়ন্তীয়া

জনজাতীয় রমণী (মিকির)

ডিমাছা কছাৰী

কোঁৱ নগা

এগবাকী মিজো আইচা

গাঁও বা নৰক)। এইখন নিম্নস্তৰৰ পৃথিৱী। ইয়াত জীৱিতৰ পৃথিৱীত কৈ অধিক কষ্ট আৰু আহুকাল।

মিজোৰ ধাৰণা যে মানুহ মৰাৰ লগে লগে আত্মা তালুৰেদি ওলাই আহে আৰু মিজো অঞ্চলৰ পৰা তিনিমাইল দূৰৈৰ ব্ৰহ্মদেশৰ চীন পাহাৰৰ 'ৰিহ' নামেৰে সৰু এটা হ্ৰদলৈ গতি কৰে। ইয়াৰ পাচত আত্মাটো ঘূৰি আহি নিজৰ ঘৰৰ বা গাঁৱৰ ওচৰত তিনিমাহ কাল থাকে। এই কাৰণেই খাবৰ সময়ত আত্মাটোৰ পৰিয়ালে ঢাইডোখৰ আছুতীয়াকৈ থয় নাইবা অলপ ভাত আৰু অলপ [illegible] ঘাই ঘৰৰ দুৱাৰ দলিত মৃতাত্মাৰ কাৰণে থয়। তিনিমাহৰ অন্তত মৃতাত্মাক বিদায় দিয়াৰ উদ্দেশ্যেৰে শোকসন্তপ্ত পৰিয়ালটোৱে "থিতিন উৎসৱ" পালন কৰে (অৰ্থাৎ মৃতাত্মাক বিদায় দিয়া উৎসৱ)। এইটো কাম নকৰা পৰ্য্যন্ত পৰিয়ালৰ কোনো মানুহক ওচৰচুবুৰীয়াই কোনো উৎসৱলৈ নিমন্ত্ৰণ নজনায়। "থিতিন উৎসৱ" পালনৰ অন্তত শোক সন্তপ্ত পৰিয়ালটোৱে মৃতাত্মাক আৰু নিবিচাৰে বুলি জানি চকু পানী টুকি ই মিথি খোৱা বোলা ঠাই এডোখৰলৈ গতি কৰে। বাটত সি তাৰ অঞ্চলটো দেখা বিঙলাঙ, প্লাঙ নামেৰে পাহাৰ এটা পায়। তাৰ পৰা বৰ আশাৰে চোৱা হেতুকে তাৰ গতি ধীৰ হয়। যিমানেই ইচ্ছা নকৰক, ঘূৰি যাতে চাব নোৱাৰে, তাৰ কাৰণে কাণৰ পিছফালে হাউইল' (ঘূৰি চাব নোৱাৰা ফুল) পিন্ধে। অৱশেষত নিৰ্ম্মল আৰু নিকা পানী লুঙ্‌ল' (নিৰ্দ্দয়া) নৈ পায়। জীৱিতৰ পৃথিৱীখন পাহৰিবৰ কাৰণে অনিচ্ছাসত্বেও কান্দি কান্দি নৈৰ পানী খায়।

ইমানতে যাত্ৰা শেষ নহয়। ইয়াৰ পিছতো তেওঁ এৰিব নোৱাৰা, ভয়ঙ্কৰ এটা অভিজ্ঞতাৰ সম্মুখীন হব লগা হয়। জিংভায়ান গাঁৱত পাওলা নামেৰে অমৰ চৰিত্ৰ এটা বাস কৰে। এওঁৰ ঘৰৰ দুৱাৰ মুখত মৃতাত্মাৰ সকলো আলিপথুলি থুপ খাইছে। হাতত শক্তিশালী ধনু আৰু কণীৰ সমান একোটা ডাঙৰ গুলি লৈ পাওলা থিয় হৈ থাকে। সেই পিনে অহা প্ৰেতাত্মাক দেখিবলৈ তেওঁ

সকলোপিনে গুলি এৰে। ধনুখন ইমান শক্তিশালী আৰু গুলি বোৰ ইমান মাৰাত্মক যে শুকাবলৈ তিনিবছৰ লগা ই গাত বিষাক্ত টেমুনা তোলে। পাওলাই ধনুৰে গুলিওৱাজন পীয়েলৰালত (স্বৰ্গৰাজ্য) সোমাব নোৱাৰে। এওঁলোক মিথি খোৱাত থাকিব লগা হয়। ধনুৰ গুলিয়ে মৃতাত্মাক সকলো মানবীয় চিন এৰোৱাই আচল আত্মালৈ পৰিণত কৰে।

পাওলাই গুলিয়াব নোৱাৰা কিছুমান মানুহ আছে। এইবোৰ হৈছে পীয়েলবালত পোনে পোনে সোমাব পৰা "থাঙচুৱা" আৰু "লামগুই" দেৱতা। থাঙচুৱা সকল হৈছে, পাঁচোটা ভোজ দিয়া আৰু চিকাৰত কিছুমান জীৱজন্তু যেনে, হাতী, ভালুক, পহু, বনৰীয়া মেথোন, বনৰীয়া ভালুক, মুগৰী পহু, বাঘুলী, ঈগল পখী, বা ডাঙৰ ফেঁটী সাপ হত্যা কৰা, সন্মানিত ব্যক্তি। লামগুই হৈছে সকতে মৰা মানুহ। এওঁলোকক সাধাৰণতে ঘৰৰ মজিয়াতে কোনো উৎসৱ আদি নপতাকৈ কণী একোটাৰ সৈতে পোতা হয়। এই কণীটোৱেই বাগৰি মৃতাত্মাক পীয়েলবাললৈ লৈ যায়।

মিজোৰ শতকৰা প্ৰায় নৰৈৱজনে বৰ্ত্তমান খৃষ্টান ধৰ্ম্মত দীক্ষা লৈছে। ওপৰত বৰ্ণনা দিয়া প্ৰাচীন বিশ্বাস সমূহ কমবেচি পৰিমাণে আজি অতীতৰ বস্তু হৈ পৰিছে।

সাজ পৰিচ্ছদ :

অতীত কালত মিজোৰ সাজপৰিচ্ছদ বৰ সাধাৰণ আছিল। পুৰুষৰ সাজ আছিল দীঘলে সাতফুট আৰু বহলে পাঁচফুট গাত মেৰিয়াই লোৱা এবিধ কাপোৰ। ইয়াৰ ওপৰ ভাগ কান্ধেদি গৈ পিঠি পাইছে। কাষলতিৰ তলেদি আহি প্ৰথম খন কাণ পাইছিল গৈ। জাৰৰ দিনত আৰু এখন কাপোৰ লোৱা হৈছিল। বেলিৰ উত্তাপ বাঢ়িলে আন এখন কাপোৰ পাগুৰী হিচাপে ব্যৱহাৰ কৰা হৈছিল। জাৰৰ দিনত বা ম'হৰ মাজত জুম খেতিত কাম কৰোঁতে এওঁ আগফালে খোলা আৰু ডিঙিত বন্ধা বগাহাতৰ কপাহী কোট-চোলা পিন্ধিছিল। কোট সাধাৰণতে হাতৰ কাললৈ বন কৰা।

পুৰুষ আৰু মহিলাই ব্যৱহাৰ কৰা কপাহী সাজ পৰিচ্ছদ সৌ সিদিনালৈকে স্থানীয় ভাৱে হোৱা কপাহেৰে মাইকীমানুহে কৰিছিল।

একে ধৰণেৰে গার্ত মেৰিয়াই লোৱা কোমল মাইকীমানুহৰ সাজ-পৰিচ্ছদ সভ্য মানুহৰ দৰে সমান দীঘল আকৃতিৰ। কঁকালৰ পৰা আঁঠুলৈকে বৈ থকা কপাহী ডোলেৰে বা তামৰ কঁকাল বান্ধেৰে কঁকালত বান্ধি থোৱা চুটি একোখন মেখেলা মাইকীমানুহে পিন্ধে। অংগফালে খোলা একোটা ব্লাউজ চোলাও পিন্ধে। সাজ[illegible]ক বন কৰা হোৱাটো সভ্যমানুহে যদিও বৰকৈ নিবিচাৰে ছোৱালীৰ কাপোৰ আৰু ব্লাউজ বহুবৰ্ণী সূতাৰে বুভা তোলা আকৰ্ষণীয় আছিল। আজিও তাঁত বোৱাটো পুৰণিকলীয়া পদ্ধতি যদিও, আৰু আজিও এই পুৰণিকলীয়া তাঁতশাল খনতে লাগি আছে যদিও অসমৰ আন পাহাৰী মাইকীমানুহৰ বিজনিত মিজো মাইকীমানুহ যে পার্গত, সেইষাৰ কথা অসত্য নহয়। বাহিৰৰ মানুহে "পুনাচেই" বোলা মিজো কাপোৰ আৰু "কৰাচেই" বোলা মিজো ব্লাউজ বৰকৈ বিচাৰে।

মিজোৰ কোটচোলাত যেহেতু জেপ নাই, মিজো মানুহে যলৈকে নাযাওক লাগিলে কান্ধত একোটা কপাহী মোনা একেধৰণৰ ডোলেৰে ওলোমাই নিয়ে। ইয়াৰে কিছুমান বিবিধ বস্তুৰ ধুনীয়া আছিল। মোনাৰ ভিতৰত এওঁলোকে ধাতুৰ টেমাত থৈাৱা খোৱা ধপাত থয়, কাঠৰ বা জন্তুৰ ছালেৰে তৈয়াৰী একোটা বাকচত জুইৰ সজুলি থয় আৰু মুখত নাথাকিলে পাইপটো থয়। দূৰলৈ বা গোটেইটো দিন কাম কৰিবলৈ ওলাই যাব লগা হলে মোনাত ভাতৰ টোপোলা এটা, অলপ লোন, আৰু দুই এডোখৰ ভুপৰীয়াৰ আহাৰৰ কাৰণে সিজোৱা মঙহ আৰু কাকত সোমাই থকা বা নথকা এখন দা বা ডাঙৰ কটাৰী লৈ যায়। লগত এটা পত্নী বা প্ৰেয়সীৰ থোৱা খোৱাৰ পৰা পানী লোৱা সৰু কোমোৰা নিয়াটো আশা কৰিব পাৰি। অলপ সময় পানীমুখত ৰাখি কেই মিনিট মানৰ পিছত পেলাই দিয়া হয়। এইটো কাম ধঁোৱা খোৱাৰ পৰিবৰ্ত্তে কৰা হৈছে।

ব'দ আৰু ববষুণৰ হাত সাৰিবলৈ মিজোৱে মূৰত টুপী পিন্ধে। টুপীবোৰ ভালকৈ কটা বাঁহৰ কাঠিৰে ভিতৰত পোৰা গছপাত দি সজা হয়। আকৃতিৰ পিনৰ পৰা এইবোৰ পছিমীয়া টুপীৰ সৈতে একে। জুম পথাৰত কাম কৰোঁতে এওঁলোকে, ঘাইকৈ মাইকীমানুহে দেখিবলৈ শামুকৰ খোলাৰ লেখীয়া এবিধ খৰাহিৰ লেখীয়া ডাঙৰ ববষুণৰ হাত সাৰিবলৈ তৰল ডলা লয়। ভিতৰ ফালে পোৰা গছপাত দি এইবোৰক ববষুণৰ প্ৰতিষেধক স্বৰূপে ব্যৱহাৰ কৰা হয়। ইয়াৰ ক্ষীণ ভাগ পিন্ধোঁতাৰ মূৰত থাকে। বহল ভাগ কঁকাললৈকে বৈ পৰে। জুম পথাৰত বেঁকা হৈ কাম কৰোঁতে গা আৰু মূৰ নিতিতে। এই ববষুণৰ প্ৰতিষেধক বোৰ বাঁহ বা বেতৰ কাঠিৰে মনোৰমকৈ তৈয়াৰ কৰা হয়। এইবোৰ ক্ৰমাৎ অৰণ্যে লুপ্ত হৈ আহিছে।

আ-অলঙ্কাৰ :

কাণফুলৰ বাহিৰে মিজো মতা আৰু মাইকীমানুহে প্ৰায় একে আ-অলঙ্কাৰ পিন্ধে। দুয়ো শ্ৰেণী মানুহৰ কাণৰ লতিত বিন্ধা কৰা হয়। মতামানুহে কাণৰ বিন্ধাৰ পৰা ডোলেৰে ওলোমাই সৰু কাঠৰ গুটি বা আইনাৰ মণি পিন্ধে। বুঢ়া নহয় মানে এই বস্তুটো এওঁলোকে ব্যৱহাৰ নকৰে। সৰু ছোৱালী অৱস্থাতে মাইকীমানুহে কাণ বিন্ধায় আৰু সেই বিন্ধাত কাঠৰ সৰু ডোখৰ সোমোৱাই দিয়া হয়। ইয়াৰ পিছত আৰু অলপ ডাঙৰ আৰু তাৰ পিছত মাটিৰে তৈয়াৰী আৰু অলপ ডাঙৰ আৰু অৱশেষত একইঞ্চি বা আধা ইঞ্চি আকৃতিৰ মাজত বিন্ধা থকা বা নথকা হাতীৰ দাঁতৰ এটা আঙঠি সোমোৱাই দিয়া হয়। যি বোৰ মাইকী মানুহে বৈধব্যৰ পিছত পুনৰ বিবাহৰ প্ৰথা বৰ্জন কৰিছে, সেইবোৰে কাণফুল নেৰাখে আৰু কাণৰ লতি দুফালকৈ ফালি পেলায়। মাইকীমানুহে বৰ বেছি খাৰু নিপিন্ধে, পিন্ধিলেও এইবোৰ সাধাৰণ আছিৰ। এওঁলোকৰ বাবে অতি জনপ্ৰিয় আৰু মূল্যবান অলঙ্কাৰ হৈছে আইনা বা পাথৰৰ মণিৰ গলপতা। আইনাৰ মণিবোৰ ব্ৰহ্মদেশৰ পৰা আহে। এইবোৰ মতা মানুহেও পিন্ধে।

গা'ত আঁচ টনা অভ্যাস এওঁলোকৰ নাই। মতামানুহে কোনো কোনো ক্ষেত্ৰত আগহাতত আৰু বুকুত কিবা গছৰ পুলিৰ ঠানিৰে গাঠিৰে খুচি এলাক্ক লগাই সৰু সৰু চক্ৰ সাজে।

মাইকী মানুহৰ ক্ষেত্ৰত দীঘল চুলি বৰ প্ৰশংসনীয়। গাভৰু মানুহৰ চুলি আঁঠুলৈকে বৈ পৰা দেখাটো আচৰিত নহয। চুলি আচোঁৰোতে তেলৰ পৰিবৰ্তে গাহৰিৰ চৰ্বি দিয়া হয়।

ধোঁৱা খোৱা :

পুৰুষ-মহিলা, লৰাছোৱালী, সকলোৱে সমানে ধোঁৱা খায়। পুৰুষৰ পাইপ খোলা ধপাত ৰাখিবলৈ টান বাঁহেৰে কৰা হয়। তলিত বাঁহৰ একোডাল নলী লগোৱা হয়। মাইকীমানুহৰ ধোঁৱা খোৱাৰ ওপৰ ভাগত ধপাত ৰাখিবলৈ মাটিৰ একোটা চিলিম ৰখা হয়। এইটো বাঁহৰ নলীৰে পানী ৰখা বাঁহৰ চুঙাৰ সৈতে সংযোগ কৰা হয়। ইযাৰ লগত জুই খুচৰিবলৈ সৰু এডোখৰ ধাতুৰ চেপেনা সজা হয়। চিলিমটো ঢাকিবলৈ এখন মাটিৰ সাফৰ দিয়া হয। বস্তুটো দেখিবলৈ হোকাৰ সংস্কৰণ যেন লাগে।

সামাজিক জীৱন আৰু ৰীতি পদ্ধতি :

আগতে কৈ অহাৰ দৰে মিজো বহুতো উপজাতিত বিভক্ত। এইবোৰৰ ভিতৰত প্ৰধান হৈছে লুচেই, ৰাল্টে আৰু মাৰ। এইবোৰ আকৌ নানান ফৈদ আৰু শ'খা প্ৰশাখাত বিভক্ত। উদাহৰণ স্বৰূপে, লুচাইৰ ভিতৰত আমি পাওঁ ৰখুঙ্, চাইল', হাউনৰ ফৈদ। একেদৰে ৰাল্টেৰ ভিতৰত আমি পাওঁ কাউল্‌নি, লেহচুন, ছিয়াকেঙ্ ফৈদ। এই উপজাতিবোৰৰ ভিতৰত আগতে যদিও সুকীয়া ৰীতি-পদ্ধতি আছিল, এই পাৰ্থক্যসমূহ আজি চকুত পৰাকৈ নাই। ইয়াৰ কাৰণ হৈছে, উপজাতিসমূহ একেলগে থকাটো, একে গাওঁতে একে ৰজা বা মুখিয়ালৰ অধীনত আদানপ্ৰদান কৰাটো। এনে পাৰ্থক্যৰ কথা বুজ নোপোৱাকৈ মিজো গাওঁ এখনত অচিনাকি ব্যক্তি এজন দীঘলীয়াকৈ থাকিব পাৰে।

মিজো হৈছে পিতৃপ্ৰধান মানুহ। পুৰুষ বা দেউতাকৰ পৰা

এওঁলোকৰ পুৰুষানুক্ৰমৰ লেখ লোৱা হয়। মাকৰ বেলেগ ফৈদৰ হলেও বাপেৰ পিতৃ ফৈদৰ লৰাছোৱালী বাপেৰ হয়। একেজনী একে ফৈদৰ ভিতৰত বিয়া কৰোৱাত কোনো বাধা নাই। তিনোতা হৰ লাগিব বুলিও কোনো ৰীতি পদ্ধতি নাই। কোনোৱা মিজোৱে যদি এগৰাকীতকৈ অধিক বিয়া কৰায়, তেন্তে প্ৰথম গৰাকী সাধাৰণতে মুখ্য পত্নী আৰু আনবোৰ দ্বিতীয় স্তৰৰ পত্নী হয়। এইসোৰ কথা অৱশ্যে মুখিয়ালৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি। এওঁলোকে আচল পত্নীক বিয়া কৰোৱাৰ পূৰ্বে ৰক্ষিত ৰাখিব পাৰে।

বিবাহ-বিচ্ছেদ :

সহজে কৰিব পৰা বিবাহ বিচ্ছেদ হৈছে এটা সাধাৰণ কথা মই তোমাক এৰিছোঁ বুলিয়েই পুৰুষ এজনে আইন সন্মত ভাৱে পত্নীক এৰিব পাৰে। ছোৱালীজনী লৈ যদি সন্তুষ্ট নহয়, তেতিয়াহলে স্বামীৰ পৰিয়ালৰ কোনোবা সভ্যৰ উছটনিত বিবাহ-বিচ্ছেদ প্ৰায়েই হব পাৰে। যদিও তুয়ো ফালে বিবাহ বিচ্ছেদৰ পাতনি মেলে, তথাপি বিবাহ-বিচ্ছেদ সাধাৰণতে স্বামীৰ ইঙ্গিতত হে হব পাৰে। এই ক্ষেত্ৰত পুৰুষৰ মৰ্য্যাদাৰ কথা পুৰণি এই প্ৰবচন ফাকিৰ পৰা সহজে বুজিব পাৰি "যেতিয়াই ইচ্ছা কৰা হয়, তেতিয়াই পত্নী আৰু বেয়া জেওৰা সলাব পাৰি।" বিবাহৰ মূল্য ঘূৰাই দি পত্নীয়ে বিবাহ বিচ্ছেদ কৰিব পাৰে। অৱস্থা অসহনীয় হোৱা যেন দেখিলে পত্নীয়ে সাধাৰণতে এই পন্থা গ্ৰহণ কৰে। এইদৰে যদি পত্নীয়ে স্বামীক এৰি যায়, ই কেৱল অলাগতিয়াল স্বামীৰ সন্মানকে হানি নকৰে, স্বামীৰ পৰিয়ালৰ সন্মানো হানি কৰে।

বিবাহ বিচ্ছেদৰ সিদ্ধান্ত চৰম পৰ্য্যায়ৰ কৰাৰ পূৰ্বে মানৱ প্ৰকৃতিৰ দুৰ্বলতাৰ লেখ লোৱা হয়। অনুতপ্ত হৈ স্বামীয়ে পুনৰ পত্নীক ঘূৰাই আনিবলৈ সময় দিয়া হয়। এইদৰেই বহুতো ভাঙি যাব লগীয়া বিয়া জোৰা লাগিছে। কোনো কোনো ক্ষেত্ৰত বিশ্বাসৰ আৰু ভৱিষ্যতৰ সৎব্যৱহাৰৰ চিন স্বৰূপে পত্নীক মাতি আনিব খোজা

স্বামীৰ ওচৰত পত্নীৰ পৰিয়ালৰ সম্বন্ধীয়া মানুহে দাবী উত্থাপন কৰে।

বিবাহ :

মিজো ডেকাগাভৰুৰ মাজৰ বিয়া সাধাৰণতে প্ৰণয়-বিবাহ। প্ৰণয়ৰ পিছত ডেকাই যদি ছোৱালী বিয়া কৰাব খোজে, তেন্তে সেইষাৰ কথা পিতৃমাতৃক বন্ধু এজনৰ জৰীয়তে জনোৱা হয়। তেতিয়া ছোৱালীক বিয়া কৰোৱাৰ মানসেৰে খুজিবলৈ ছোৱালীৰ পিতৃমাতৃৰ ঘৰলৈ কোনোবা সম্বন্ধীয়ক বা বিশ্বাসী বন্ধুক মধ্যস্থতাকাৰী ৰূপে পঠোৱা হয়। ছোৱালীয়ে যদি সম্মতি দিয়ে আৰু পিতৃমাতৃয়ে যদি ডেকাজনক অনুমোদন কৰে, তেতিয়া বিবাহৰ মূল্যৰ পৰিমাণৰ বিষয়ে আলোচনা হয়। এই আলোচনা দীঘলীয়া আৰু যুক্তিতৰ্ক সন্নিবিষ্ট হয়। দৰাঘৰে যিমান কম পৰিমাণৰ সম্ভৱ সিমান কম পৰিমাণৰ ধন দিবলৈ যত্ন কৰে। কইনা ঘৰে ইয়াৰ বিৰুদ্ধাচৰণ কৰে। সোনকালে চুক্তি সম্পাদিত নোহোৱাটো নিয়ম। এইটো ভাল লক্ষণ বুলি অনুমান কৰা হয়। প্ৰায়েই প্ৰত্যেকটো দলে বিচাৰৰ বাবে নতুন কথা উত্থাপন কৰে। যেনে বিবাহৰ মূল্য সম্পূৰ্ণকৈ নে আংশিকভাৱে দিব লাগিব, প্ৰথম কিস্তিত কিমান ধন দিব লাগিব ইত্যাদি। এইটো কথাৰ বাবে পৰিয়াল দুটালৈ কেবাবাৰো অহা যোৱা কৰিব লগীয়া হয়। সকলোবোৰ প্ৰাথমিক ব্যৱস্থা সন্তোষজনক ভাৱে হৈ যোৱা আৰু বিবাহৰ দিন ধাৰ্য্য কৰাৰ পিছত বিবাহ, ভোজভাত, গীতমাত আৰু মদ্যপানেৰে সমাধা কৰা হয়। বিয়াৰ দিনা নিশা বন্ধুবান্ধৱ লগত লৈ কইনা দৰাৰ ঘৰলৈ যায়। বাটত যাওঁতে সক লৰাছোৱালীয়ে তেওঁলোকৰ গালৈ সকলোধৰণৰ লেতেৰা বস্তু দলিয়ায়। গৈ পোৱাৰ পিছত দৰাঘৰত উপচি থকা মানুহে ছোৱালীক আদৰণি জনায়। ইয়াতে দৰা ছোৱালী উভয়কে বন্ধুবান্ধৱে যোগোৱা ৰং-ধেমালি উপভোগ কৰিবলৈ একেলগে বহুওৱা হয়। আদৰণি জনোৱাৰ পিছত কইনা নিজৰ ঘৰলৈ আহে। পিছদিনা নিশা কইনাক আকৌ দৰাৰ ঘৰলৈ নিয়া হয় আৰু তাতে ওৰেটো জীৱন

থাকিবলৈ এৰি থৈ অহা হয়। আজিকালি প্ৰথম দৰাঘৰলৈ আগমন বিয়াৰ দিনা তুপৰীয়া কৰা হয়, বিবাহৰ সম্ভোগ যাতে বিয়াৰ দিনা নিশাই হব পাৰে। কইনা আৰু সমদলৰ গাত লেতেৰা বস্তু দলিওৱা প্ৰথা প্ৰায় লোপ পাইছে।

এইখিনিতে উল্লেখ কৰাটো উচিত হব যে বিয়াৰ মূল্য ভৱিষ্যতৰ কাৰণে নিৰাপত্তাহে নাইবা এই মূল্য পাৰম্পৰিক হে। এই মূল্য বিক্ৰিৰ মূল্য নহয়। মূল্যৰ ভিতৰত ঘাই মূল্য আৰু পৰিপূৰক মূল্য সন্নিবিষ্ট হৈ থাকে। ছোৱালীৰ দেউতাকে গোটেই খিনি ধন ব্যৱহাৰ নকৰে। নিয়ম অনুসাৰে পৰিপূৰক মূল্য সম্বন্ধীয়া মানুহৰ মাজত বিলাই দিয়া হয়। ই পৰিয়ালৰ বান্ধ নিকপকপীয়া কৰে: ই যেতিয়াই আৱশ্যক হয়, তেতিয়াই ছোৱালীজনীক সহায় কৰিবলৈ সম্বন্ধীয় মানুহক সচেতন কৰি দিয়ে।

স্বামীৰ মৃত্যুৰ পিছত ছোৱালজনী স্বামী গৃহত থাকিবও পাৰে, নাথাকিবও পাৰে। এই ঘৰত তিনিমাহ কাল থকাটো এটা নিয়ম। 'থাহুৰাল' নামেৰে উৎসৱ এটা পালন কৰি ছোৱালীয়ে তেতিয়া স্বামীগৃহ এৰিব পাৰে। যেতিয়ালৈকে বিধবাগৰাকী স্বামী গৃহত থাকে—এই তিনিমাহৰ ভিতৰত বা বাহিৰতো হব পাৰে—তেতিয়া, পত্নী স্বৰূপে গ্ৰহণ কৰা হয়। আৰু তেওঁ নিৰ্ম্মল হৈ থকাটো কামনা কৰা হয়। এই সময় ছোৱাৰ ভিতৰত কাৰোবাৰ সৈতে যদি যৌন আচৰণ হয়, স্বামী জীয়াই থকাৰ সময়ত কৰাৰ দৰে তাইক যৌন-স্খলনৰ বাবে দোষী কৰা হয়। এই ক্ষেত্ৰত যৌন-বিচ্যুত পত্নীৰ দৰে সকলো শাস্তি তেওঁ ভুগিব লগীয়া হয়।

উত্তৰাধিকাৰিত্বৰ আইন:

পিতৃ প্ৰধান হোৱা হেতুকে মিজোৰ উত্তৰাধিকাৰিত্বৰ আইন পিতৃৰ কৈদৰ ওপৰত প্ৰতিষ্ঠিত। আইন অনুসাৰে কনিষ্ঠ লৰাই সকলো সম্পত্তি পায়। দ্বিতীয় স্তৰৰ পত্নী বা ৰক্ষিতাৰ অবৈধ সন্তানতকৈ বৈধ সন্তানে উচ্চ স্থান পায়। লৰা নাথাকিলে মৃতকৰ ওচৰ সম্বন্ধীয় পুৰুষে যেনে পিতৃ বা ভ্ৰাতৃয়ে সম্পত্তি পায়। কোনো ক্ষেত্ৰতে

মাইকী মানুহে সম্পত্তি নাপায়। এই অসুবিধা আঁতৰাবলৈ মৃতকৰ অভিভাষক সন্মান জনাবলৈ ১৯৫৬ চনত জিলা পৰিষদে এখন আইন গ্ৰহণ কৰে। কনিষ্ঠ সন্তানক পিতৃ সম্পত্তিৰ উত্তৰাধিকাৰী হোৱাটো এইকাৰণেই বিচৰা হয় যে বৃদ্ধাবয়সত পিতৃমাতৃক চাবলৈ তেওঁকেই উপযুক্ত ব্যক্তি বুলি ধৰা হয়। এইটো সময়ত ককায়েকহঁত অধিক পৰিপক্ক হৈ নিজৰ ভৱিষ ওপৰত থিয় হব পৰা হয়। এই ৰীতি মুখিয়ালৰ ক্ষেত্ৰত (এইজনাৰ জ্যেষ্ঠ পুত্ৰ সন্তানেহে উত্তৰাধিকাৰী হয়) প্ৰয়োগ কৰা নহয়। কাৰণটো হৈছে প্ৰশাসনীয় আৰু আন বিচাৰবুদ্ধিৰ ক্ষেত্ৰত তেওঁ ভায়েকহঁততকৈ অধিক পৰিপক্ক আৰু অভিজ্ঞ

ওপৰত উল্লেখ কৰা আইনৰ সত্বেও মানুহ একনে ,সা-সম্পত্তি ভগাব পাৰে। পুত্ৰ সন্তানে যদি তেওঁক অৱহেলা কৰে নাইবা পলাই যায়, তেতিয়া তেওঁ যুক্তিপূৰ্ণ কাৰণত আনকি পুত্ৰ সন্তানকো একো সা-সম্পত্তি নিদিয়ে।

অৰ্থ নৈতিক জীৱন :

অসমৰ আন পাহাৰী জনজাতিৰ লেখীয়াকৈ কৃষিয়ে হৈছে মিজোৰ মাই জীৱিকা। অতীজৰ পৰা পাহাৰৰ দাঁতিৰ হাবি কাটি, সেইবোৰ পুৰি ব'দত শুকাবলৈ দি এওঁলোকে ধ্বংসাত্মক ঝুমখেতি কৰি আহিছে। মাটি বিস্তৃত হাবিৰে ভৰপূৰ আৰু জনসংখ্যা তাকৰীয়া হোৱা হেতুকে আকাল (তাম) নহলে ধানৰ ক্ষেত্ৰত সৌ-সিদিনালৈকে এওঁলোক স্বয়ং নিৰ্ভৰশীল আছিল। বহুবি ঝুমৰ জৰীয়তে হাবি ধ্বংস কৰা আৰু জনসংখ্যা বঢ়া, আৰু আচলতে কম মানুহে খেতি কৰা হেতুকে এওঁলোক ধানৰ ক্ষেত্ৰত আজি স্বয়ং নিৰ্ভৰশীল নহয়। অধিক পৰিমাণৰ ধান বাহিৰৰ পৰা আমদানি কৰিব লগীয়া হয়। মাটি মানুহৰ কাৰণে বসতিৰ অনুপযুক্ত হোৱাৰ আগতে যিমান সোনকালে পৰা হয়, ঝুম খেতি আৰু এওঁলোকৰ প্ৰাচীন সা-সজুলিৰ পৰিবৰ্তে অধিক স্থায়ী আৰু উৎপাদনকাৰী উপায় লোৱাটো আৱশ্যক।

জীৱজন্তুৰ ভিতৰত মিজোৱে গাহৰি, কুকুৰা আৰু গৰু খাই ভাল পায়। জুইত পোৰা হাতীৰ মঙহ এওঁলোকে বৰ তৃপ্তিৰে খায়।

কুকুৰ খায় যদিও আন পাহাৰী জাতিয়ে খাই ভাল পোৱা মেকুৰী, সাপ বা বাদুলী এওঁলোকে নাখায়। বগা পেটৰ নিগনি খাই এওঁলোকে ভাল পায়। এওঁলোকৰ ৰীতি-নীতি বা ধৰ্ম্মত ঘৰচীয়া বা বনৰীয়া যি কোনো জন্তু খোৱাত বাধা নাই। পাবলৈ টান যদিও জাল বাই বা বিহ দি এওঁলোকে মাছ ধৰে।

ব্যৱসায়িক কাৰিকৰ তাকৰীয়া যদিও হস্তশিল্পত মিজো পৈণত। বটিয়াকৈ বাঁহ সাজি, চুচি এওঁলোকে নিজৰ ব্যৱহাৰৰ কাৰণে, বস্তু কঢ়িয়াই নিবলৈ যেনে, নিজৰ সা-সম্পত্তি বা ধান চাউল ৰাখিবলৈ ধুনীয়া পাচি তৈয়াৰ কৰিব পাৰে। ভাত ৰান্ধিবৰ কাৰণে নাইবা লাওপানী ৰাখিবৰ কাৰণে মাইকীমানুহে হাতেৰে গঢ় দি বেলেগ মাটিৰ পাত্ৰ সাজিব পাৰে। গাঁৱৰ কমাৰে সাধাৰণতে লোৰ বয়-বস্তু নকৰে। এওঁলোকে ঝুমখেতি, চিকাৰ আৰু ঘৰুৱা ব্যৱহাৰৰ কাৰণে নানাধৰণৰ সা-সজুলি সাজে। পানীয় বস্তুৰ ক্ষেত্ৰত এওঁলোকৰ ৰুচি সাধাৰণ। শাকপাচলি বা মঙহ ৰন্ধা পানী এওঁলোকে আহাৰৰ লগত পী খায়। নিচা ভাতৰ পৰা তৈয়াৰ কৰা হয়। ইয়াক 'জু' বোলা হয়। খৃষ্টান ধৰ্ম্মৰ আগমনৰ পূৰ্ব্বলৈকে উৎসৱ আৰু বন্ধুবান্ধৱ নাইবা আলহীৰ কাৰণে প্ৰয়োজনীয় 'জু'ৱে মিজোৰ জীৱনত উল্লেখনীয় স্থান অধিকাৰ কৰে।

ঘৰ :

নিজৰ ঘৰৰ অৱস্থানৰ বিষয়ে মিজো বিশেষভাৱে সতৰ্ক। পানী পোৱা ঠাইত এওঁলোকে পাহাৰৰ শিখৰত গাঁও পাতে। শৃংখলা লগাই ওচৰাওচৰি কৈ জোৰা পাতি ইজোৰাই সিজোৰাৰ মুখামুখিকৈ এওঁলোকে ঘৰ সাজে। ঘৰৰ লানি বোৰ গাঁৱৰ আলিয়েহে বিভক্ত কৰে। ঘৰ সজা মাটি সমান নকৰা হেতুকে হেলনীয়া পাহাৰ এওঁলোকৰ কাৰণে সমস্যা নহয়। এইকাৰণেই সম্ভৱতঃ এটা ঘৰৰ মজিয়া তলৰ আন এটা ঘৰৰ মুখচতকৈ ওখ। ভৈয়ামৰ পকী ঘৰো আনকি ধ্বংস কৰা বতৰৰ ধুমুহা বতাহৰ সন্মুখীন হব পৰাকৈ ঘৰবোৰ শক্তিশালীভাৱে সজা হয়। ঘৰৰ সাজটো খহটাকৈ কটা কাঠেৰে

তৈয়াৰ কৰা হয়। ঠিয়কৈ ৰখা এইবোৰ কাঠে শক্তিশালীভাৱে সজা বাঁহৰ বেৰ আৰু খেৰ বা শক্তিশালী গছপাতেৰে সজা ঘৰৰ মুধত ধৰি ৰাখিবলৈ সক্ষম। কাঠৰ ওপৰত মজিয়া ফলা বাঁহেৰে শক্তিশালীভাৱে সজা হয়। বৰ্ত্তমান কাঠৰ মিহি মজিয়া কৰাটো এটা ৰীতি হৈ পৰিছে। প্ৰায় প্ৰত্যেক ঘৰৰে এখন শাকপাচলিৰ বাৰী আছে।

আহিত মিজোঘৰ তেনেই সাধাৰণ। এইবোৰ মদায়েই চাং চুকীয়া। মজিয়াখন তলত ঘৰচীয়া জীৱজন্তু থাকিব পৰাকৈ ওখকৈ সজা হয়। প্ৰত্যেক ঘৰৰে একোখন বাৰান্দা আছে। ইয়াত বাঁহেৰে সজা সজাত কুকুৰা, খৰি, খোৰা আৰু আন সজুলি ৰখা হয়। ইয়াত বনৰীয়া জন্তু আৰু চিকাৰত পোৱা আন জীৱজন্তুৰ মূৰৰ খোলাও দেখিবলৈ পোৱা যায়। ঘৰৰ মাজভাগত জুহাল খন ৰখা হয়। জুহাল আৰু বাৰান্দাৰ মাজত হৈছে, লৰাছোৱালী হঁতৰ শোৱাপাটী। জুহালৰ আনফালে পিতৃমাতৃৰ শোৱা পাটী ৰখা হয়। বাৰান্দাৰ বাহিৰে ঘৰৰ আন ক'তো বিভাজন নাই। "যি সকলে সৰ্ব্বসাধাৰণ মানুহৰ ক্ষমতাৰ অতীত খোৱংচ'ওঙ্গি উৎসৱ পাতিব পাৰিছে, সেই সকলে ঘৰত খিৰিকী দিব পাৰে। এই নিয়ম ভঙ্গ কৰোঁতা জনৰ বিপদ হব পাৰে বুলি অনুমান কৰা হয়। বিপদৰ ভয় খৃষ্টান ধৰ্ম্মই অৰণ্যে আঁতৰায়। প্ৰতি ঘৰতে আজি খিৰিকী আছে।

ঘৰৰ বিস্তৃতি প্ৰায় অৰ্দ্ধেক আগুৰি থকা লৰাছোৱালীৰ শোৱা পাটী, জুহাল আৰু খুমপুই (ডাঙৰ শোৱাপাটী) বোলা পিতৃমাতৃৰ শোৱা পাটী একেটা শাৰীতে পতা হয়। বাকী ছোৱা মুকলি ঠাই সাধাৰণতে কথা বতৰাৰ কাৰণে ৰখা হয়। ইখনৰ ওপৰত সিখনকৈ জুহালৰ ওপৰত দুখন চাং ৰখা হয়। তলৰ খনত দিনৌ ব্যৱহাৰৰ কাৰণে ধান বনাৰ উদ্দেশ্যেৰে ধান শুকুওৱা হয়। ওপৰৰ খনত জুইত পোৰা খোৱাবস্তু, ভালকৈ মেৰিয়াই ধপাত আৰু সংৰক্ষণ বা চিকিৎসাৰ কাৰণে আন বয়বস্তু থোৱা হয়।

কৰ্ম্মবিভাজন :

মতা আৰু মাইকী মানুহৰ ভিতৰত আইনমতে কোনো স্পষ্ট কৰ্ম্মবিভাজন নাই যদিও, টান কামবোৰ মতামানুহে কৰে। ঝুমখেতিৰ বাবে হাবি কটা, ঘৰ সাজিবলৈ গধুৰ বস্তু গোটোৱা থাকিবলৈ ঘৰ সজা আৰু ঝুম-ঘৰ সজা, ঘৰৰ, আচবাব তৈযাৰ কৰা, অস্ত্ৰশস্ত্ৰ তৈয়াৰ কৰা আৰু গাঁৱৰ পানীৰ ব্যৱস্থা কৰা পুৰুষৰ কাম। খৰি লুৰা, পানী অনা, সূতা কটাৰ পৰা বোৱা আৰু কাপোৰকানি চিলাই কৰালৈকে, ধানবনা আৰু চাউল বচা, ভাতৰন্ধা ইত্যাদি মাইকীমানুহৰ কাম। কেনেবাকৈ গাঁৱৰ কমাৰক মাইকীমানুহে যদি কামত লগাব লগীয়া হয়, তেতিয়াহলে নীতি অনুসাৰে মাইকীমানুহ গৰাকীয়ে অগ্ৰাধিকাৰ পায়। একেদৰে পানীৰ আকালৰ সময়ত, যেতিয়া এটা বাল্টি ভৰাবলৈ ঘণ্টাৰ পিছত ঘণ্টা লাগে, পানা ব্যৱস্থাত পুৰুষে অগ্ৰাধিকাৰ পায়। বহতো কাম, যেনে ঝুম পথাৰত গুটি সিঁচা, কাঁইট গুছোৱা, ধান কটা আৰু ঘৰলৈ বতৰত ধান অনা কাম মতামাইকী দুয়ো একেলগে কৰে।

মৌতম্ :

প্ৰকৃততে মৌতম্ (মৌ—বাঁহগছ, তম—মৃত্যু হোৱা) শব্দৰ অৰ্থ হৈছে বাঁহ গছৰ মৃত্যু। বাঁহ গছৰ মৃত্যুতকৈ ইয়াৰ পিছত হোৱা আকালে মানুহৰ জীৱন বৰকৈ স্পৰ্শ কৰে। পঞ্চাছ বছৰৰ মূৰে মূৰে মিজোলেণ্ডত মৌতম হয় বুলি কোৱা হয়। ১৯৫৯ চনত শেষবটো হয়। ইযাৰ আগৰ টো হয় ১৯১১ চনত। ইয়াৰ আগৰটো হয় ১৮৬১ চনত। গতিকেই আগন্তুক মৌতম ১,০০৭ চনত হব লাগে।

যি বছৰত মৌতম্ হয়, সেই বছৰত ঘাইকৈ দুবিধ বাঁহ, যেনে মৌতক আৰু ফুলবোৱা ফুলিবলৈ আৰু গুটি ধৰিবলৈ ধৰি সমগ্ৰ অঞ্চলত একে লগে মৰিবলৈ ধৰে। ইয়াৰ লগে লগে বছৰৰ সমূহ খেতি খাই নোহোৱা কৰা নিগনিৰ সংখ্যা দ্ৰুতগতিত বাঢ়িবলৈ ধৰে। ইয়াৰ পৰিণতি স্বৰূপে আকাল হয়।

মৌতমৰ সময়ত খেতিৰ পথাৰ আক্ৰমণকাৰী নিগনি হেজাৰে হেজাৰে আহে আৰু এনেদৰে সিঁচৰতি হৈ পৰে যে একেৰাতিৰ ভিতৰতে ঝুম পথাৰৰ সকলোবোৰ ধান খাই নোহোৱা কৰে। মৌতম কাষ চাপি অহাৰ লগে লগে ঝুম পথাৰৰ কেউফালে ফান্দ পাতি আৰু ভয় খুৱাবলৈ বা নিগনি মাৰিবলৈ নিশা পহৰা দিয়ে। এইদৰে প্ৰাচীন সাধাৰণ নিয়ম অনুসাৰে খেতিয়কে সকলো সম্ভৱ উপায় অৱলম্বন কৰে। এইবোৰ উপায়ে খেতি ৰক্ষা কৰিব নোৱাৰে। আকালৰ সময়ত মানুহে বনৰীয়া গছৰ শিপা, হাবিতলীয়া ফলমূল আৰু যিহকে পায় তাকে খাই জীৱনধাৰণ কৰিব লগীয়া হয়। পুষ্টিহীনতাৰ কাৰণে বহুতো জীৱন ধ্বংস কৰা বেলেগ বেলেগ ৰোগ হয়। ১৮৬১ চনৰ মৌতমৰ বিষয়ে কোনো লিপিবদ্ধ চিন নাই যদিও, সেইসময়ৰ বিচ্ছিন্নকাৰী অনুন্নত কঠিন আৰু পুৰণি জীৱন ধাৰাৰ হেতুকে, আকাল বৰ মাৰাত্মক ধৰণেৰে হয়। আকালৰ পৰা যি সকল ভাগ্যবান ৰক্ষা পৰিলে, সেই সকলো বৰ্ণনাতীত ভাৱে ক্ষীণ লেহুকা হৈ পৰিল।

ভাৰত স্বাধীন হোৱাৰ পিছত ১৯৫৯ চনৰ মৌতম হৈছে এনেধৰণৰ প্ৰথম ঘটনা। মিজোৰ মনত ১৯৫৯ চনত যে আকাল সহ মৌতম হব, সেইবিষয়ে কোনো সন্দেহ নাছিল যদিও বহুবছৰৰ আগৰ পৰা চহৰ আৰু গাঁও অঞ্চলত বহলভাৱে মানুহক ধানচাউলৰ অভাৱতো যাতে বিপদত পৰিব নোৱাৰে, সেইবাবে অধিক শস্যাদি, অমিতা আৰু অন্যান্য খাদ পৰা শাকপাচলি কৰি আগন্তুক বিপদৰ সন্মুখীন হবলৈ প্ৰস্তুত কৰাৰ মানসেৰে আকাল বিৰোধী অভিযান সক্ৰিয়ভাৱে সংগঠন কৰা আৰু কামত লগোৱা হৈছিল। আকাল যেতিয়া আহে, তেতিয়া যাতে বাইজক বিপদত পেলোৱা নহয়, এইবিষয়ে স্থানীয় নেতৃবৰ্গই চৰকাৰক সাৱধান বাণী শুনাইছিল। চৰকাৰ আৰু বাহিৰৰ ৰাজহুৱা নেতৃবৰ্গই এই সাৱধান বাণীৰ বিষয়ে সতৰ্ক হোৱা নাছিল। এইবোৰ সাধাৰণ কুসংস্কাৰ বুলি তেওঁলোকে প্ৰত্যাখ্যান কৰিছিল। ১৯৫৯ চন আহিল। বাঁহগছ বোৰ ফুলিবলৈ

আৰু সেইবোৰত ফলমূল লাগিবলৈ ধৰিলে। নিগনিৰ সংখ্যা সকলো ঠাইতে দ্ৰুতগতিত বাঢ়িবলৈ ধৰিলে। ইহঁতে ধান খেতি উপান্ত কৰিলে। সমগ্ৰ জনসাধাৰণৰ সন্মুখলৈ যে আকাল আহিছে, সেই বিষয়ে সন্দেহ নোহোৱা কৰিলে। সুখৰ বিষয়, চৰকাৰে কেৱল বহি বা চাই নাথাকিল। অৱস্থাৰ পৰিবৰ্ত্তন সাধিবলৈ এওঁলোকে চেষ্টা নকৰা হলে বহুতো জীৱন ধ্বংসকাৰী বিৰাট এক দুৰ্ঘটনা হ'ল হেঁতেন।

প্ৰশাসন :

মিজো জিলা অসমৰ স্বায়ত্বশাসিত জিলাসমূহৰ ভিতৰৰ এখন। সংবিধানৰ ষষ্ঠঅনুসূচীৰ স্বত্ব সমূহৰ দ্বাৰা ই ঘাইকৈ শাসিত। ইয়াত দুইধৰণৰ শাসন ব্যৱস্থা প্ৰৱৰ্ত্তি আছে যেনে, জনজাতীয় ৰীতিপদ্ধতিৰ বিষয়ে আইন ৰচনা কৰিব পৰা ক্ষমতাপ্ৰাপ্ত জিলা পৰিষদ আৰু জিলা পৰিষদৰ ক্ষমতাৰ বাহিৰত পৰা বিষয়বস্তুৰ বিষয়ে শাসন কৰিব পৰা অসম চৰকাৰ। প্ৰাপ্ত বয়স্কৰ দ্বাৰা নিৰ্ব্বাচিত প্ৰতিনিধিৰে গঠিত গাঁও পৰিষদৰ দ্বাৰা প্ৰত্যেকখন গাঁও পৰিচালিত হয়। এই পৰিষদ সমূহ আইনৰ জৰীয়তে কৰ্ম্মপদ্ধতি আৰু ক্ষমতা নিয়ন্ত্ৰিত কৰিব পৰা জিলা পৰিষদৰ ওচৰত জগৰীয়া।

জিলা পৰিষদৰ গঠনৰ পূৰ্ব্বে, যাৰ অনুমোদন ক্ৰমে ১৯৫৫ চনত গৃহীত এখন আইন অনুসাৰে (লুচাই পাহাৰৰ মুখিয়ালৰ স্বত্ব গ্ৰহণ) অসম চৰকাৰে মুখিয়ালৰ অনুষ্ঠান তুলি দিছিল, প্ৰত্যেকখন গাঁও একোজন লাল বা মুখিয়ালৰ জৰীয়তে শাসিত সুকীয়া ৰাজ্য স্বৰূপে আছিল। মুখিয়ালৰ স্বত্ব উত্তৰাধিকাৰী সূত্ৰে পোৱা যদিও উপাযুক্তৰ জৰীয়তে অসম চৰকাৰে এইজন মুখিয়ালক কামৰ পৰা বৰ্খাস্ত কৰি, আন এজন মুখিয়ালক নিযুক্ত কৰিব পাৰিছিল। এই ক্ষমতা অৱশ্যে কাচিৎহে ব্যৱহাৰ কৰা হৈছিল। লুচাই ফৈদৰ চাইল' পৰিয়ালৰ পৰা মুখিয়াল আচলতে বচা হৈছিল। বহুতো গাঁৱৰ যদি মুখিয়াল হয়, তেন্তে মুখিয়ালজন থকা গাঁও খনক খ'পুই অৰ্থাৎ ঘাই গাঁও আৰু আনবোৰ গাঁৱক খৱাপাৰ বা উপগাঁও বোলা হৈছিল। এই উপগাঁও

বোৰ মুখিয়ালৰ পুত্ৰসন্তানৰ অধীনত আছিল। কেতিয়াবা মুখিয়ালে ধনসম্পত্তি দিব নলগাকৈ স্বতন্ত্ৰ স্বৰূপে চলাবলৈ নিজৰ পুত্ৰসন্তানক একোখন গাঁও দিছিল। এই কথাৰ পৰা মুখিয়ালৰ ৰাজ্যৰ সীমা সংকীৰ্ণ হোৱাৰ উপৰিও এইসকলৰ কৰ্তৃত্ব খৰ্ব্ব হৈছিল আৰু সন্মান টুটিছিল। গাঁও পৰিচালনাৰ ক্ষেত্ৰত নিজে মকৰল কৰা গাঁৱৰ বয়সস্থ জনৰ পৰিষদে অৰ্থাৎ 'উপায়ে' মুখিয়ালজনক সহায় কৰিছিল। গাঁও সম্বন্ধীয় সকলো কথা পৰিষদে আলোচনা কৰাৰ উপৰিও বিবাদৰ মীমাংসাও কৰিছিল। বিবাদৰ বাবে জৰিমনা কৰাৰ উপৰি পৰাজিত জনে পাঁচটকাকৈ ৰূপ দিয়াৰ নিয়ম। পৰিষদৰ সভাপতিত্ব মুখিয়ালজনে কৰিছিল। সন্ধিয়া সময়ত সভা সাধাৰণতে মুখিয়ালৰ ঘৰত বহিছিল। মুখিয়াল আৰু বয়সস্থ জনক লাওপানী বা মদৰ যোগান ধৰা হৈছিল।

আনবোৰ সা-সুবিধাৰ উপৰিও 'উপায়ে' ঝুমখেতিৰ বাবে মাটি বাচোঁতে অগ্ৰাধিকাৰ পাইছিল আৰু বৃটিছৰ আমোলত প্ৰত্যেক মিজোৱে কৰিবলগীয়া কায়িক শ্ৰমৰ পৰা অব্যাহতি পাইছিল।

'উপায়'ৰ বাহিৰে মুখিয়ালে নিম্ন উল্লিখিত গাঁও কৰ্ম্মচাৰীক নিযুক্ত কৰিব পাৰিছিল।

(ক) থ্লাঙ্‌গাও (গাঁৱৰ ঘোষক): এইজনাই পুৱা বা গধূলি ঘৰত সকলো মানুহ থাকোঁতে মুখিয়ালৰ আদেশ ডাঙৰ মাতেৰে ঘোষণা কৰিছিল। পাৰিশ্ৰমিক স্বৰূপে এইজনাই প্ৰতিবছৰে প্ৰতিঘৰৰ পৰা এপাচিকৈ (খো) ধান পাইছিল।

(খ) থিৰ্‌দেঙ্‌ (গাঁৱৰ কমাৰ): এওঁৰ কাম হৈছে কোৰ, দা, কুঠাৰ, কাঁচি, আৰু অন্যান্য আহিলাপাতি তৈয়াৰ আৰু মেৰামত কৰা। এওঁ প্ৰত্যেক ঘৰৰ পৰা কেৰাচিনতেলৰ টিঙৰ জোখেৰে এটিঙ্‌কৈ ধান পাইছিল। কমাৰক কামত লগাওক বা নলগাওক, প্ৰত্যেক ঘৰে এই বানচ দিব লাগিছিল।

(গ) পুইথিয়াম (গাঁৱৰ পুৰোহিত) গাঁৱৰ মানুহৰ বাবে পূজাপাতল আদি কৰাৰ কাৰণে এইজনাই প্ৰতি ঘৰৰ পৰা এপাচিকৈ

ধান পাইছিল। মুখিয়ালৰ ব্যক্তিগত 'চচাডাৰট্' বোলা পুৰোহিত এজন আছে।

ঘ) ভূমিখণ্ড বৃটিছে লোৱাৰ পিছত মুখিয়ালৰ হৈ চৰকাৰী কাগজ পত্ৰ লেখিবলৈ খৰ'ছিয়াৰ (গাঁৱৰ কাকতি) বোলা এজন নিযুক্ত হৈছিল। এইজনাই ৰাজহৰ কাকত পৰিসংখ্যা বিষয়ৰ কাগজ পত্ৰ আৰু আন লাগতিয়াল কথাৰ কাকতপত্ৰও ৰাখে।

(ঙ) ৰামছুৰাল কৰ্ম্মচাৰী নহয় যদিও এইজনা গাঁৱৰ এজন মুখিয়াল ব্যক্তি। ৰীতি অনুসাৰে মুখিয়ালক আনে দিয়াতকৈ অধিক পৰিমাণৰ ধান দিয়াৰ বাবে এবছৰৰ কাৰণে এওঁ ঝুম খেতিৰ মাটিত আগ ভাগ পায়। প্ৰাচীন কালত মুখিয়ালে জালেন নামেৰে এবিধ মানুহক নিযুক্ত কৰিছিল। এওঁলোকে ঝুমখেতিৰ মাটিৰ নিৰ্ব্বাচনৰ ক্ষেত্ৰত ৰামছুৰালতকৈ অগ্ৰাধিকাৰ পাইছিল। জালেন বোৰ সাধাৰণতে মুখিয়ালৰ ওচৰ সম্বন্ধীয়া মানুহ। এওঁলোকে ধান মুখিয়ালক বৰঙনি দিব নালাগে। আৱশ্যক হলে এওঁলোকৰ ভঁৰালত মুখিয়াল নিজে সোমাব পাৰে। গাঁৱৰ মানুহক বিশেষ কোনো কাম নিদিয়া ৰামছুৰাল আৰু জালেন বোৰ হৈছে ৰাইজৰ বিৰক্তিৰ বস্তু। এওঁলোকৰ জনপ্ৰিয়তা একেবাৰেই নাছিল। মিজোৰ মাজত ৰাজনৈতিক চেতনা বঢ়াৰ লগে লগে এইবোৰ ৰাজহুৱা সমালোচনাৰ লক্ষ্য হৈছিল।

ৰাতি আৰু ঐতিহ্য অনুসাৰে গাঁৱৰ মুখিয়ালে "বুচ্হান" অৰ্থাৎ ঘৰৰ প্ৰতি প্ৰায় এমোণকৈ ধানৰ বৰঙনি, বিনামূলীয়াকৈ গৃহনিৰ্ম্মাণ —এই ঘৰ সাধাৰণতে ৰাইজৰ ঘৰতকৈয়ো ডাঙৰ আছিল আৰু গাঁৱৰ ৰাইজে গুলিয়াই মৰা সকলো বনৰীয়া জীৱজন্তুৰে সোঁফালৰ আগঠেংটো, ইয়াক চাছিয়াই বোলা হৈছিল, পাইছিল।

অসন্তুষ্ট কৰা বা অলাগতিয়াল বুলি ভৰা যেই কোনো মানুহকে মুখিয়ালে গাঁৱৰ পৰা উলিয়াই দিব পাৰিছিল। আনখন গাঁৱৰ মুখিয়ালজন সম্মত হলে, আনখন গাঁৱলৈ উঠি যাবলৈ গাঁৱৰ মানুহৰ অধিকাৰ আছিল। ৰীতিগত আইন অনুসাৰে যুক্তিসঙ্গত ভাৱে

এগৰাকী মিজো গাভৰু

পোর্বি মোবালী

প্ৰজাশাসন কৰা একোজন শক্তিশালী মুখিয়ালে এজনো গাঁওবাসীক নেহেৰোৱাকৈ যেই কোনো কাম কৰিব পাৰে। প্ৰজাৰ ওপৰত সাধাৰণ ভাবে অত্যাচাৰ কৰা দুৰ্ব্বল মুখিয়াল এজনে সকলো প্ৰজা হেৰোৱাই বজা হৈ থাকে।

১৯৬৬ চনৰ বিদ্ৰোহ ঃ

১৯৬৬ চনৰ মাৰ্চ্চ মাহত মিজো নেচ্যনেল ফ্ৰণ্টৰ (এম এন এফ) নেতৃত্বত হোৱা বিদ্ৰোহে বিশ্বৰ বাতৰি কাকতত শিৰোণামা পাইছিল। এই বিদ্ৰোহ চৰকাৰৰ বিপক্ষে মুকলি সশস্ত্ৰ বিদ্ৰোহ আছিল।

মিজো বিদ্ৰোহৰ বহুতো কাৰণে দৰ্শোৱা হয়। ইয়াৰ ঘাই আৰু তৎকালীন কাৰণ হৈছে, দেশৰ আন অঞ্চলৰ সৈতে মিজোৰ আনুভূতিক ঐক্যৰ অভাৱ। বৃটিছৰ দীঘলীয়া আমোলত ভাৰতীয় জীবন আৰু সংস্কৃতিৰ ধাৰাৰ পৰা এওঁলোকক বিচ্ছিন্ন কৰি ৰখা হৈছিল। ভাৰত স্বাধীন নোহোৱা পৰ্য্যন্ত নগাৰ দৰে মিজোকো অসমৰ লাট্ বাহাদুৰৰ জৰীয়তে কাম কৰা ভাইচৰয়ৰ পোনপটীয়া শাসনাধীন কৰি ৰখা হৈছিল। ৰাজ্যৰ পৰিষদত এওঁলোকৰ প্ৰতিনিধি নাছিল। বহিৰাগত জনক বিনা অনুমতিত প্ৰৱেশ কৰিবলৈ নিদিয়া "দি ইনাৰ লাইন" বোলা এক পৰ্দ্দা অঞ্চলটোত আছিল। এনেদৰেই বৃটিছ কৰ্ম্মচাৰী আৰু খ্ৰীষ্টান মিছনেৰাৰ দ্বাৰা শাসিত আৰু পৰিচালিত হৈ বহুতো দিন এওঁলোক সংকীৰ্ণ কক্ষত থাকিব লগা হৈছিল। এইদৰে বিচ্ছিন্ন হৈ থকাৰ বাবে স্বাভাৱিকতে ভাৰত স্বাধীন হলত বাহিৰৰ প্ৰভাৱৰ বিষয়ে এওঁলোক সন্দেহযুক্ত আৰু সচেতন হৈ পৰিল। মিজোৱে যদিও সাধাৰণতে তেওঁলোকৰ ভূমিখণ্ড ভাৰতৰ অংশবিশেষ বুলি স্বীকাৰ কৰে আৰু ৰাজ্যিক বিধান সভালৈ নিৰ্ব্বাচিত প্ৰতিনিধি পঠোৱাৰ্লৈকে চৰকাৰৰ সৈতে সহযোগ কৰে, তথাপি এওঁলোকে নিজকে ভাৰতীয় বুলি নাভাবে। এই ভাবধাৰাই যুবক-সমাজৰ অনুভূতিৰ ওপৰত প্ৰভাৱ পেলায়। মিজো ভাৰতৰ পৰা বিচ্ছিন্ন হব লাগিব কাৰণ এওঁলোক ভাৰতীয় নহয় আৰু

ভাৰতীয়ৰ সৈতে সংস্কৃতিগত, গোষ্ঠীগত বা ভাষাগত কোনো সম্বন্ধ নাই বুলি এম এন এফ এ প্ৰচাৰ কৰিবলৈ ধৰিলে।

ইয়াৰ উপৰিও অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত, মিজোসকলক অৱহেলা কৰা হৈছে আৰু দেশৰ অন্য অঞ্চলৰ ৰিজনিত জানিশুনি অনুন্নত কৰি ৰখা হৈছে, মিজোসকলে এনেদৰে ধাৰণা কৰিবলৈ ধৰিলে। এওঁলোকৰ সংস্কৃতি, ভাষা আৰু ৰীতি-নীতি ক্ৰমাৎ বিলুপ্ত কৰা হৈছে আৰু ওচৰচুবুৰীয়া উন্নত জাতিবোৰে অৱশেষত এইবোৰ গ্ৰাস কৰিব আৰু তেওঁলোকে বিশেষত্ব হেৰোওৱাৰ উপৰিও স্বকীয়া অস্তিত্ব হেৰোৱাই পেলাব, এনেধৰণৰ শঙ্কা বাঢ়িবলৈ ধৰে। এই শঙ্কা বাস্তৱতাৰ ওপৰত নহয়, সন্দেহৰ ওপৰত, প্ৰতিষ্ঠিত। এইষাৰ কথাৰ প্ৰমাণ হৈছে এইবোৰ ক্ষেত্ৰত সংবিধানে যথোচিত ভাৱে দিয়া ৰক্ষণাৱেক্ষণ সমূহ। ই যিহকে নহওক লাগিলে, মিজো বিদ্ৰোহে জনজাতি সমূহৰ অনুন্নত, সচেতম অৱস্থাৰ কথা কয়। এইসকল ভাৰতীয় জনসাধাৰণৰ এটা মুখ্য অংশ। এইসকলৰ প্ৰতি সচতেনতা আৰু কল্পনা প্ৰসূত বিচাৰৰ প্ৰয়োজন।

অধ্যায় ৮

দক্ষিণ লুচাই পাহাৰৰ কম জনাজাত জনজাতিসমূহ

১। লাখেৰ :

লুচায়ে মাৰা বা লাখেৰ বোলা মানুহ বৰ্ত্তমান মিজো জিলা বোলা লুচাই পাহাৰৰ লুংলে মহকুমাৰ দক্ষিণ ভাগত থাকে। লাখেৰৰ প্ৰায় বোৰ গাঁও কলডিন্ নৈৰ বেঁকা ভাগৰ দ্বাৰা আবৃত। চীন পাহাৰৰ 'হাকা' বোলা ঠাইৰ ওচৰৰ পাহাৰৰ পৰা এই নৈখন ওলাইছে। দক্ষিণ ভাগেদি বৈ গৈ লুংলে মহকুমাৰ দক্ষিণাঞ্চলেদি গৈছে আৰু আকিয়াবৰ ওচৰত বঙ্গোপসাগৰত পৰিছে। লুংলে মহকুমা আৰু ব্ৰহ্মদেশৰ হাকা মহকুমাত লাখেৰ সকল সিঁচৰতি হৈ আছে।

ডঃ হাটনৰ মতে, "ভাষা আৰু পদাৰ্থগত সংস্কৃতিৰ পিনৰ পৰা লাখেৰক কুকি জনজাতিৰ সৈতে শ্ৰেণীভুক্ত কৰিব পাৰি। বুৰঞ্জীগত সময়ত এই কুকি জনজাতিসমূহ চীনডুইন উপত্যকাৰ পৰা বঙ্গোপ-সাগৰৰ পাৰলৈকে আছে। পাহাৰত এওঁলোকৰ শাখা-প্ৰশাখা সিঁচি থৈ আছে। এওঁলোকৰ পিছত অহা মানুহ একে পাহাৰেদি উত্তৰ পিনলৈ গৈছিল। এওঁলোকৰ মহাসাগৰৰ শিল একটাৰ ফাললৈ বৈ গৈ পুনৰ উৎপন্ন হোৱা ঠাইলৈ গমন কৰা সাধুকথাৰ নৈ খনৰ দৰে লাহে লাহে এওঁলোকেও পিছফাললৈ গমন কৰিছিল। তৎকালীন ওচৰ চুবুৰীয়াতকৈ অধিকভাৱে লাখেৰে পূৰ্ব্বৰ অন্য জনজাতিসমূহ সাবটি লৈছিল। ইয়াৰ ভিতৰত সকলো ঠাইতে মঙ্গোলীয় স্ৰোতধাৰাৰ দ্বাৰা আচ্ছন্ন কৰা ইণ্ডোনেছীয় গোষ্ঠী হৈছে এটা, বড়ো মনখেমেৰ আৰু মেলেনেছীয় সাঁচ এইবোৰৰ ওপৰত স্পষ্ট ভাৱে দেখা যায়।" এইজনাই আৰু কৈছে : "এওঁলোক দেখাত কুকি সংস্কৃতিৰ বুলি যদিও ধৰিব পৰা হয়, প্ৰকৃততে লাখেৰ সকল নগাহে। কুকি জনজাতিৰ ভ্ৰাম্যমান অভ্যাসৰ পৰা পৃথক এইজনাৰ গাঁও আৰু উপৰিপুৰুষৰ মৰিশালিৰ প্ৰতি আকৰ্ষণ আচলতে

নগাহে। লুচাইৰ বিজনিত এওঁৰ শৃঙ্খলাহীনতা কুকিৰে সৈতে বিজালে দেখা যায়, নগাহে। ... ... নগাৰ দৰে (ছেমাৰ বাহিৰে) ঠাইৰ নাম লাখেৰে আগৰ গাঁৱৰ ঐতিহ্যসম্পন্ন নামৰ পবিরর্ত্তে প্রকৃতিৰ পৰা লয়। "বংশী" অর্থাৎ পরিত্র গুটি গাঁৱৰ বহিৰ-আত্মাৰ সৈতে নিগূঢ় ভাৱে জড়িত। লোথা নগাৰ মিঙ্গেথুঙৰ সৈতে ইয়াক বিজাব পাৰি। ...... লুচাইৰ মাইকীমানুহৰ সাজ পিন্ধা আৰু মাইকীমানুহৰ ভাত দিয়া টুৰাই অনুষ্ঠানৰ অভাৱে লাখেৰৰ ওপৰত, লুচাইৰ ওপৰত, মালয় প্রভাৱ শক্তিশালী নহৈ দুর্ব্বল বুলি প্রমাণ কৰে। চক্র আৰু ক'লা চিনৰ শামুকৰ খোলাৰ আ-অলঙ্কাৰে এওঁলোকৰ আঙ্গামী আৰু আন নগাৰ সৈতে স্পষ্টভাৱে যোগসূত্র স্থাপন কৰে। বিশেষকৈ কন্যাক নগাৰ সৈতে। ওপৰে ওপৰে কব পাৰি যে এই শামুকৰ খোলাৰ অলঙ্কাৰ দক্ষিণ ভাৰতৰ আৰ্কট চহৰৰ লো-যুগৰ আগভাগত পোৱা নগা বস্তুৰ সৈতে একে। এইবোৰ মহেঞ্জোডাৰো তো খান্দি উলিওৱা হৈছে। মৃতকৰ কাৰণে লাৰুবীৰ আহিত নগাই কৰা বা এসময়ত কৰা শামুকৰ অলঙ্কাৰৰ লেথীয়াকৈ পোৰা মাটিৰে কৰা আ-অলঙ্কাৰৰ পৰিচয় দিয়া শামুকৰ খোলাৰ আ-অলঙ্কাৰৰ আৰু মাটিৰ পাত্রৰ অনুকৰণৰ প্রমাণো ইয়াত পোৱা হৈছে।

হাটনে লাখেৰ সংস্কৃতিৰ কিছুমান দিশৰ কথা উল্লেখ কৰিছে। এইবোৰ কুকিও নহয়, নগাও নহয়, দুয়োটাৰ বিপৰীত ধৰ্ম্মীহে। পোনতে কব লাগিব, শিপাৰে সৈতে ধান উঘালি খেতি চপোৱাটো লাখেৰৰ আচৰিত ধৰণৰ অভ্যাস। ঋতুশ্ৰাৱৰ কাৰণে অশুদ্ধ হোৱাৰ সম্ভাৱনা হেতুকে লাখেৰে বলি বিধানত নাৰীক কোনো স্থান নিদিয়ে।

বহুযুগ ধৰি চট্টগ্রাম পাহাৰ অঞ্চল আৰু আৰাকানত বৃটিছ কর্তৃপক্ষৰ লাখেৰ সকল শূল হৈ আছিল। এওঁলোকক' প্রতাপী আৰু যুঁজাৰু জাতি স্বৰূপে গণিতা কৰা হৈছিল। সেইসময়ত লুচাই আৰু ব্রহ্মদেশ দুয়োফালে থকা লাখেৰক 'ৰেনৃডু' বোলা হৈছিল।

"হিষ্ট্ৰী অব্ দি বিলেছনছ্ অব্ গৱৰ্ণমেণ্ট উইথ দি হিল্‌ট্ৰাইবছ্ অব্ দি নৰ্থ ইষ্ট ফ্ৰন্‌টিয়াৰ অব্ বেঙ্গল (১৮৮৪)" পুথিত মেকেঞ্জীয়ে লেখিছে : "নীল পৰ্ব্বতৰ উত্তৰ-পুব আৰু পূবে থকা 'শ্বেনডু' এটা পৰাক্ৰমী জাতি। কৰ্ণফুলিৰ দক্ষিণাঞ্চলত থকা দেশখন বহুবছৰৰ কাৰণে এওঁলোকৰ দ্বাৰা অত্যাচাৰিত হৈছিল। এওঁলোকৰ স্থান আৰু ভিতৰ সম্বন্ধৰ বিষয়ে লুচাইতকৈ আমি কম জানো। চট্টগ্ৰামৰ লুচাই আৰু শ্বেনডুৰ দ্বাৰা অত্যাচাৰিত আন জনজাতিক ৰক্ষা কৰাটো আমাৰ সীমান্ত নীতিৰ শেহতীয়া সম্পূৰ্ণাঙ্গ উদ্দেশ্য। এই সীম[illegible]ৰ সমূহ বুৰঞ্জী হৈছে বাস্তৱতে এওঁলোকৰ অত্যাচাৰৰ আৰু সেইবোৰক বাধা দিবলৈ, নিৰ্ম্মূল কৰিবলৈ বা প্ৰতিশোধ লবলৈ কৰা প্ৰচেষ্টাৰ কাহিনী।"

সেই সময়ত চট্টগ্ৰাম পাহাৰ অঞ্চলৰ দাঁতিকাষৰীয়া ঠাইত গাঁও অঞ্চলৰ লাখেৰ আছিল এক অলঙ্ঘনীয় দেৱাল। ১৮৪৭ চনৰ পিছৰ পৰা চট্টগ্ৰাম পাহাৰ অঞ্চলত লাখেৰৰ আক্ৰমণ আছিল এক স্থায়ী ঘটনা। ১৮৬৬ চনত লুচাই পাহাৰত বৃটিছ শাসন নিকপকপীয়া কৰোঁতা লিউইনে এই অঞ্চলৰ পাহাৰী জনজাতিৰ সৈতে, যাইকে লাখেৰৰ সৈতে ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰে। কিছুমান গুৰ্খা লগত লৈ কামত ব্যস্ত থকা কালত লেফ্‌টেনাণ্ট জন ষ্টুৱাৰ্টক 'হোছাটা'ৰ নেতৃত্বত লাখেৰে ১৮৮৮ চনত হত্যা কৰে। এই হত্যাৰ কাৰণে লাখেৰক অযথা দোষাৰোপ কৰা হৈছিল। চীন আৰু লাখেৰ অঞ্চলৰ লুচাই পাহাৰৰ দখল কৰাৰ মানসেৰে ১৮৮৮-৮৯ চনত চীন-লুচাই অভিযান অনুষ্ঠিত হয়। এই অভিযানৰ পৰিণতি স্বৰূপে কিছুমান লাখেৰ গাঁও পোনতে বৃটিছৰ অধীনলৈ আহে। ১৮৯১ চনত কেপ্তেন শ্বেকছ্‌পীয়েৰে বৃটিছ শাসন আৰু বিস্তৃত কৰে। ইয়াৰ অন্তৰালত ছাইক' (ছাৰকাৰাৱ), ছিয়াহা (ছাইহা) আৰু দক্ষিণ লুচাই পাহাৰৰ কিছুমান গাঁও সুমুৱাই লোৱা হয়। লুচাই আৰু চীন পাহাৰৰ মধ্যৱৰ্ত্তী অঞ্চলৰ কেইখন মান গাঁও প্ৰশাসনৰ বাহিৰত থাকিল। প্ৰথমখন মহাসমৰৰ অনিশ্চয়তাৰ কাৰণে ১৯১৭-১৮ চনত

“হাকা” বিদ্ৰোহ হয়। ১৯১৪ চনত চীন আৰু লুচাই পাহাৰৰ মাজৰ সীমাৰেখা স্পষ্টভাৱে অঙ্কিত হয়। দক্ষিণ লুচাই পাহাৰত থকা লাখেৰ সকল সম্পূৰ্ণৰূপে বৃটিছৰ শাসনাধীন হয়।

বৃটিছ শাসনৰ জৰীয়তে লাখেৰে পোৱা সুবিধা সমূহ: (১) প্ৰহৰী নোহোৱাকৈ নিশা সিঁহত শুব পৰা হ'ল; (২) বাধা আৰু আক্ৰমণৰ শঙ্কা নোহোৱাকৈ যলৈকে ইচ্ছা তলৈকে যাব পৰা হ'ল; (৩) প্ৰহৰী বা আক্ৰমণৰ আশঙ্কা নোহোৱাকৈ এওঁলোকে লাওপানী-সভা পাতিব পৰা হ'ল। এইবোৰ বাৰিৰ অনুষ্ঠান। দা মুখিয়ালৰ সৈতে থাকিল। টুইপাঙত থকা প্ৰহৰীক লাখেৰে সৰহীয়া চাউল বেচি ধন আৰ্জিব পৰা হ'ল। পেৰীয়ে কবৰ দৰে, বৃটিছ শাসনে মুখিয়ালৰ আধিপত্য কমালে আৰু সাধাৰণ মানুহৰ মাজত ধনসম্পত্তি বঢ়োৱাৰ আগ্ৰহ বৃদ্ধি কৰিলে। সহজেই কব পাৰি যে, অসমৰ অন্যান্য জনজাতিৰ লেখীয়াকৈ লাখেৰক এইসকলৰ নিজা স্বাৰ্থৰ কাৰণে বৃটিছৰ শাসনাধীন কৰা হোৱা নাছিল। ইয়াৰ উদ্দেশ্য আছিল এই প্ৰাচীন জনজাতি সমূহৰ আক্ৰমণৰ পৰা ৰক্ষা কৰি ওচৰচুবুৰীয়া সমতলভূমিক শান্তি দিয়া।

জনজাতিৰ মাজত প্ৰচলিত থকা জনজাতীয় শাসন-ব্যৱস্থাৰ বৃটিছে পৰাপক্ষত সালসলনি কৰা নাছিল। সেই বুলি সংস্কৃতিগত প্ৰভাৱ বিস্তাৰ আৰু বেলেগ বেলেগ সংস্কৃতিৰ সানমিহলি প্ৰত্যাখ্যান কৰিব পৰা নাছিল। লিউইনৰ লেখীয়া প্ৰশাসক যে উচ্চ নীতিৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল, সেইবিষয়ে সন্দেহ নাই। যোৱা শতিকাৰ ষষ্ঠ দশকত লিউইনে লেখা কথা এষাৰ উদ্ধৃত কৰিব পাৰি—“শিক্ষাৰ জৰীয়তে আৰু নিজৰ আইনকানুন আৰু ৰীতিনীতিৰ জৰীয়তে এইসকল ইংৰাজৰ নিম্নস্তৰৰ ক্ষুদ্ৰসংস্কৰণ নহয়। এইসকল ভগবানৰ নতুন আৰু মহৎ জীৱ হোৱাটোহে ভাবিব পাৰি।'

লাওপানী সভাত বিশেষকৈ ধ্বনিত হোৱা দুটা গীতৰ উদাহৰণ তলত দিয়া হল। পথাৰলৈ যাওঁতে বা ঝুমখেতিত কাম কৰোঁতে ডেকা গাভৰু উভয়ে একে গীত গায়। এই গীত দুটাই বৃটিছ সাম্ৰাজ্যৰ

অধীনলৈ অহা তৎকালীন যুগৰ লাখেৰৰ পুৰণি দৃষ্টিভঙ্গীৰ কথা কয়।

"উত্তৰে দক্ষিণে, পূবে আৰু পশ্চিমে
চৰকাৰে আমাক আগুৰি আছে।
এতিয়াৰ পৰা আমাৰ ডেকা যুঁজাৰু হঁতে
চালু নৈৰ পানী আৰু খাব নালাগে
সেইবোৰ ঠাইত আমি সদায় আক্ৰমণ কৰিছিলোঁ।"
"আমি ভুটকা ৰূপ গৃহ-ৰাজহ দিব লাগে
তাতো সন্তুষ্ট নহৈ আমাৰ কুকুৰা বেচিবলৈ কৈছে
আমি যদি লুচাই পাহাৰৰ অন্তৰ্ভুক্ত নহ'লোহেঁতেন।"

দৈহিক আকৃতিৰ পিনৰ পৰা লাখেৰ পুৰুষ আটিল। এওঁলোকৰ দেহাবোৰ আকৰ্ষণীয়। লুচাই আৰু কুকিতকৈ মাইকীমানুহবোৰ ওখ আৰু লাহী। এওঁলোকৰ গাৰ বৰণ পাতল মুগা, লুচাইতকৈ এওঁলোক ক'লা। এওঁলোকৰ নাক বহল, গালৰ হাড় ওখ আৰু চকু মঙ্গোলীয়। আন পাহাৰী জাতিৰ দৰে এওঁলোক বয়সৰ আগতে বুঢ়ী হয়। বিয়াৰ পিছত বিশেষকৈ চাৰনিৰ পিনৰ পৰা মাইকী মানুহবোৰ নিটোল হয়।

অসমৰ আন পাহাৰী জাতিৰ লেখীয়াকৈ নহয়, মতামানুহে সদায় পাগুৰী মাৰে। নিজৰ চুলি লৈ লাখেৰ গৰ্ব্বী। বহুতেই তালুত খোপা বান্ধে। নবছৰ বয়সত সাধাৰণতে লৰাৰ চুলি কটা হয়। ইয়াৰ পিছত আৰু কটা নহয়। কমবেচিকৈ মূৰত শিখৰ দৰে পাগুৰী মৰা হয়। সাধাৰণতে খোপাত এটা পিন মৰা হয়। পুৰুষত কৈ মাইকীমানুহে অধিক কাপোৰ পিন্ধে। এওঁলোকে তলৰ ভাগলৈ তলৰ ভাগ বেচমী সূতাৰে বন কৰা একোখন ঘন নীলা মেখেলা পিন্ধে। ইয়াৰ ওপৰত তেওঁলোকে তলৰ মেখেলাখনতকৈ চুটি একোখন স্কাৰ্ট পিন্ধে। এনেদৰেই তলৰ মেখেলাৰ বন কৰা ভাগ ওলাই থাকে। এওঁলোকে সাধাৰণতে কড়ি বা শামুকৰ অলঙ্কাৰ পিন্ধে। এওঁলোকে টিকা বা ককালত কিছুমান ধাতুৰ ঘণ্টাও পিন্ধে। এই ঘণ্টাবোৰে পিন্ধোতাৰ ঐশ্বৰ্য্য সম্পত্তিৰ কথা কয়। এওঁলোকে

হাত নোহোৱা একোটা জেকেটৰ উপৰিও গা ঢাকিবলৈ ওপৰ ভাগত এখনি বেচমী কাপোৰ পিন্ধে। আচলতে লাখেৰ মাইকীমানুহে সাজ-পৰিচ্ছদ বৰ ভাল পায়। দেহাটো সজাবলৈ এওঁলোকে নানা তৰহৰ মণিও পিন্ধে। সকলোবোৰ নহলেও ইয়াৰে কিছুমান পছিমীয়া প্ৰভাৱত ক্ৰমাৎ লোপ পাইছে।

লাখেৰ সমাজৰ প্ৰশাসনীয় গোট হৈছে গাঁও। গাঁও সম্প্ৰদায়ত আছে মুখিয়াল, ডা-ডাঙৰীয়া সকল, সৰ্ব্বসাধাৰণ ৰাইজ, বুঢ়া-মেথা আৰু কৰ্ম্মচাৰী সকল। বিবাহ, জন্ম-মৃত্যু, কিছুমান ভিতৰুৱা উৎসৱ আদিত ফৈদ সম্বন্ধই মুখ্য স্থান পায়। লাখেৰ সমাজত মুখিয়াল আৰু ডা-ডাঙৰীয়াৰ পৰিয়ালে সাধাৰণ মানুহে নোপোৱা কিছুমান সা-সুবিধা পায়।

গাঁও চলাবলৈ মুখিয়ালে বয়সস্থ বা মাছাক নিযুক্ত কৰে। এইবোৰ সাধাৰণতে যদিও ডা-ডাঙৰীয়াৰ পৰিয়ালৰ, সৰ্ব্ব-সাধাৰণ মানুহৰ মাজৰ পৰাও প্ৰতিভাৰ কাৰণে বুঢ়া-মেথা বচা হৈছিল। এই সকলে হত্যা কৰা জীৱৰ (লুচাইত যাক ছাছিহা বোলা হয়) আৰু পৰাজিত জনৰ জৰিমনাৰ এভাগ পায়। গাঁৱৰ সাধাৰণ ৰাইজে কৰিব লগীয়া কিছুমান কামৰ পৰা এওঁলোকে অব্যাহতি পায়।

গাঁৱৰ ওপৰত মুখিয়ালৰ কৰ্ত্তৃত্ব সম্পূৰ্ণ। নিৰ্দ্দেশ অমান্য কৰোঁতা জনক গাঁৱৰ পৰা নিৰ্ব্বাসন দি শাস্তি দিয়া হয়। গাঁৱৰ মানুহে মুখিয়ালৰ কাৰণে ব্যক্তিগত ভাৱে আৰু সমূহ গাঁৱৰ বাবে সাধাৰণভাৱে কিছুকাম কৰিব লগীয়া হয়। লাখেৰ সমাজত গাঁৱৰ কেন্দ্ৰভূমি হৈছে ব্যক্তি নহয়, পৰিয়ালহে। মুখিয়ালৰ প্ৰতি সাধাৰণ দায়িত্ব হৈছে সেইজনাৰ গৃহনিৰ্ম্মাণ, যাত্ৰাত সেইজনাৰ বস্তু কঢ়িয়াই নিয়া আৰু প্ৰত্যেক পৰিয়ালৰ উৎপাদিত শস্যৰ ভাগ দিয়া। ৰীতি-নীতিয়ে সাব্যস্ত কৰা মঙহৰ ভাগ পোৱাৰ উপৰিও এওঁ আন বৰঙনিও পাইছিল।

বুঢ়ামেথাৰ সহায়ত মুখিয়ালে বিচাৰ কৰিছিল। এইজনাৰ

সিদ্ধান্ত চূড়ান্ত। মুখিয়াল আৰু বুঢ়ামেথাৰ সিদ্ধান্ত সহজে নমনা উদাহৰণ বৰ বিৰল।

আগতে থকাৰ দৰে লাখেৰ আজিও ঘাইকৈ কৃষিজীৱী। এই উদ্দেশ্যৰ কাৰণে সিহঁতে একমাত্ৰ দা আৰু কুঠাৰ ব্যৱহাৰ কৰে। সকলোবোৰ শস্যৰ খেতি ঝুম পথাৰত কৰা হয়। মুখিয়াল আৰু বুঢ়ামেথাজনে কোনঠাইত ঝুম খেতি কৰা হব, বচাৰ পিছত, আগতে খেতিৰ বতৰ ডিচেম্বৰ মাহত আৰম্ভ কৰা হৈছে। ইয়াৰ পিছত মাটি বাইজৰ মাজত ভগাই দিয়া হৈছিল। এওঁলোকে মুখিয়ালৰ নির্দেশ মতে যি মাটিত খেতি কৰিব লাগে, সেই মাটিতে কৰিছিল। ঘাই শস্য হৈছে ধান, যৱধান, ধপাত, আদা, উৰহী আৰু কচু। লাখেৰে ধানকটা পদ্ধতিটো আচৰিত। ধান শিপাৰে সৈতে উঘলা হয়। কাঁচিৰে কটা নহয়। গছবোৰ মুঠামুঠাকৈ বান্ধি শুকাবলৈ কিছুদিনৰ কাৰণে এৰি দিয়া হয়। ইয়াৰ পিছত মৰণা মৰা বিশেষ পদ্ধতি আৰম্ভ হয়। যেতিয়াই প্ৰয়োজন হয়, তেতিয়াই উলিয়াই আনিবলৈ ধান ভঁৰালত থোৱা হয়।

লাখেৰে ক'লদিন আৰু ইয়াৰ উপনৈ সমূহৰ পৰা মাছ পায়। এওঁলোকে মঙহৰ কাৰণে জীৱজন্তু ফান্দ পাতি ধৰে। স্বাৱলম্বী হোৱা হেতুকে এওঁলোকে যথেষ্ট সময় বাঁহৰ সুতেৰে থবাহি সজাত কটায়। এই ক্ষেত্ৰত এওঁলোকে যথেষ্ট দক্ষতা অৰ্জন কৰিছে। আচৰিত কথা, বেতবাঁহৰ কাম নাৰীয়ে নকৰে, পুৰুষে কৰে। আন হাতে বোৱা আৰু বং দিয়া কাম সম্পূৰ্ণৰূপে নাৰীয়ে কৰে। এওঁলোকে আচলতে সকলো লাখেৰে মতাতিৰোতা সকলোৱে ধূমপান কৰাত যথেষ্ট পৈণত হোৱা হেতুকে বিশেষ পৰিমাণে ধপাত খায়।

লাখেৰ মাইকীমানুহে যথেষ্ট স্বতন্ত্ৰতা পায়। পুৰুষৰ সৈতে এওঁলোকৰ স্থান সমান। বেশ্যাবৃত্তি এওঁলোকৰ মাজত কেতিয়াও নথকাৰ কাৰণে লাখেৰ সমাজক প্ৰশংসা কৰিব লাগিব। মাজেসময়ে বিচ্যুতি ঘটে যদিও সমস্যাটোৰ বিষয়ে লাখেৰৰ সূক্ষ্ম ধৰণৰ প্ৰত্যুত্তৰ আছে। লুচাইৰ লেখীয়াকৈ লাখেৰৰ নিশা বিবাহ-প্ৰাপ্ত সকলো

ডেকামানুহ একেলগে শোৱা জালবুক বা ডেকাচাঙ নাই। সৰু লৰা পিতৃগৃহত শুশুই, সেই সময়ত প্ৰণয় জনাই থকা ছোৱালীজনীৰ ঘৰত শোৱে। ডেকালৰাৰ আৰু গাভৰু ছোৱালীৰ মাজত বিবাহ-পূৰ্ব্বক সম্বন্ধ নেওচা নহয়। নিম্নউল্লিখিত লাখেৰ গীতটোৱে লাখেৰ যুৱকৰ দৃষ্টিভঙ্গীৰ কথা কয়। মোৰ দুয়োকাষে দুজনী ধুনীয়া বাই-ভনী বহি আছে।

মই তোমালোক দুয়োজনীকে ভাল পাওঁ।
এতিয়াই বিয়া নকৰাই
মোলৈ অপেক্ষা কৰাটো বিচাৰোঁ,
নহলে মানুহে মোক হাঁহিব।

লাখেৰৰ মাজত বিবাহৰ ধন যথেষ্ট গভীৰ। ই সহজ বিচ্ছেদক বাধা দিয়ে আৰু পত্নীক ৰক্ষা কৰে। বিয়া নিৰ্ব্বাচনৰ জৰীয়তে নাইবা দুয়োটা পৰিয়ালৰ জৰীয়তে নিৰ্দ্ধাৰিত হয়। কইনাৰ মূল্য সম্বন্ধীয় মানুহৰ, কোনো কোনো ক্ষেত্ৰত খুৰীয়েক হঁতেও দিয়ে। কইনাৰ মূল্য বিতৰণ ইমান জটিল যে এই দাবীক কেন্দ্ৰ কৰি লেখাৰি নিছিগাকৈ মোকৰ্দ্দমা চলে। সেই মোকৰ্দ্দমা অৱশেষত নিষ্পত্তি নহয়। যৌন বিচ্যুতি কম ঘটে আৰু সেইকাৰণেই জাৰজৰ সংখ্যা তাকৰীয়া।

লাখেৰৰ উত্তৰাধিকাৰিত্ব পিতৃপ্ৰধান। জ্যেষ্ঠ পুত্ৰসন্তানে সকলো সম্পত্তি পায়। এইজনে দেউতাকৰ ঋণ আৰু সংকাৰৰ উৎসৱৰ দায়িত্বও লয়। মাইকীমানুহে কোনো সম্পত্তি পাব নোৱাৰে। পুত্ৰসন্তান নোহোৱাকৈ কাৰোবাৰ মৃত্যু হলে, সেই সম্পত্তি ভ্ৰাতৃয়ে পায়। বিধবাবিবাহ, মাইকী মানুহজনী যদি গাভৰু হয়, অতি সাধাৰণ কথা। পুনৰ বিবাহৰ পিছত বিধবা গৰাকী স্বামীৰ সৈতে থাকে। সন্তান তেওঁৰ লগত বা খুৰাকৰ লগত থাকিব পাৰে।

লুচাইৰ মাজত অজ্ঞাত, লাখেৰৰ মাজত বাল্যবিবাহ থকাটো এটা নিয়ম। ডেকা বা গাভৰু হোৱাৰ পূৰ্ব্বেই পিতৃমাতৃয়ে লৰা-ছোৱালী এহালৰ বিয়া পতাৰ উদাহৰণ আছে। এনে' উদাহৰণো

আছে, বিবাহযোগ্য ডেকা এজনে সৰু ছোৱালী বিয়া কৰাইছে, নাইবা গাভৰু হোৱা ছোৱালী একোজনীয়ে বয়সত ভাইতকৈ সৰু যৌৱনপ্ৰাপ্ত নোহোৱা লৰা এটা বিয়া কৰাইছে। যৌৱন প্ৰাপ্ত হোৱাৰ পিছত লৰা বা ছোৱালীয়ে সঙ্গীগৰাকীক ভাল নোপোৱাৰ উদাহৰণ আছে। এনে অৱস্থাত কইনাৰ মূল্য ঘূৰাই দি বিবাহ বিচ্ছেদো অনুমোদিত হৈছিল।

ছাবকাৰাৱত লাখেৰ মিছন প্ৰতিষ্ঠাপিত হোৱাৰ পাছত, বহুতো লাখেৰ যদিও খৃষ্টান হৈছিল, লাখেৰ সমাজৰ ওপৰত এই নতুন ধৰ্ম মতবাদ টোৰ প্ৰভাৱ যথেষ্ট গভীৰ নহয়, আনকি ১৯৪৭ চনলৈকে বহুতো লাখেৰে পুৰণি ধৰ্ম-মতবাদ অনুসৰণ কৰিছিল। বিশ্বস্ৰষ্টা, লাখেৰৰ ৰক্ষাকৰ্ত্তা স্বৰূপে এওঁলোকে খাজাংপাক স্বীকৃতি দিছিল। এওঁলোকে পাহাৰ পৰ্ব্বত, হাবিবননিত দেৱতা আছে বুলি বিশ্বাস কৰিছিল। খাজাংপা আৰু এই দেৱতা সকলক বলিৰ জৰীয়তে তৃপ্ত কৰিব পাৰি। খাজাংপাক পৰিতৃপ্ত কৰিব পৰাটোৱে আছিল অতি মূল্যবান উৰ্চগা। এওঁলোকৰ মতে এইজনাৰ গুণবোৰ মানুহৰ দৰে। এইজনাৰ এগৰাকী পত্নী, এটা সন্তান থকাৰ উপৰিও এইজনাই মানুহৰ দৰে আহাৰ আৰু লাওপানী খাইছিল। একোজন ব্যক্তিয়ে কৰা কাম আৰু আন মানুহৰ সৈতে ব্যৱহাৰৰ অনুপাতে খাজাংপাই বিচাৰ কৰে বুলি বিশ্বাস কৰা হৈছিল। লাখেৰে আত্মাক বিশ্বাস কৰিছিল। ই চকুৰে নেদেখা। মানুহৰ গাৰ আকৃতি আৰু গঠনত ই প্ৰকাশ পাইছিল। বেমাৰ নাইবা দুৰ্ভাগ্য খাজাংপা আৰু দেৱতাৰ কাম বুলি ধৰা হৈছিল। ইয়াৰ প্ৰতিষেধক স্বৰূপে বলিৰ অনুমোদন আছে। ধৰ্মীয় আৰু সামাজিক ব্যৱহাৰ "অন্ন" অৰ্থাৎ "নেপায়" বোলা শব্দ এটাৰ দ্বাৰা শাসিত। লাখেৰৰ জীৱন আৰু ব্যৱহাৰত এইটো খাই শব্দ। পেৰীয়ে কৰৰ দৰে "অন্ন হৈছে টেন্ কমাণ্ডমেণ্টছ্ ৰ লাখেৰ সংস্কৰণ।" পছিমীয়া মতানুসাৰে এই বাধা নিষেধৰ কিছুমান, যদিও অসম্ভৱ ধৰণৰ, ইয়াৰে কিছুমানৰ সামাজিক মূল্য নোহোৱা নহয় আৰু আমাৰ কিছুমান কুসংস্কাৰতকৈ

কোনো গুণে যুক্তিহীন নহয়। আনৰ সীমা ঠেলাটো "অন্ন"। আনৰ মাটিলৈ কাঁইট দলিওৱাটো "অন্ন"। কণী চুৰ কৰাটো অন্ন। মাইকীমানুহ এগৰাকীয়ে আনৰ ঘৰত সন্তান জন্ম দিয়াটোও "অন্ন।" এইবোৰ আৰু আন বহুতো বাধা নিষেধ শুদ্ধ। এইবোৰে আনক অসুবিধা দিয়াত বাধা দিয়ে। এখন স্বৰ্গৰাজ্য আছে বুলি এওঁলোকে বিশ্বাস কৰে। এওঁলোকৰ মতে, স্বৰ্গৰাজ্য সোমোৱাৰ আগতে "আথিকি" অৰ্থাৎ কোনো মানুহৰ ৰাজ্য নোহোৱা অঞ্চলত কিছুকাল থাকিব লগা হয়। "স্বভাওঁকি" বোলা আন এখন ৰাজ্যৰ কথাও এওঁলোকে বিশ্বাস কৰে। মৃত সন্তানৰ আত্মা একে পিতৃমাতৃৰ ক্ষেত্ৰত পুনৰ জন্ম হয় বুলি লাখেৰৰ দৃঢ় বিশ্বাস আছে।

লাখেৰৰ, আৱশ্যক অনুসাৰে পৰিচালনা কৰিবলৈ যুক্তিপূৰ্ণ ধৰ্ম্ম মতবাদ আৰু সামাজিক অনুষ্ঠান আছে। ১৯৪৭ চনৰ পৰৱৰ্ত্তী কালছোৱাত লাখেৰ অঞ্চলত বহুতো ৰাজনৈতিক পৰিৱৰ্ত্তন হয়। লুচাই পাহাৰত জিলা পৰিষদ হোৱাৰ লগে লগে পাৱৈ-লাখেৰ অঞ্চলৰ কাৰণে আঞ্চলিক পৰিষদৰ দাবী উত্থাপিত হয়। জিলা পৰিষদৰ দৰে আজি এই অঞ্চলটো আঞ্চলিক পৰিষদৰ দ্বাৰা শাসিত। বৰ্ত্তমান লাখেৰ অঞ্চলে আঞ্চলিক পৰিষদলৈ চাৰিজন আৰু জিলা পৰিষদলৈ এজন সদস্য পঠিয়ায়। মুখিয়াল-তন্ত্ৰ বিলোপ সাধন কৰা হৈছে। পঢ়াশালি সমূহত আধুনিক ধৰণেৰে শিক্ষা দিয়া হৈছে। ক্ৰমাৎ লাখেৰ ভাৰতীয় জাতীয়তাবাদৰ সোঁতধাৰাত সোমাই পৰিছে। এওঁলোকৰ কঠোৰ শ্ৰম আৰু সামাজিক জীৱনৰ একতাবোধৰ সংস্কৃতিগত পশ্চাদভূমিয়ে ভাৰতীয় জীৱনধাৰাত উপযুক্ত অংশগ্ৰহণ কৰিব বুলি ধাৰণা কৰা হয়।

২। পাৱৈ:

অসমৰ লুচাই পাহাৰ জিলাৰ মাটিকালি হৈছে ৮,০০০ হেজাৰ বৰ্গ মাইল। প্ৰায়বোৰ মঙ্গোলীয় গোষ্ঠীৰ সংস্কৃতিগত মানুহৰ ই বাসভূমি। এই মানুহ বোৰে তিব্বত-বৰ্ম্মীয় গোষ্ঠীৰ ভাষা কয়।

লুচাই পাহাৰ জিলাৰ দক্ষিণ লুচাই পাহাৰ মহকুমাত থকা পাৱৈ

অঞ্চলৰ মাটিকালি হৈছে প্ৰায় ১,০০০ বৰ্গ মাইল। পূৱৰ পৰা পশ্চিমলৈ বোৱা কলদিন নৈয়ে লুচাইৰ পৰা পাৰৈক বিভক্ত কৰিছে। দক্ষিণ পূৱে চীন পাহাৰ, পশ্চিমে লাখেৰ অঞ্চল। ভালেমান পাৰৈ গাঁও এই অঞ্চলৰ ভিতৰত পৰে যদিও এই অঞ্চলৰ বাহিৰে লুচাই বা কানাই মুখিয়ালৰ অধীনত পাৰৈ মানুহ সৰহকৈ থকা বহুতো গাঁও আছে। বৰ্ত্তমান জনসংখ্যা হৈছে ১৫,০০০ হেজাৰ।

লুচাই আৰু পাওৰি ওচৰচুবুৰীয়া যদিও, এওঁলোকে বেলেগ ভাষা কয়। লুচাই ভাষা বহুতে অৱশ্যে জানে। ই আদানপ্ৰদানৰ ভাষা। অতি সংৰক্ষণশীলা মাইকীমানুহে ইয়াক মিপাটুৰাঙ অৰ্থাৎ মতামানুহৰ ভাষা বোলে। পাৰৈ আৰু চীন একে গোষ্ঠীৰ মানুহ। ব্ৰহ্মদেশৰ মাজেদি বোৱা পৰিভ্ৰমণত পাৰৈ লুচাই পাহাৰৰ পিনলৈ আহে। কাহিনী আৰু লোকগাথাই কয় যে পুৰণিকালত পাৰৈ আৰু লুচাইৰ সম্বন্ধ সৌহাৰ্দ্দাপূৰ্ণ আছিল। পাৰৈ অঞ্চলক লুচায়ে 'বালৰাম' অৰ্থাৎ শত্ৰুৰ ৰাজ্য বুলিছিল। লোকগাথাত লুচাইৰ ছোৱালী পাওৰিয়ে অপহৰণ কৰাৰ উল্লেখ আছে। পাৰৈ আৰু লুচাই অঞ্চলৰ মাজভাগত থকা "কানাই" কূটনৈতিক বিদ্যাত পাৰ্গত। এওঁলোকে পাৰৈ আৰু লুচাইৰ মাজত বুজাপৰাৰ প্ৰায়েই সৃষ্টি কৰিছিল।

আনহাতে পাৰৈ আৰু লাখেৰৰ মাজৰ সম্বন্ধ সৌহাৰ্দ্দ্যপূৰ্ণ আৰু দুয়োটা জাতিৰ ভিতৰত বিবাহ সাধাৰণ নহলেও, সঘনে হৈছিল। পাৰৈ আৰু লাখেৰে দক্ষিণ লুচাই পাহাৰত সংগঠিত অভিযান চলোৱাৰ কাৰণে এইটো সম্ভৱ হৈছিল। যদিও ডোখৰ ডোখৰ হৈ সুকীয়া জনজাতিত বিভক্ত হৈছিল, তথাপি পাৰৈ আৰু লাখেৰৰ গোষ্ঠী যে একে, সেই বিষয়ে বাস্তৱতে প্ৰমাণৰ অভাৱ নহয়। এনে কিছুমান জনজাতি আছে, যিবোৰ পাৰৈ আৰু লাখেৰৰ মধ্যৱৰ্ত্তী মানুহ। কিছুমান অধিকভাৱে পাৰৈ আৰু কিছুমান অধিকভাৱে লাখেৰ।

প্ৰথম লুচাই অভিযান ১৮৬৯ চনত অনুষ্ঠিত হয়। ১৮৭১ চনত

লুচাই অঞ্চলত কাছাৰ আৰু চট্টগ্ৰামেদি প্ৰৱেশ কৰা হয়। ক'লদিন নৈৰ সিটো পাৰৰ অঞ্চল এই অভিযান সমূহে স্পৰ্শ কৰা নাছিল। চট্টগ্ৰাম পাহাৰ অঞ্চলৰ ডেমাগিৰি বোলা ঠাইৰ দাঁতি কাষৰীয়া গাঁও অঞ্চলত চেংগো বোৰে আক্ৰমণ চলাই আছিল। যেতিয়া ১৮৮৮ চনত ছাৰ্ভে কামত ব্যস্ত থকা লেফটেনাণ্ট জন ষ্টুৱৰ্ট টিক হোছাটা বোলা চীন এজনে হত্যা কৰে, তেতিয়াই অৱস্থাই গুৰুতৰ ৰূপ লয়। ইয়াৰ কাৰণেই ১৮৮৮-৮৯ চনত চীন-লুচাই অভিযানৰ সূচনা হয়। ইয়াৰ পৰিণতি স্বৰূপে চীন আৰু লুচাই পাহাৰ ক্ৰমাৎ বৃটিছৰ অধীনলৈ আহে। এই মানুহবোৰৰ বিষয়ে সঠিক খবৰ দিওঁতা কেপ্তেইন শ্বেকছ্পীয়েৰ ১৮৯০ চনত দক্ষিণ লুচাই পাহাৰৰ লুঙ্লেত নিকপ্কপীয়া হয়।

১৮৯১ চনত জাখাপা বোলা এজন পাৱৈ মুখিয়ালে লুঙ্লেৰ ৰাজনৈতিক বিষয়া মি মুৰেক হত্যা কৰিবলৈ যত্ন কৰে। এইজনাক শাস্তি বিহিবলৈ এক অভিযান আৰম্ভ কৰা হৈছিল। ক্ৰমাৎ পাৱৈ আৰু লাখেৰ অঞ্চল বৃটিছৰ শাসনাধীন হয়। পাৱৈ সকলক প্ৰশিকনি দিয়াৰ মানসেৰে বৃটিছে মহকুমাৰ সদৰঠাই লুংলে, ডাৰ্জ' আৰু অৱশেষত টুইপেঙত সামৰিক কোঁঠ পাতে।

ইয়াৰ পিছত সংস্কৃতি প্ৰদান আৰম্ভ হয়। ইয়াৰ ঘাই আহিলা হৈছিল লুচাই দোভাষী সকল। এওঁলোকে লুচাই ভাষা লগত লৈ অহাৰ উপৰিও, লুচাই ধৰণেৰে কিছুমান পাৱৈ ৰীতি-নীতি গ্ৰহণ কৰালৈকো ৰবঙনি যোগাইছিল। ব্ৰহ্মদেশৰ চীন সকলৰ সৈতে পাৱৈৰ সামাজিক সম্বন্ধ চলি থাকিল। মাজে মাজে উদয় হোৱা মতৰ সংঘাত মষিমুৰ কৰিবলৈ ব্ৰহ্মদেশ আৰু ভাৰতৰ ওচৰচুবুৰীয়া ছুখন জিলা বিষয়াৰ বাৰ্ষিক বুটীয়া সীমান্ত সভা পতা হৈছিল।

এওঁলোকৰ সমাজ সংগঠনৰ ঘাই কেন্দ্ৰ হৈছে গাঁও। বুঢ়ামেথাৰ লগত লৈ মুখিয়ালে আইন-শৃঙ্খলা ৰক্ষা কৰাৰ উপৰিও ৰীতি অনুসাৰে বিচাৰৰ মীমাংসাও কৰে। ঘাই কৰ্ম্মসংস্থান হৈছে ঝুম পদ্ধতিৰ খেতি। যন্ত্ৰধানৰ প্ৰতি আকৰ্ষণ অধিক হোৱা হেতুকে

পাৰৈয়ে ধানখেতি সৰহীয়াকৈ নকৰে। পিন্ধা কাপোৰৰ বাবে সাধাৰণতে তাঁতত বোৱা কাপোৰৰ ওপৰতহে এওঁলোক নির্ভৰশীল। উৎসৱৰ সময়ত এওঁলোকে বেচমী কাপোৰ পিন্ধে। ব্রহ্মদেশৰ সূতাৰে এইবোৰ হাতে বোৱা বস্ত্র। মতামানুহে এতিয়াও সাধাৰণতে চুটি কাপোৰ পিন্ধে আৰু কাপোৰ লয়। এওঁলোকে সাধাৰণতে দীঘলকৈ চুলি ৰাখি কপালৰ ফালে খোপা বান্ধে। এনেদৰে ৰখা চুলিৰ কাৰণে লুচায়ে চীনমানুহকো পাৰৈ বোলে। কথা এষাৰ মন কৰিব লগীয়া যে দীঘল চুলিৰ কাৰণে লুচায়ে শিখকো ৱাই-পাৰৈ অর্থাৎ বিদেশী পাৰৈ বোলে।

মাইকীমানুহৰ সাজ-পোছাক ধুনীয়া। সাধাৰণতে মাইকীমানুহে ছুডোখৰ কাপোৰ পিন্ধে। এডোখৰ স্কার্টৰ দৰে আৰু আনডোখৰ ইয়াৰ ওপৰত। এইডোখৰ আঠুলৈকে বৈ পৰা। কোনো কোনো সময়ত এওঁলোকে চাদৰ এখন লোৱাৰ উপৰিও চলিৰ লেখীয়া ব্লাউজ পিন্ধে। সামাজিক মর্য্যাদা অনুসাৰে চাদৰখন অধিক বিস্তৃত আৰু দামী হয়। ডিঙি, হাত, কাণ আৰু কিলাকুটিত মাইকীমানুহে মণিৰ বহুতো অলঙ্কাৰ পিন্ধে। আজিও পাৰৈ মাইকীমানুহে টিকাৰ ওপৰত ধাতুৰ এডাল মেৰবান্ধ পিন্ধে। পিন্ধোতা গৰাকী খোজ কাঢ়োঁতে এইডালে শব্দ কৰে। চুলিৰ পিনৰ দৈর্ঘ্যই মাইকী মানুহ এগৰাকীৰ সামাজিক মর্য্যাদাৰ কথা কয়। লুচাইত কৈ এওঁলোকৰ চুলিৰ সাজসজ্জা অধিক ব্যাপক। এওঁলোক আজিও মনোগ্রাহী। পর্ব্বতীয়া হাবিৰ মাজত থকা হেতুকে এওঁলোকে পশ্চিমৰ প্রভাৱৰ হাত সাৰি আছিছে। চমুকৈ কবলৈ গলে, উত্তৰ ভাগৰ ওচৰচুবুৰীয়া সকলৰ দৰে এওঁলোক জটিল নোহোৱাকৈ আছে।

পাৰৈৰ মাজত জ্যেষ্ঠ পুত্র সন্তানে পিতৃৰ সম্পত্তি পায়। মুখিয়াল বচাৰ ক্ষেত্রতো এই নিয়ম পালন কৰা হয়। লুচাইৰ মাজত থকাৰ দৰে পাৰৈ ডেকা ডেকাচাংৰ শৃঙ্খলাধীন নহয়। লুচাইৰ সাহসৰ বুৰঞ্জীয়ে সাৱ্যস্ত কৰা "সৎ-প্রণালী"ৰ মানদণ্ড পাৰৈৰ মাজত নাই। মুখিয়ালৰ কর্তৃত্ব নিশকতীয়া। মানুহবোৰ সাধাৰণতে

বিবাদ-প্ৰিয়। এওঁলোকে পুৰণি কাজিয়া পুনৰুদ্ধাৰ কৰি ভাল পায়।

পৌৰাণিক বাঘ এটাৰ পৰা পাৰৈৰ উৎপত্তি বুলি ভবা হয়। হাতত বাঘৰ মুৰ লৈ কৰা নৃত্য সঁচাই আকৰ্ষণীয়। ইয়াৰ সৈতে বহুতো ধৰ্ম্মীয় তাৎপৰ্য্য নিহিত হৈ আছে। পাৰৈ নৃত্যবিশাৰদ। লুচাইৰ লেখীয়াকৈ নহয়, নাচবোৰত মতামাইকী উভয়ে যোগ দিয়ে। ইয়াৰ ভিতৰত অতি প্ৰখ্যাত নৃত্য হৈছে "খেল্ল্ হন"।

দেশৰ ৰাজ্যভাৰ হাতত লৈয়েই বৃটিছে অঞ্চলটোলৈ শান্তি আনে। প্ৰশাসনীয় কামে বাধ্য কৰা হেতাওপৰাৰ বাহিৰে ৰীতি আৰু ঐতিহ্য অনুসাৰে গাঁও পৰিচালনা কৰিবলৈ মুখিয়াল আৰু বুঢ়ামেথা সকলক এৰি দিয়া হৈছিল। পাৰৈৰ মাজত শিক্ষাবিস্তাৰ ইতিমধ্যে খৰগতিত হোৱা নাই। গাঁৱৰ প্ৰশাসনৰ সৈতে সংযোজিত হবলৈ জনপ্ৰিয় এক দাবী উত্থাপিত হৈছে। কথাযাৰে সংবিধানৰ ষষ্ঠ অনুসূচীতে বঢ়িয়াকৈ স্বীকৃতি পাইছে। ১৯৫৩ চনত গাঁও পৰিচালনাৰ ক্ষেত্ৰত সকলো ক্ষেত্ৰতে স্বতন্ত্ৰতা দিওঁতা স্বশাসিত অনুষ্ঠান আঞ্চলিক পৰিষদ উদ্বোধন কৰা হয়। এই পৰিষদ খনত পাৰৈ, লাখেৰ আৰু অন্যান্য কিছুমান জনজাতিৰ বাৰ গৰাকী সদস্য আছে। ইয়াত এওঁলোক থকা দক্ষিণ লুচাই পাহাৰ সন্নিবিষ্ট। ইয়াত পাঁচজন পাৰৈ সদস্য আছে। সাত হেজাৰ ফুটীয়া, জিলাখনৰ ভিতৰত সবাতোকৈ ওখ নীল পৰ্ব্বতৰ দ্বাৰা পৰিবেষ্টিত পাৰৈ অঞ্চল জাৰৰ দিনত মনোৰম আৰু বৰষুণৰ দিনত অলজ্ঞনীয় হয়। নীল পৰ্ব্বতত এতিয়াও বনৰীয়া ছাগলী আছে। ইয়াত অতি মনোৰম বনৰীয়া কপৌ ফুল পোৱা যায়। সুন্দৰ মানুহৰ কাৰণে পাৰৈ অঞ্চল সঁচাই সুন্দৰ।

প্লেট ৮—ঢোল নগার সহযোগে নৃত্য

প্লেট ৭—খাসী নংক্রেম নৃত্য

প্লেট ৬—জয়ন্তীয়া তিবোতা হাটৈল ওলাইছে

প্লেট ৫—স্নানৰ পিছত এগৰাকী মিকিৰ তিৰোতা

অধ্যায় ৯

লোক কথা

১। গাৰো ঃ

আবং নগা ৰজা আৰু ৰাণী *

বৰ্ত্তমান আবেং, মাৎ্সি, কৎস্ন, আৱে, ডুৱল, ছিছক্, আতং, মেগম্ আৰু গাৰাগান্ছিং, সকল থকা ভিতৰ পৰ্ব্বতত এসময়ত ৰজা আবং নগা আছিল। এইজনাক নোক্মা আবং ছিবে[illegible] বুলিও জানিছিল। এওঁৰ পত্নী আছিল ম্বাম্ৰুং ফৈদৰ।

এসময়ত আছিক্ আছঙৰ সেউজীয়া মনোৰম মাটিত খৰাং হৈ আকাল হৈছিল। ছিম্ছং নৈ 'মৃগ্ৰাবি' বোলা ঠাইত শুকাই পানী নোহোৱা হৈছিল। ইডেক্ নৈৰ আৰুডং ৰাৱি পানী অৱ্ৰনীয়া হ'ল। আছিক্ আছঙ পাহাৰ আৰু সমতল ভূমি জীৱহীন খৰাং মৰুভূমি হ'ল। এই খৰাং বতৰ সাতবছৰ কাল চলিল।

আহাৰ আৰু পানীৰ কাৰণে হাঁহাকাৰ কৰা প্ৰজাক ৰখোৱে ৰজা আবং নগাই কামত লগালে। ছিম্ছং নৈৰ দ'পাল মৃগৰাবিৰ ওচৰত মংগ্ৰে পাহাৰত এওঁ এটা মাছাং ঘৰ সজালে। বঙ্বিজিৰি গাঁৱৰ মানুহক শিলনীৰ পানীৰ পৰা "এৰা" মাছ ধৰিবলৈ আদেশ দিয়া হ'ল। বেৱাক্ আৰু সাঁজু গাঁৱৰ মানুহক নিজৰ ৰান্ধনিশালৰ কাৰণে বৰ বৰঁ মাছ ধৰিবলৈ আদেশ দিয়া হ'ল। ইমাঙ্গিৰিৰ ৰাইজক তেওঁৰ গৰুৱে পানী খাবলৈ কাঠৰ পাত্ৰ কৰিবলৈ আদেশ দিয়া হ'ল। বঙ্মাগ্ৰি আৰু ডাপ্ছিগ্ৰীৰ স্থানীয় মাটিৰে কাঁহী আৰু পাত্ৰ সাজিবলৈ আদেশ দিয়া হ'ল। পাত্ৰবোৰ ভাল নে বেয়া, সেইটো আঙুলিৰ মূৰেৰে ৰজাই পৰীক্ষা কৰি চোৱা হ'ল।

আনবোৰ গাঁৱকো বেলেগ বেলেগ কাম কৰিবলৈ আদেশ দিয়া

---

*ট্ৰাইবেল ক'ক টেইলছ অব্ আসাম (হিলছ্)। এছ বৰকটকীৰ দ্বাৰা সংগৃহীত আৰু অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত। ইয়াত পশিচটা এনেধৰণৰ সাধু আছে।

হ'ল। ছিছক্ সকলক যৰধান খেতি কৰিবলৈ আৰু গাথীৰ খীবাবলৈ আদেশ দিয়া হ'ল। বাগ্রীৰ মানুহক কেকোঁৰা ধৰি কেকোঁৰাৰ কণী ডাঙৰ মাটিৰ পাত্রত সাঁচিবলৈ আদেশ দিয়া হ'ল। ছিমছাগ্রীৰ মানুহক গাহৰি পুহিবলৈ আদেশ দিয়া হ'ল। মাৎসীৰ মানুহক যৰধান খেতি কৰিবলৈ আৰু ভাটৌ চৰাই পুহিবলৈ আদেশ দিয়া হ'ল। আবেং সকলক তেওঁৰ কাৰণে কপাহ খেতি কৰিবলৈ কোৱা হ'ল। দৰঙ্গ্রীৰ মানুহক কুঁহিয়াৰৰ ৰস গোটাবলৈ কোৱা হ'ল। গাৰাগানছিঙক গাহৰিৰ বাবে কাঠৰ খোৰোং আৰু টুল সাজিবলৈ কোৱা হ'ল। কৎসুক জুইৰ ওপৰত মাছ সেকিবলৈ কোৱা হ'ল। আহৰি সকলক বাঁহগাজ গোটাবলৈ কোৱা হ'ল। বংগ্রেং ডান্খণ্ডৰ মানুহক চম্বল আহ্দিণ্ডত, চম্বলৰ পাহাৰত গৰু চৰাবলৈ আদেশ দিয়া হ'ল। এইদৰে বিধে বিধে মানুহক বিধে বিধে আদেশ দিয়া হ'ল।

এনেদৰে ভীষণ খৰাং বতৰৰ অন্ত পৰাৰ পিছত ৰজা আৰু নগাৰ প্ৰজা সকলে তেওঁৰ বিপক্ষে বিপ্লব কৰিলে। কাৰণ তেওঁলোক আছিক্ আছেঙ্ বোলা মনোৰম ঠাইত এনেদৰে অত্যাচাৰিত হৈ আৰু থাকিব নোৱাৰে। গোপনতে এওঁলোকে ধানৰ খৰাহিৰে চেঁচা মাৰি ধৰি মনে মনে উশাহ নিশ্বাহ বন্ধ কৰি ৰজাৰ দ্বিতীয় জ্যেষ্ঠা কন্যা মেনীক হত্যা কৰিলে। ৰজাৰ তৃতীয় কন্যা মেজীক কপাহেৰে ঢাকি জীয়াই জীয়াই পুতি হত্যা কৰা হ'ল। এওঁলোকে বনৰীয়া কলৰ এথন ভুৰ সাজি ৰজাৰ চতুৰ্থ গৰাকী জীয়ৰী চিনিক ছিম্ছঙ্ নৈত উটুৱাই দিলে। এওঁলোকে ৰজাৰ প্ৰহৰীক আক্ৰমণ কৰি ৰজা আৰু ৰাণীক জীয়াই জীয়াই ধৰিবলৈ যত্ন কৰিলে। ৰজা আৰু নগা আৰু তেওঁৰ ৰাণী ছিল্মে ডোকা দুৰ্গা পৰ্ব্বতৰ নোক্ৰেক্ পাহাৰলৈ পলাই গৈ তাতে বাকীছোৱা দিন কটালে।

ৰাণীয়ে কায়িক শ্ৰমৰ কথা একোকে নাজানিছিল। এওঁ আনকি ভাত আঞ্জা কেনেকৈ ৰান্ধিব লাগে তাকো নাজানিছিল। ধান, অন্যান্য শস্যাদি যেনে যৰধান আৰু আন খাদ্যবস্তুৰ কেনেকৈ খেতি

কৰিব লাগে, সেইবিষয়েও একো নাজানিছিল। লগত তেওঁৰ বন কৰা মানুহো কম আছিল। এইবোৰ পলৰীয়া ৰাণীৰ সৈতে অনুসন্ধিৎসুতাৰ কাৰণে, আনুগত্যৰ কাৰণে গৈছিল। ষকৰা কামত এওঁৰ বিফলতা উপভোগ কৰিবলৈ সিহঁতে বিচাৰিছিল। সকলো প্ৰকাৰে ইহঁতে তেওঁক আমনি দিবলৈ ধৰিলে। এওঁৰ কষ্ট গুচাবলৈ একোকে নকৰিলে।

এদিন প্ৰয়োজনীয়তাৰ হেঁচাত দুৰ্ভগীয়া ৰাণী গৰাকীয়ে ধান, যৱধান আৰু অন্যান্য শস্যৰ গুটি সিঁচিবলৈ, তেওঁক পৰামৰ্শ দিবলৈ বন কৰা মানুহহঁতক খাটিলে। সিহঁতে তেওঁক সোনকালে গজিবলৈ গুটি আধা সিজাই মাটিত কাঠৰ কোৰেৰে গুটিবোৰ কৰ লাগে বুলি কলে। ৰাণীয়ে ইহঁতৰ উপদেশ আখৰে আখৰে পালন কৰিলে। ইমান ভালকৈ ৰোৱা গুটিবোৰ অৱশেষত নগজা দেখি ৰাণী বৰ আচৰিত হ'ল।

এইদৰে কোনো সহায় নোপোৱা ৰাণী ছিলমে ডোকে এদিন খৰি কেনেকৈ ফালিব লাগে সেইবিষয়ে বন কৰা মানুহহঁতক সুধিলে। বন কৰা মানুহহঁতে কলে: "আমি আঠুৰ ওপৰত লৈ খৰি ফালোঁ।" ৰাণীয়ে এই প্ৰতাৰণা কৰা উপদেশটো পালন কৰিলে। কামটো কৰোঁতে আঠুত লগা গভীৰ ঘাৰ কাৰণে ৰাণীৰ মৃত্যু হ'ল।

ৰজা আৰু নগাৰ তৃতীয় কন্যা মেজৌৰাণীৰ একনী সৰু ছোৱালী আছিল। এই সৰু ছোৱালীজনী মেজৌ ৰাণীৰ এজনী বনকৰা ছোৱালীৰ হাতত আছিল। সেইটো সময়তে ওপৰত কৈ অহাৰ দৰে প্ৰজাবৰ্গই মেজৌৰাণীক হত্যা কৰিছিল। হত্যাকাৰীয়ে মেজৌ-ৰাণীৰ ছোৱালী জনীকো হত্যা কৰিব খুজিছিল। লোগাং বোলা মৰমিয়াল বনকৰা মানুহ জনীয়ে সিহঁতক কলে, "এইজনী মেজৌৰাণীৰ ছোৱালী নহয়, মোৰহে ছোৱালী। তাইক তোমালোকে হত্যা নকৰিবা।" ৰাজসন্তানক ৰক্ষা কৰাৰ মানসেৰে বন কৰা মানুহজনীয়ে হত্যাকাৰী প্ৰজাক মিছা কথা কলে। বন কৰা মানুহজনীয়ে ৰজাৰ এই সন্তানক যত্ন সহকাৰে লালন পালন কৰি ডাঙৰদীঘল কৰিলে।

সময়ত তাই এজনী ধুনীয়া ছোৱালী হ'ল। মেজীৰাণীৰ ছোৱালীজনীৰ নাম আছিল কেমী। অৱশেষত কেমীক গবেলামেজেংপাৰ সন্তান এজন উচুং ৰজাৰ সৈতে বিয়া দিয়া হ'ল। নংষেৰ ফৈদৰ গবেলা মেজেংপা বিন্দেৰগুৰু অঞ্চলৰ এজন প্ৰতাপী স্বাধীন আছিক্ মুখিয়াল আছিল। গবেলা মেজেংপা আৰু তেওঁৰ সন্তান উচুঙৰ আগত নোগাঙে কেমীৰ প্ৰকৃত বুৰঞ্জী কলে।

আদিতে উচুঙে বৰ্ত্তমানৰ পূববঙ্গৰ মৈমনসিং জিলাৰ চুচুং অঞ্চলৰ চুহ্‌চঙত আখিম্ ভূমিৰ (উত্তৰাধিকাৰী সূত্ৰে পোৱা মাটি) প্ৰতিষ্ঠা কৰে। উচুঙৰ জ্যেষ্ঠ সন্তান দূৰ্গা স্বাম্ভুৰ নাম অনুসাৰে চুচুঙক দূৰ্গাপুৰ বোলা হৈছিল। উচুং, চীনথাং মাণ্ডা ফৈদৰ। সময়ত (অৰ্থাৎ ১২৮০ খৃষ্টাব্দত) অসৎ উপায়েৰে সোমেশ্বৰ পাঠক বা সোমেশ্বৰ ঠাকুৰ বোলা সন্ন্যাসী এজনে চুচুঙত ৰাজত্ব কৰা এজন নাতিলৰাক বইচা ৰজাক সিংহাসনচ্যুত কৰি চুচুঙৰ আখিম্ ভূমি কৰায়ত্ত কৰে।

২। খাছিয়া :

উ মানিক ৰাইটং :

মৰি নাইকীয়া হোৱা ফৈদৰ একমাত্ৰ সন্তান আছিল উ মানিক। ৰাইজে এওঁক "উ ৰাইটং" (নিঠৰুৱা) বুলিছিল। উ-ৰাইটং বিষাদম্লান আছিল। এওঁৰ চকুৰপানী সহজেই ওলাইছিল। গোটেই নিশাটো বাঁহী বজাই এওঁ কিছু সান্ত্বনা পাইছিল। দিনটো ফটাচিটা কাপোৰ পিন্ধি, গাত ছাই সানি এওঁ কাম কৰিছিল। নিশা গা ধুই ভাল কাপোৰ পিন্ধি এওঁ বাঁহী বজাইছিল। সময়ত বাঁহীত করুণ সুৰ বজোৱাৰ ক্ষেত্ৰত উ ৰাইটং পাৰ্গত হয়। এনিশা ৰাণীয়ে উ ৰাইটঙৰ বাঁহী শুনি সুৰত সম্মোহিতা হ'ল। সেই সময়ত ৰজা প্ৰাসাদত নাছিল। ৰাণী অস্থিৰ হৈ প্ৰাসাদ এৰি সেই করুণ সুৰৰ উঁহ বিচাৰি ওলাল। উ-ৰাইটঙৰ ঘৰৰ পৰা এনে এক মনোৰম সুৰ ধ্বনিত হোৱা দেখি তেওঁ আচৰিত হ'ল। ভাল কাপোৰ কানি পিন্ধি

তেওঁ ধুনীয়া হৈ পৰিছে। সঙ্গীতৰ সুৰৰ সোৱাদে তেওঁক অলঙ্ঘনীয় ভাবে মনোৰম কৰিছে। ৰাণী তেওঁৰ প্ৰেমত পৰিল। দুৱাৰখন খুলিবলৈ তেওঁক কলে। সেই কথাত তেওঁ কোনো মন কাণ নিদিলে। মুৰ জোকাৰি তাল দি তেওঁ বজাই থাকিল। দুৱাৰ খনেদি জোৰকৈ ৰাণী ভিতৰলৈ সোমাই গল। "তুমি তেনেকৈ কোৱাটো অনুচিত হৈছে। তুমি আমাৰ ৰজাৰ, গৰাকীৰ সহধৰ্ম্মিনী।" ৰাণী তেওঁৰ কৰ্ম্মপদ্ধতিত অবিচল আছিল। অৱশেষত উ বাইটং মান্তি হ'ল। সময়ত ৰাণীৰ এটা পুত্ৰসন্তান হ'ল।

সময় পাৰ হ'ল। সন্তানটো আঁঠৰমহীয়া হ'ল। ৰজা'ৰ কাম শেষ হলত প্ৰাসাদলৈ প্ৰত্যাৱৰ্ত্তন কৰিলে। নকৈ হোৱা সন্তানটোৰ সৈতে পত্নীক দেখি আচৰিত হ'ল। এই নতুন আৰু আচৰিত ঘটনাটোৰ বিষয়ে বিচাৰ লৈও তেওঁ একো জানিব নোৱাৰিলে। অৱশেষত তেওঁ এখন সভা পাতিলে। এই সভাত ৰাজ্যৰ সকলো মতামানুহ থাকিব লাগিব বুলি কোৱা হ'ল। লগত এডোখৰ কল লৈ আহিবলৈ তেওঁক প্ৰত্যেকজন মতা মানুহকে আদেশ দিলে। ৰজাই এইটো উপাযেৰে ৰহস্য উদ্ঘাটন কৰিব পাৰিব বুলি ভাবিছিল। কল দিয়াৰ লগে লগে সন্তানটোৰ পিতৃত্ব তৎক্ষণাৎ ধৰা পৰিব। বহুতো আহিল। প্ৰত্যেকেই যত্ন কৰিলে। কোনেও সঁহাৰি নাপালে। ৰজাই তেতিয়া কোনোবা মতামানুহ অহা নাই নেকি বুলি সুধিলে। "হয়, উ বাইটং, বেচেৰাক আমনি দিব নালাগে।" তেওঁ কলে: "যেহেতু মতামানুহ, তেওঁ আহক।" সিহঁত গৈ সভালৈ তেওঁক লৈ আহিল। উ বাইটঙে কলৰ পৰীক্ষা দিব লগা নহল। তেওঁক দেখিয়েই সন্তানটোৱে এটা চিনাকী হাঁহি মাৰিলে।

তেতিয়া সভাই একমত হৈ সিদ্ধান্ত কৰিলে।

ৰজাৰ পত্নীৰ সৈতে উ বাইটং যৌন-ব্যভিচাৰত লিপ্ত হৈছে। কোৱাই উ বাইটঙক মৃত্যু বিহা হওক বুলি ৰজাই আদেশ দিলে। উ বাইটঙে শেষ ইচ্ছা এটা পূৰণৰ কাৰণে মিনতি জনালে, "নিজকে পুৰি মাৰিবলৈ মোক একুৰা চিতাজুই যোগাৰ কৰি দিয়ক। তেওঁৰ

ইচ্ছা পূৰণ্‌ কৰা হ'ল। চিতাজুই কুৰা সাজি উ ৰাইটঙক তেওঁৰ কাম কৰিবলৈ কোৱা হ'ল। ভালকৈ গা পা ধুই ভাল কাপোৰ পিন্ধি জুইকুৰাৰ পিনে পিঠি দি (জুইৰ পৰা তেওঁৰ মুখ আঁতৰত আছিল) বাঁহী বজাই তেওঁ আগবাঢ়িবলৈ ধৰিলে। উ ৰাইটঙক কেতিয়াও এইটো ৰূপত নেদেখা মানুহ আচৰিত হ'ল। যেতিয়া ভাল কাপোৰকানি পিন্ধি চিতাজুইৰ ফালে ৰাণীও আগবাঢ়িল, সেই দৃশ্য দেখি মানুহবোৰ আৰু আচৰিত হ'ল। জুইকুৰা তিনিবাৰ প্ৰদক্ষিণ কৰি উ ৰাইটঙে বাঁহীটো মাটিত ওপৰলৈ মুখ কৰি পুতি মৃত্যুৰ বুকুলৈ জাপ দিলে। ৰাণীয়েও একে কামকে কৰিলে। জুইকুৰা এটা পুখুৰী হ'ল। ইয়াত ওপৰলৈ গাঁথি থকা বাঁহ গছ গজি উঠিল। এইবোৰ আজিও আছে।

৩। **জয়ন্তীয়া :**

কাৰিয়াৎ ইয়াম্‌ ছিয়েৰ

(গুলীৰন্ধ্ৰ পছু এটা দেখি কন্দা হেলনীয়া পৰ্ব্বত)

জোৱাইৰ পৰা বাৰমাইল দূৰৰ লাটুবৰ নামেৰে গাঁও এখনত এসময়ত এজন মানুহ আছিল। এওঁৰ নাম আছিল উ চিতাং। এওঁ বলী আৰু সবল মাংসপেশীৰ আছিল। এওঁ কমাৰৰ কাম কৰিছিল। মানুহজন ইমান বলী আৰু শক্তিশালী আছিল যে আন বলী মানুহক দেখিলেই তেওঁক যুঁজলৈ আহ্বান জনায়। এবাৰ তেওঁক জয়ন্তীয়া ৰজাৰ বাণিজ্য আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী উ বৰ্কচেইনক ৰৰখাত গাঁৱত ৰজাৰ এখন পত্ৰ লৈ আহ্বান জনাইছিল। ৰজাই নিজেই কথাটো মীমাংসা কৰি উ চিতাঙক এশিকনি দিব লগা হৈছিল।

দিনে নিশাই গাত এখন গধুৰ কাপোৰ (ধুপ) মেৰিয়াই লোৱাৰ (কুক) কাৰণে মানুহে তেওঁক "উ কুপধুপ" বুলিছিল। জাৰ জহ সকলো সময়তে এওঁ এই কাপোৰখন লৈছিল। নিশা পাটীত তেওঁ এই কাপোৰ খনেৰে উম লৈছিল, তেওঁক বিছনাচাদৰ বা লেপ নালাগিছিল। এওঁৰ কাপোৰ খন এক মোন মান গধুৰ আছিল।

ইয়াক তেওঁ ধনৰ মোনাৰ দৰে ব্যৱহাৰ কৰিছিল। ইয়াৰ ভিতৰত এওঁ ধন থৈছিল আৰু যেতিয়াই কাৰোবাক কিবা দিব লগা হৈছিল, সৰু বিন্ধা এটা কৰি, তাৰ পৰা তেওঁ ধন উলিয়াইছিল। ভালকৈ নজনা মানুহে তেওঁক মূৰ্খ বুলি ভাবিছিল।

উ চিতাং একনিষ্ঠ আৰু পৰিশ্ৰমী আছিল। ওচৰচুবুৰীয়া অঞ্চলৰ বাবে তেওঁ যথেষ্ট পৰিমাণে অস্ত্ৰপাতি তৈয়াৰ কৰিব পাৰিছিল।

উ চিতাঙৰ দুজনী ভনীয়েক আছিল। ইহঁত দুজনীক তেওঁৰ ভাল পাইছিল। সৰু হৈ থাকোঁতেই পিতৃমাতৃ উভয়ৰে মৃত্যু হৈছিল। গতিকেই উ চিতাঙে ভনীয়েকহঁতৰ কল্যাণ আৰু জীৱিকাৰ কাৰণে যথেষ্ট পৰিমাণে দায়িত্ব লব লগা হৈছিল। উ চিতাঙ্ বৰ কৰ্ত্তব্যপৰায়ণ আছিল। এওঁ শ্ৰম কৰি ভনীয়েকহঁতক এক সুখী আৰু সমৃদ্ধিশালী জীৱন দিব পাৰিছিল। বয়স হ'লত আৰু অপৰ্য্যাপ্ত পৰিমাণে ধন বাঢ়িলত, সেইঠাইৰ মানুহে তেওঁক সন্মান কৰিবলৈ ধৰিলে। তেওঁক সকলো সামাজিক আৰু ৰাজনৈতিক কথাতে নেতা আৰু মুখ্য প্ৰবক্তা স্বৰূপে গণিতা কৰিলে। এইজনাই কথা কওঁতে দ্বিমতৰ কোনো কথা থাকিব নোৱাৰে। এওঁ বৰ প্ৰভাৱশালী ব্যক্তি হ'ল।

নিজৰ ধনেৰে কৰিব লগীয়া অভিযানৰ উদ্দেশ্যৰে ওচৰৰ ঘন অৰণ্যানীত তেওঁ যেতিয়া এটা ভোজ পাতিলে, তেওঁ সকলো বলী আৰু শক্তিশালী মানুহক অভিযানত যোগ দিবলৈ। নিমন্ত্ৰণ জনালে। অৰণ্যানীত বহুত দিন থকা সত্বেও এওঁলোকে গুলিয়াবলৈ একো চাৰি ঠেঙীয়া জন্তু নাপালে। অৱশেষত এওঁলোকে বিৰাট এটা পহু দেখিলে। ইয়াৰ শিঙৰ পৰা বহুতো শিং ওলাইছে। পহুটোৱে চিকাৰীৰ গম পাই সিহঁতক ঠগিবলৈ যত্ন কৰিলে। চিকাৰীহঁতে পহুটো বিচাৰি গল। পাহাৰৰ হেলনীয়া এডোখৰ পাই পহুৱে জানিলে—সি আগ বাঢ়িব নোৱাৰে, বা পিছলৈকো ঘূৰিব নোৱাৰে। আগফালে পাহাৰৰ হেলনীয়া ডোখৰ। পিছফালে আৰু তাৰ

ছুয়োকাষে চিকাৰীবোৰ। আন একো উপায় নাপাই সি সমদলটো ভাঙি ওলাই যোৱাটোকে ঠিক কৰিলে। এইটো সি কৰিলে। উ চিতাঙে'যাঠী মাৰি তাৰ বুকখন ডোখৰ ডোখৰ কৰিলে। পহুটো সেইঠাইতে মৰিল। উ চিতাঙে সদায়েই তাৰ প্ৰতি ভনীয়েক তুজনীৰ মৰম জুখিবলৈ বিচাৰিছিল। এই তুজনীৰ ভিতৰত কোনজনীয়ে তাক বেচি ভাল পায়। সেইটো কথা জানিবলৈ বিচাৰিছিল। পৰীক্ষাৰ কাৰণে এইটোৱেই ভাল সুযোগ বুলি তেওঁ ভাবিলে। তেওঁ সিহঁতৰ ওচৰলৈ দূত এজন পঠিয়াই সিহঁতৰ ককায়েকে ভুলতে পাল খাই থকা ষাঁৰ গৰু এটাক গুলিওৱাৰ কাৰণে বন্দী হৈছে বুলি কবলৈ কলে। তেওঁ দূতক ভনীয়েকহঁতৰ পৰা তেওঁৰ মুক্তিৰ কাৰণে তৎক্ষণাৎ ধন লাগে বুলি কবলৈকো কলে।

দূত কেইজন পোনতে কনিষ্ঠা ভগ্নী গৰাকীৰ ঘৰলৈ গল আৰু কলে: "হেৰা কংদিয়া (ভনীয়েকক মৰমেৰে মতা জয়ন্তীয়া ভাষাৰ এটা শব্দ) ভুলতে খেতিয়ক এজনৰ ষাঁড়গৰু এটা গুলিয়াই মৰাৰ অপৰাধত তোমাৰ ককাইদেৱেৰ উ চিতাঙ এতিয়া বন্দী। তেওঁক বান্ধি থোৱা হৈছে। তুমি যদি তালৈ নোযোৱা, আৰু প্ৰায়শ্চিত্ত নকৰা তেতিয়া তেওঁক বন্দীশালত থব।"

কা কংদিয়াই কলে: "ছিঃ ছিঃ। তেওঁক হত্যা কৰিলেও মই অলপো ভ্ৰূক্ষেপ নকৰোঁ। কা কংমাইৰ (বায়েকক মতা মৰমৰ মাত) ওচৰলৈ গৈ কথাষাৰ তেওঁক কব পাৰা, ককাইদেউৰ জীৱন ৰক্ষাৰ কাৰণে মই একপইচাও দিব নোৱাৰো।"

এই বুলি কৈ তাই ঘৰৰ ভিতৰ সোমাল। দূতহঁত ক কংমাইৰ ওচৰলৈ গল। কা কংমাইক লগ পাই তেওঁলোকে কা কংদিয়াক কোৱা কথাখিনি কলে। খবৰটো পাই তেওঁ মাটিত বাগৰি কান্দিবলৈ ধৰিলে। য'ত যেনেকৈ পইচা আছিল, সকলোখিনি গোটাই তেওঁ কান্দি কান্দি দূতহঁতৰ সৈতে ঘটনাথলীলৈ গল।

পাহাৰৰ হেলনীয়া ডোখৰত যেতিয়া ককায়েকক মাজত লৈ ঠিয় দি থকা মানুহবোৰ দেখিলে, তেওঁ চিঞৰিবলৈ ধৰিলে, "মৰমৰ

ককাইদেউ, মোৰ জাৰনৰ পৰিত্ৰাণ আৰু ৰক্ষাকৰ্ত্তা, তোমাৰ কেনে বিপদ হ'ল ! মোৰ গবাকীহঁত, তেওঁক মুকলি কৰি দিয়া। তেওঁৰ ঠাইত মোক মৰিবলৈ দিয়া। ককাইদেউৰ মুক্তিৰ অৰ্থে মোক আৰু এই ৰূপৰ মুদ্ৰা কেইটা লোৱা।"

কেনে মনোৰম দিন ? মাছুহখিনি পাই তেওঁ দেখিলে বাহিৰত এটা পহুৰ মৃতদেহ। এইটোকে তেওঁৰ ককাই বুলি ভবাৰ কাৰণে তেওঁ বৰ আচৰিত হ'ল। তেওঁ কান্দিবলৈ এৰিলে। কংমাইৰ ঘৰলৈ পহুটো নি ডাঙৰ জুই একুৰা ধৰি আনন্দ উৎসৱ কৰিবলৈ উ চিতাঙে আদেশ দিলে। ভোজভাত আৰু আনন্দ উৎসৱৰ কথা শুনি কংদিয়া খণ্ডত একো নাই হ'ল। কাৰণ নিয়ম অনুসাৰে এইবোৰ কথা কনিষ্ঠা ভগ্নীৰ ঘৰতহে হব লাগে। তেতিয়াৰ পৰা পাহাৰৰ এই হেলনীয়া ডোখৰ, য'ত পহুটোৰ মৃতদেহ পৰি আছিল আৰু বন্ধুবান্ধৱৰ সৈতে উ চিতাং ভগ্নীৰ কাৰণে বাট চাই আছিল, সেই ঠাই ডোখৰক "কাবিয়াং ইয়েম ছিয়েৰ" (গুলীবদ্ধ পহ এটা দেখি কন্দা হেলনীয়া পৰ্ব্বত) বোলা হয়।

কা ডু, কা টাঙ, বাদ কা বেম্ :

(মিন্দু, মিনুটাং আৰু উমিয়বেম নৈৰ চমু নাম)

জোৱাইৰ পৰা প্ৰায় সাতমাইল দূৰৈৰ মুলং গাঁৱলৈ এদিন তিনি গৰাকী অপৰিচিতা নাৰী আহিছিল। এগৰাকী দুখীয়া বিধৱাৰ ঘৰত সিহঁত সোমালহি। ইহঁত দেখিবলৈ মনোৰম আৰু পূজনীয়। এওঁলোকৰ ধুনীয়া মুখৰ দৈৱিক হাঁহিয়ে বিধবাৰ পঁজা ৰাজপ্ৰাসাদলৈ পৰিণত কৰিলে। মৰমতে 'ডু' বুলি মতা ইয়াৰে এজনীয়ে বিধবা গৰাকীক কলে : "আই, আমাক ভিতৰলৈ নিনিয়ে নেকি ? আজি নিশা থাইবৈ আপোনাৰ সৈতে থাকোঁ বুলিছোঁ।" দুখীয়া মানুহ গৰাকীয়ে সিহঁতৰ কাণে মুৰ দুপিয়াই খোনাই খোনাই কলে : "গাভৰু ৰাজকুঁৱৰীহঁত, ঘোঁৰাশাল বা গৰু গোহালীতকৈ লেতেৰা মোৰ পঁজাত তোমালোকৰ নিচিনা মানুহ থাকিবা কেনেকৈ ? ভিতৰলৈ

আহি নিজে চোৰা। ঘৰটো ইমান লেতেৰা! ই তোমালোকৰ কাপোৰকানি লেতেৰাহে কৰিব।” টাঙে (এগৰাকী নাৰী) কলে, “আমাক ভিতৰলৈ নি আপোনাৰ আতিথ্য দিলে আমি আপোনাৰ লগত থকাত কোনো আপত্তি নাই।”

এনেদৰে কোৰা বুঢ়ীয়ে মনোৰমা নাৰী তিনি গৰাকীক আলহী স্বৰূপে আদৰণি জনালে। বহুতো দিন পাৰ হৈ গল। নাৰী কেই গৰাকী মানুহ গৰাকীৰ লগত থাকিল। তুমাহ কি তিনিমাহ অতিবাহিত হৈ যোৱাৰ পিছত সিহঁতৰ মাজত বুঢ়ী আৰু অপৰিচিতা হৈ নাথাকিল। আনহাতে সদায়েই তেওঁৰ লগত থাকিবলৈ সিহঁতক অনুৰোধহে জনালে। অৱশেষত সিহঁতক নিজৰ সন্তান স্বৰূপে তুলি ললে। সিহঁতক তেওঁ বৰ ভাল পাইছিল। সিহঁতৰ ব্যৱহাৰত তেওঁ বৰ সন্তুষ্ট হৈছিল। তেওঁৰ পঁজালৈ সিহঁত অহাৰ পিছৰ পৰা তেওঁক জীৱিকাৰ কাৰণে কাম বা শ্ৰম কৰিবলৈ সিহঁতে দিয়া নাছিল। সিহঁতেও তেওঁক মৰম সহকাৰে বৰ ভাল পাইছিল। সকলোৱে তেওঁক সিহঁতৰ মাতৃ বুলি ভবাটো সিহঁতে বিচাৰিছিল। যেয়ে সিহঁতক লগ পাইছিল, সেয়ে সিহঁতৰ মনোৰম ব্যক্তিত্বত মুগ্ধ হৈছিল। বহুতো ধনী সাউদ আৰু ডা-ডাঙৰীয়াৰ পৰিয়ালৰ লৰাই সিহঁতক বিয়া কৰাবলৈ বিচাৰিছিল। দুখৰ বিষয়, কোনেও সিহঁতৰ মন জয় কৰিব নোৱাৰিলে।

অৱশেষত সিহঁতৰ সকামটোৰ কথা বুঢ়ীক কবলৈ সিহঁতে মনস্থ কৰিলে। এনিশা সিহঁত বুঢ়ীৰ কেউকাষে বহি ৰেমেই (এই মৰমৰ মাতটোৰে জনাজাত তৃতীয় গৰাকী নাৰী) কলে, “আই, আমি তিনি গৰাকী ভগ্নী দেৱী। আমি ভগবানৰ সন্তান। আমাৰ পিতাৰ নাম ‘বজ্ৰ’ আৰু মাতাৰ নাম ‘‘বিজুলী’’। আমাক এটা বিশেষ সকামত যেনে, আপোনাসকলৰ মৰমৰ পৃথিৱীৰ মানুহৰ মাজত থাকি, সেইসকললৈ উপহাৰ আনিবলৈ প্ৰেৰণ কৰা হৈছে। আপোনাক আৰু আপোনাৰ মানুহক সেৱা কৰিবলৈ আমি যথেষ্ট কৰিম।

আমাৰ এই সেৱা চিৰকলীয়া হব। এই অঞ্চলৰ মংগুহল সুখ সমৃদ্ধি বঢ়োৱাত ই নিয়োজিত হব।"

এইদৰে কৈ এই দৈৱিক ছোৱালী কেইজনী অন্তৰ্ধান হ'ল। তেওঁলোকৰ ঠাইত মনোৰমা তিনিখন নৈৰ উৎপত্তি হ'ল। এই তিনিখন মিন্দু, মিণ্টাং আৰু উমিয়ৱেম বোলা তিনিখন নৈ লৈ পৰিণতি হ'ল। জয়ন্তীয়া পাহাৰৰ এই তিনিখন মূল্যবান নৈৰ উৎস মূলাঙৰ ওচৰত। মিন্দু নৈয়ে জোৱাই নগৰ পৰিবেষ্টিত কৰা আৰু তুখন সৰু উপত্যকা সাৰুৱা কৰাৰ উপৰিও নিজৰ লক্ষ্য স্থানত শক্রে নদী মিংগতত উপনীত হবলৈ খৰগতিৰে দক্ষিণাঞ্চলেদি প্ৰবাহিত হৈছে। মিণ্টাং বোলা দ্বিতীয়খন নৈ উত্তৰাঞ্চলেদি গৈ নংবা, মুখিয়া, ৰালিয়াজৰ, নাবটিয়াং আৰু নড়নী গাঁৱৰ দাঁতিয়েদি প্ৰবাহিত হৈছিল। প্ৰায় স্বাংপুঙ্ গাঁৱক পৰিবেষ্টিত কৰা উমিয়ৱেম্ নৈখন পূৰৱ ফালেলৈ বৈ গৈ মিণ্টাং নৈৰ শক্তিৰ প্ৰতি আহ্বান জনাইছে: এই নৈ তিনিখন প্ৰবাহিত হোৱা অঞ্চলৰ, নৈ কেইখন হৈছে ধনসম্পত্তি।

কা ছিয়েম্ জালাপাঙ্:

(ৰাণী জালাপাঙ্)

অতীত কালত জয়ন্তীয়া পাহাৰত মানাৰ নামেৰে এখন গাঁও আছিল। স্বাংপুং গাঁৱৰ তুমাইল নে তিনিমাইল দূৰৈত গাওখন অৱস্থিত। মানাৰ অৱলুপ্ত হোৱা বহুদিন হ'ল যদিও স্বাংপুং এতিয়াও আছে। অতি সাধাৰণ কথাতে গাঁও তুখনে কাজিয়া কৰিছিল। এওঁলোকৰ মাজত কেতিয়াও শান্তি নাছিল।

ন্যায়, আইনকানুন আৰু শৃঙ্খলা ৰক্ষা কৰিবলৈ তুয়োখন গাঁৱৰ বজা আছিল। মাটিকালি জনসংখ্যা আৰু সামৰিক শক্তিৰ পিনৰ পৰা স্বাংপুং শ্ৰেষ্ঠ গাঁও আছিল। যদিও আকৃতিৰ পিনৰ পৰা সৰু আৰু নিশকতীয়া, মানাৰৰ এক উল্লেখনীয় সুবিধা আছিল। সেইটো হৈছে সামৰিক ক্ষেত্ৰত ইয়াৰ কৌশলপূৰ্ণ অৱস্থান। সেইটোৰ কাৰণে আৰু ইয়াৰ প্ৰাকৃতিক ৰক্ষণাবেক্ষণৰ কাৰণে স্বাংপুঙে মানাৰৰ মানুহক কেতিয়াও বশলৈ আনিব পৰা নাছিল। এসময়ত মানাৰত

যেতিয়া ৰাণী জ'লাপাঙে ৰাজত্ব কৰে, তেতিয়াখন গাঁৱৰ মাজত তয়াময়া যুঁজ লাগিল। যুঁজত মানাৱক হকুৰাবলৈ স্বাংপুঙে সকলো সা-সুবিধা ললে। সদায় ঘটাৰ দৰে স্বাংপুং বিফল হ'ল। যুঁজেৰে মানাৱক বশলৈ আনিব নোৱাৰি বুলি জানি স্বাংপুঙৰ মানুহে এক শান্তিপূর্ণ উপায় ললে। এওঁলোকে একলীয়াকৈ যুদ্ধবিৰতি ঘোষণা কৰি শান্তিৰ চুক্তি এখন সম্পাদিত কৰিবলৈ ওলাল। মানাৱৰ মানুহে প্রস্তাৱৰ প্রতি আদৰণি জনাই স্বাংপুঙৰ মানুহক নির্দ্ধাৰিত সময় আৰু দিনত থাংস্কাই বোলা ঠাই এডোখৰত—এই ঠাইডোখৰ দুয়োখন গাঁৱৰ মধ্যৱৰ্ত্তী অঞ্চলত অবস্থিত—চুক্তি সম্পাদিত কৰিবলৈ আহিল যুদ্ধবিৰতি উৎসৱৰ জৰীয়তে কৰা হব বুলি দুয়োটা দল সন্মত হ'ল আৰু প্রত্যেকটো দলেই কাজিয়াৰ ওৰ পেলোৱাৰ হেতুকে ভগবানৰ ওচৰত কৃতজ্ঞতাৰ চিনস্বৰূপে সেই ঠাইত উছর্গা কৰিবলৈ বহুতো বগা আৰু নিকা ছাগলী আনিবলৈ সন্মত হ'ল।

নির্দ্ধাৰিত দিন আহিল। বহুতো বগা আৰু নিকা ছাগলী লৈ মানাৱৰ মানুহ থাংস্কাইলৈ গল। তেওঁলোক থাংস্কাই সোনকালে পালেগৈ আৰু স্বাংপুঙৰ মানুহ অহালৈ কেইবা ঘণ্টাও বাট চালে। আশা কৰা মতে মানুহবোৰ নাহিল। স্বাংপুঙৰ মানুহ নহা দেখি সেইসকলৰ অনুপস্থিতিত মানাৱৰ মানুহে দিনটোৰ কাৰণে নির্দ্ধাৰিত খেলধেমালি আৰু উৎসৱাদি পাতিবলৈ দিহা কৰিলে।

আবেলি, লগত বহুতো বগা ছাগলী লৈ স্বাংপুঙৰ মানুহ পালেহি। খোলা অন্তৰেৰে মানাৱৰ মানুহে আদৰণি জনালে। দুর্ভাগ্যৰ কথা, এই ছাগলীবোৰ বগা কপাহী কাপোৰ পিন্ধাই ছাগলীৰ দৰে খোজ কঢ়াই নিয়া স্বাংপুঙৰ সামৰিক বাহিনীৰ যুঁজাৰু আৰু বলী সৈনিকহে। মানাৱৰ মানুহখিনিৰ ওচৰ পাই সিহঁত থিয় হ'ল আৰু শেষ মানুহটো লৈকে মানাৱৰ মানুহক হত্যা কৰিলে।

হত্যা অনুষ্ঠিত হোৱাৰ পূর্ব্বে পলাই সৰা মানাৱৰ মানুহ এজনে ৰাণী জালাপাঙৰ ওচৰলৈ লৰি গৈ তেওঁক স্বাংপুঙৰ মানুহৰ প্রতাৰণা-মূলক জঘন্য কথাবোৰৰ বিষয়ে কলে। দূতজনৰ কথা শুনোতে

ৰাণীৰ মূৰত বজ্ৰপাত পৰা যেন লাগিল। গাঁও আৰু ৰাইজক শত্ৰুৰ হাতত পৰা ৰক্ষা কৰাটো টান হব বুলি ভাবি ৰাণীয়ে ৰাজ সিংহাসন ত্যাগ কৰি টিনিয়াং পাহাৰৰ ফাললৈ গাঁও এৰি পলাল। লগত ধনুকাঁড় লৈ গৈছিল। বিষাদ অন্তৰেৰে আৰু বৰ বেজাৰেৰে তেওঁ পাহাৰ বগালে। (ম' কেইয়িউ গাঁৱৰ ওচৰত বালিয়াঙৰ উত্তৰে অৱস্থিত টিনিয়াং পাহাৰ জয়ন্তীয়া পাহাৰৰ এটি উল্লেখনীয় শিখৰ। ইয়াৰ ওপৰৰ পৰা খাচিয়া পাহাৰৰ শ্বিলং পিক্ আৰু ৰাব্লেঙ পিক্, জয়ন্তীয়া পাহাৰৰ বাহ্বে-বাহকণ্ড্ আৰু ভাল বতৰ উত্তৰ কাছাৰ পাহাৰ, লগতে হিমালয় পৰ্ব্বতমালা স্পষ্টকৈ দেখি।)

টিনিযাং পাহাৰৰ ওপৰ ভাগ পাই বেদনাম্লান হোৱা ৰাণী জালাপাতে লাহে লাহে খোজ দি শত্ৰুৰ প্ৰতাৰণাত ভোৰা গাঁও আৰু ৰাইজৰ দুৰ্ঘটনাৰ কথা সুঁৱৰি কান্দিবলৈ ধৰিলে। এইদৰে কান্দি কান্দি ভাগৰি পৰাত পৃথিৱীৰ ফাললৈ চাই তাই পৃথিৱীদেৱীক এছাটি বতাহ্ বোৱাই তেওঁৰ কাঁড় দূৰণিলৈ উৰুৱাই নি কাঁড় পৰা মাটি ডোখৰক আশীৰ্ব্বাদ দিবলৈ কলে। ধনুকাঁড় উলিয়াই কাঁড় এবাৰ আগতে তেওঁ কলে, "মই কাঁডডালে কোন ফালে যায়, চাই থাকিম। য'তেই কাড়ডাল পৰে, ত'তেই মই পৰিকম। মোৰ মৃত্যু হোৱাৰ বহু পিছলৈকো ৰাইজে মোক আশীৰ্ব্বাদ দিব।" তেওঁ তেতিয়া কাঁড়ডাল এৰিলে। কাঁডডাল লাগি ডাঙৰ শিল এটা চাৰিডোখৰ হ'ল। প্ৰতিশ্ৰুতি দিয়াৰ দৰে ত'লৈ গৈ জীৱনৰ বাকীছোৱা কাল কটালে। তেওঁৰ ওচৰলৈ প্ৰায়েই আহি থকা দুখীয়া বিধবা এগৰাকী ৰাণীৰ বান্ধৱী হ'ল। ৰাণী দেখিবলৈ বৰ ধুনীয়া হোৱাৰ উপৰিও চহকী আছিল। ৰাণীৰ সম্পত্তিৰ ভিতৰত আছিল, বহু পৰিমাণৰ সোণ, ৰূপ, আৰু প্ৰতিবছৰে শস্য দিয়া ডাঙৰ পথাৰ। ভালকৈ নোখোৱাকৈ বান্ধৱী গৰাকীক তেওঁক এৰি যাবলৈ দিয়া হোৱা নাছিল।

তেওঁৰ মৰৰ পৰা প্ৰায় ছয় কাৰ্লমান দূৰৈত উ মিয়েট লকণছুটৰ লাটুৰা উপত্যকাত এখন সাকৰা খেতিৰ পথাৰ আছিল। উ্ মিয়েট

লকণছুট বলী আৰু পৰিশ্ৰমী খেতিয়ক আছিল। মানুহজন দেখিবলৈকো বৰ ধুনীয়া আছিল। ৰাণী জ্বালাপাণ্ড তেওঁৰ প্ৰেমত পৰিল। পুৱাই তেওঁ পঁজাৰ দাঁতিয়েদি গৰু লৈ যাওঁতে ৰাণীয়ে মনে মনে বেৰৰ ফাকেদি তেওঁক সদায় চায়। তেওঁৰ সৌন্দৰ্য্য আৰু গতিবিধিত ৰাণী ইমান মোহিত হ'ল যে তেওঁৰ প্ৰণয় পাবলৈ ৰাণীয়ে এটা উপায় উলিয়াবলৈ দৃঢ় সংকল্প হ'ল। ৰাণীয়ে তেওঁৰ বিধৱা বান্ধৱী গৰাকীক মাতি মাছলৈ যাবলৈ মনস্থ কৰিলে। ৰাণীয়ে কলে, "মোৰ বান্ধৱী, মাছলৈ যাওঁ বলা। মই বিচৰা বস্তুটো আজি যদি পাওঁ, তোমাক শপত খাই কৈছোঁ, মোৰ আনন্দ, সম্ভোগ আৰু ধনৰ সমানে এভাগ তোমাৰ হব।" এইবুলি কৈ দুয়ো মাছ ধৰিবলৈ গল। ঠাইডোখৰ উ মিয়েট লকণছুটে ওবেটো দিন হালবোৱা লাটুৰা উপত্যকাৰ ওচৰত আছিল। ঠিক দুপৰীয়া সৰু ছোৱালীৰ দৰে মাটিত বাগৰি কান্দি ৰাণী জ্বালাপাণ্ডে বেমাৰীৰ ভাও জুৰিলে। বান্ধৱীক ওচৰলৈ মাতি কলে, "সৌ পথাৰত কাম কৰি থকা মানুহটোক মাতি আনি মোক পঁজালৈ সোনকালে নিবলৈ কোঁৱা। মৃত্যু মোৰ ওচৰ চাপি আহিছে। মানুহটোক সোনকালে মাতা। মই এতিয়াই মৰিম।" মানুহটোৰ কামলৈ বান্ধৱী গৰাকী খৰকৈ লৰি গৈ মৃতপ্ৰায় ৰাণীৰ ওচৰলৈ আহিবলৈ অনুৰোধ জনালে। বিধবাৰ কথাত মানুহটোৱে সঁহাৰি দি মৃতপ্ৰায় ৰাণীৰ ওচৰলৈ পথাৰলৈ আকৌ উলটি আহিব বুলি ভাবি গৰুহাল ঘুঁৰলীৰে সৈতে তাতে এৰি লৰ দিলে।

বিনয়াবনত হৈ উ মিয়েট লকণছুটে এহাতে মাছ ধৰা জালখন লৈ, ৰাণীৰ আদেশ পালন কৰি তেওঁক পঁজালৈ কঢ়িয়াই নিলে। ঘৰ পাই মৃত্যু নহয় মানে তেওঁক তাতে থাকিবলৈ ৰাণীয়ে কলে। তেওঁৰ মৃত্যু নহ'ল। কিছু সময়ৰ পিছত উ মিয়েটক তাতে ৰাখিবলৈ ৰাণী সমৰ্থ হ'ল। ইয়াৰ পিছত তেওঁক আনকি ঘুঁৰলীৰ পৰা গৰু হাল একৰাবলৈকো ঘৰৰ বাহিৰলৈ যাবলৈ নিদিয়া হ'ল। ৰাণীৰ সপোন সাৰ্থক হ'ল। ঘুঁৰলীৰে সৈতে গৰু হাল শিল হ'ল। সিহঁত

আজিও লাটুবা উপত্যকাত আছে মানাৰ গাঁওখন আজি নাই। প্ৰাকৃতিক ৰক্ষণাবেক্ষণৰ ভগ্নাৱশেষ বোৰ আজিও আছে। দাঁপী জালাপাণ্ডৱ পঁজা থকা ঠাইডোখৰক স্থাপু আৰু ওচৰচুৰীয়া অঞ্চলৰ মানুহে আজিও আশীৰ্বাদ দিয়ে

৪। **মিকিৰ :**

কৰহন্ জুং গ্ৰেচো

এসময়ত ৰজাৰাণী এযোৰাই সুখেৰে দিন কটাইছিল আৰু এওঁলোকৰ এজন পুত্ৰসন্তান আৰু জীয়ৰী এজনী হৈছিল। ৰজাৰ কাৰণে বৰ দুখৰ কথা, কিছুদিনৰ পিছতে ৰাণীক হেৰুৱাব লগীয়া হ'ল। ইয়াৰ পিছত বহুতো দিনলৈকে তেওঁ অকলশৰীয়াকৈ থাকিব লগা হ'ল। লৰা ছোৱালী হাল বৰ সৰু হৈ থকা হেতুকে সিহঁতৰ ভালকৈ যত্ন লবলৈ তেওঁ টান পোৱা হ'ল আৰু সেই কাৰণেই কোঁৱৰ কুঁৱৰী হালক চাবলৈ মাইকীমানুহ এগৰাকী লাগিব বুলি ৰজাই সিদ্ধান্ত কৰিলে। গতিকেই আকৌ বিয়া কৰাবলৈ তেওঁ ঠিৰাং কৰিলে। সুবিধা পায়েই পোনতে ৰজাই সেই কামটো কৰিলে। দুখৰ বিষয়, ৰজাই বিয়া কৰোৱা মানুহ গৰাকী বৰ নিষ্ঠুৰ মাহীমাক হ'ল ; লৰাছোৱালী হালক তেওঁ বৰ কষ্ট দিবলৈ ধৰিলে। সিহঁতক তেওঁ দুয়োবেলা ইমান কমকৈ খাবলৈ দিয়া ত পৰিল যে, লৰাছোৱালী হাল একেবাৰে খীণাই গল। ৰজাই সিহঁতৰ অৱস্থা দেখি সুকীয়াকৈ নিজেই তেওঁৰ সৈতে সিহঁতক খাবলৈ নিৰ্দ্দেশ দিলে। আনকি এইটোৱেও সিহঁতক বেয়াকৈ ব্যৱহাৰ কৰাৰ পৰা, অসৎ প্ৰকৃতিৰ মানুহ গৰাকীক বাধা নিদিলে। তেওঁক বহু পৰিমাণৰ জাল খাদ্য দিয়া হৈছিল। তেওঁ দেখিলে, সিহঁতক শিলগুটি মিহলোৱা বেয়া চাউলৰ কমকৈ ভাত দিয়া হ'ল। আহাৰৰ লগত সিহঁতক কেতিয়াও মাছ বা মঙহ দিয়া হোৱা নাছিল।

এইবোৰ নিষ্ঠুৰ কথাই ৰজাক বৰকৈ দুখ দিলে। মাহী আইৰ নিষ্ঠুৰ হাতৰ কষ্টতকৈ যি কোনো অৱস্থাই সিহঁতৰ কাৰণে ভাল হব বুলি ৰজাই ভাবিলে। দুৰ্ঘটনা বঢ়াবলৈকে ৰজা এই ভয়ানক মানুহ

গৰাকীৰ কবলত এনেকৈ পৰিল যে, যিমানেই যত্ন নকৰক লাগিলে এই গৰাকীৰ হাত সৰাটো টান হৈ পৰিল। একমাত্র উপায় হৈছিল, এওঁৰ নির্দ্দয় হাতৰ মুঠিৰ পৰা সিহঁতক যলেকে পাৰে, তলেকে আঁতৰাব পৰাটো। এইটো কাম তৎক্ষণাৎ বজাই সিদ্ধান্ত কৰিলে। পিছদিনা তেনেই পুৱা ওচৰৰ চহৰ এখনলৈ বুলি মিছাকৈ কৈ সিহঁতক লৈ যোৱা হ'ল। ভাগৰি নপৰালৈকে আৰু ভোক নলগালৈকে সিহঁত সুস্থিৰে গৈ থাকিল। সন্ধিয়া সিহঁতে এডোখৰ জিৰণি লবলৈ ডাঙৰ চেপেটা শিল পালে। আহাৰ খোৱাৰ পিছত বজাই সিহঁতক শুই থাকিবলৈ কলে। ভাগৰি থকাৰ কাৰণে সিহঁতৰ তৎক্ষণাৎ টোপনি আহিল। সিহঁতৰ গভীৰ নিদ্রা অহা দেখি বজাই নিবৰে চকুলো টুকি লৰাছোৱালীহঁতৰ দায়িত্ব লবৰ কাৰণে ভগবানৰ ওচৰত প্রার্থনা জনাই বিষাদ মনেৰে তাৰ পৰা আঁতৰি পৰিল।

পিছদিনা পুৱা সাৰ পাই উঠি ওচৰত দেউতাকক নেদেখি লৰাছোৱালীহঁত আচৰিত হ'ল আৰু বৰ ভয় খালে। সিহঁতে বহুতো সময় চিঞৰি মাতি যদিও বিচাৰিলে, তথাপি দেউতাকক আৰু নাপালে। সমুখত সৰু বাট এটা দেখি সিহঁত সেই বাটেদি গল। ভুপৰীয়া হৈ অহাৰ লগে লগে সিহঁতৰ বৰ গৰম আৰু পিয়াহ লাগিল। কি কৰা যায়, ভাবি বিবুদ্ধি হওঁতেই কৰহনে কিছু দূৰত পর্ব্বতীয়া জুৰি এটাৰ পৰা পানী ওলোৱা দেখিলে আৰু কিছুদূৰৈত ভনীয়েকে পানী কঢ়িয়াবলৈ মাটিত বাঁহৰ চুঙা এটা পাই সেইটো ককায়েকক দিলে। কৰহন্ তেতিয়া জুৰিটোলৈ গৈ এচুঙা পানী আনি পিয়াহ পলুৱাবলৈ ভনীয়েকক দিলে। ইয়াৰ পিছত তেওঁ জুৰিটোলৈ গৈ নিজে পানী খালে। কৰহনে তেওঁক পানী দিলত পিয়াহত এনেকৈ আতুৰ হৈ আছিল যে, দুর্ভগীয়া ছোৱালীজনীয়ে বাঁহৰ চুঙাৰ তলিত থকা সাপৰ সৰু কণী ছুটা দেখা নাছিল। সেইকাৰণে তাই গিলি থলে। ইয়াৰ পৰিণতি বিষম হ'ল, সময়ত বর্ণনা দিয়া ভয়ঙ্কৰ কষ্ট আৰু আতুকালৰ সিহঁত সন্মুখীন হ'ল।

গোটেই দিনটো হাবিত অনাইবনাই ফুৰাৰ পিছত অৱশেষত

সিংহঁতে কোনোবাই এৰি যোৱা যেন লগা সৰু এটা পঁজা পালে। বৰ পৰিত্ৰাণৰ কথা। সিংহঁতে ইয়াত বহুত আহাৰ পালে। সেই আহাৰ ৰাখি সিংহঁতে খালে। সিংহঁতে শুবলৈ যা-যোগাৰ কৰিছেহে মথোন, এনেতে ঘৰটোলৈ অহা কাৰোবাৰ ভৰিৰ খোজ শুনিলে। পাটীৰ তলত লুকাবলৈ সময় নৌ পাওঁতেই বিৰাট কায় মতা বান্দৰ এটা ভিতৰ সোমাল। সিংহঁতৰ সৌভাগ্যৰ কথা। বৰ ভাগৰ লাগি অহাত একো নোখোৱাকৈ সি পাটীত পৰিল, আৰু তাৰ টোপনিত নাক বাজিবলৈ ধৰিলে। পিছদিনা পুৱা সিংহঁতক নে[illegible]কৈ বান্দৰটো ওলাই নোযোৱা পৰ্য্যন্ত ওৰেটো নিশা পাটীৰ তলত ভয়ে ভয়ে কটালে।

কিছুদিন সিংহঁত পঁজাটোত বান্দৰটো নিশা ঘৰলৈ নহালৈকে পাটীৰ তলত লুকাই থাকিবলৈ ধৰিলে। এই কথাত সিংহঁত ইমান পাৰদৰ্শী হৈ পৰিছিল যে বান্দৰটোৱে সিংহঁত যে তাৰ পঁজাত আছে, গমকে ন'পালে। বান্দৰটো নাথাকোঁতে সিংহঁতে খোৱা হেতুকে বান্দৰে গোটাই থোৱা আহাৰ ক্ৰমাৎ কমিবলৈ ধৰিলে। এই কমাটো ইমান চকুত লগা বিধৰ হ'ল যে, বান্দৰটোৱে অৱশেষত আহাৰ কমা কথাটো লক্ষ্য কৰিলে। ইযাৰ বিষয়ে কি কৰা যায়, সি এইবিষয়ে হতভম্ব আৰু আচৰিত হ'ল।

ওচৰতে এজন বামুন পুৰোহিত আছিল। হতভম্ব হোৱা বান্দৰটোৱে বিপদত এইজনাৰ উপদেশ লবলৈ ঠিক কৰিলে। দুয়োজনাৰ মাজত অকণো মিল ন'ছিল। আগতে কেইবাবাৰো বামুনক বান্দৰটোৱে জোকাইছে। গতিকে বিপদৰ কথা শুনি বামুনে প্ৰতিশোধ লোৱাৰ এইটোকে উত্তম সময় বুলি ভাবিলে। তেওঁ বান্দৰটোক কলে যে, তেওঁ তাৰ নেজৰ অলপ কাটিব। ইয়েই তাৰ লুপ্তপ্ৰাপ্ত আহাৰৰ সমস্যাটো সমাধান কৰিব। এইবুলি অলপ নেজ কাটিলে বান্দৰটোৱে বিষত চিঞৰ মাৰি এই সাধাৰণ কথাটোৱে তাৰ সমস্যা সমাধান কৰিব বুলি ঘৰলৈ গল। ইয়াৰ পিছতো দুখেৰে দেখিলে যে, তাৰ সমস্যাৰ সমাধান নহল। সি ঘৰ এৰা

মাত্ৰকে লবা ছোৱালীহঁতে আহাৰ খাই পেলায় আৰু সুস্থিয়া সি অহাৰ লগে লগে পাটীৰ তলত লুকায়।

বিপদত বান্দৰটো আকৌ বামুনৰ ওচৰলৈ গল। কিবা জৰুৰী পূজা এভাগ কৰিবলৈ ওলোৱাৰ মুহূৰ্ত্তত বান্দৰটো যোৱাৰ কাৰণে বামুনৰ খং উঠিল। এনেদৰে অসময়ত আহুকাল দিয়াৰ বাবে, বামুনৰ ইমান খং উঠিল যে, বান্দৰটোক থাপ মাৰি ধৰি চিঞৰিবলৈ ধৰিলে ঃ "যোৱাবাৰ তোৰ নেজ সামান্য কাটিছিলোঁ।" এইবুলি কৈ দাৰ একেটা ঘাপেৰে এইবাৰ গোটেই ডাল নেজ কাটি পেলালে। এনেধৰণৰ কঠোৰ প্ৰতিষেধক ব্যৱস্থাৰ কাৰণে বান্দৰটো মৰি থাকিল। ইয়াৰ পিছত লবা ছোৱালীহঁতে পঁজাটোৰ আৰু ওচৰৰ পথাৰৰ স্থায়ী দায়িত্ব ললে। পথাৰ সিহঁতে চহাবলৈ ধৰিলে। সিহঁত তাতে ক্ৰমাৎ ডাঙৰ দীঘল হ'ল। ঘৰুৱা বনবাৰী কৰিবলৈ ভনীয়েকক এৰি থৈ ককায়েক নিতৌ খেতিলৈ যায়। লাহে লাহে সময়ৰ লগে লগে ছোৱালী জনী ক্ৰমাৎ খীণাই দুৰ্ব্বল হবলৈ ধৰিলে। প্ৰায় সকলো সময়তে তাইৰ ভাগৰ লাগি থাকে আৰু টোপনি আহি থাকে। তাই অৱশেষত দেখিলে যে, ভাত পানী ৰান্ধি উঠি তাই কব নোৱাৰাকৈ টোপনিত পৰে আৰু উঠি দেখে যে, ৰান্ধি থোৱা ভাত ৰহস্যপূৰ্ণ ভাৱে নোহোৱা হৈছে। তাই আকৌ ৰান্ধিব লগীয়া হয়। তাইৰ অভিজ্ঞতাৰ কথা ককায়েক কৰহানক কলে। কথাটো লৈ তেৱোঁ চিন্তান্বিত হল।

এদিন পথাৰলৈ যাওঁ বুলি চুক এটাত সি লুকাই থাকিল, ভাত ৰান্ধি ভনীয়েক টোপনি যোৱাৰ পিছত সি দেখি আচৰিত হ'ল যে দুটা দীঘল সাপ তাইৰ মুখৰ পৰা ওলাই আহিছে আৰু আহাৰ খিনি খাইছে। সি তৎক্ষণাৎ ওলাই সাপ দুটা মাৰি পেলালে। সাপ দুটা ডোখৰ ডোখৰ কৈ কাটি হাউলিৰ ভিতৰতে পুতি থলে। সময়ত সেই ঠাইত ধুনীয়া বগা ফুল ফুলা গছ এজোপা গজি উঠিল।

ইতিমধ্যে কৰহানে ভনীয়েকক কেতিয়াও সেই ফুল চুবলৈ কলে। একো নোহোৱাকৈ এইদৰে সিহঁত কিছুবছৰ থাকিল। এদিন

কৰহান নাথাকোঁতে হাতত এটা কেঁচুবাটলৈ বুঢ়ামানুহ এগৰাকী (এই গৰাকী ভনীয়েকে চিনি নাপালে যদিও আঁচলত সিহঁতৰ সেই দুষ্ট প্ৰকৃতিৰ মাহীমাক) সেই ঠাইলৈ আহিল আৰু গাভৰু ছোৱালীজনীৰ সৈতে কথা পাতিবলৈ ধৰিলে বুঢ়ীজনীয়ে ছোৱালীজনীৰ পৰিচয় পাইছিল। তেওঁ বোলাৰ কেঁচুবাটোক চিকুটি উদ্দেশ্যপূৰ্ণভাবে তাক কন্দুৱাবলৈ ধৰিলে। অৱশেষত ছোৱালীজনীয়ে সি কন্দাৰ কাৰণ সোধাত দুষ্টপ্ৰকৃতিৰ বুঢ়ী গৰাকীয়ে গছজোপাৰ ফুলৈ আঙুলিয়াই কলে : "সৌ গছজোপাৰ ধুনীয়া ফুল এপাহ কেঁচুবাটোক লাগে, সেইকাৰণে সি কান্দিছে।" দুৰ্ভগীয়া ছোৱালীজনীয়ে কথাষাৰ শুনি এক মুহূৰ্ত্তৰ কাৰণে ককায়েক কৰহানৰ সাবধান বাণী পাহৰি ফুল এপাহ ছিঙিবলৈ গল। সাপ দুটাৰ বিষেৰে বিষাক্ত হৈ থকা গছজোপা চুই দিয়া মাত্ৰকে তাই চিঞৰ মাৰি মাটিত অচেতন হৈ বাগৰি পৰিল। দানবীয় কৌশলৰ পৰিণতি লাখ দুষ্ট প্ৰবৃত্তিৰ মানুহজনীয়ে আনন্দৰ হাঁহি এটা মাৰি কৰহান অহাৰ পূৰ্ব্বে সেই ঠাইৰ পৰা লৰালৰিকৈ আঁতৰিল। সন্ধিয়া ঘৰলৈ উলটি আহি কৰহানে যেতিয়া দুৰ্ভগীয়া ভনীয়েকক মাটিত স্থবিৰ হৈ পৰি থকা দেখিলে, ঘটনাটো বুজি উৰাওৰাকৈ কান্দিবলৈ ধৰিলে। বেচাৰে মানুহটোক এনেকৈ খুন্দা মাৰি ধৰিলে যে সি দুৰ্ভগীয়া মানুহ এটাৰ দৰে চিঞৰি চিঞৰি কান্দি সেই ঠাইৰ পৰা আঁতৰি পৰিল।

পিছদিনা পুৱা বাটৰুৱা কেইজন মানে খবৰ বাহিৰত বেচেৰী ছোৱালীজনীক অলৰ অচৰ হৈ পৰি থকা দেখিলে তাইক পৰীক্ষা কৰি চাই বিষ দিয়া হৈছে বুলি জানি সিহঁতে বনৰীয়া ঔষধ অলপমান দিলে। বহু সময়ৰ পিছত এই ঔষধে তাইক পুনৰ জীৱন দিলে গাভৰুজনী ধুনীয়া দেখি সিহঁতে নি তাইক ৰজাক উপহাৰ দিয়াৰ ঠিৰাং কৰিলে। ৰজাও তেতিয়া ৰাণী পাতিবলৈ এগৰাকী উপযুক্তা নাৰীৰ সন্ধানত আছিল। সিহঁতে তাইক ৰজাক উপহাৰ দিলত ৰজা তাইৰ অতুলনীয় ৰূপত এনেকৈ মোহিত হ'ল যে, তাইক তেতিয়াই বিয়া কৰাই ৰাণী পাতিলে

মৰমীয়াল গুণে তাইৰ সৌন্দৰ্য্য আৰু বঢ়ালে। ৰজাই তাইক ইমান ভাল পালে যে তাইক সকলো মূল্যবান ৰত্নৰাজি আৰু দামী পোছাক পৰিচ্ছদ উপহাৰ দিলে। এইষাৰ কথাৰ সত্বেও ৰজাক তাই বৰ ভাল পাইছিল যদিও মাজে সময়ে ৰাণী বিষাদম্লান হৈ থকাটো লক্ষ্য কৰিছিল। কথাষাৰে ৰজাক বৰ চিন্তিত কৰিলে। এদিন বৰ মৰমেৰে তাইৰ মনত কি দুখ আছে, সুধিলে। তাই কলে যে, তাইৰ মৰমৰ ককায়েক কৰহানৰ কি হৈছে, তাই নাজানে। তাক পুনৰ নেদেখা পৰ্য্যন্ত তাই কেতিয়াও সুখী হব নোৱাৰে। এইটোৱেই তাইৰ বেজাৰৰ কাৰণ। কৰহানক তাৰ গতিবিধি নজনাৰ কাৰণে ঘূৰাই পোৱাটো টান যদিও ৰজাই এটা উপায়ৰ কথা ভাবিলে। ৰজাই ৰাজ্যৰ প্ৰধান শিল্পীজনক মতাই আনি ৰাণীৰ এটা সাইলাখ প্ৰতিমূৰ্ত্তি তৈয়াৰ কৰিবলৈ আদেশ দিলে। কামটো হৈ গলত ৰজাই যাতে সকলোৱে দেখে আৰু প্ৰশংসা কৰে, সেই অৰ্থে ৰাজআলিৰ মাজত প্ৰতিমূৰ্ত্তিটো থলে।

তেতিয়াও মৰমৰ ভনীয়েকক হেৰোৱাই সকলো যুক্তিতৰ্ক পাহৰি ঠায়ে ঠায়ে বেজাৰত অনাইবনাই ফুৰা কৰহান এদিন সেই বাটেদি গল। মূৰ্ত্তিটো দেখি সি তৎক্ষণাৎ ভনীয়েকক চিনি পালে আৰু কান্দিবলৈ ধৰিলে। মূৰ্ত্তিটোক পহৰা দি থকা প্ৰহৰী হঁতে কন্দা দেখি তাক ৰজাৰ ওচৰলৈ লৈ গল। তাত তাক বহুতো প্ৰশ্ন কৰা হ'ল। কৰহানে তাৰ বেদনাসিক্ত অভিজ্ঞতা আৰু মৰমৰ একমাত্ৰ ভনীয়েকক হেৰোওৱাৰ কথা বৰ্ণালে। তাৰ কথা শুনি ৰজা বৰ উত্তেজিত হৈ ৰাণীক তৎক্ষণাৎ মাতি পঠালে। কোঠাটো সোমায়েই কৰহানক দেখা মাত্ৰকে আনন্দত ইটো সিটোৰ বাহুবন্ধনত সোমাই পৰিল। এনেকৈয়ে আশ্চৰ্যাজনক ভাৱে বহুতো কষ্ট আৰু পৰীক্ষাৰ সম্মুখীন হৈ দুটা আত্মাৰ মিলন হ'ল।

ককায়েক ভনীয়েকৰ পুনৰ মিলন দেখি সকলো মানুহে ভাল পালে। দয়ালু ৰজাই কৰহানক মন্ত্ৰীমণ্ডলীৰ মন্ত্ৰী পাতিলে। দায়িত্বটো কৰহানে ইমান সুচাৰুৰূপে পালন কৰিলে যে, সোনকালেই

তেওঁ ৰজাৰ মুখ্যমন্ত্ৰী আৰু মুখ্য উপদেষ্টা হ'ল। ৰজাই কৰহানক ইমান ভাল পাইছিল যে অৱশেষত নিজৰ ভনীয়েকক তেওঁলৈ বিয়া দিছিল। ৰাণীয়েও ৰজাক ৰৰকৈ ভাল পাবলৈ ধৰিলে। তেওঁৰ সুখ-সম্ভোগ পৰিপূৰ্ণ হ'ল।

সকলোৱে ইয়াৰ পিছত সুখে সন্তোষেৰে দিন কটাবলৈ ধৰিলে। আমিও ঘটনাটোৰ সন্তোষজনক পৰিণতিৰ শেষ দেখিলোঁ।

টাবকপিং ৰেক':

এসময়ত টাৰকপিং ৰেক' নামেৰে এজন ৰজা আছিল। তেওঁৰ এগৰাকী ৰৰ ধুনীয়া জীয়ৰী আছিল। ৰজাই তাইক বৰ ভাল পাইছিল। সকলো কামতে পাৰদৰ্শী তাই এজনী গায়ক ছোৱালী। পুৱাই ধোঁৱাত উঠি গাঁৱত ফুৰাটো তাইৰ এক প্ৰিয় অভ্যাস আছিল।

এদিন পুৱা ধোঁৱাত উঠি উলটি আহোঁতে তাইৰ অকস্মাৎ অসুখ হ'ল। কিবা চিকিৎসা পোৱাৰ আগতেই তাইৰ মৃত্যু হ'ল। মৰমৰ জীয়েকৰ বিয়োগত ৰজা ৰাণী এনেকৈ উৰলি পৰিল যে, তেওঁলোক শোকাতুৰ হৈ নীতি অনুসাৰে এমাহ অপেক্ষা কৰাতকৈ তৎক্ষণাৎ তাইৰ শ্ৰাদ্ধ পাতিবলৈ মনস্থ কৰিলে।

ৰজাই সেই উৎসৱলৈ বিশেষ ভাৱে মইনা আৰু ডৱিক চৰাইক আহিবলৈ কৈ বিদায়ী ৰাজকুঁৱৰীৰ মৃত্যুত শোক কৰিবলৈ পাচিলে। পিছদিনা পুৱালৈকে যি ভালকৈ শোক কৰিব পাৰিব, তাকে ৰজাই এযোৰ ধুনীয়া সোণৰ কাণফুল উপহাৰ দিব বুলি প্ৰতিশ্ৰুতি দিলে

চৰাই হালে তৎক্ষণাৎ সম্মতি জনালে। উপহাৰটো পোৱাৰ আশাত ডৱিক চৰায়ে সকলো শক্তি প্ৰয়োগ কৰি পোনে পোনে বিনাবলৈ ধৰিলে। সি এনেকৈ চিঞৰিবলৈ ধৰিলে যে সোনকালেই তাৰ চকুকাণ তেজীৰঙা হৈ দুঘণ্টামানৰ পিছত ভাগৰত সি শুই পৰিল। মইনা চৰাইটো বুদ্ধিমান আছিল। ডৱিকটোৰ দৰে টেটু ফালি চিঞৰাতকৈ পুৱালৈকে গোটেইটো নিশা এৰাধৰাকৈ সি মধুৰ গীত গাবলৈ ধৰিলে। পিছদিনা পুৱা উঠি ৰতাহত ভাহি অহা মইনা চৰাইটোৰ ঘণ্টাধ্বনি সম গীত শুনি ৰজাই মনত ইমান শান্তি পালে

যে, কোনো কথা নোহোৱাকৈ ৰজাই তাক সোণৰ কাণ্ ফুল এযোৰ উপহাৰ দিলে।

তেতিয়াৰ পৰাই মইনা চৰাইৰ কাণত সোণৰ কাণ ফুল। ডৰিক চৰাইৰ চকু আৰু কাণ তেজাঁৰঙা।

৫। ডিমাছা:

পান্থৰজাৰ কাহিনী।

(১)

বুঢ়ী এগৰাকী বিধবাৰ ছটা লৰা আছিল। সিহঁত বলী আৰু গৰ্ব্বী, লগতে অত্যুৎসাহীও।

এদিন নিশাৰ আহাৰৰ কাৰণে মাকে এবিধ গোন্ধোৰাশাকেৰে আঞ্জা ৰান্ধিলে। আঞ্জাখন বৰ সোৱাদ লগা হলত সিহঁতে মাকক সোৱাদ হোৱাৰ কাৰণ সুধিলে। মাকে কলে: "হাচিগ্ৰীঙৰ প্ৰস্ৰাৱ এই শাকত ছিটিকি পৰিছিল। সেইকাৰণে আঞ্জাখন ইমান সোৱাদ লগা হৈছে। তাৰ মঙহ যে কিমান সোৱাদ লগা হব, এবাৰ ভাবোঁ আহ। একেবাৰে অমৃতৰ লেখীয়া হব। মঙহ পোৱাত আমাক কিহে বাধা দিব পাৰে? আমি মঙহ পাবই লাগিব।" উত্তেজিত হৈ লৰা ছ'য়োটা তেতিয়াই ওলাল। বিধবা গৰাকীয়ে কলে: "মূৰ্খ লৰাহঁত, হাচিগ্ৰীঙ্ হৈছে এক সৰ্প দানৱ। সি সাপকে নাখায়।" তাই তেতিয়া সিহঁতক সাৱধান বাণী শুনালে। "তাৰ কথা বেচিকৈ নাপাতিবি। সি এটা দানৱ। তহঁতৰ কথা শুনি সি তহঁতক গিলি থব পাৰে।" মাকৰ শঙ্কা দেখি সিহঁতে হাঁহিলে। মাইকী মানুহে ভয় কৰিব পাৰে। সিহঁত ডেকা আৰু বলী মতা মানুহ। হাচিগ্ৰীঙে কি কৰিব পাৰে। "আই, অলপ ৰোৱা। আমি তৎক্ষণাৎ হাচিগ্ৰীঙৰ মঙহ আনিম"। লৰাহঁতক এনে বিপদসঙ্কুল কামলৈ আগ নাবাঢ়িবলৈ বিধবা গৰাকীয়ে বহুত যত্ন কৰিলে যদিও সকলো ব্যৰ্থ হল। এবাৰ কিবা এটা কথালৈ মন মেলিলে, সিহঁতৰ মনৰ পৰিবৰ্ত্তন সধাটো অসম্ভৱ কথা। ঘোৰ অৰণ্যত হাচিগ্ৰীঙক মাৰিবলৈ ভায়েক ককায়েক ছটা ওলাই গল।

হাচিগ্ৰাঁউ এটা বিৰাটকায় সৰ্প দানৱ। সি ক'ত থাকে কোনেও নাজানে। সকলোৱে তাক অতি মানবীয় শক্তিৰ এটা দানৱ বুলি ভাবে। বিৰাটকায় আৰু ক'লা ছাল থকাৰ কাৰণে তাক মানুহে হাচিগ্ৰাঁউ, অৰ্থাৎ পৃথিৱীৰ চাঁ বোলে। ওৰেটো দিন হাবিত বনাই ফুৰি ভায়েক ককায়েক ছটাই তাৰ কোনো সন্ধান নাপালে। সন্ধ্যা সিহঁতে এটা ভগাছিগা জুপুৰী পালেগৈ। জুপুৰীটোত এগৰাকী বুঢ়ীয়ে অশুভ যাদু কৰি থাকে। ককায়েক ভায়েক ছটাই তেওঁক কলে, "আইতা আমাক নিশাটোৰ কাৰণে থাকিবলৈ দিবনে?" বুঢ়ীয়ে কলে, "মৰমৰ নাতি লৰাহঁত, তোমালোকক বৰ আনন্দেৰে থাকিবলৈ দিম। তোমালোক নো এই ফাললৈ কি সকামত আহিছা?" সিহঁতে তাইক সিহঁতৰ যাত্ৰাৰ উদ্দেশ্যৰ কথা কলে।

তাইতকৈ অধিক পৰাক্ৰমী হোৱা হেতুকে বুঢ়ীয়ে হাচিগ্ৰাঁউক ভয় পাইছিল। তাক হত্যা কৰিব পাৰিলে তাই ভালেই পায়। তাক হত্যা কৰাটো কৰলৈ সহজ। তাই ভায়েক ককায়েক ছটাৰ শক্তি পৰীক্ষা কৰিবলৈ মনস্থ কৰিলে। খাবলৈ সিহঁতক লোৰ ভাত দিলে। চোবালে যদিও এই ভাত খাবলৈ সিহঁতে নোৱাৰিলে। হতাশ হৈ যাদুকৰীয়ে নিজকে কোৱাৰ দৰে কলে: "হাচিগ্ৰাঁউক হঁহঁতে নোৱাৰে। পুৱাই এটা কুকুৰাই চিঞৰিলে "বিধবাৰ লৰাহঁতৰ পৰাজয় হওক, পৰাজয় হওক।" বাতিপুৱালত হাচিগ্ৰাঁউৰ ঠাইলৈ যাদুকৰী বুঢ়ীয়ে সিহঁতক বাট দেখুৱাই দিলে। বাটটোৰেদি সিহঁত গৈ থাকিল।

পিছদিনা সন্ধিয়া নিশা পঁজাত আশ্ৰয় লবলৈ দিয়া আন এগৰাকী যাদুকৰীক সিহঁতে পালে। সিহঁতক পৰীক্ষা কৰাৰ মানসেৰে তাই ফুটা থকা পাচি এটাৰে সিহঁতক পানী আনিবলৈ কলে। সেইটো পাচিত কোনো এটা ভাইককায়ে পানী বান্ধিব নোৱাৰিলে। পুৱাই কুকুৰাটোৱে আকৌ চিঞৰিলে, "বিধবাৰ সন্তানৰ পৰাজয় হওক, পৰাজয় হওক।"

তাৰ পৰা সিহঁত তৃতীয় গৰাকী যাদুকৰী বুঢ়ীৰ ওচৰলৈ আহিল।

সিহঁতক কাঁইটীয়া ঠাই এডোখৰলৈ নি তাৰ মাজৰ পৰা নফলাকৈ কলপাত এখিলা আনিবলৈ তাই পাচিলে। কোনো এটা ভাইককাযে কামটো কৰিব নোৱাৰিলে। পুৰা কুকুৰাটোৱে আকৌ চিঞৰিলে "বিধবাৰ সন্তানৰ পৰাজয় হওক, পৰাজয় হওক।

বেলি বুৰ যোৱাৰ লগে লগে ডাঙৰ এজোপা আঁহত গছৰ তলত তাৰ বিশাল আৰু কলা বপুটো বগৰাই থকা হাচিগ্ৰীঙক ভাইককাই ছটাই দেখিলে। তাৰ মেলি থোৱা মুখখন ইমান বহল যে, হাতী এটা সেই পিনে সহজেই পাৰ হৈ যাব। একোলৈকে ভয় নকৰি ভাইককাই ছটাই ওচৰলৈ আহি পোনে পোনে তাক প্ৰস্তাৱটো দিলে। "হাচিগ্ৰাঁঙ, তোমাৰ মঙহ আমি খাবলৈ বিচাৰোঁ। সেইকাৰণেই তোমাক হত্যা কৰিব খুজিছোঁ। আমাৰ লগত যুঁজ দিয়া, আহঁা।"

হাচিগ্ৰীঙে বৰ আমোদ পালে। সি তন্দ্ৰাতুৰ ভাৱে কলে। "লৰা হঁত, তোমালোকে মোৰ মঙহ খাব পাৰিবা। সেই বুলি মোক হত্যা কৰিব নোৱাৰা। মই তোমালোক হোৱা হলে, কেতিয়া-বাই লৰৰি পলালেঁহেঁতেন।"

এই দৃঢ় সঙ্কল্পিত ভাইককাই ছটাক কোনো বংধমালিয়ে লৰাব নোৱাৰে। ধেমালি কৰিবলৈ ইহঁত জানো ইমান দূৰ আহিছে? হাতত খোলা তৰোৱাল লৈ দানৱটো হত্যা কৰিবলৈ সিহঁত ল'ৰি গল। তৎক্ষণাৎ সিহঁত নিবৰ আৰু ক্ষমতাহীন হৈ পৰিল। পিছ মুহূৰ্ত্তে সিহঁত মেল খাই থকা দানৱটোৰ মুখখনত পৰিল আৰু অন্তৰ্দ্ধান হ'ল। সিহঁতকৈ হাচিগ্ৰাঁঙ অধিক খৰতকীয়া আছিল। ই উশাহ ভিতৰলৈ নিলেই হ'ল। অলসতাপূৰ্ণ ভাৱে সি কলে আৰু তৎক্ষণাৎ নিদ্ৰামগ্ন হ'ল। "ভিতৰৰ পৰা মোৰ মঙহ যিমান পাৰা সিমান খোৱা।"

(২)

লৰা ছটা উলটি অহা নেদেখি অকলশৰীয়া বিধবা গৰাকীয়ে ইতিমধ্যে বিনাবলৈ ধৰিলে। এদিন ঝুম পথাৰলৈ তাই বেঙেনা কিনিবলৈ গল। বেঙেনা ছিঙি থাকোঁতে এডাল কাঁইটে তাইৰ আঙুলি এটা বিন্ধিলে। এনেতে তাই এটা কণ্ঠস্বৰ শুনিলে। "তোমাৰ

এটা লৰা হব ।" তাইৰ গাত সোনকালে গৰ্ভৱতীৰ লক্ষণ দেখা দিলে আৰু সময়ত সচাঁকৈয়ে তাইৰ এটা লৰা হ'ল। বেঙেনাৰ কাঁইটৰ দ্বাৰা গৰ্ভৱতী হৈ জন্ম দিয়া লৰাটোক "পাম্বৰজা" বেঙেনাৰ ৰজা বোলা হ'ল।

বহুতো সদগুণেৰে বিভূষিত হৈ পাম্বৰজা এটা বঢ়িয়া লৰা হ'ল। কেনেকৈনো হাচিগ্ৰীভক মাৰিবলৈ গৈ তাৰ ককায়েক ছটা উলটি নাহিল, সেইবিষয়ে মাকে তাক কলে। ককায়েকহঁতক লগ পাবলৈ তাৰ বৰ আগ্ৰহ হ'ল। ককায়েক হঁতক বিচাৰি সি যাব খুজি তাইক কলে। কিন্তু তাক তাই যাবলৈ নিদিলে। ছটা লৰাৰ মৃত্যু তাইৰ কাৰণে জানো যথেষ্ট নহয়? পাম্বৰজাই তাইক সান্ত্বনা দি কলে: "তুমি নাজানা জানো, মই স্বৰ্গৰ লৰা? মোৰ শক্তি দৈৱিক। ভগবানে মোক চলাই নিব। মোক যদি তুমি যাবলৈ দিয়া, মই ককাই ছয়োজনকে ঘূৰাই আনিম। মই যদি হাচিগ্ৰীভক লগ পাওঁ, তাতোকৈ মোৰ শক্তি অধিক হোৱা হেতুকে তাক মই কোবাম।"

তাৰ মাতৰ কিবা এটাই মাকক বুজনি দিলে। সৰু লৰা যদিও পাম্বৰজাই কোৱা কথাবোৰ যে সঁচা, সেইকথা তাই বুজিলে। তাই তাক যাবলৈ দিলে। বাটত পাম্বৰজাই সেই তিনি গৰাকী গাভুৰুবীক লগ পালে। তেওঁলোকৰ পৰাক্ষাত সি উত্তীৰ্ণ হ'ল। কুকুৰাটোৱে চিঞৰিলে "বিধবাৰ লৰাৰ জয় হওক, জয় হওক।"

বাকা ছটাক ঘৃণাৰে আদৰণি জনোৱাৰ দৰে হাচিগ্ৰীভে তাকো জনালে। এইবাৰ তাৰ কৌশলে কাম নিদিলে। পাম্বৰজাই তাক তৎক্ষণাৎ হত্যা কৰিলে।

তৰোৱালৰ এটা ঘাপত দানৱৰ মূৰটো কাটিলে। আন এটা ঘাপত সি তাৰ ওখহি থকা পেটটো কাটিলে। সি তাত ককায়েক ছটাক ওচৰা ওচৰি কৈ গভীৰ নিদ্ৰাত পৰি থকা দেখিলে।

ককাই ভাই ছজনে সাৰ পাই উঠি চকু মোহাৰিলে। সিহঁত বহুত দীঘলীয়াকৈ শুলে। সিহঁতৰ মাক ছাগৈ চিন্তান্বিতা হৈছে। প্ৰতিশ্ৰুত অমৃত অৰ্থাৎ হাচিগ্ৰীভৰ মঙহ লৈ লৰালৰিকৈ সিহঁত ঘৰলৈ

যাব লাগিব। সিহঁতে ভাবিলে, আচলতে সিহঁতে হাচিগ্ৰীঙক বধ কৰিছে। লৰালৰিত সিহঁতে পান্থৰজাক লক্ষ্য নকৰিলে। শ টো ডোখৰ ডোখৰ কৈ কাটি ছটাৰ মাজত ভাগ কৰিলে। তেতিয়াহে সিহঁতে সপ্তম মানুহটোৰ উপস্থিতি লক্ষ্য কৰিলে। সিহঁতে কলে: "এইটো কোন ইয়াত বৈ আছে?" পান্থৰজাই লাজেৰে আৰু বিনম্ৰভাৱে কলে: "ককাইদেউহঁত, মই তোমালোকৰ কনিষ্ঠ ভ্ৰাতৃ। হাচিগ্ৰীঙৰ পেটৰ পৰা তোমালোকক ময়ে মুক্তি দিলোঁ। "একেবাৰে মিছা কথা। আমাৰ সপ্তম ভাই এটা নাই। লৰাটোৱে ছলাহি কথা কৈছে। দানৱটোক হত্যা কৰা আমাৰ গৌৰৱ ই হানি কৰিব খুজিছে। সি মাকৰ পিয়াহ নাখায় গৈ কিয়। অলপ মগজৰ কাৰণে? আমাৰ পৰিত্ৰাণ কৰ্ত্তা কনিষ্ঠ ভ্ৰাতৃ"। কথামাৰে ভাইককাই ছজনৰ খং তুলিলে। জ্যেষ্ঠ জনৰ বাহিৰে বাকী কেইটাই পান্থৰজাক আক্ৰমণ কৰিলে আৰু তেওঁক ঘুচিয়াবলৈ, লঠিয়াবলৈ ধৰিলে। এইদৰে অমানুষিক অত্যাচাৰ কৰাৰ কাৰণে জ্যেষ্ঠজনে সিহঁতক গালি পাৰিলে। আচলতে সি জানো সৰু লৰা নহয়?

ককাই ভাই ছটা ঘৰলৈ উলটিল। পান্থৰাজো সিহঁতৰ পিছে পিছে মনে মনে গল। ইয়াকে দেখি কনিষ্ঠটোৱে হাতী অহা বাটত কাইটীয়া গছ এজোপাত তাক বান্ধি থৈ আহিল। বিশেষ আহুকাল নোহোৱাকৈ পান্থৰজা বান্ধোনৰ পৰা মুকলি হ'ল। এইবাৰ সিহঁতে নেদেখাকৈ সি আকৌ সিহঁতক অনুসৰণ কৰিবলৈ ধৰিলে।

(৬)

উলটি অহা লৰাহঁতৰ মাজত পান্থৰজাক নেদেখি বিধবাগৰাকী নিৰুৎসাহ হ'ল। চিন্তান্বিতা হৈ তেওঁ লৰা ছটাক সুধিলে: "তহঁতে তহঁতৰ কনিষ্ঠ ভ্ৰাতৃক লগ পোৱা নাই জানো? সি তহঁতক বিচাৰি গৈছিল।"

কি দোষ লগাইছে, সেইষাৰ কথা ভাইককাই ছটাই এতিয়া বুজিব পাৰিলে। লাজ আৰু বেজাৰত সিহঁত মৌন হৈ থাকিল। সিহঁতে

গুহাৰ পিছফালে কোনোবাই উচুপি কন্দা শুনিলে। বিধবা গৰাকী তালৈ লব ধৰিছে। পান্থবজ্ঞাই তাতে বহি নিৰৱে উচুপি আছিল। উচুপি থকা পান্থবজ্ঞাই সকলো কথা মাকক কলে। কান্দি কান্দি মাকেও সকলো কথা শুনিলে। লৰাটোৱে আৰু কলে: "মা, মোক অলপ সূতা দিয়া। আচৰিত হৈ মাকে সুধিলে "সোণটো, সূতা কি কৰিবি?" "মা, মই আকৌ সৰগলৈ উলটি যাওঁ।" মই আৰু এই পৃথিৱীত থাকিব নোখোজোঁ। সূতাৰে স্বৰ্গলৈ মই এখন জখলা সাজিম।"

মাক বৰ আচৰিত হ'ল। মাকে কলে: "মোৰ সোণ, মোৰ মুকুতা, তুমি মোক এৰি কলৈকো আৰু যাব নোৱাৰা। তুমি মোক এৰি নাযাবা। তুমি যদি যোৱা মই তেন্তে মৰিম।"

"মা, মই যাবই লাগিব। সিদ্ধান্ত লোৱা হৈছে।" মাকে চিনি পোৱা লৰাটোৰ কোমল অথচ দৃঢ় কণ্ঠস্বৰ তাই শুনিলে। তাই কলে: "মৰো যাওঁ।"

"সেইটোৱে হওক তেন্তে।"

মাকে সূতা দিলত পান্থবজ্ঞাই সূতা এডাল এমূৰে ধৰি স্বৰ্গৰ ফালে উকৰাই দিলে। ওপৰলৈ উৰি সূতাখিনি মেঘৰ মাজেৰে গৈ আনটো মূৰ স্বৰ্গ পালেগৈ। এইটো বাটেদিয়েই তেওঁ স্বৰ্গলৈ যাব। যোৱাৰ আগমুহূৰ্ত্তত পান্থবজ্ঞাই মাকক সাৱধান কৰি দিলে। "কোনো পাই যিহকে নহওক লাগিলে তুমি কেতিয়াও গুৰি নচাবা।"

সি আকৌ কলে: "যোৱাৰ আগতে এটা কাম কৰি যাব লাগিব। ককাইদেউ হঁতে মোক নিৰ্দ্দয় ব্যৱহাৰ কৰিছে। সিহঁত মানুহৰ জীৱন ধৰাৰ অনুপযুক্ত। যথোচিতভাৱে সিহঁতক মই শাস্তি দিম। বৰ ককাইদেউ অলপ মৰমিয়াল। মই তেওঁক জেঠা সাজি ঘৰত থাকিবলৈ দিম। বাকীকেইটা উঁই পকৰা হব। সিহঁত গছৰ গুৰিত থাকিব। বিজুলীয়ে সিহঁতক আঘাত কৰিব। এইদৰেই সিহঁতে নিৰীহজনক গুৰিওৱাৰ আৰু মৰাৰ শিক্ষা পাব।" এইদৰে

কোৱামাত্ৰকে বৰককাইদেৰেক এটা জেঠী আৰু বাকী পাঁচোটা উঁই পোকলৈ ৰূপান্তৰিত হ'ল।

ইয়াৰ পিছত মাক আৰু লবা সূতাডালত বগাবলৈ ধৰিলে। সৰগলৈ আধা বাট পাওঁতে পৃথিৱীৰ সকলো জীৱজন্তুৱে সিহঁতক দেখিলে। মতামাইকী বুঢ়া-ডেকা, ঘৰচীয়া আৰু বনৰীয়া জীৱজন্তু, চৰাইচিৰিকতি সকলোৱে বিনাবলৈ ধৰিলে। বিননি ইমান করুণ আৰু মৰ্ম্মস্পৰ্শী আছিল যে বুঢ়ীয়ে সিহঁতৰ ফাললৈ ঘূৰি নেচোৱাকৈ নোৱাৰিলে। সেইখিনিতে সূতা ডাল ছিগি থাকিল।

ডোল দাল ছিগা ঠাইতে বিধবা গৰাকী ওলমি থাকিল। ওপৰৰ পৰা পাম্বৰজাব মাত তাই শুনিলে: "মা, তুমি মোৰ সাৱধান বাণীৰ কথা পাহৰিলা। তুমি তাতে থাকিব লাগিব, উপায় নাই। মই আৰু আগবাঢ়ি যাব লাগিব। ওপৰৰ পৰা তোমাক মই চাই থাকিম। তুমি যেতিয়াই তললৈ চোৱা, তেতিয়াই পোহৰৰ ৰেখা এডাল পৰিব। এই পোহৰত তোমাক মই চাম। সেই পোহৰত মোৰ অকৃতজ্ঞ ককাই হঁতক, উঁই পৰুৱা হঁতক আক্ৰমণ কৰিম।

তেতিয়াৰ পৰাই বিধবা গৰাকীয়ে যেতিয়াই পৃথিৱীৰ ফাললৈ চায়, তেতিয়াই আকাশত পোহৰৰ দীঘলীয়া বক্ৰৰেখা এডাল পৰে। বৰ বেচি বুঢ়ী হোৱাৰ কাৰণে তেওঁ পোনে পোনে চাব নোৱাৰে। পোহৰ দেখিলেই পাম্বৰাজে বজ্ৰপাত পেলায়। উঁই পৰুৱা থকা গছ কেতিয়াও সাৰি নাযায়।

বান্দৰ আৰু পছু:

এসময়ত প্ৰায় সকলো জন্তুৰে ঈৰ্ষাৰ কাৰণ পছুৰ এডাল মনোৰম দীঘল নেজ আছিল। এদিন হাবিত খাবলৈ কিবা সোৱাদ লগা বস্তু বিচাৰি ফুৰোঁতে কথাৰে তাক আপ্যায়িত কৰা বান্দৰ এটাক লগ পালে।

আচলতে টেঙৰ বান্দৰ টোৰ গৰ্ব্ব কৰিব লগীয়া কোনো নেজ নথকা হেতুকে সি পছুটোৰ নেজডাললৈ আগ্ৰহ কৰিছিল আৰু

সেইডাল যেনে তেনে পাবলৈ উপায় বিচাৰিছিল। এই উদ্দেশ্য সাৰোগত কৰি কিছুসময় সি পাতল তৃপ্তিদায়ক কথা পাতি থাকিল আৰু পহুটোৰ ফাললৈ চাই অত্যন্ত প্ৰশংসাসূচক ভাৱে কলে : "মৰমৰ বন্ধু মোৰ, তোমাৰ কেনে মনোৰম নেজ এডাল আছে।" অস্থিৰ হৈ পহুটোৰে কলে : "বন্ধু বান্দৰ, তুমি কি কব খুজিছা, মই একো বুজা নাই।" ইয়াৰ পিছত বান্দৰ টোৱে তালৈ ভুলা চানিৰে চাই আশ্চৰ্য্যজনক ভাৱেৰে কলে : "বৰ আচৰিত, তোমাৰ ডালৰ নিচিনা বিশেষ আৰু ধুনীয়া নেজকহে মনোৰম বুলিব পৰা আনবোৰ তেনেই সাধাৰণ সেইকাৰণেই সেইবোৰক নেজ বোলা হয়। তোমাৰ ডাল বৰ মনোৰম। তুমি যদি দিয়া, এক মুহূৰ্ত্তৰ বাবে বস্তুটো পিন্ধি চাবলৈ পালে ভাল পাম সহজে বিশ্বাস কৰা পহুটোৱে টেঙৰ বান্দৰৰ প্ৰশংসাসূচক কথাত এনেকৈ মোহিত হৈছিল যে সি তৎক্ষণাৎ সন্মত হ'ল। সি কলে : "নিশ্চয় বন্ধু, তুমি এইডাল পিন্ধি চাব পাৰা।" এইবুলি কৈ ধুনীয়া দীঘল নেজডাল এবাৰলৈ তাক দিলে। বান্দৰটোৱে ইয়াকে বিচাৰিছিল। সি পহুৰ নেজডাল লৈ আঁতৰি পৰিল। বেচেৰা পহুটোৱে যদিও কান্দিকাটি নেজডাল ঘূৰাই দিবলৈ বান্দৰ টোক মিনতি জনালে, একো ফল নধৰিল।

পহুটোক কান্দি থকা দেখি বেদনাক্লান জন্তুটোৰ কাৰণে ভগৱানৰ পুতৌ উপজিল, তাক এডাল নিজৰ কলিজাৰে সাজি সৰু নেজ দিলে। কলিজাৰ পৰিমাণ দুৰ্ভাগ্য বশতঃ কম হোৱা হেতুকে নতুন নেজডাল চুটি হ'ল।

এই কাৰণেই পহুৰ নেজ চুটি আৰু ইয়াৰ কলিজা বৰ কম। এই ক্ষেত্ৰত একেবাৰে আচৰিত কথা হৈছে যে, পহুৰ নেজৰ মঙহ আৰু কলিজা দেখিবলৈ একে, খাবলৈকো একে।

ছাগলী কেনেকৈ দুৰ্ব্বল হ'ল :

এসময়ত সকলো জন্তুৰ ভিতৰত ছাগলী বৰ বলী আছিল।

আনকি বাঘেও তাক ভয় কৰিছিল। চৰি কুবেঁাতে আনকি টিলা একোটাও কঁপি আছিল।

এদিন ছাগলী এটা পানী খাবলৈ জুবি এটালৈ আহিছিল। পানাত মুখ দিয়াৰ লগে লগে ডাঙৰ এটা কেকোঁৱাই হেং ভুখনরে তাক চেপি ধৰিলে। ছাগলীটোৱে এইটো কি জনা নাছিল। অকস্মাৎ এডোখৰ কোমল অংশত আক্ৰমণ হোৱা দেখি সি বৰ ভয় খালে। তাক বৰ বেয়াকৈ আক্ৰমণ কৰা হৈছে বুলি ভাবি সি পৰাজয় স্বীকাৰ কৰি কঁপি কঁপি অন্তিম মুহূৰ্ত্তটোলৈ বাট চালে। ওচৰতে থকা বাঘ এটাই এই অৱস্থাটো দেখি আছিল। তৎক্ষণাৎ মৃতপ্ৰায় ছাগলীটোৰ ওপৰত পিছফালৰ পৰা জপিয়াই পৰি তাক হত্যা কৰিলে। ওচৰৰ আনবোৰ ছাগলীয়ে এই অৱস্থা চাই আছিল। সিহঁতে ইমান ভয় খালে যে তেতিয়াৰ পৰা ছাগলী বাঘৰ সহজ চিকাৰ হৈ পৰিল

৬। লোভী নগা :

(আশা আৰু মুনচেৱাঙ্‌)

এসময়ত আশা আৰু মুনচেৱাঙ্‌ নামেৰে দুজন ভাইককাই আছিল। ইয়াৰে প্ৰথমজন ডাঙৰ। আশা বৰ চেঙৰ আছিল। মুনচেৱাঙ্‌ তেনেই মূৰ্খ। কেনেকৈ ধনী হব পৰা যায়, সিহঁতে এদিন আলোচনা কৰিলে। সিহঁতে এটা বুদ্ধি পাঙিলে। আলিৰ দাঁতিত এটা অতিথিশালা পাতিলে। ভাগৰুৱা পথিকক সিহঁতে কাপোৰ কানি, আহাৰ দিছিল। বিচ স্বৰূপে পথিকে লগত লৈ অহা বস্তুৰ এভাগ দিছিল।

অতিথিশালাটো সিহঁতে পাল পাতি চোৱামেলা কৰিছিল। এদিন মুনচেৱাঙ্‌ নথকাকৈতে আশাই ভাগৰুৱা পথিক কিছুমানক সেৱা কৰি তেওঁলোকে লগত অনা সোণ আৰু নানা লাগতিয়াল আ-অলঙ্কাৰ পাইছিল। মুনচেৱাঙে উলটি আহি ককায়েকে তুয়োটাৰ কাৰণে ভালকৈ কিছু উপাৰ্জ্জন কৰা দেখি বেং পালে। এদিন আশা মাছলৈ

গল। গ্ৰাহকক চোৰামেলা কৰিবলৈ মুনচেৰাঙক লৈ গল। ভদ্ৰলোকৰ সুবিধাৰ বিষয়ে চোৰামেলা কৰাৰ দূৰৰ কথা, মুনচেৰাঙ ভদ্ৰলোকৰ এনেকৈ অনাস্থাভাজন হ'ল যে, অৱশেষত ঘুচিয়াঘুচি পৰ্য্যন্ত হলগৈ। গ্ৰাহক সকলে তাক পৰাজিত কৰি লগত বন্দী কৰি লৈ গল। হাবিৰ মাজেদি গৈ থাকোঁতে বাট সি ককায়েকক চিঞৰি গল : "আশা ককাইদেউ, মোক ৰক্ষা কৰা। মোক বন্দী কৰি লৈ গৈছে। তোমাৰ লগত আৰু থাকিবলৈ নাপাওঁ। অ' আশা ককাইদেউ মোক ৰক্ষা কৰা…… মাছ ধৰি থাকোঁতে আশাই ভায়েকৰ চিঞৰ শুনিলে। চমু বাট এটাৰে গৈ সি বন্দী কৰি নিয়া মানুহখিনিৰ [illegible]আগতে আহি গছ এজোপাত উঠি পালে। গছ জোপাত উঠি সি দূৰণিত সেই ফালৈলৈ অহা ভায়েক আৰু তাক বন্দী কৰি নিয়া মানুহখিনি দেখিলে। তৈতে ধৰা মাছ গছৰ ঠানি এডালত ওলোমাই থৈ কিছুদূৰ আগবাঢ়ি গৈ বন্দী কৰি নিওঁতা মানুহহঁতক সোণ আৰু অন্যান্য মূল্যবান অ-অলঙ্কাৰৰ বিনিময়ত ভায়েকক মুক্তি দিবলৈ খাটিলে। বন্দী কৰি নিওঁতা মানুহ হঁতে তাৰ অনুৰোধত ভ্ৰূক্ষেপ নকৰিলে। অৱশেষত মাছ ৰাখি থোৱা গছৰ তল আহি পাওঁতে, সি খং উঠি এক পথিক হঁতক গছতে কিছুসময় জিৰাবলৈ অনুৰোধ কৰিলে। সেইতে সকলো হলত আশাই কলে : "বন্ধু হঁত, তোমালোকে মোৰ ভাইক লৈ যাব পাৰা। কিন্তু যোৱা গছত গুটি নালাগি মাছ লগা কথা শুনিছানে?"

পথিক হঁত (ভায়েক মুনচেৰাঙেও) কলে : "হে হে হে হে,…… পৃথিৱীত স্বৰ্গৰাজ্য।" কোনো কোনোৱে ঠাট্টা কৰিলে। কোনো কোনোৱে খঙতে কলে "তুমি যদি মুখ বন্ধ নকৰি এনেদৰে অলাগতিয়াল কথাৰে বাৰ কৈ থাকা, তেন্তে তোমাকো ভায়েৰৰ দৰে একে দশাই হব।"

আশা : "জীৱিত কালত আমাৰ ককাদেউতাই (এই বুলি টাইহত গছজোপাৰ পিনে আশাই আঙুলিয়ালে) যেতিয়া গছজোপাই

গুটি নধৰি মাছ ধৰিছিল বুলি কৈছিল, তেতিয়া ময়ো পোনতে সম্পূৰ্ণৰূপে কথাষাৰ বিশ্বাস কৰা নাছিলোঁ।”

পথিক : “মিছা কথায়া আৰু প্ৰতাৰণাকাৰীৰ পৰা আমি ৰক্ষা পৰোঁ। আমাৰ লগত আহাঁ। আমি দেশৰ জাৰজ লৰাছোৱালীহঁতৰ তোমাক মুখ্য সাধুকওঁতা পাতিম।” এইদৰে কোৱাত সকলোৱে হাঁহিলে আৰু অশ্লীল কথা কলেপ

আশা : মোৰ ক্ষেত্ৰত এনেদৰে নিষ্ঠুৰ নহবা। মৰিশালিৰ পৰা তোমালোকৰ ককাদেউতাৰাৰ হাড়ে জুমি চাই কৱ, ‘লৰাহঁত, আশাৰ ক্ষেত্ৰত এনে অশোভনীয় ভাষা ব্যৱহাৰ নকৰিবা’।”

পথিক : “বেচেৰা মানুহটোক এৰি আমি যাত্ৰাপথত আগ বাঢ়োঁ আহাঁ। সি বলিয়া।”

আশা : “বন্ধুহঁত, মৃতকৰ কথা সঁচানে মিছা, তাৰ প্ৰমাণ চাওঁ আহাঁ। বহুতো ক্ষেত্ৰত পৃথিৱীৰ আজি পৰিৱৰ্ত্তন হৈছে।”

পথিক : “তুমি যদি কথাষাৰ সঁচা বুলি প্ৰমাণ কৰিব পাৰা, তেন্তু তোমাক যিহকে লাগে, তাকে দিম।”

আশা : “সকলোবোৰ নহয়, তোমালোকৰ মোনা আৰু বন্দাজনক দিলেই হব।”

পথিকহঁত সম্মত হ'ল। গছত উঠি আশাই তেতিয়া সকলোকে চমক্ লগাই এটা এটাকৈ মাছ পাৰিবলৈ ধৰিলে। গছৰ পৰা নামি সি কলে : “এইবাৰ গছ জোপাই কম পৰিমাণৰ মাছ দিছে।” পথিকহঁতে সিহঁতৰ প্ৰতিজ্ঞা পালন কৰিলে। সন্ধিয়া চৰাইহঁতে গীত গাবৰ সময়ত আশা আৰু মুনচেবাঙে পথিকহঁতে এৰি যোৱা বহুতো মূল্যবান সম্পত্তি লৈ ঘৰলৈ উভতিল।

৭। লুচাই :

ভালুক দেউতা আৰু বান্দৰ পোনা।

হাবিত জীৱন বঢ়িয়াকৈ উপভোগ কৰা এসময়ত এটা দুষ্ট ডেকা বান্দৰ আছিল। সি এখন নিজৰ কাৰণে দোলনা সাজি লৈছিল।

ওৰেটো দিন দোলনা খনত উঠি ইফালে সিফালে হেপাহ পলুৱাই ঝুলি থাকিবলৈ সি বৰ ভাল পাইছিল।

এদিন ভালুক দেউতা সেইফালে আহি তাক এনেকৈ ঝুলি থকা দেখি কলে: "হেৰা বান্দৰ ডেকা, তোমাৰ দোলনাখন অলপ সময়ৰ কাৰণে মোকো ব্যৱহাৰ কৰিবলৈ দিয়া।" বান্দৰে কলে: নিশ্চয় দিম। কিন্তু বৰ্ত্তমান অৱস্থাত ই জানো আপোনাৰ নিচিনা গধুৰ ভদ্ৰলোক এজনৰ ভৰ সহিব পাৰিব? ই যিহকে নহওক লাগিলে, মই পোনতে ওপৰলৈ উঠি আপোনাৰ ভৰ সহিব পৰাকৈ শক্তিশালী ভাৱে ডোল কেইডাল গছৰ ডালত কটকটীয়াকৈ বান্ধো।" বান্দৰে লৰালৰিকৈ উঠি গোপনে ডোলবোৰ দাঁতেৰে কাটি ভালুক দেউতাক কলে: "আপুনি দোলনাত উঠক। ভালুক দেউতা দোলনাত উঠিলত বান্দৰটোৱে আহাৰ প্ৰস্তুত কৰিবলৈ গল। সি মনে মনে ভাবি গল, 'অনতিপলমে ভালুক দেউতা দোলনাৰ পৰা পৰি মৰি থাকিব। তাৰ মঙহৰ সৈতে খাবলৈ ভঁৰালৰ পৰা মই অলপ গুটি আৰু চাউল আনোঁ। সঁচাকৈয়ে বৰ সোৱাদলগা আহাৰ হব' এইদৰে ৰঙীন সপোন দেখি থাকোঁতে ভয়ঙ্কৰ শব্দ এটা শুনি লৰালৰিকৈ সি দোলনা ডালৰ ওচৰলৈ গল। তাৰ লুভীয়া মনত ভালুক দেউতাৰ মঙহৰ ভোজটোৰ কথা। সেইখিনি পাই সি আচৰিত হৈ দেখিলে যে, দোলনাৰ পৰা পৰিল যদিও গাত এটাও আঁচোৰ নলগাকৈ ভালুক দেউতা জীৱন্ত হৈ আছে। বৰ আগ্ৰহেৰে ভৰা ভোজটোৰ কথা বাদ দি ভালুক দেউতাক বৰ খঙত দেখি বান্দৰে ভীষণ ভয় খাইছিল। যদিও গাত ক্ষতিখুণ একো হোৱা নাছিল, দোলনাৰ পৰা পৰাটোৱে তাৰ সন্মান যথেষ্ট পৰিমাণে লাঘৱ কৰিছিল। নিজৰ ভয় আৰু শঙ্কা লুকুৱাই বান্দৰে লেহেতিয়াই কলে: ভালুক দেউতা, দোলনাৰ পৰা পৰা শব্দটো শুনিয়েই সহায় কৰিবলৈ মই যিমান সোনকালে পাৰোঁ, সিমান সোনকালে লৰি আহিছোঁ। আপুনি অকণো আঘাত নোপোৱা দেখি মই বৰ সন্তোষ পাইছোঁ। আপোনাক সুস্থিৰ কৰিবলৈ লগত মই অলপ আহাৰ লৈ আহিছোঁ।"

দুৰ্ভাগ্যবশতঃ বান্দৰে ভবাৰ দৰে ভালুক দেউতা অলপো মূৰ্খ নাছিল। ভালুকে তাৰ কৌশলৰ কথা বুজিছিল। ভালুক দেউতাই খঙেৰে কলে: "দুষ্ট বান্দৰ ডেকা, মিছা কথাৰে কথা নবঢ়াবি। গছজোপাত ডোল কটকটায়া কৰিবলৈ নহয়, মই পৰি মৰিবলৈহে তই ডোল কাটিবলৈ উঠিছিলি। তোক এতিয়া মই আগলৈ এনে ধেমালি নকৰিবলৈ ভালকৈ মৰিয়াম।" এইবুলি কৈ তেওঁ ভয় খাই থকা বান্দৰটোক খেদি গল। ভালুক দেউতাৰ খঙৰ হাত সাৰিবলৈ সি পলাই হাবিৰ ওখ গছ এজোপাৰ ওপৰৰ ডালত উঠিল। ডেকা বান্দৰটোৰ কাৰণে আৰু শোচনীয় অৱস্থা হ'ল, যেতিয়া গছৰ ডালৰ মাজত বহি থাকোঁতে অসহায় ভাৱে সি নিজৰ কাৰণে যোগাৰ কৰা সকলো আহাৰ ভালুক দেউতাই খাই পেলোৱা দেখিলে।

ছেজাণ্টেপা আৰু বাক্ৰামটে পু।

এসময়ত হাবিৰ মাজেদি বৰ আলি এটা সাজিবলৈ সকলো জাৰজন্তুৱে এখন সভা পাতিলে। সংগঠক ছেজাণ্টেপাও সেই সভাত উপস্থিত আছিল। বৰ আলি টো নিকা কৈ ৰাখিবলৈ সিহঁতে মনস্থ কৰি যেয়ে আলিটো লেতেৰা কৰে তাকে হত্যা কৰি খাবলৈ ঠিৰাং কৰিলে।

বাটটো হলত আৰু নিকা কৰিলত ছেজাণ্টেপা এদিন ফুৰিবলৈ ওলাই গৈ দূৰৈত তাৰ ফাললৈ বিপৰীত দিশৰ পৰা অহা নোহোকা মেকুৰী এটা দেখিলে। ছেজাণ্টেপাই তাক খাবলৈ মন কৰিলে। কাৰণ নোহোৰাকৈ তাক হত্যা কৰিব নোৱাৰি দেখি কিবা এটা ভুৱা কাৰণ উলিয়াৰ লগীয়া হ'ল। সৰহ সময় নৌ যাওঁতেই তাৰ টেঙৰ মনে বুদ্ধি এটা বিচাৰি পালে। সি লৰালৰিকৈ বাক্ত আলিত নিজেই শৌচ কৰি এই লেতেৰা কামটোৰ কাৰণে বেচেৰা মেকুৰীটোক দোষাৰোপ কৰিবলৈ ধৰিলে। তাৰ ওপৰত তৎক্ষণাৎ জপিয়াই পৰি তাক ভক্ষণ কৰিলে। অলপ সময়ৰ পিছত সেই ফালেৰে যোৱা জন্তু কিছুমানে শৌচখিনি দেখি তাক জোকাবলৈ ধৰিলে। "ছেজাণ্টেপা,

তুমি অলিটো লেতেৰা কৰিছা। তোমাক হত্যা কৰি আমি খাই পেলাম।" ছেক্সাণ্টেপাই ক'লে, "মই নহয়, এই মেকুৰীটোৱেহে কৰিছে। তাক মই এইমাত্ৰ খাই পেলালোঁ।" সি জনাজাত মিছলীয়া হোৱাৰ কাৰণে তাৰ কথাত সিহঁত পতিয়ন নগ'ল। সিহঁতৰ খণ্ডৰ পৰা লৰালৰিকৈ পলাওঁতে অলপ মুৰ্খ বাক্ৰামটে পুক সি লগ পালে। সি তেওঁক খাটিলে "ডাঙৰীয়া, মোক হত্যা কৰিব খোজা শত্ৰুৰ পৰা ৰক্ষা কৰক।" বাক্ৰামটে পুই ক'লে: "তুমি যদি মোৰ লগত থাকি মোৰ সৰু লৰাটো চাবলৈ সন্মত হোৱা, তেন্তে কৰিম।" কথামতে ছেক্সাণ্টেপা সন্মত হ'ল। তাক তেতিয়া আশ্ৰয় দিয়া হ'ল। নিতৌ খুম পথাৰলৈ বাক্ৰামটেপু ওলাই যাওঁতে ছেক্সাণ্টেপাই সৰুলৰাটো চাবলৈ ধৰিলে। এদিন সি ওচৰলৈ অহা কুকুৰা এটা খালে। কামৰ পৰা বাক্ৰামটে পু উলটি আহোঁতে ক'লে, "লৰাটোৱে কুকুৰাটোৰ কাৰণে কান্দিছিল। তাক মই হত্যা কৰি খাবলৈ দিলোঁ"। বাক্ৰামটেপুই উত্তৰত ক'লে: "তুমি ভাল কামকে কৰিলা। লৰাটোৰ ভোক লাগিছিল"। কথাত তাৰ সাহ বাঢ়িল। পিছদিনা সি এটা গাহৰি খাই উলটি আহিলত বাক্ৰামটেপুক একে কথাই ক'লে। তেওঁ তাকে ক'লে: "চিন্তা নকৰিবা লৰাটোৱে বিচৰাৰ কাৰণেহে দিলা।" দুষ্ট ছেক্সাণ্টেপাই পিছদিনা লৰাটো মাৰি খাই পেলালে। বাক্ৰামটেপু ঘৰ পোৱাৰ আগতে সি পলাল। সন্ধিয়া যেতিয়া সি ঘৰলৈ উলটি আহিল, ঘটনাটো বুজি তাৰ বৰ খং উঠিল। ছেক্সাণ্টেপাক যেনে তেনে বিচাৰি উলিয়াই শাস্তি বিহিবলৈ প্ৰতিজ্ঞা কৰিলে।

সময়ত সি জানিলে যে, সি সদায় যোৱা খুম পথাৰৰ বেচি দূৰৈত ছেক্সাণ্টেপা নাথাকে। বাক্ৰামটেপুৰে তাক বিচাৰি উলিয়াবলৈ সঙ্কল্পবদ্ধ হ'ল। ছেক্সাণ্টেপাই বাক্ৰামটেপুৰ উদ্দেশ্য বুজিব পাৰিছিল আৰু নিজকে ৰক্ষা কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছিল।

ছেগ বুজি এদিন সি ছেক্সাণ্টেপাৰ খুম ঘৰত লুকাই থাকিল।

সন্ধিয়া কামৰ পৰা উলটি আহিয়েই দূৰৈৰ পৰা বুধিয়ক ছেজাণ্টেপাই চিঞৰিবলৈ ধৰিলে : "ঝুম ঘৰৰ ভিতৰৰ পৰা কোনোবাই যদি মাতে, তেন্তে ঘৰটো শূন্য হৈ আছে বুলি মই বুজিম। ওচৰ পাই সি আকৌ চিঞৰিলে : "মোৰ ঝুম ঘৰটো শূন্য হৈ আছেনে ?" মূৰ্খ বাক্‌ৰাম-টেপুই তৎক্ষণাৎ উত্তৰ দিলে : "হয়, শূন্য হৈ আছে"। কথাষাৰ শুনি ছেজাণ্টেপা আঁতৰি গল।

পিছদিনা সন্ধিয়া ঝুম ঘৰটোৰ কাষ চাপি সি আকৌ চিঞৰিলে। ঝুমঘৰৰ ভিতৰৰ পৰা কাৰো যদি মাত শুশুনো, তেন্তে ঘৰটোৰ ভিতৰত কোনোবা আছে বুলি জানিম।" আকৌ যেতিয়া সেই একে মূৰ্খামিভৰা উত্তৰটো আহিল, তেতিয়া সি বাকৰামটেপু তাত আছে বুলি জানি গুচি গল।

বাকৰাম্‌টেপুই যেতিয়া বুজিলে যে মূৰ্খামিয়েই তাৰ কাল হ'ল, তেতিয়া সি ডাঙৰ এটা এন্দুৰ হৈ ছেজাণ্টেপাৰ ঝুম ঘৰৰ ওচৰত গাঁত এটা থান্দিলে। পিছদিনা ছেজাণ্টেপা উলটি আহি ঘৰৰ ওচৰত এন্দুৰৰ গাঁত এটা দেখি থান্দিবলৈ ধৰিলে এন্দুৰৰ মঙহেৰে সি ভালকৈ এসাজ খাব বুলি। এন্দুৰটো উলিয়াই আনিবলৈ গাঁতত যেতিয়া হাত সুমুৱালে, বাক্‌ৰামটেপুই এনেকৈ কামুৰিলে যে, অৱশেষত নিজৰ লোভ আৰু খকৰ বাবে, তাৰ সোনকালেই মৃত্যু হ'ল।

বক্সিমু আৰু খিয়ালটিয়ে :

এদিন খিয়ালটিয়ে বোলা মতামানুহ এটাই একে গাঁৱৰে কক্সিমু বোলা ছোৱালী এজনীক গছৰ গুটি ছিঙিবলৈ লগ ধৰিলে। সি কলে : "কক্সিমু, ওচৰৰ হাবিখনত মই বহুতো ধুনীয়া পকা ফল দেখিছোঁ। সেইবোৰ গোটাবলৈ আমি দুয়ো যাওঁ বলা। কক্সিমুৱে কলে : "খিয়ালটিয়ে, মই গছত উঠিব নাজানো। এনে অৱস্থাত কিবা লাভ জানো আছে ?" খিয়ালটিয়ে প্ৰতিশ্ৰুতি দিলে যে সি গছত উঠি তাইৰ লগত গলে তাইৰ কাৰণে বচা বচা গুটি ছিঙিব। তাই সন্মত

হলত ভুয়ো গৈ দেখে যে গছবোৰ গুটিৰ ভৰত দোঁ খাই আছে। থিয়ালটিয়েই গছত উঠি পকা গুটিবোৰ নিজে খাবলৈ ধৰিলে। আৰু তলত থকা ছোৱালীজনীক কেৱল গুটিৰ আঁহবোৰ দিলে। এনেধৰণৰ আপোন পেটীয়া ব্যৱহাৰত কঙ্গিমু বৰ বিচলিত হ'ল আৰু ওপৰলৈ চাই তাক মাতি কলে: "থিয়ালটিয়ে, তুমি কি কৰিছা? তুমি মোক কেৱল গুটিৰ আঁহহে দিছা। কেইটামান পকা গুটিও দিয়া।" তাইৰ কথা থিয়ালটিয়েই শুশুনা ভাও জুৰি থাকি আগৰ দৰে সি নিজে গুটি খাবলৈ ধৰিলে। ছোৱালীজনীক এটাও নিদিয়া দেখি হতাশ হৈ বেচেৰীয়ে কান্দিবলৈ ধৰিলে।

এনেতে সেইপিনে যোৱা পহু এটাই কঙ্গিমুক কিয় কান্দিছে, সুধিলে। তাই কান্দি কান্দি কলে: "থিয়ালটিয়েই গছৰ পৰা মোক পকা গুটি দিব বুলি কৈছিল। এতিয়া সি গুটিবোৰ নিজে খাই মোক আঁহহে দিছে। পহুটোৱে কলে: "তাক তুমি গালি নাপাৰা কিয়? কঙ্গিমুৱে কলে: সি মোক মৰিয়াব।" পহুটোৱে উত্তৰ দিলে: "ভয় নকৰিবা, মই তোমাক ৰক্ষা কৰিম।" ইয়াৰ পিছত কঙ্গিমুৱে থিয়ালটিয়েক এনেকৈ জোকাবলৈ ললে:

"হেৰা থিয়ালা, থিয়ালা, থিয়ালটিয়া,
তোমাৰ অগুৱনী ছাল খন কেনে ভয়ঙ্কৰ,
মই আশাকৰো, তুমি চাহডালৰ (ইয়া) ফান্দত পৰিবা
ভয়ঙ্কৰ হাঁহিৰে তুমি এটা বান্দৰ।"

কথাষাৰ শুনি থিয়ালটিয়েৰ বৰ খং উঠিল। সি লৰালৰিকৈ গছৰ পৰা নামি আহি কঙ্গিমুক ধৰি বৰকৈ মৰিয়ালে। কাপুৰুষ পহুটো পলাল। কঙ্গিমুই বৰকৈ কান্দিলে। থিয়ালটিয়ে গছত পুনৰ উঠি গুটিবোৰ খাবলৈ ধৰিলে।

সেই পিনেদি যোৱা ভালুক এটাই কঙ্গিমুক কান্দি থকাৰ কাৰণ সুধিলে। পহুক দিয়াৰ দৰে তাই একে উত্তৰকে দিলে। তাইক একে উপদেশ দি ৰক্ষা কৰিব বুলি প্ৰতিশ্ৰুতি দিলে যদিও, সময়ত সি পলাল আৰু থিয়ালটিয়েই কঙ্গিমুক এইবাৰো বৰকৈ মৰিয়ালে।

সেই ফালেদি অহা হাবিব কেইবাটাও জীৱজন্তুৱে তাইক একে কথাকে কলে। কিন্তু কোনেও বৈ তাইক খিয়ালটিয়েৰ খঙৰ পৰা ৰক্ষা কৰিবলৈ সাহস নকৰিলে।

অৱশেষত সেই ফালেদি অহা বাঘ এটাই তাইক এনে উপদেশ দি ৰক্ষাকৰাৰ প্ৰতিশ্ৰুতি দিলে। নিষ্ঠুৰ খিয়েলটিয়েৰ মাৰ খাই বেচেৰা কঙ্গিন্থুৰ গাটো ইতিমধ্যে শেঁতা আৰু নীলা হৈ পৰিছিল। বেজাৰ মনেৰে তাই কলে: "বহুতো জীৱজন্তু আহি একে উপদেশ দিছিল, মই মাৰ খালোঁ। খিয়ালটিয়েক গালি পাৰি আকৌ মাৰ খাবলৈ প্ৰস্তুত নহওঁ। বাঘটোৱে গেঙেৰি মাৰি কলে: "কঙ্গিন্থু, মই বনৰ ৰজা, আনবোৰ অসৎ প্ৰকৃতিৰ জন্তুৰ লেখীয়া নহওঁ। তোমাক মই কৈছোঁ, তাক গালি পাৰা। মই তোমাক নিশ্চয় ৰক্ষা কৰিম। বাঘটোৰ প্ৰতিশ্ৰুতি পাই কঙ্গিন্থুৰ সাহস বাঢ়িল। তাই এইবাৰ নিৰ্ভীকভাৱে তাক জোকাবলৈ ধৰিলে।

"হেৰা খিয়ালা, খিয়ালা, খিয়ালটিয়ে,
তোমাৰ অশুৰনী ছালখন কেনে ভয়ঙ্কৰ
মই আশা কৰোঁ, তুমি চাহডালৰ (ইয়া) ফান্দত পৰিবা
ভয়ঙ্কৰ ঠাঁহিৰে তুমি এটা বান্দৰ।"

তাইৰ কথা শুনি আগৰ দৰে এইবাৰো খিয়ালটিয়ে গছৰ পৰ নামিল। এইবাৰ সি বাঘটোক পালে। তৎক্ষণাৎ জপিয়াই পৰি বাঘটোৱে তাক খাই পেলালে। এনেকৈয়ে লোভ আৰু নিষ্ঠুৰতাৰ কাৰণে শাস্তি পাই খিয়ালটিয়েৰ মৃত্যু হ'ল। বাঘটোক ধন্যবাদ জনাই নিৰাপদে কঙ্গিন্থু গাঁৱৰ ঘৰলৈ গল।

ভালুক, বাঘ আৰু বান্দৰ:

এদিন ভালুক এটাই এসোঁতা নিকা পানী পালে। পানীখিনি পাই সি ইমান বং পালে যে, সেইখিনি পানী নিজৰ কাৰণে ৰাখিবলৈ মনস্থ কৰি আন জীৱজন্তু খেদিবলৈ বান্দৰ এটাক পানীখিনিৰ দায়িত্ব দিলে। আহাৰ বিচাৰি, ভালুকটো হাবিলৈ গল। ভালুক আঁতৰি গলত সেইপিনে পচ এটা আহি বান্দৰটোক কলে: "ইয়াৰ অলপ

পানী খাব পাৰোনে ?" বান্দৰটোৱে ক'লে : "এইয়া ভালুক দেউতাৰ পানী। সেইজনাৰ পানী খাবলৈ তুমি যদি সাহস কৰিব পাৰা, তেন্তে খাব পাৰা।" কথাষাৰ শুনি ইমান ভয় খালে যে, পহুটো তাৰ পৰা লৰালৰিকৈ আঁতৰি পৰিল। অলপ পিছত ভালুক এটা আহি পানী খাবলৈ অনুমতি বিচাৰিলে। বান্দৰৰ কথা শুনি একো আপত্তি নকৰি সিও আঁতৰি পৰিল। অৱশেষত বাঘ এটা আহি পানী খাব পাৰে নেকি সুধিলে। আনক কোৱাৰ দৰে বান্দৰটোৱে তাকো ক'লে। সিহঁতৰ দৰে ভয় নাখাই বাঘটোৱে পানী খালে। সেইটো সময়তে আহাৰ লৈ ভালুক দেউতা পালেহি। বাঘটোৱে পানী খোৱা দেখি তাৰ খং উঠিল, সি বাঘটোক শাস্তি দিও বুলি ভাবিলে। দুয়োটাৰ ভিতৰত থৈয়ানথৈয়া ৰণ লাগিল। দুয়োকে যুঁজিও কোনেও কাকো মাৰিব নোৱাৰিলে। বহুত সময়ৰ যুঁজৰ পিছত হেলনীয়া এডোখৰৰ দাঁতি পাই দুয়ো বাগৰি পৰিল। দুয়োটাৰ তৎক্ষণাৎ মৃত্যু হ'ল। যুঁজ কৰি দুয়োটাই সকলো হেৰুৱালে। বান্দৰে ভালুকে খাম বোলা আহাৰ আৰু পানী খাই তৃপ্তি পালে।

৮। লাখেৰ :

নও পানো ম'চাপা ফ'পা

(দুই কণা ভাইককাই)

এসময়ত অনেক আগুকাল সত্বেও সবল জীৱন যাপন কৰা দুই পৰিশ্ৰমী কণা ভাইককাই আছিল। এদিন সন্ধিয়া ঝুমখেতিত কঠোৰ পৰিশ্ৰম কৰি দুয়ো আনন্দ মনেৰে ঘৰলৈ উভতিছে। এনেতে বাটকৰা এটাই দেখি সিহঁতৰ আনন্দৰ কাৰণ সুধিলে। মৌৰে ভৰা মৌচাক এখন লগত আনিবলৈ পোৱাটোৱেই সিহঁতৰ আনন্দৰ কাৰণ বুলি কলত, বাটকৰা জনে মৌৰ চাকখন চাবলৈ ইচ্ছা কৰিলে। মৌচাক'খন পাই ককাই ভাই হালে ইমান বং পাইছিল যে মোনাৰ পৰা কলপাত মেলি তৎক্ষণাৎ সিহঁতে মৌচাকখন তাক দেখুৱালে। মৌচাকখন দেখিয়েই অপৰিচিত বাটকৰাটোৱে চিঞৰিবলৈ ধৰিলে : "কেনে বসাল মৌচাক। এইখন পাই তোমালোক সুখী হোৱাটো

তেনেই স্বাভাৱিক।” সিহঁতে আৰু সন্তোষ পাই মৌচাকখন তাক চুই চাবলৈ দিলে। কামটো বাটৰুৱাটোৱে বৰ সাৱধানেৰে কৰিলে। সিহঁতৰ সৰলতা আৰু কণা হোৱাৰ সম্পূর্ণ সুবিধা লৈ সি মৌচাকখন কৌশল কৰি আঁতৰাই তাৰ ঠাইত গোবৰ থলে। এই দগাবাজটোৱে কি কৰিছে একো নাজানি ককাইভাই হাল কিছুদূৰ গৈ অলপ জিৰণি লৈ মৌ খোৱাৰ কথা ভাবিলে। কলপাত খিলা মেলাৰ লগে লগে সিহঁতৰ নাকত গোবৰৰ বেয়া গোন্ধ লাগিল। এটাই কলে: “ওচৰৰ ক'ৰবাত গোবৰ আছে নিশ্চয়।” আনটোৱে কলে: “ময়ো সেইদৰে ভাবোঁ।” আমি আন ঠাইলৈ যাওঁ বল। এইবুলি কৈ কেইবা ঠাইলৈ গল যদিও সকলোতে এই অসহনীয় গোন্ধ। অৱশেষত কৰিবলগীয়া একো নাই বুলি ভাবি পৰিৱেশৰ অসহনীয় অৱস্থাৰ সত্বেও সিহঁতে মৌ খোৱাটোকে (মুৰ্খহঁতে ভাবিলে?) ঠিৰাং কৰিলে। টোপোলাটো খুলি ডাঙৰ এমোকোৰা কৈ মুখত ভৰাই ততালিকে উকুলিয়াই পেলালে। হতাশাত সিহঁতৰ মুখৰ বৰণ সলনি হ'ল। বসাল মৌৰ সলনি সিহঁতে লেতেৰা গোবৰ যে খাইছে, সেইষাৰ কথা বুজিলে। সিহঁত কণা হোৱাৰ সুবিধা লোৱাৰ কাৰণে আৰু নিষ্ঠুৰ, নির্দ্দয় উপায়েৰে সিহঁতক মৌৰ পৰা বঞ্চিত কৰা কথা বুজি দুষ্ট অপৰিচিত মানুহটোৰ ওপৰত সিহঁতৰ খং উঠিল। ঘটনাটো কিছু সময় দুয়োৰে মাজত আলোচনা কৰি সি সেইটো বাটেদি ঘূৰিব বুলি ভাবি এই অপমানৰ পোতক তোলাৰ ক্ষেত্ৰত দুয়োটা দৃঢ় সঙ্কল্প হোৱা হেতুকে আলিৰ দুয়োকাষে লুকাই থাকি দুপিনৰ পৰা তাক আক্ৰমণ কৰাৰ সিদ্ধান্ত কৰিলে। আধা ঘণ্টা মানৰ পিছত ওচৰৰ জোপোহা এটা কঁপা শুনি আনন্দত “আমি তোক পাইছো” বুলি চিঞৰি সি সেইফালে খণ্ডত চোচা ললে। আন ফালৰ পৰা জপিয়াই পৰি ভায়েকটোৱে কলে, “জহৰা, মোৰ কটাৰীৰে তোৰ বুকু ডোখৰ ডোখৰ কৰিম। আচলতে জোপোহাৰ মাজত একো কৰ নোৱাৰাকৈ গৰু এজনী চৰি ফুৰিছিল। এইষাৰ কথা ভায়েক ককায়েক হালে নাজানি দগাবাজটোক ধৰাৰ মানসেৰে খং উঠি থকা হেতুকে ইটোৱে

সিটোৰ পিনে চোঁচা লৈছিল। প্ৰত্যেকেই দোষীক ধৰিছে বুলি ভাবি, হাতৰ মুঠি আৰু দা তাক কাটো বুলি সকলো শক্তি প্ৰয়োগ কৰি ব্যৱহাৰ কৰিছিল। কথা হোৱাৰ কাৰণে এটা উপকাৰ হৈছিল। প্ৰায়েই দাৰ কোব লক্ষ্যস্থানত পৰা নাছিল। ভাগৰি মাটিত বাগৰি নপৰালৈকে ইটোৱে সিটোক মৰিয়াই থাকিল।

উশাহ লৈ যুঁজৰ কথা বৰ্ণনা কৰি সিহঁতে যেতিয়া দেখিলে যে, দোষী সিহঁতৰ হাতৰ মুঠিৰ পৰা সাৰিছে, সিহঁত বৰ অস্থিৰ হৈ পৰিল। সিহঁতৰ হাতত পোৱা ব্যৱহাৰৰ কথা দোষীয়ে কেতিয়াও পাহৰিব নোৱাৰিব বুলি ভাবি সকাহ পালে। ককায়েকে কলে: "মোক বেয়াকৈ কাণ এখন কটাৰ বাহিৰে চুঁৰবটোৱে আঘাত কৰিব পৰা নাই। ময়ো তাৰ এখন কাণ কাটিছোঁ। এতিয়া সমান সমান। তোমাৰ কথা কোৱা?" ভায়েকে কলে: "আচৰিত কথা, সি মোৰ এখন কাণ নিলে, ময়ো এখন আনিলোঁ।" এই ঘটনাটোত সিহঁত দুয়ো বৰ আচৰিত হ'ল। সিহঁতৰ মনবোৰ আকৌ পুনৰ-জীৱিত হ'ল। ৰণৰ পৰিণতিৰ কথা আলোচনা কৰি ককায়েকে যেতিয়া গুৰুগম্ভীৰ ভাৱেৰে কলে: "তাতোকৈ আমাৰ অৱস্থা ভাল। কটা কাণখন ঢাকিবলৈ আমি এফালে মাথোন চুলিখিনি দীঘল কৰিব লাগিব। সেই গাহৰিৰ পোৱালীটোৱে দুয়োখন কাণ হেৰোওৱাৰ বাবে সি এনে কোনো উপায় অৱলম্বন কৰিব নোৱাৰে। গাঁৱলৈ যেতিয়া ঘূৰি যাব, তেতিয়া সকলোৱে তাক 'কাণ কটা' বুলি জোকাব। তাৰ জীৱনৰ বাকীছোৱা কষ্টত যাব। আমাক এনেকৈ নিৰ্দ্দয়ভাৱে প্ৰৱঞ্চনা কৰাৰ উপযুক্ত শাস্তি।"

এই দাৰ্শনিক তত্ত্বকাকি শুনি দুয়ো বৰকৈ হাঁহিলে। এইদৰে ভাবি ককাইভাই হাল নিজৰ যুটীয়া কৃতকাৰ্য্যতাত আৰু অপৰিচিত মানুহটোৰ কষ্টত এনেদৰে প্ৰফুল্লিত হ'ল যে বাকীছোৱা বাট দুয়োটাই আনন্দ মনেৰে গমন কৰিলে। প্ৰায়েই এটাই বা আনটোৱে আনন্দত কৰলৈ ধৰিলে: "কাণ কটা হেবা, হা হা হা?" এইদৰেই দুয়ো আনন্দমনেৰে ঘৰলৈ গল।

লাইন' ফ'পা :

(মাৰা মানুহৰ ফৈদ লাইন'ৰ কাহিনী)

এসময়ত লাইন' ফৈদৰ পৰিয়াল এটাৰ পাঁচজন ককাইভাই আৰু এজনী ভনীয়েক আছিল। ভায়েক ককায়েকহঁতে ভৰা এটা বহুমূলীয়া অভাৱৰ বাহিৰে সিহঁত সুখেসন্তোষেৰে আছিল। পাঁচোটা ভায়েক ককায়েকে অপূৰ্ব্ব সুন্দৰী আৰু মৰমিয়াল প্ৰকৃতিৰ গাভৰু ভনীয়েক জনীক ইমান ভাল পাইছিল যে তাইক বহুমূলীয়া উপহাৰেৰে উপচাই দিয়াৰ কথাহে ভাবিছিল। এইদৰে ভাবি সিহঁতে দেশে বিদেশে বস্তু বিচাৰিবলৈ মানুহ পঠিয়ালে। সিহঁতে তাইক দিব পৰা বিশ্বত একো উপযুক্ত বস্তু নাপালে। আহুকালত পৰি ককায়েক ভায়েক কেইটাই সিদ্ধান্ত কৰিলে যে, এই পৃথিৱীত যেহেতু ভনীয়েকক দিবলৈ ভাল বস্তু নাই, সিহঁতে আকাশত বস্তু বিচাৰিব লাগিব। বহুতো ভাবিচিন্তি সিহঁতে অৱশেষত সিদ্ধান্ত কৰিলে যে, জিলিকি থকা জোনটো বৰ উপাদেয় উপহাৰ হব ই ভনীয়েকক যথেষ্ট আনন্দ দিব। সিহঁতে তাইৰ বাবে আকাশলৈ উঠি জোনটো অনাৰ কথা ভাবিলে। এই উদ্দেশ্য সাধন কৰিবলৈ সিহঁতে অঞ্চলটোৰ সকলোবোৰ চখোৱা (চখোৱা—ধান বানিবলৈ ব্যৱহাৰ কৰা উৰাল) একেঠাইতে গোটাবলৈ আদেশ দিলে। এইবোৰ ইটোৰ ওপৰত সিটো দিয়া হ'ল। আন কেইটাক পিছত লৈ বৰটো ককায়েক সকলোৰে আগত ওপৰত উঠিল। চখোৱা বোৰ দিবলৈ কনিষ্ঠতম ভ্ৰাতৃ মাটিত থাকিল। বহু ওপৰলৈ উঠি যাওঁতে আৰু তলৰ মানুহে সিহঁতক নেদেখা হওঁতে জ্যেষ্ঠতম্ ককায়েকৰ বৰ পিয়াহ লাগিল। সি দ্বিতীয়টো ভ্ৰাতৃক ওপৰলৈ অলপ পানী পঠিয়াই দিবলৈ কলে। ওপৰৰ পৰা অহা সিহঁতৰ মাত এনেদৰে অস্পষ্ট হৈছিল যে, মাটিত থকা কনিষ্ঠতম্ ভ্ৰাতৃটোৱে বুজিলে যে তাক চখোৱা বোৰ আঁতৰাবলৈহে কোৱা হৈছে। সি যিমান সোনকালে পাৰে, সিমান সোনকালে তলৰ চখোৱাবোৰ আঁতৰাবলৈ ধৰিলে। ইয়াৰ দুৰ্ঘটনাময় পৰিণতি হ'ল যে ভয়ঙ্কৰ শব্দ কৰি গোটেই কেইটা ইকালে সিকালে

উফৰি পৰিল। কঁপনি শুনি ভয়ত আৰু আতুৰত মানুহবোৰ ছিটিকি পৰিল। ককায়েক কেইটা আকাশৰ ইমান ওপৰলৈ উঠিছিল যে, সিহঁত দেশৰ দূৰণিৰ আৰু বিভিন্ন অঞ্চলত পৰিল। জ্যেষ্ঠতম্ ভ্ৰাতৃ দূৰণিৰ মথুৰাত পৰিল আৰু কনিষ্ঠ ভ্ৰাতৃ এটা ওচৰৰ অঞ্চলত পৰিল।

এই কাৰণে আজিও মথুৰাত বহুতো লাইন' কৈদৰ মানুহ আছে। সেই পাহৰিব নোৱাৰা দিনটোত আকাশৰ পৰা দেশৰ বিভিন্ন অঞ্চলত উফৰি পৰা ভাইককাই চাৰিটাৰ এইসকল বংশধৰ বুলি অনুমান কৰা হয়।

বাৰাণ্টা চ' ফ'পা :

(পিতা পুত্ৰৰ কাহিনী)

তেনেই সৰুতে মাক মৰাৰ কাৰণে লগত সৰু লৰাটো লৈ এসময়ত এজন পিতাক বাস কৰিছিল। কিছুকাল সুখেৰে দুয়ো থকাৰ পিছত দেউতাকে অকলশৰীয়া জীৱনৰ ওৰ পেলাবলৈ আকৌ বিয়া কৰোৱাৰ সিদ্ধান্ত কৰিলে। দুখৰ বিষয়, এই মানুহজনীয়ে সৰু লৰাটোক বৰ বেয়া পাইছিল। অসৎ ব্যৱহাৰে তাৰ জীৱনটো কেৱল দুৰ্ব্বহকে কৰা নাছিল, তাই গিৰিয়েকক লৰাটো খেদি পঠাবলৈকো খাটিছিল। যিমান দিন পাৰে সিমান দিন দেউতাকে তাইৰ কথা শুশুনাকৈ আছিল। অৱশেষত তাইৰ গালি আৰু তাক এৰি যাব বুলি কৰা সঘন দাবীয়ে তাৰ ধৈৰ্য্যচ্যুতি ঘটালে ' অৱশেষত সি তাইৰ অসৎ আদেশ পালিবলৈ সন্মত হ'ল। পিছদিনা পুৱা ওচৰৰ গাঁৱৰ বন্ধু এজনৰ ঘৰলৈ ওলাবলৈ তেওঁ লৰাটোক কলে। দুয়ো একেলগে গল। গৈ থাকোঁতে বাটত দেউতাকৰ মৰমৰ চাৱনি দেখি লৰাটো আতুৰ হৈ কিবা যে অঘটন ঘটিব, সেইবিষয়ে ভাবিবলৈ ধৰিলে। দেউতাকেও লৰাটোক হত্যা কৰাৰ কথা ভাবিব পৰা নাছিল। তাক কোনোবা সদাশয় মানুহে আশ্ৰয় দিব বুলি ভাবি বাটত এৰি থৈ যোৱাটোকে সিদ্ধান্ত কৰিছিল। এইবুলি লৰাটোক সি অপেক্ষা কৰিবলৈ কৈ ওচৰৰ জুৰি এটাৰ পৰা পানী আনিবলৈ

যাবলৈ ওলাল। বেচেৰা লৰাটোৰ সন্দেহ হৈ সি কলে : "দেউতা, মোক অকলে এৰি থৈ নাযাবা।" উলটি আহিবলৈ দেউতাকে লৰাটোক প্ৰতিশ্ৰুতি দি লৰালৰিকৈ আঁতৰি পৰিল। বেচি দূৰ নৌ যাওঁতেই সি শিল এছটাত বহি থকা এটা জেঠী দেখিলে। লৰাই যেতিয়াই তাক মাতে, তেতিয়াই তাৰ দৰে উত্তৰ দিবলৈ সি তাক কলে। বহুত সময় সি আঁতৰি থকাত লৰাটো চিন্তান্বিত হৈ চিঞৰিলে। জেঠীটোৱে উত্তৰ দিলে, সি বাৰে বাৰে মাতিবলৈ ধৰিলে। সময়ে সময়ে প্ৰত্যুত্তৰ আহিল। দেউতাক তাৰ উলটি নাহিল। সন্ধিয়া লাগি অহা দেখি সি য'ৰ পৰা মাত আহিছে, তালৈ যাবলৈ সাহ কৰিলে। আকৌ এবাৰ মাতি শিলছটা'ৰ কাষলৈ আহি দেউতাকৰ পৰিবৰ্ত্তে জেঠীটোৱে উত্তৰ দিয়া দেখি সি বৰ আচৰিত হ'ল। পৰিত্যক্ত লৰাটোৱে এই প্ৰতাৰণাত বৰকৈ আঘাত পাই কান্দিবলৈ ধৰিলে আৰু ভাগৰত লালকাল দিলে। এনেতে সি এটা সপোন দেখিলে। সপোনত যেন তাক ভয় আঁতৰাবলৈ আৰু সোনকালেই তাৰ দুখ মোচন হব বুলি কোনোবাই কলে। পিছদিনা পুৱা সি এটি মুকলি মন লৈ উঠিল। কেইবাদিনো হাবিত অনাই বনাই ফুৰাৰ পিছত সি এটা কোনো নথকা জুপুৰী ঘৰ পালে। ইয়াত আশ্ৰয় লৈ সি গছৰ পৰা সৰি পৰা আম খাই থাকিবলৈ ললে।

ঘূৰি ফুৰোঁতে সি এটা মনোৰম সোণৰ প্ৰাসাদ দেখিলে। এইটো এটা ভূতৰ ঘৰ বুলি জানি সি লৰালৰিকৈ আঁতৰি পৰিল। দুখৰ কথা, ভূতটোৱে তাক দেখিলে আৰু যেতিয়াই সি তলসৰা আম এটা বুটলি লয়, ভূত ওলাই তাক কয় : "মই আম খাম নে তোক খাম ?" কথাষাৰে বেচেৰা লৰাটোক ইমান ভয় খুৱাইছিল যে সি তত্যালিকে আম ভূতক দি দিছিল। ঘটনাটো কেইবাদিনো ঘটিল। লুভীয়া ভূতটোৱে তাৰ পৰা সকলোবোৰ আম কাঢ়ি লৈছিল। লৰাটো ভোকত দুৰ্ব্বল হৈ পৰিল। এনেতে পাচাম্মাই (লাখেৰ ভাষাত, ভগবান) পৃথিৱীলৈ চাই লৰাটোৰ দুখ লগা অৱস্থা

দেখিলে। তাৰ আগত আৱিৰ্ভাৱ হৈ তেওঁ কলে: "মোৰ পুত্ৰ, তুমি আৰু ভয় নাখাবা। এই জোঙা শিল ডোখৰ লোৱা। ইয়াৰে ভূতটোক হত্যা কৰিবা। তাৰ পিচত তুমি গৈ তাৰ প্ৰাসাদত থাকি সকলো সা-সম্পত্তিৰ অধিকাৰী হবা।" এইখিনি কথা কৈ অ'ক শিল ডোখৰ দি পাচাপ্পা আকৌ স্বৰ্গলৈ আৰোহন কৰিলে।

পাচাপ্পাই কোৱাৰ দৰে লৰাটোৱে কামটো কৰিলে। শিলডোখৰ গাত লগাত তৎক্ষণাৎ ভূতটোৰ মৃত্যু হ'ল। ই তেতিয়া সোণৰূপৰ মুদ্ৰাৰে আৰু মূল্যবান ৰত্নৰাজিৰে থাহ খাই থকা ভূতটোৰ ডাঙৰ সোণালী প্ৰাসাদটো অধিকাৰ কৰিলে। সি বৰ চহকী হ'ল। তাৰ ব্যৱহাৰ আৰু মৰমত সন্তুষ্ট হৈ ৰাইজে তাক ডাঙৰ হলত বজাৰ মুখিয়াল পাতিলে। ওচৰচুবুৰীয়া দেশ এখনৰ ৰজা এজনে জীয়েকক তালৈ বিয়া দিলে। অৱশেষত সি সকলো মুখিয়ালৰ ভিতৰত অধিক পৰাক্ৰমী হৈ সুখী জীৱন যাপন কৰিবলৈ ধৰিলে।

আজী ফ'পা:

(মানুহ আৰু বান্দৰ)

এদিন এটা মানুহ কেকোঁৰা ধৰিবলৈ নৈৰ পাৰলৈ গৈছিল। বহু যত্ন কৰিও সি কেইটামানহে কেকোঁৰা পালে। গোটেই দিন তাত বহি থকাৰ কাৰণে তাৰ ইমান ভাগৰ লাগিল যে, সি টোপনিত লালকাল দিলে। শুই থকা মানুহটোৰ দাঁতিয়েদি কেইটামান বান্দৰ গৈছিল। ইমান যত্ন কৰিও সি তেনেই কম কেকোঁৰা পোৱা দেখি সিহঁতৰ বেজাৰ লাগিল। সিহঁতে তেতিয়া বহুতো কেকোঁৰা ধৰি মানুহটোক আহুকাল নিদিয়াকৈ মনে মনে তাৰ পাচিটোত ভৰাই থলে। অলপো লৰচৰ নকৰাকৈ মানুহটো শুই থকা দেখি মৰমিয়াল বান্দৰহঁতে সি মৰিছে বুলি ভাবিলে। তাক ঘৰলৈ কঢ়িয়াই নিয়াটো সিহঁতে সিদ্ধান্ত কৰিলে। বাটটোত যদিও কিছুমান শিলাময় পাহাৰ আৰু হেলনীয়া আছিল, বান্দৰহঁতে তাক নিৰাপদে কঢ়িয়াই নি গাঁৱৰ ওচৰত থলে। গভীৰ নিদ্ৰাৰ পৰা

সাৰ পাই উঠি তাক গাঁৱলৈ শুই থাকোঁতে কঢ়িয়াই অনা হৈছে আৰু তাৰ পাচি কেকোঁবাৰে ভৰাই পেলোৱা হৈছে বুলি জানি সি আচৰিত যেনেকৈ হ'ল, তেনেকৈ সুখীও হ'ল।

স্বাভাৱিকতে সেই সৌভাগ্যজনক ঘটনাটো কেইবাদিনো ধৰি গাঁৱৰ মুখ্য আলোচনাৰ বিষয় হ'ল। এদিন তাৰ বন্ধু এটায়ো একে কামকে কৰি নিজৰ ভাগ্য পৰীক্ষা কৰি চাবলৈ মনস্থ কৰিলে। ইয়াকে সাৰোগত কৰি নৈৰ পাৰৰ শিল ছটালৈ গৈ কেইটামান কেকোঁৰা ধৰি ভুৱা নিদ্ৰাত সি পৰিল। বান্দৰহঁত সেই পিনে আহি কেইটামান কেকোঁৰা ধৰি শুই থকা মানুহটো দেখিলে, সিহঁতে বহুতো কেকোঁৰা ধৰি তাৰ পাচিত ভৰাই দিলে। সি ভুৱা টোপনিত লালকাল যোৱা দেখি বান্দৰহঁতে সিও মৰিল বুলি সাব্যস্ত কৰিলে। গাঁৱলৈ লৈ যোৱাৰ মানসেৰে তাক দাঙি ললে। পিছল বিপদসঙ্কুল হেলনীয়া ঠাই এডোখৰেদি লৈ যোৱা দেখি মানুহটোৱে ইমান ভয় খালে যে, সি ভুৱা টোপনিৰ কথা পাহৰি মাত মাতিলে: "সাৱধান হবাহঁক" আচৰিত হোৱা বান্দৰ কেইটাই মৰামানুহে অকস্মাতে কথা কোৱা দেখি ইমান ভয় খালে যে তৎক্ষণাৎ তাক তাতে পেলাই ভয়ত সিহঁত লৰ দিলে। দুৰ্ভগীয়া মানুহটো হেলনীয়া ডোখৰৰ তলৰ শিলনিত থেকেচা খাই ডোখৰ ডোখৰ হ'ল। তাৰ তাতে মৃত্যু হ'ল।

লাইয়ু আৰেক পিন ফ'পা:

(খেতিয়কৰ কাহিনী)

প্ৰাচীন কালত জন্তুৱে যেতিয়া কথা কব পাৰিছিল, ইয়াৰে কেইটামানে সৌহাৰ্দ্দ্যপূৰ্ণ ভাৱে সভা এখন পাতি ঝুম পথাৰত জ্যেষ্ঠ জনৰ পথাৰৰ পৰা আৰম্ভ কৰি, কাঁইট গুচাবলৈ ঠিৰাং কৰিলে। বন্ধু কেইটাৰ ভিতৰত, এটা বাঘ, এটা গাহৰি, এটা শামুক, এটা বনৰীয়া কুকুৰা আৰু এটা বান্দৰ আছিল। সকলোতকৈ বয়সত ডাঙৰ হোৱা হেতুকে সিহঁতে পিছদিনাৰ পুৱাৰে পৰাই বাঘৰ পথাৰত কাম কৰিবলৈ ঠিক কৰিলে।

পিছদিনা পুৱাই সিহঁতে নিষ্ঠাৰে সৈতে কাম আৰম্ভ কৰিলে।

দুপৰীয়া আহাৰৰ সময় হলত বাঘে সিহঁতক কাম কৰি থাকিবলৈ ক'লে
সি নিজে সিহঁতৰ কাৰণে আহাৰ প্ৰস্তুত কৰিব বুলি কলে। ভাত
ৰন্ধা হলত আঞ্জা কিহেৰে ৰান্ধিব ভাবি থাকোঁতেই বাঘটোৱে সেই
ফাললৈ জপিয়াই অহা পহু এটা দেখি তৎক্ষণাৎ তাক মাৰি পেলালে।
কামৰ পৰা তেতিয়া বন্ধুবান্ধৱহঁতক খাবলৈ মাতিলে। সিহঁতে ভাত
আৰু মনোৰম পহুৰ মঙহৰ আঞ্জাখন খাই বৰ তৃপ্তি পালে।

পিছদিনা সিহঁত গাহৰিৰ পথাৰত কাম কৰিবলৈ গল। দুপৰীয়া
আহাৰৰ সময় যেতিয়া হ'ল, তেতিয়া গাহৰি ভাতৰ সৈতে খাবলৈ
আঞ্জা কিহেৰে ৰান্ধিব, বিচাৰি, বিবুদ্ধি হ'ল। কথাষাৰ
কিছুসময় গভীৰভাৱে ভবাৰ পিছত নিজৰ সোঁ আৰু বাওঁ কালৰ
কিছু চৰ্ব্বী কটাটোকে ঠিৰাং কৰিলে। এইবোৰ সি তেতিয়া ৰান্ধি
পেলাই বন্ধুবৰ্গক ভাত আৰু গাহৰিৰ মঙহৰ আঞ্জাৰ জুতি লগা
আহাৰ দিলে।

তৃতীয় দিনা শামুকৰ পথাৰ খন আছিল। সময় হলত সি
সিহঁতৰ আহাৰ আয়োজন কৰিবলৈ একো আহুকাল নাপালে।
ওচৰতে এখন নৈ আছিল। ভাত ৰান্ধি অঁটাই নৈত বুৰ মাৰি সি
বহুতো মাছ ধৰিলে। তাৰ বন্ধুবৰ্গহঁতে মাছৰ আঞ্জা আৰু ভাত
খাই পৰম তৃপ্তি পালে।

বনৰীয়া কুকুৰাটোৰ পথাৰ খন পিছদিনা আছিল। সি
আগতীয়াকৈয়ে সকলো বস্তুৰ যোগাৰ ৰাখিছিল। দুপৰীয়াৰ
আহাৰৰ আগতে তাৰ ঘৰৰ সজাৰ পৰা গৈ কুকুৰাকেইজনীক এপাচি
কণী গোটাবলৈ কৈছিল। এইকাৰণেই সি দলটোক সোৱাদ লগা
কণীৰ আঞ্জা আৰু ভাত খুৱাব পাৰিছিল।

সকলোতকৈ সৰু হোৱাৰ কাৰণে পথাৰৰ কাঁইট গুছোৱাৰ অন্তত
বান্দৰে তাৰ বন্ধুবৰ্গক আহাৰ দিব লগা হৈছিল। একো আহুকাল
নোহোৱাকৈ সি ভাত ৰান্ধিলে। আঞ্জাৰ বিষয়ে কি কৰিব একো
জনা নাছিল। বিপদত সি পৰামৰ্শ সুধিলত বাঘে কলে: "হাবিলৈ
গৈ মই মৰাৰ দৰে এটা পহু মাৰা।" পহুটোৰ মঙহেৰে সকলোৱে

খাব পাৰিব। উপদেশ শুনি পছু এটা দেখি তাৰ পিঠিত বান্দৰটো জাপ মাৰি পৰিল। তৎক্ষণাৎ পছুৱে তাক পেলাই দি লথিয়াবলৈ ধৰিলে। বিষত লেঙেৰাই লেঙেৰাই বান্দৰটো গাহৰিৰ কাষ চাপিলত গাহৰিয়ে কলে: "মই মোৰ গাৰ চৰ্ব্বী কাটি তোমালোকক আঞ্জা খুৱাইছোঁ। তুমিও তাকে নকৰা কিয়?" বান্দৰে এবাৰ যত্ন কৰি চালে। তাৰ নোমবোৰ গুছাব লগীয়া হলত সি বেদনাত কলে: "অ' ভগবান মই নিশ্চয় মৰিম"। এইবুলি কৈ সি জুইৰ পৰা জাপ দিলে। একো নোপোৱাৰ কাৰণে তাৰ এৰাই যোৱা নোমবোৰ গোটাই পাত্ৰত দিলে। ইয়াৰ পৰা এনে এটা অশোভনীয় তীব্ৰ গোন্ধ ওলাল যে, এই গোন্ধে ঝুম পথাৰত কাম কৰি থকা বন্ধুবৰ্গকো পালেগৈ। ভয়ত সিহঁতে কৈ উঠিল, "উস্, কেনে অসহনীয় গোন্ধৰ আঞ্জা বান্দৰে আমাৰ কাৰণে ৰান্ধিছে।" সিহঁতৰ কথাষাৰ শুনি নিজে অলপ খাই চাবলৈ বান্দৰটোৱে যত্ন কৰিলে। বস্তুটো এনে অকটা যে সি তাতে তেতিয়া সমূহ পাত্ৰটো উদঙাই পেলালে। উপায় নাপাই শামুকক পৰামৰ্শ খুজিলত শামুকে তাক নৈত বুৰ মাৰি কিছু মাছ ধৰিবলৈ কলে। ইয়াকে কৰিবলৈ গৈ দুৰ্ভগীয়া জীৱটো বুৰ যোৱাৰ দৰে হ'ল আৰু কোনো ৰকমেহে বেঙ্গাৰ মনেৰে আৰু মৃতপ্ৰায় অৱস্থাত নৈৰ পাৰলৈ উঠিল। ইমান যত্ন কৰিও মাছৰ পৰিবৰ্ত্তে সি এপেট পানীহে পালে।

অৱশেষত উপায়ান্তৰ হৈ সি বনৰীয়া কুকুৰাটোৰ ওচৰলৈ গল। কুকুৰাই কলে: "মই মোৰ কুকুৰা কেইজনীক এপাচিমান কণী গোটাবলৈ কৈছিলোঁ, বান্দৰ বন্ধু! তুমিও তোমাৰ গাভৰু পত্নীহঁতক কণী কেইটামান পাৰিবলৈ কব পাৰা। নহলে তুমি নিজে পাৰি কণীৰ আঞ্জা ৰান্ধা।" দুখৰ কথা, তাৰ কথা শুনিবলৈ ওচৰত কোনো বান্দৰী নাপালে। উপায় নাপাই নিজৰ পিছঠেঙৰ ওপৰত ভৰ দি যিমান পাৰে সিমান কণী পাৰিবলৈ যত্ন কৰি দেখে যে কণীৰ পৰিবৰ্ত্তে কেই লডামান শৌচহে ওলাইছে। বহুতো যত্ন কৰি বিফল হলত বেচেৰা জন্তুটো হতাশ হ'ল। ইতিমধ্যে বৰ ভাগৰ লগাত সি

পাত্রত তাৰ শৌচ দি বান্দৰ-শৌচৰ আঞ্জা ৰান্ধিবলৈ ধৰিলে। দুপৰীয়া আহাৰৰ বাবে বন্ধুবৰ্গ আহি এই ভয়ঙ্কৰ বস্তুটোৰ পৰা ওলোৱা অকটা গোন্ধ পালে। হতাশ হৈ নাকত হাত দি সিহঁতে বস্তুটো খাবলৈ অমান্তি হ'ল।

এই অসৎ ব্যৱহাৰৰ কাৰণে বান্দৰৰ ওপৰত সিহঁতৰ বৰ খং উঠিল আৰু তাক যেনে তেনে এশিকনি দিবলৈ মনস্থ কৰিলে। ৰান্ধনীশালৰ ওচৰত এটা দ গাঁত আছিল। গাহৰিটোৱে এনেয়ে কৈ পেলালে: "কাঁইট গুছোৱা মোৰ কোৰখন এই গাঁতটোত পৰিছে। আমাৰ ভিতৰত তুমিয়েই সকলোত কৈ তজবজীয়া। জাপ মাৰি নামি বস্তুটো মোক উদ্ধাৰ কৰি দিয়া, বান্দৰ বন্ধু!" বান্দৰে কলে: "নিশ্চয় দিম, গাহৰি ডাঙৰীয়া।" এইবুলি কৈ সি গাঁতটোত জাপ মাৰি দিলে। কিছু সময় বিচৰাৰ পিছত ওপৰলৈ আচৰিত হৈ চাই সি কলে: "কাঁইট গুছোৱা কোৰখন ইয়াত নাই।" বাক্যটো শেষ কৰিবলৈ নৌ পাওঁতেই বান্দৰৰ মুখত উতলি থকা শৌচৰ আঞ্জাখন গাহৰিটোৱে বাকি দিলে। "আই মোক ৰক্ষা কৰা" বুলি চিঞৰি ভয় আৰু বিষত মুখত আৱৰ্জনাময় গোন্ধটো লৈ হাবিত দুৰ্ভগীয়া বান্দৰটো লৰি সোমাল। হাবি পাই সি কণামুনা কৈ গছৰ পাত কিছুমান ছিঙি মুখত ঘঁহিবলৈ ধৰিলে। দুৰ্ভাগ্যৰ বিষয়, এইবোৰ চোৰাতৰ পাত। এইবোৰে কথা বিষম কৰাৰ, আৰু মুখত এটা পোৰা পোৰা ভাৱ দিয়াৰ উপৰিও, মুখৰ ছাল এৰোৱাই পেলালে। অৱশেষত সি কলগছ এজোপাৰ ওচৰ পাই সেই জোপা ছিঙি আঘাত পোৱা গাৰ অংশত সানিলে। তেতিয়াহে সি বিষৰ হাত সাৰিব পাৰিব পাৰিলে। সি কলপাত সানি তাৰ বিষৰ উপশম এনেকৈ ঘটালে যে, আনন্দত সি চিঞৰি উঠিল: "চোৰাতৰ পাতে খহটা কৰাৰ বাহিৰে, বান্দৰৰ মুখ কলপাতৰ লেখীয়া নিমজ।"

আজিও বান্দৰৰ নিমজ ৰঙা মুখত সেই বিপদসঙ্কুল দিনত মুখত ঘঁহা চোৰাতৰ পাতৰ চিন আছে।

পাৱৈ :

বাঘ হোৱা ছোৱালীজনী

এসময়ত ডেকা চিকাৰী এজন একে গাঁৱতে থকা ধুনীয়া গাভৰু এজনীৰ প্ৰেমত পৰিল। সিহঁতৰ প্ৰণয়ক অনুমোদন জনোৱা পিতৃমাতৃয়ে বিবাহৰ দিন ধাৰ্য্য কৰিলে। সিহঁত গাঁৱৰ পৰা বহুদূৰৈত থকা ঝুম পথাৰত ইটোৱে সিটোক সহায় কৰিবলৈ যায়। এদিন আবেলি বৰ গৰম হোৱাত ওৰেটো দিন ব'দত কাম কৰি পিয়াহ লগা হেতুকে ছোৱালীজনীয়ে ওচৰৰ জুৰিটোলৈ গৈ পানী খাব বুলি কলে। কথাষাৰ শুনি তাইৰ প্ৰেমিকে তাইক সাৱধান কৰি দিলে যে সেই জুৰিটোৰ পানী খোৱা পৰিণতি বৰ ভয়ানক। কিছু দূৰৈত থকা পিছৰ জুৰিটোত পানী খাবলৈ সি উপদেশ দিলে। ছোৱালীজনী লৰালৰিকৈ আঁতৰিল। বৰ পিয়াহ লগা হেতুকে, সেই বাধাপ্ৰাপ্ত জুৰিটোৰ পৰা পানী খাই পথাৰত আকৌ কাম কৰিবলৈ গল।

তাই উলটি অহাৰ অলপ পৰৰ পিছত ডেকাটোৱে তাইৰ আচৰিত ব্যৱহাৰ লক্ষ্য কৰিলে। ভয়ত সি দেখিলে, তাই ক্ৰমাৎ এজনী বাঘীনী হৈছে। সি গভীৰ দুখ পালে আৰু বুজিলে যে বেচেৰী ছোৱালীজনীয়ে সেই জুৰিটোৰ পানী খাইছে। এনে ধৰণৰ ভয়ানক পৰিৱৰ্ত্তনে দুভ'গীয়া ছোৱালীজনীক মানুহৰ মাজত থকাটো অসম্ভৱ কৰি পেলাইছে। শেষবাৰৰ কাৰণে প্ৰেমিকক বেজাৰেৰে চাই তাই লাহে ধীৰে ওচৰৰ হাবি খনত সোমাই পৰিল।

বেজাৰত অভিভূত হোৱা চিকাৰীটো গাঁৱলৈ উলটি আহি বিষাদমনেৰে তাৰ প্ৰেমিকাৰ ঘটনাটো ছুয়োটা পৰিয়ালৰ মানুহৰ আগত বিবৰি কলে। তেতিয়াৰ পৰা সিহঁতে তাইক খাবলৈ মাংস দিবলৈ ধৰিলে। গাঁৱৰ সকলোবোৰ গৰু গাই খোৱাৰ পিছত গাভৰু বাঘিনীজনীয়ে আন গাঁৱৰ গৰুগাইক খাবলৈ ধৰিলে। পৰিৱৰ্ত্তনে তাইক বৰ ভোকাতুৰ কৰি তুলিছে। এইটো আশা কৰিব পৰা কথা যে, তাইৰ দৈনন্দিন আক্ৰমণৰ হেতুকে ইমান বোৰ গৰু গাই ধ্বংস হোৱা দেখি গাঁৱৰ ৰাইজ শঙ্কাতুৰ হৈ উঠিল। ঘটনাটোৰ

বিষয়ে কিবা এটা কৰিব লাগে বুলি তেওঁলোকে সিদ্ধান্ত কৰিলে।

এদিন সন্ধিয়া এখন সভা পতা হ'ল। ইয়াত গাঁৱৰ মুখিয়াল জনে কলে যে, সোনকালে বাঘিনী জনী নামাৰিলে গৰু গাই একো নাথাকিব। তেতিয়া বাঘিনীজনীয়ে গাঁৱৰ ৰাইজকো হত্যা কৰিব আৰু খাব। এনে একেষাৰ কথা ভৱাটোকে ভয় লগা।

এই ভীষণ সাৱধান বাণীয়ে পিছদিনা পুৱাই বাঘিনীজনী মাৰিবলৈ এক চিকাৰীৰ অভিযান ৰাইজে দিহা কৰিলে। এইখিনিতে অত্যন্ত বেজাৰৰ কথা হৈছে যে গাঁৱৰ ৰাইজে প্ৰেমিকজনকে বিশেষকৈ দলপতি বাচিলে। কথাষাৰ শুনি বেজাৰ কৰি থকা ডে[illegible]নে কান্দিবলৈ ধৰি সেইসকলক এনে কাৰ্য্যৰ পৰা অব্যাহতি দিবলৈ কাকুতি কৰিলে। সকলোবোৰ চেষ্টা বিফল হ'ল। সকল্প অলৰ অচৰ হৈ থাকিল আৰু তেওঁলোকে কলে যে, গোটেইখন গাঁৱত তেৱেঁই একমাত্ৰ চিকাৰী। তেওঁৰ কৌশল আৰু অভিজ্ঞতা নাপালে ভয়ঙ্কৰ বাঘিনী জনীৰ সম্মুখীন হোৱাটো সিহঁতৰ কাৰণে টান।

এনে ধৰণৰ দুখজনক আৰু বেদনাদায়ক অৱস্থাত অসুৰ ডোখৰ ডোখৰ হোৱা প্ৰেমিকজনে তেওঁৰ প্ৰিয় প্ৰেমিক'ৰ জীৱনৰ ওৰ পেলাব লগীয়া হৈছিল।

পৰিশিষ্ট

উত্তৰচুবুৰীয়া অঞ্চলৰ চিত্ৰপট :

উত্তৰ-পূব সীমান্ত ভূভাগ

পোনপটীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা শাসিত কামেং, সোৱণশিৰি, ছিয়াং, লোহিত আৰু টিৰাপ সীমান্ত জিলাৰে গঠিত উত্তৰ-পূব সীমান্তৰ মাটিকালি হৈছে ৩৪,৯৬০ বৰ্গমাইল। উত্তৰে তিব্বত, দক্ষিণে ব্ৰহ্মপুত্ৰ উপত্যকা, পূবে ব্ৰহ্মদেশ আৰু তিব্বত আৰু পশ্চিমে ভূটানৰ দ্বাৰা পৰিবেষ্টিত উত্তৰ পূব সীমান্ত হৈছে পৰ্ব্বতীয়া অঞ্চল। ৰীতি-নীতি, সাজ-পাছাক, ভাষাগত পাৰ্থক্যজনিত, সভ্যতাৰ বিভিন্ন স্তৰত থকা ১৫টা বিভিন্ন জনজাতিৰে সন্নিবিষ্ট। জান-জুৰি আৰু জলপ্ৰপাতৰ বাহিৰেও, সৰু বৰ প্ৰায় ৫০ খন নৈ এই অঞ্চলৰ মাজেদি বৈ গৈছে। নেফাত থকা জনজাতিৰ মাজত ঘাই হৈছে মনপা, ডফলা, টাগিন, গালং, স্বাৰডুক্‌পেন, আপাটানি, আকাম, পাদং, খাম্‌টি, চিংফৌ, টাংচা, মিছিমি, ৱানছু, নগা আৰু আদি।

নেফাৰ মানুহৰ ঘাই উপজীব্য হৈছে কৃষি। শিক্ষা কিছুদূৰ আগ বাঢ়িছে। ভালেমান জনজাতি বোৱাকটা, বাঁহবেত আৰু কাঠৰ কামত পাৰ্গত। মিছিমি, আবৰ আৰু নগা কাপোৰ বহুতো ধুনীয়া স্থানীয় আৰ্হি সম্বলিত বওঁান। মিস্ত্ৰিৰ কাম, কুমাৰৰ কাম আৰু এড়ীমুগাৰ পলু পোহা কাম কুটিৰ শিল্প স্বৰূপে ভূমিকা গ্ৰহণ কৰিছে।

সংবিধানৰ মতে উত্তৰ-পূব সীমান্ত এজেঞ্চী অসমৰ অঙ্গবিশেষ। অসমৰ ৰাজ্যপালক ভাৰতৰ ৰাষ্ট্ৰপতিক এজেন্ট স্বৰূপে লৈ এই অঞ্চলটো ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰণালয়ে শাসন কৰে। নেফা অঞ্চললৈ যাবলৈ আগতীয়া অনুমতিৰ প্ৰয়োজন।

এফ. ৰহমান৭।

[সম্প্ৰতি পূৰ্বাঞ্চলৰ ৰাজ্য পুনৰগঠন কাৰ্য উত্তৰ পূব সীমান্ত অঞ্চলক 'অৰুণাচল' নামেৰে কেন্দ্ৰশাসিত অঞ্চললৈ পৰিণত হৈছে।]

নগাৰ অঞ্চল :

ডিমাপুৰ নাইবা মণিপুৰ ৰ'ড হৈছে উত্তৰ-পূব ৰেলৰ ৰাই লাইনৰ এটা ষ্টেছন। এই দ্বিতীয় নামটো উপযুক্ত ভাৱে ব্যৱহাৰ কৰা যায় এইকাৰণেই যে, ইয়াৰ পৰা আলিয়েদি নগাপাহাৰ হৈ মণিপুৰলৈ, যাব পাৰি। নামবৰ হাবিয়েদি ৪৫ মাইল দূৰৈত অৱস্থিত গোলাঘাটৰ পৰা ডিমাপুৰলৈ আলিয়েদি যাব পাৰি। আলিৰ দাঁতিৰ ওচৰত গৰম পানী নামেৰে গৰম পানীৰ উঁহ এটা আছে। নিশা আহিলে বনৰীয়া হাতীকে ধৰি যেই কোনো জন্তু ইয়াত পোৱা যায়।

প্ৰাচীন কছাৰী ৰাজ্যৰ ডিমাপুৰ ৰাজধানী আছিল। ডিমাপুৰৰ ভগ্নাৱশেষ আজিও আছে। এখন বেৰৰ মাজত মন্দিৰৰ ভগ্নাৱশেষ থকাৰ উপৰিও ফুলবচা শিলৰ ত্ৰুতৰপীয়া স্তম্ভও আছে। বহুতো পুখুৰী আছে। ইয়াৰ ভিতৰত ছুটা বৰ ডাঙৰ।

৪৬ মাইল দূৰৈত অৱস্থিত কহিমাৰ পৰা মণিপুৰ আলি সঘনে হোৱা ভূমি সংস্খলনৰ কাৰণে জনাজাত। নগা পাহাৰ এই পৰ্থেদি দুঘণ্টাৰ মটৰযাত্ৰা। বাটত জনপ্ৰিয় ভাৱে জনাজাত পাগলা পাহাৰ নামেৰে এটা পাহাৰ পোৱা যায়। কোনো কাৰণ নোহোৱাকৈ ইয়াৰ ওপৰৰ পৰা আলিবাটত অকস্মাৎ শিলাখণ্ড বাগৰি পৰে। কোনো কোনো ঠাইত ধান বা শাকপাচলি খেতি কৰিবলৈ নগাই পাহাৰৰ দাঁতিত হাবি নিকা কৰা দেখিবলৈ পোৱা যায়। পাহাৰৰ ওপৰত পানী উপত্যকাই দি পথাৰলৈ বৈ যোৱা মৌলিক জলসিঞ্চন ব্যৱস্থা সন্নিবিষ্ট টেৰেছ খেতি দেখা যায়। ইয়াৰে কিছুমান টেৰেছ পথাৰ দেখিবলৈ সাইলাখ স্বাভাৱিক ৰঙ্গমঞ্চৰ নেখীয়া।

মনোৰম সৰু চহৰ কহিমা হৈছে নগালেণ্ড ৰাজ্যৰ ৰাজধানী। নগা গাঁৱৰ ভিতৰত এখন সৰ্ব্ববৃহৎ কহিমা গাঁও ওচৰতে অৱস্থিত। লোথা, কাচ্চা, চেমা আৰু আঙ্গামীৰ দৰেখীয়াকৈ নগাৰ কেইবাটাও ফৈদ আছে। কহিমাৰ নগাৰ প্ৰায় সৰহ ভাগেই আঙ্গামী।

দ্বিতীয় মহাসমৰৰ সময়ত ভাৰত অঞ্চলত প্ৰৱেশ কৰিবলৈ

বিচৰা জাপানী অগ্রগতিক কহিমাতে বাধা দিয়া হয়। লেম্পৰ খুটি আৰু ঘৰত এতিয়াও যুদ্ধৰ চিন লাগি আছে। কহিমা যুঁজত মৃত্যু বৰণ কৰা সকলৰ কহিমাত এখন ডাঙৰ মৰিশালি আছে। এই মৰিশালিৰ স্মৃতি চিহ্নাঙ্কিত বৃত্তান্তত এনেদৰে লেখা আছে :

"ঘৰলৈ গলে সিহঁতক আমাৰ কথা কবা আৰু কবা,
সিহঁতৰ ভৱিষ্যতৰ কাৰণে আমাৰ বৰ্ত্তমান দিলোঁ।"

এফ. ৰহমান।

মণিপুৰ :

নিৰ্ব্বাচনৰ জৰীয়তে জনপ্রিয় চৰকাৰ আৰু নিৰ্ব্বাচিত প্রতিনিধি মণ্ডলীৰ সৃষ্টি নোহোৱাপৰ্য্যন্ত সৌ সিদিনালৈকে ৮,৬৩০ বৰ্গমাইল আৰু ৬ লাখ জনসংখ্যা সন্নিবিষ্ট মণিপুৰ অসমৰ অঙ্গ আছিল।

অসম আৰু ভাৰতৰ আন অঞ্চলতো মণিপুৰী সঙ্গীত আৰু নৃত্যৰ মনোৰমতা জনাজাত। নৃত্যকাৰ সকল দেখাত শোভনীয় হোৱাৰ উপৰিও, চৰিত্র আৰু প্রদর্শনৰ ক্ষেত্রত এওঁলোক মৌলিক। মণিপুৰীয়ে নচা ৰাসলীলা নৃত্য বিশেষভাৱে উল্লেখনীয়। হোলি আৰু ঝুলন উৎসৱত বিশেষভাৱে প্রদর্শিত মণিপুৰী সকলৰ লোকনৃত্য আছে।

বহুতো আহিত মণিপুৰী মাইকী মানুহে কাপোৰ বয়। ইয়াৰে কিছুমান কলাগত ভাৱে বুটাতোলা। মণিপুৰী কাপোৰ আৰু জাল অসমত বৰ জনপ্রিয়। ৰাজ্যৰ য'তে ত'তে ই বজাৰ পাব পাৰে। বাঁহ আৰু বেতৰ ব্যৱহাৰৰ সামগ্রী, লগতে আ-অলঙ্কাৰো মণিপুৰীয়ে সাজে। ইম্ফলৰ বজাৰত মাইকীমানুহে বস্তু বেচে। ইম্ফল চৰকাৰৰ কেন্দ্রথলী। শিলচৰেদি গুৱাহাটীৰ পৰা ইয়ালৈ বায়ু পথ আছে। ১৩২ মাইলৰ দীঘলীয়া ধুনীয়া আলি এটাই নগা পাহাৰেদি ডিমাপুৰৰ পৰা ইয়াক সংযোগ কৰিছে।

এফ. ৰহমান।

ত্ৰিপুৰা :

মনোৰম পাহাৰ আৰু উপত্যকা, ঘন হাবি আৰু সেউজীয়া পথাৰ, আদিৰে পৰিবেষ্টিত ত্ৰিপুৰা অসমৰ দক্ষিণ পশ্চিম ভাগত অৱস্থিত। বৰ্ত্তমান কেন্দ্ৰীয় অঞ্চল ত্ৰিপুৰা এসময়ত কোঁৱৰ ৰাজ্য আছিল। অতি প্ৰাচীন ৰাজ্য ত্ৰিপুৰা ভাৰতৰ এসময়ৰ কোঁৱৰ ৰাজ্য সমূহৰ প্ৰাচীনতম্ বুলি ত্ৰিপুৰাই দাবী জনায়। ইয়াৰ লিপিবদ্ধ বুৰঞ্জী মহা ভাৰতৰ দিনৰ। মহাভাৰত, পুৰাণ সমূহৰ আৰু অশোক স্তম্ভ সমূহৰ য'ত ত্ৰিপুৰাক 'সীমান্ত ৰাজ্য' বুলি অভিহিত কৰা হৈছে, উল্লেখ সমূহে এইষাৰ কথাৰ প্ৰমাণ যোগায়। ভাৰতীয় সংবিধান অনুসাৰে 'গ' ৰাজ্য বুলি চিনাক্ত হোৱাৰ পূৰ্ব্বে আৰু ১৯[illegible]নৰ ১৫ অক্টোবৰ তাৰিখে ভাৰত ইউনিয়নৰ অন্তৰ্ভুক্ত হোৱাৰ পূৰ্ব্বে ১৩শ বছৰ কাল অবিচ্ছিন্ন ভাৱে মহাৰজা সকলে ইয়াক শাসন কৰিছিল।

ত্ৰিপুৰাৰ ৰজা সকলে নিজকে চন্দ্ৰবংশীয় দ্ৰুহ্য ৰজাৰ বংশধৰ বুলি কয়। কাহিনীমতে, কপিল মুনিয়ে উৎসৱ পাতি বহুব্ৰুক 'ৰজা' বুলিছিল আৰু "তেতিয়াৰ পৰাই ইয়াৰ ৰজা সকলে এই উপাধিটো লয়।"

দিত্যৰ উত্তৰাধিকাৰী ত্ৰিপুৰে আজিও ত্ৰিপুৰা বুলি জনাজাত নামটো দিয়ে। ইয়াৰ পূৰ্ব্বে অঞ্চলটোক 'কিৰাত দেশ' বুলি জনা গৈছিল। ৰজা ত্ৰিপুৰ সম্ৰাট যুধিষ্ঠিৰৰ সমসাময়িক আছিল। মহাভাৰতৰ মতে এইজনাৰ সন্তান ত্ৰিলোচন, সম্ৰাটে পতা ৰাজসূয় যজ্ঞত উপস্থিত আছিল।

প্ৰায়েই মোগলে ত্ৰিপুৰা অকৃতকাৰ্য্য ভাৱে আক্ৰমণ কৰিছিল। গৌৰৰ মুছলমান শাসক সকলেও কেইবাবাৰো ত্ৰিপুৰা আক্ৰমণ কৰিছিল। এই বৈদেশিক আক্ৰমণ সমূহৰ দৃঢ়তাৰে সৈতে সন্মুখীন হৈ ত্ৰিপুৰা স্বাধীন হৈ আছিল।

ভৈয়াম আৰু পাহাৰ অঞ্চলত কৰা বিজয়-অভিযানৰ কাৰণে ত্ৰিপুৰা ৰাজ্যৰ মাটিকালিৰ সালসলনি হৈ আছিল। এসময়ত ইয়াৰ সৈন্যবৰ্গই পশ্চিমে সুন্দৰ বনৰ পৰা পূবে আৰু দক্ষিণে ব্ৰহ্মদেশলৈ,

উত্তৰে কামৰূপলৈকে সীমা বিস্তাৰ কৰিছিল। বৃটিছৰ আগমনৰ লগে লগে কোনো অত্যুৎসাহী কৰ্ম্মচাৰীয়ে ত্ৰিপুৰা ৰাজ্য বৃটিছ ভাৰতৰ সৈতে সংযোজিত কৰিবলৈ যত্ন কৰিছিল। এই চেষ্টাবোৰ অসাৰ্থক হ'ল। সুকীয়া কোঁৱৰ ৰাজ্য স্বৰূপে ত্ৰিপুৰা থাকিল।

ত্ৰিপুৰাৰ শেষজন ৰাজকোঁৱৰ হৈছে, মহাৰাজ বীৰ বিক্ৰম কিশোৰ মাণিক্য। ১৪ বছৰ বয়সতে ১৯১৩ চনত এইজনাই সিংহাসন আৰোহন কৰে। এইজনা বৰ জনপ্ৰিয় আৰু সব্যসাচী পুৰুষ আছিল। দৃষ্টিভঙ্গী সুদূৰ প্ৰসাৰী হোৱা হেতুকে এইজনা এজন ভাল আঁচনিকৰ্ত্তা আছিল। ১৯৬৭ চনৰ মেই মাহৰ ১৭তাৰিখে এইজনা পৰোপকাৰী ৰজাৰ মৃত্যু হয়। যি জনা ৰজাই ভাৰতীয় ইউনিয়নক স্বত্বসমূহ দিয়ে, সেইজনা হৈছে এইছ, এইছ মহাৰজা মাণিক্য কিৰিট বিক্ৰম কিশোৰ দেৱ বৰ্ম্মন বাহাদুৰ। সেই সময়ত এইজনা কোমলমতিৰ আছিল। আৰু দ্ৰুহ্যৰ এইজনা (কাহিনীমতে) ১৭৯ তম পোনপটীয়া বংশধৰ আছিল।

ত্ৰিপুৰাৰ অন্তৰ্ভুক্তিৰ চুক্তি ১৯৪৯ চনৰ চেপ্তেম্বৰ মাহৰ ৯ তাৰিখে নতুন দিল্লীত স্বাক্ষৰিত হয়। সেইটো বছৰৰে অক্টোবৰ মাহৰ ১৫ তাৰিখে ভাৰতীয় সংবিধান অনুসাৰে ত্ৰিপুৰা ৰাজ্য 'গ' ৰাজ্য হয়। ৰাইজৰ প্ৰতিনিধিয়ে বাচি দিয়া তিনিজন উপদেষ্টাৰ সহায়ত ইয়াক মুখ আয়ুক্তই পৰিচালনা কৰিছিল। ১৯৫৬ চনৰ নৱেম্বৰ মাহৰ এক তাৰিখে ৰাজ্য পুনৰ গঠন হোৱাৰ পিছত ত্ৰিপুৰা কেন্দ্ৰীয় শাসিত অঞ্চল হয়। ৩০ জন নিৰ্ব্বাচিত আৰু ২ জন মনোনীত সদস্যৰে ১৯৫৭ চনৰ আগষ্ট মাহৰ ১৫ তাৰিখে ত্ৰিপুৰা আঞ্চলিক পৰিষদ গঠিত হয়। কিছুমান সামাজিকসেৱা যেনে, শিক্ষা আৰু জন স্বাস্থ্য, ৰাজহুৱা কাম যেনে, স্থানীয় আলি পদূলি আৰু কৃষি, জীৱজন্তু ৰক্ষা ইত্যাদি কামৰ পৰিচালনা কৰাৰ দায়িত্ব পৰিষদ খনৰ আছিল।

গৱৰ্ণমেণ্ট অব্ ইউনিয়ন টেৰীটৰীজ এক্ট কাৰ্য্যত পৰিণত কৰাৰ লগে লগে, ত্ৰিপুৰা আঞ্চলিক পৰিষদ আৰু ত্ৰিপুৰা প্ৰশাসন এক হৈ

ত্রিপুৰা চৰকাৰ হয়। শ্ৰীশচিন্দ্ৰলাল সিংহক মুখ্যমন্ত্ৰী স্বৰূপে লৈ ১৯৬৩ চনৰ জুলাই মাহৰ ১ তাৰিখে ত্ৰিপুৰাৰ প্ৰথম জনপ্ৰিয় মন্ত্ৰীসভা গঠিত হয়। জুলাই মাহৰ ১ তাৰিখটো ত্ৰিপুৰাৰ বুৰঞ্জীত অবিস্মৰণীয় দিন।

১৯৬১ চনৰ গণপিয়লৰ মতে, ত্ৰিপুৰাৰ জনসংখ্যা হৈছে ১১,৪২,০০৫ জন। বৰ্ত্তমানৰ জনসংখ্যা প্ৰায় ১৫ লাখ। লক্ষ্য কৰিব লগীয়া কথা হৈছে যে, ১৯৪১ চনত অঞ্চলটোৰ জনসংখ্যা আছিল ৫,১৩,০১০ জন আৰু ১৯৫১ চনত আছিল ৬,৪৫,৭০৭ জন। এনে ধৰণেৰে জনসংখ্যা বৃদ্ধিৰ কাৰণ মানুহৰ স্বাভাৱিক বৃদ্ধি নহয়। ত্ৰিপুৰাক তিনিউপিনে আগুৰি ৰখা পূব পাকিস্থানৰ পৰা অহা আশ্ৰয় প্ৰাৰ্থীৰ আগমনহে।

ত্ৰিপুৰাৰ মনোৰম পাহাৰ আৰু হাবিত নিজৰ সমৃদ্ধ সংস্কৃতিসম্পন্ন আৰু ইয়াকে লৈ গৰ্ব্বী প্ৰায় ৪ লাখ জনজাতীয় মানুহ আছে। ১৯টা যেনে, ত্ৰিপুৰী, চাক্‌মা, ৰিয়েঙ্, হালম্, জামাটিয়া, মেগ, নাওটিয়া, গাৰো, লুচাই ইত্যাদি সুকীয়া জনজাতি মানুহৰ আজি কেইদশকৰ আগলৈকে বহিঃ পৃথিৱীৰ সৈতে সম্বন্ধ একেবাৰে নাছিল। অঞ্চলটো ভাৰতৰ সৈতে একীভূত কৰাৰ পিছত অৱস্থাৰ পৰিৱৰ্ত্তন ঘটিছে। যিমান সোনকালে পৰা হয়, সিমান সোনকালে শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত সাধাৰণ জনসাধাৰণৰ সৈতে একে স্তৰলৈ আনিবলৈ আদিবাসী বাইজৰ কাৰণে বহুতো জনজাতীয় কল্যাণমূলক আঁচনি লোৱাৰ লগে লগে বহুতো উন্নয়ন মূলক আৰু কল্যাণমূলক কামৰ কাৰণে ত্ৰিপুৰাৰ বাবে এটা নতুন যুগৰ আৰম্ভ হৈছে।

প্ৰাচীন অভ্যাসৰ কাৰণে জনজাতীয় মানুহে ঝুম খেতিৰে পেট প্ৰৱৰ্ত্তায়। বন অঞ্চলৰ কাৰণে ই এটা অবাঞ্ছনীয় ব্যৱস্থা। ই ভূমি সংস্খলন কৰাৰ উপৰিও মাটিৰ সাৰ বিনষ্ট কৰে। পুৰণিকালত যেতিয়া মাটি আৰু হাবি যথেষ্ট পৰিমাণৰ আছিল আৰু জনসংখ্যা তাকৰীয়া আছিল তেতিয়া ঝুম খেতিৰ কাৰণে যথেষ্ট সা-সুবিধা আছিল। জনসংখ্যা বঢ়াৰ লগে লগে ঝুম খেতিৰ বাবে প্ৰাপ্ত

মাটিৰো পৰিমাণ যথেষ্ট পৰিমাণে কমিবলৈ ধৰিলে। এইকাৰণেই ঝুমখেতিৰ অভ্যাসৰ পৰা মানুহক আঁতৰাই আনি ভৈয়ামত সুস্থ আঁচনিযুক্ত উপনিবেশত মানুহৰ পুনৰ বসতি কৰি স্থায়ী খেতি ব্যৱস্থাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰাৰ উদ্দেশ্যেৰে আঁচনি লোৱা হৈছে।

জনজাতি সমূহৰ সংস্কৃতিগত উন্নতি বিধানৰ অৰ্থে ভালেমান সংস্কৃতি কেন্দ্ৰ খোলা হৈছে। প্ৰতি বছৰে ৰাজ্যিক পৰ্য্যায়ত লোকনৃত্যৰ প্ৰতিযোগিতা পতা হয় আৰু সৰ্ব্বশ্ৰেষ্ঠ দলটোক বঁটা দিয়া হয়।

ইয়াৰ উপৰিও অৰ্থ নৈতিক, শিক্ষাগত আৰু সংস্কৃতিগত উন্নয়ন সাধনৰ অৰ্থে ত্ৰিপুৰা চৰকাৰৰ জনজাতীয় কল্যাণ বিভাগে জনজাতীয় মানুহৰ ৰীতিনীতি, আচাৰ-পদ্ধতি, সংস্কৃতি ইত্যাদিৰ ক্ষেত্ৰত গৱেষণা কৰিছে। অঞ্চলৰ অনুসূচিত জনজাতিৰ কল্যাণৰ ক্ষেত্ৰত চৰকাৰক পৰামৰ্শ দিবলৈ এখন জনজাতীয় উপদেষ্টা সমিতি গঠন কৰা হৈছে।

বি. দ্ৰ. :—

[বৰ্ত্তমানে পূব অঞ্চলৰ ৰাজ্য পুনৰ গঠন কৰি 'অৰুণাচল' নাম দি উত্তৰ পূব সীমান্ত ভূভাগ আৰু 'মিজোৰাম' নাম দি লুচাই পাহাৰ জিলাক কেন্দ্ৰশাসিত অঞ্চললৈ ৰূপান্তৰিত কৰা হৈছে। নগা পাহাৰ, ত্ৰিপুৰা, মণিপুৰ, মেঘালয়ক (খাছিয়া জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰ ক লৈ গঠিত) পূৰ্ণমৰ্য্যাদাৰ স্বকীয়া ৰাজ্য কৰা হৈছে।]

গ্ৰন্থপঞ্জী

আডামচ্ পি. এফ —কন্‌ফিডেনছিয়েল ন'টছ্ অন্ ল'কেল চেলফ্ গৱৰ্ণমেণ্ট এমং দি হিল পিপল্ (শিবলং)

আডামচ্ পি. এফ. —ছাম ন'টছ্ অন্ পলিচি ফৰ দি হিল ট্ৰাইবছ্ অৰ্ আচাম (শিবলং, ১৯৪৫)

এলেন বি. চি. —মন'গ্ৰাফ অন দি ছিল্ক ক্লথছ অৰ্ আচাম (১৮৫৮)

আনন্দ্, মুলক্‌ৰাজ —ক্লাছিকেল এণ্ড ফ'ক ডেঞ্চেছ্ অৰ্ ইণ্ডিয়া

বাডেজা জে. ডি. —একুছ দি গল্ডেন হাইটছ্ অৰ্ আচাম এণ্ড নেফা (মডাৰ্ণ বুক ডিপো, কলিকতা)

বৰকটকী, এছ —ট্ৰাইবেল ফ'ক টেইলচ্ অৰ্ আচাম (হিলচ্) (আচাম পাব্লিকেচন বৰ্ড)

বৰকটকী. এছ —আচাম ইন দি ছিৰিজ অৰ্ ইণ্ডিয়া—দি লেণ্ড এণ্ড পিপল্ (নেচনেল্ বুক ট্ৰাষ্ট)

বাৰাৰ, ইউ. জি —নাগা পাথ (লণ্ডন ১৯৫০)

বাৰৱীজ্ বৰিনচ্ —এ গাৰো গ্ৰামাৰ (ডেকান কলেজ্ মন'গ্ৰাফ ছিৰিজ, ২৫, পুনা) ১৯৬১

বাটলাৰ জে (কেপ্তেইন) —এডমিনিষ্ট্ৰেটিভ্ ৰিপোৰ্ট অন্ দি নাগা হিলচ্ (কলিকতা, ১৮৭০-৭১)

ক্লাৰ্ক জি· ডব্লিব—দি হিষ্ট্ৰী অৰ্ দি চিভিলিজেচন অৰ দি পীপল্ অৰ্ আচাম (ডি-এইচ-এ-এছ গুৱাহাটী)

ক্ল', হাৰ. এনড্ৰো —আও নাগা ডিক্সনেৰী

কুপাৰ, টি. টি. —দি মিছিমি হিলচ্ (লণ্ডন ১৮৭৩)

ডানবাৰ জি. —দি ফ্ৰণটিয়াৰ (লণ্ডন ১৯৩২)

এলউইন্, ভেৰিয়াৰ —নাগালেণ্ড (শিবলং ১৯৬১)

এলউইন্, ভেৰিয়াৰ—ফিলচফী ফৰ্ নেফা (স্বৰাষ্ট্ৰ মন্ত্ৰণালয়, নতুন দিল্লী, ১৯৬৩)

এলউইন্, ভেৰিয়াৰ —এ নিউ দিল্ ফৰ্ ট্ৰাইবেল এৰিয়াছ্

ফ্ৰেযাৰ, ডি. জি. —দি গল্ডেন বাও

গৰ্ডন, পি. আৰ. টি. —ছাম্ এছেমীজ প্ৰৰ্ভাবছ্ (শিবলং, ১৯০৩)

গৰ্ডন, পি. আৰ. টি. —দি খাছীজ্ (কলিকতা, ১৯০৩)

হেডন, এ. চি. —হেড হান্টাৰছ্ (১৯০১)

হেমিনডৰ্ফ, এফ. বি.—হেড হান্টাৰছ্ আচাম (১৮০৮-৯, এছ· কে· ভূঞাৰ দ্বাৰা সম্পাদিত, ডাচ, ১৯৪০)

হেমিলটন্, এফ. বি. —ইন আবৰ জাংগলছ্ (লণ্ডন, ১৯১২)
হিমেনব্ৰুক্, চি. ডি. এফ. —দি নেকেড নাগাজ (লণ্ডন, ১৯৩৯)
হডছন্, টি. চি. —দি মেথিজ অব্ মণিপুৰ (লণ্ডন, ১৯০৮)
হডছন্, টি. চি.—দি নাগা ট্ৰাইবছ্ অব্ মণিপুৰ (লণ্ডন, ১৯১২)
হাটন, জে. এইছ. —দি চেমা নাগাজ (লণ্ডন, ১৯২১)
হাটন, জে. এইছ.—দি আংগামী নাগাজ (লণ্ডন ১৯২১)
জেন্কিনছ্ মেজৰ, এফ.—ছিলেক্চন অব্ পেপাৰছ্ ৰিগাৰ্ডিং দি হিল-ট্ৰেট্ছ্ বিট্ইন আচাম এণ্ড ব্যাৰ্মা এণ্ড অন্ দি আপাৰ ব্ৰহ্মপুত্ৰ (কলিকতা, ১৯৪২)
জনষ্টন, জে. —মাই এক্স্পিৰিয়েঞ্চেছ্ ইন্ মণিপুৰ এণ্ড দি নাগা হিলছ্ (লণ্ডন ১৮৯৬)·
কাপাডিয়া, কে. এম. —দি মেট্ৰিলিনিয়েল ছছিয়েল অৰ্গেনিজেচন অব্ দি নাগাজ অব্ আচাম
লেউইন, লেফ্টেনাণ্ট কৰ্ণেল টি. এ.—এ ফ্লাই অন্ দি হুইল (কন্ষ্টেবোল এণ্ড কো লিমিটেড, লণ্ডন)
লেউইন, লেফ্টেনাণ্ট কৰ্ণেল টি. এ.—ওৱাইণ্ড ৰেছেজ অব্ চাউথ ইষ্টাৰ্ণ ইণ্ডিয়া (১৮৭০)
লৰেইন্, জে. এইছ. এণ্ড হোডজ এফ. ডব্লিউ—এ গ্ৰামাৰ এণ্ড ডিক্স্নাৰী অব্ দি লুছাই লেংগুৱেজ (দি পাইওনিয়াৰ প্ৰেছ, এলাহাবাদ)
লৰেইন্, আৰ. এ. —ফাইভ ইয়াৰছ্ ইন আন্নউন্ জাংগল ফৰ্ গড এণ্ড এম্পায়াৰ (লাখেৰ পাইওনিয়াৰ মিছন. লণ্ডন)
মেকুলা, ডব্লিউ. —একাউণ্ট অৱ দি ভেলী অৱ মণিপুৰ এণ্ড অব্ দি হিল ট্ৰাইবলছ্ (কলিকতা, ১৮৫৯)
মিচেল,—নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ অব্ ইণ্ডিয়া
মিলছ্, জে. পি. --দি আও নাগাজ্ (লণ্ডন, ১৯২৬)
মিলছ্, জে. পি. --দি লোহ্টা নাগাজ্ (লণ্ডন, ১৯২২)
মিলছ্, জে. পি.—দি ৰেংগমা নাগাজ (লণ্ডন, ১৯৩৭)
মিলছ্, জে. পি—এ ন'ট অন্ দি ফিউচাৰ অব্ দি হিলট্ৰাইবছ্ অব্ আচাম এণ্ড দি এডজইনিং হিলছ্ ইন এ চেলফ্ গৱৰ্ণিং ইণ্ডিয়া (চিক্ৰেট)
পেৰী, এন. ই. —দি লাখেৰছ্ (মেক্মিলান, ১৯৩২)
পেৰী, এন. ই—এ মনগ্ৰাফ অন্ লুচাই কাষ্টমছ্ এণ্ড চেৰেমনীজ (আচাম গৱৰ্ণমেণ্ট প্ৰেছ)
পেম্বাৰটন্, আৰ. বি—ৰিপৰ্ট অন্ দি ইষ্টাৰ্ণ ফ্ৰণ্টিয়াৰ অব্ বৃটিছ ইণ্ডিয়া (কলিকতা, ১৮৩৫)

শেক্সেয়াব, মেজব এ.—দি গাবোজ (ডেভিড মিল, লণ্ডন, ১৯০৯)
বণ্ডসৃথ, ডি. এছ —ফ'ক টেইলচ্ অব্ দি গাবোজ (জি. ইউ.)
চেন্ডিজ্ এফ. ডব্লিউ. –এ গ্রামাব এণ্ড ডিক্সনাবী অব্ দি লাখেব লেংগ্বেজ (আচাম গব্ৰৰ্ণমেণ্ট প্রেছ)
শেকছ্পীয়েব, জে. (মেজব —দি লুছাই -কুকি ক্লেনছ্ (মেক্মিলান)
শেকছ্পীয়েব, এল. ডব্লিউ —হিষ্ট্রী অব্ আপাব আচাম, আপাব বাৰ্ম্মা এণ্ড দি নৰ্থ ইষ্ট ফ্রণ্টিয়াব (লণ্ডন, ১৯১৪)
শব'. উইলিয়াম.—দি থাডাউ কুকিজ্ (গবৰ্ণমেণ্ট অব্ আচাম)
স্মিথ, ডব্লিউ. চি.—দি আও নাগা ট্রাইবছ্ অব্ আচাম (লণ্ডন ১৯২৫)
ছপিট, চি. এ.—এ ছৰ্ট একাউণ্ট অব্ কাচ্ছা নাগা ট্রাইবছ্ (শিবলং, ১৮৮৫)
ছপিট, চি. এ —কাছাবী ট্রাইবছ্ ইন নৰ্থ কাছাব হিলছ্
ছপিট, চি. এ. —এ ছৰ্ট একাউণ্ট অব্ দি কুকি-লুছাই ট্রাইবছ্ অন্ দি নৰ্থ ইষ্ট ফ্রণ্টিয়াব (শিবলং, ১৮৮৫)
ষ্টেক্ ই. এণ্ড ল্যাজ —দি মিকিবছ্ (ডেভিদ নাট, লণ্ডন, ১৯০৮)
উডর্প, লেফ্টেনাণ্ট আব, জি.—দি লুচাই এক্সপিডিচন ১৮৭১-৭২ (হর্ষ্ট এণ্ড ব্লেকেট, লণ্ডন)

নেচনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া

সুসাহিত্য প্ৰকাশ কৰাৰ উদ্দেশ্যেৰে আৰু তাক-কম দামতে দিয়াৰ ব্যৱস্থা কৰি দেশত কিতাপৰ প্ৰতি মানুহৰ সজাগতা জগাই তোলাৰ মানসেৰে ১৯৫৭ চনত স্বতন্ত্ৰবীয়া অনুষ্ঠান স্বৰূপে ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ অধীনত নেচনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া গঢ়ি তোলা হয়।

এই ট্ৰাষ্টে বিভিন্ন ভাৰতীয় ভাষাত এতিয়ালৈকে ৩৫০ খন পুথি প্ৰকাশ কৰিছে। বৰ্ত্তমান ট্ৰাষ্টৰ প্ৰকাশ আঁচনি মতে নিম্নউল্লিখিত গ্ৰন্থ লানি লোৱা হৈছে :

(১) ভাৰত—মাটি আৰু মানুহ : এই লানি কিতাপৰ উদ্দেশ্য হৈছে সাধাৰণ ভাৱে শিক্ষিত মানুহক আৰু বিশেষজ্ঞক দেশৰ বিভিন্ন বিষয়ে যেনে, ভূগোল, কৃষি, ভাষা, সাহিত্য, সংস্কৃতি ইত্যাদিৰ সম্বন্ধে জ্ঞান দিয়াটো। সহজ ভাষাত লিখিত এই লানিৰ কিতাপ সমূহ এক প্ৰকাৰে ভাৰত সম্বন্ধে বিশ্বকোষৰ স্বৰূপ।

(২) জাতীয় জীৱন চৰিত : এই লানি পুস্তকত প্ৰায় ১০০ খন কিতাপৰ জৰীয়তে ধৰ্ম্ম, দৰ্শন, ইতিহাস, সাহিত্য, কলা, সঙ্গীত আৰু বিজ্ঞানত খ্যাতি অৰ্জ্জা ভাৰতীয় পুৰুষৰ জীৱন-চৰিত দাঙি ধৰা হব।

(৩) জনপ্ৰিয় বিজ্ঞান : এই লানি পুস্তকৰ জৰীয়তে সাধাৰণ পঢ়ুৱৈক বৰ্ত্তমান যুগত বিজ্ঞানে কৰা প্ৰগতি আৰু উন্নতিৰ বিষয়ে, লগতে দৈনন্দিন জনজীৱনত বিজ্ঞানে বিস্তাৰ কৰা প্ৰভাৱৰ কথাৰ বুজ দিয়া হব।

(৪) বিশ্বৰ বাছকবলীয়া কিতাপসমূহ : এই লানি পুথিৰ উদ্দেশ্য হৈছে, সাধাৰণ পঢ়ুৱৈক বিভিন্ন ভাৰতীয় ভাষাত সহজ অনুবাদৰ জৰীয়তে বিভিন্ন ক্ষেত্ৰত বিশ্ব-চিন্তা জগতলৈ বৰঙনি যোগোৱা বাছকবলীয়া পুথিৰ যোগান ধৰাটো।

(৫) আজিৰ পৃথিৱী : পৃথিৱীৰ বিভিন্ন দেশৰ ঘটনাসমূহৰ বিষয়ে আৰু সেইবোৰৰ বুৰঞ্জীৰ সম্ভেদ দিয়াটো এই লানি পুস্তকৰ উদ্দেশ্য হব।

(৬) ভাৰতৰ লোক গাথা : ভাৰতৰ লোকগাথাৰ একতাৰ

কথা বুজাবলৈ বিভিন্ন লাগতিয়াল অঞ্চলৰ লোকগাথাৰ বিষয়ে পুস্তক প্ৰকাশ কৰাটো এই লানি গ্ৰন্থই যত্ন কৰিব।

(৭) যুব ভাৰত : এই লানি পুস্তকৰ উদ্দেশ্য হৈছে, ভাৰতীয় যুৱকৰ দাবীপূৰণ। আজিৰ পৃথিৱীত উৎকৰ্ষ সাধন হোৱা বিজ্ঞান আৰু কাৰিকৰী বিষয়ক শিক্ষা দিয়াৰ উপৰিও ই আমাৰ দেশৰ গৌৰৱ-উজ্জ্বল মুহূৰ্ত্ত আৰু সাহসৰ অনুপ্ৰেৰণাদায়ক চিত্ৰসমূহ দাঙি ধৰিব।

(৮) নেহেৰু বাল পুস্তকালয় : এই আঁচনি অনুসাৰে দেশৰ জাতীয় ঐক্যক আদৰ্শ স্বৰূপে লৈ সকলো ভাষাতে লৰাছোৱালীৰ বাবে পুস্তক প্ৰণয়ন কৰা হ'ব।

এই লানি পুস্তকত সকলো পুথি বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শী সকলৰ দ্বাৰাই প্ৰস্তুত কৰা হৈছে।

যি বোৰ পুথিৰ ছপা আজি পাবলৈ নাই, তেনেধৰণৰ আপুৰুগীয়া পুথি প্ৰকাশ কৰাৰ দায়িত্বও ট্ৰাষ্টে লৈছে।

ভাৰত—মাটি আৰু মানুহ

প্ৰস্তুত কৰা কিতাপসমূহ

কৃষি

১. ফুডক্ৰপছ্	ডঃ এম· এছ স্বামীনাথন, ডিৰেক্টৰ ইণ্ডিয়ান এগ্ৰিকালছাৰেল ৰিছাৰ্চ ইনষ্টি-টিউট। নতুন দিল্লী।

পুৰাতত্ব

২. দি ষ্টৰী অব্ ইণ্ডিয়ান আৰ্কিঅ'লজি	শ্ৰী অ' পি টেণ্ডন, বেনাৰচ হিন্দু ইউনিভাৰ্চিটি।

উদ্ভিদ বিজ্ঞান

৩. কমন ইণ্ডিয়ান ফাৰ্ণছ্	ডঃ এছ. ছি. ভৰ্ম্মা, ডিপাৰ্টমেন্ট অব বটানী, পঞ্জাব ইউনিভাৰ্চিটি।
৪. স্ৰাবছ্ এণ্ড ক্লাইম্বাৰছ্ অব্ ইণ্ডিয়া	প্ৰঃ এম বি ৰাইজাদা, প্ৰিন্সিপাল ডি এ ভি· পষ্টগ্ৰেজুৱেট কলেজ, ডেৰাডুন।

সংস্কৃতি

৫. টেম্পলছ্ অব্ ছাউথ ইণ্ডিয়া	শ্ৰী কে. আৰ. শ্ৰীনিবাসন, চুপাৰিণ্টেণ্ডেন্ট, আৰ্কিঅ'লজিকেল ছাৰ্ভে অব্ ইণ্ডিয়া ছাউডাৰ্ণ চাৰ্কেল, মাদ্ৰাজ।
৬. মিউজিক	ঠাকুৰ জয়দেৱ সিং, ভূতপূৰ্ব চীফ প্ৰডিও-ছাৰ (মিউজিক), এ. আই. আৰ.।
৭. ইণ্ডিয়ান পেইন্টিংচ্	ডঃ চি· শিৱৰামমূৰ্ত্তি, ডিৰেক্টৰ, নেছনেল মিউজিয়াম, নতুনদিল্লী।
৮. ইণ্ডিয়ান কইনচ্	ডঃ পৰমেশ্বৰী লাল গুপ্ত, পাটনা মিউ-জিয়াম।
৯. পঞ্জাব	ছৰ্দাৰ কুশৱন্ত্ সিং, দিল্লী।
১০. অন্ধ্ৰ প্ৰদেশ	শ্ৰী ভি· আৰ· নাৰ্‌লা বিজয়াৰাজা।
১১. দি ৱাইল্ড লাইফ অব্ ইণ্ডিয়া	ডঃ বি. এল. আত্ৰেয়া, বেনাৰচ হিন্দু ইউনিভাৰ্চিটি।

১২. দি ষ্টৰী অৱ্ ইণ্ডিয়ান স্ক্ৰীপট্ছ্	প্ৰঃ এ· কে· নাৰায়ণ, হেড অৱ দি ডিপাৰ্ট-মেন্ট অৱ এন্‌চিয়েন্ট ইণ্ডিয়ান হিষ্ট্ৰী, কালচাৰ এণ্ড আৰ্কিঅ'লজি, কলেজ অৱ ইন্দোলজি, বেনাৰচ হিন্দু ইউনিভাৰ্ছিটি।

ভূগোল

১৩. এট্লাচ অৱ ইণ্ডিয়া	ডঃ এছ. পি. চেটাৰ্জ্জী, ডিৰেক্টৰ, নেছনেল এটলাছ অৰ্গেনিজেচন, কলিকতা।
১৪. জিয়গ্ৰাফী অৱ্ অন্ধ্ৰ প্ৰদেশ	ডঃ স্বাহ্ মানজুৰ আলম, ডিৰেক্টৰ, হয়দৰা-বাদ মেট্ৰপলিটান ৰিছাৰ্চ [illegible], ওচমানিয়া ইউনিভাৰ্চিটি।
১৫. জিয়গ্ৰাফী অৱ্ বিহাৰ	ডঃ পি. দয়াল, ডিপাৰ্টমেণ্ট অৱ জিয়গ্ৰাফী, পাটনা ইউনিভাৰ্চিটি।
১৬· জিয়গ্ৰাফী অৱ দিল্লী	ডঃ এম· পি· ঠাকুৰ, প্ৰিন্সিপাল, জগৎসিংহ গৱৰ্ণমেণ্ট কলেজ, নতুন দিল্লী।
১৭. জিয়গ্ৰাফী অৱ গুজৰাট	ডঃ কে· আৰ· ডিক্ষিট, ডিপাৰ্টমেণ্ট অৱ জিয়গ্ৰাফী, ইউনিভাৰ্চিটি অৱ পুনা।
১৮. জিয়গ্ৰাফী অৱ্ মধ্যপ্ৰদেশ	ডঃ কে· এন· ভৰ্মা, প্ৰফেছৰ এণ্ড হেড অৱ দি ডিপাৰ্টমেন্ট অৱ জিয়গ্ৰাফী, গৱৰ্ণমেণ্ট টি. আৰ. এছ. কলেজ, ৰেৱা। মধ্যপ্ৰদেশ।
১৯. জিয়গ্ৰাফী অৱ্ মহাৰাষ্ট্ৰ	ডঃ চি. ডি. দেশপাণ্ডে, ডিৰেক্টৰ অৱ্ এডু-কেশন, গৱৰ্ণমেন্ট অৱ্ মহাৰাষ্ট্ৰ, পুনা।
২০. জিয়গ্ৰাফী অৱ্ মাইশৰ	ডঃ এল· এছ· ভাট, প্ৰফেছৰ ইণ্ডিয়ান ষ্টেটিছটিকেল ইন্‌ষ্টিটিউট, নতুন দিল্লী।
২১. জিয়গ্ৰাফী অৱ্ উৰিষ্যা	ডঃ বি· এন· সিন্‌হা, হেড অৰ ডি-ডিপাৰ্টমেন্ট অৱ্ জিয়গ্ৰাফী, কৰ্ণাটক ইউনিভাৰ্চিটি, ধাৰৱাৰ।
২২. জিয়গ্ৰাফী অৱ্ পাঞ্জাব	ডঃ অ', পি· ভৰদ্বাজ, প্ৰিন্সিপাল, গৱৰ্ণ-মেণ্ট কলেজ, লুধিয়ানা।
২৩. জিয়গ্ৰাফী অৱ্ হৰিয়ানা	ঐ

২৪. জিয়গ্ৰাফী অৱ্ উত্তৰ প্ৰদেশ	ডঃ এ· আৰ· টেৱাৰী, হেড অৱ দি ডিপাৰ্টমেন্ট অৱ্ জিয়গ্ৰাফী, চেন্ট জনচ্ কলেজ, আগ্ৰা।
২৫. জিয়গ্ৰাফী অৱ্ আসাম	ডঃ এইছ· পি· দাস, প্ৰফেছৰ এণ্ড হেড অৱ্ দি ডিপাৰ্টমেন্ট অৱ্ জিয়গ্ৰাফী, গুৱাহাটী ইউনিভাৰ্চিটি।
২৬. জিয়গ্ৰাফী অৱ্ জম্মু এণ্ড কাশ্মীৰ	ডঃ এ. এন. ৰাইনা, হেড অৱ দি ডিপাৰ্টমেণ্ট অৱ জিয়গ্ৰাফী, জি· চি· এম কলেজ, জম্মু।
২৭. মেডিকেল জিয়গ্ৰাফী অৱ্ ইণ্ডিয়া	ডঃ আৰ. পি. মিশ্ৰ, হেড অৱ্ দি ডিপাৰ্টমেণ্ট অৱ পষ্টগ্ৰেজুৱেট ষ্টাডিজ এণ্ড ৰিছাছ ইন জিয়গ্ৰাফী, ইউনিভাৰ্চিটি অৱ মাইশ'ৰ।
২৮. ৰিজিয়নছ্ অৱ্ ইণ্ডিয়া	ডঃ এছ. ডি. মিশ্ৰ হেড অৱ দি ডিপাৰ্টমেণ্ট অৱ জিয়গ্ৰাফী, মাধৱ কলেজ, উজ্জয়িনী।

সমাজতত্ত্ব আৰু সমাজসেৱা

২৯. দি গৱৰ্ণমেন্ট এণ্ড এড্-মিনিষ্ট্ৰেচন ইন্ ইণ্ডিয়া	প্ৰঃ ভি· কে· এন· মেনন, ফৰমাৰলী ডিৰেক্টৰ, ইণ্ডিয়ান ইনষ্টিটিউট অৱ পাবলিক এডমিনিষ্ট্ৰেচন, দিল্লী।
৩০. ষ্টৰী অৱ্ ইণ্ডিয়ান লেংগুৱেজেচ্	ডঃ এছ. এম. কাট্ৰে (জেন. এড), ডিৰেক্টৰ, দেকান কলেজ, পষ্ট গ্ৰেজুৱেট এণ্ড ৰিচাৰ্ছ ইন্ষ্টিটিউট, পুনা।
৩১. পীপলছ্ অৱ ইণ্ডিয়া	ডঃ এছ· ছি· সিন্হা, ডেপুটী ডিৰেক্টৰ, এনথ্ৰপলজিকেল ছাৰ্ভে অৱ ইণ্ডিয়া, কলিকতা।
৩২. ল ইন্ ইণ্ডিয়া	ডঃ জি. এচ. শৰ্মা, ডিৰেক্টৰ, ইউনিভাৰ্চিটি স্কুল অৱ ল, জয়পুৰ।
৩৩. ইণ্ডিয়ান ৰেলওৱেজ	শ্ৰী এম· এ· ৰাও, ফৰমাৰলী মেম্বাৰ, ৰেলওৱে বৰ্ড।
৩৪. কটেজ এণ্ড স্মলস্কেল ইণ্ডাষ্ট্ৰীজ ইন্ ইণ্ডিয়া	ডঃ এ. বি. মিশ্ৰ, ৰিডাৰ ইন্ ইক'নমিক্স, বিহাৰ ইউনিভাৰ্চিটি।

৩৫. ৰিপাব্লিকছ্ ইন্ এনচিয়েন্ট ইণ্ডিয়া	ডঃ লালজী গোপাল, বেনাৰচ হিন্দু ইউনিভাৰ্চিটি।
৩৬. এনচিয়েন্ট ইণ্ডিয়ান ট্ৰেড এণ্ড ট্ৰেড ৰুটছ্	ডঃ বি. আৰ. শ্ৰীবাস্তৱ, বেনাৰচ হিন্দু ইউনিভাৰ্চিটি।
জীৱ বিদ্যা	
৩৭. ইনচেক্টছ্	ডঃ এ. পি. কাপুৰ, ডিৰেক্টৰ, জুৱলজিকেল চাৰ্ভে অৱ ইণ্ডিয়া, কলিকতা। এণ্ড শ্ৰী কে. চি. প্ৰধান, চুপাৰিণ্টেণ্ডিং জুৱলজিষ্ট, জুৱলজিকেল চাৰ্ভে অৱ ইণ্ডিয়া, কলিকতা।
৩৮. ফিছেছ্	ডঃ (মিছ) এম. চণ্ডী, প্ৰিঞ্চিপেল, মিৰাণ্ডা হাউজ, দিল্লী ইউনিভাৰ্চিটি।

(আন পুথিৰ কাৰণে যোগাযোগ কৰা হৈছে)

ভাৰত—মাটি আৰু মানুহ

প্ৰকাশিত পুথি

১.	ফ্লাৱাৰিং ট্ৰিজ	জনপ্ৰিয় সংস্কৰণ	৬·৫০	পইচা
	ডঃ এম. এছ. ৰান্ধাৱা	পুথিভঁৰাল সংস্কৰণ	৯·৫০	„
২.	আচামীজ লিটাৰেছাৰ	জনপ্ৰিয় সংস্কৰণ	৫·০০	„
	প্ৰফেচাৰ হেম বৰুৱা	পুথিভঁৰাল সংস্কৰণ	৭·৫০	„
৩.	কমন ট্ৰিজ্	জনপ্ৰিয় সংস্কৰণ	৫·২৫	„
	ডঃ এইচ. চান্টাপাও	পুথিভঁৰাল সংস্কৰণ	৮·২৫	„
৪.	স্নেকচ্ অৱ্ ইণ্ডিয়া	জনপ্ৰিয় সংস্কৰণ	৬·৫০	„
	ডঃ পি. জে. দেওৰছে	পুথিভঁৰাল সংস্কৰণ	৯·৫০	„
৫.	লেণ্ড এণ্ড্ চইল	জনপ্ৰিয় সংস্কৰণ	৫·২৫	„
	ডঃ এছ. পি. ৰায়চৌধুৰী	পুথিভঁৰাল সংস্কৰণ	৮·২৫	„
৬.	মিনাৰেলচ্ অৱ্ ইণ্ডিয়া			
	মিচেচ মেহেৰ ডি. এন.	জনপ্ৰিয় সংস্কৰণ	৫·২৫	„
	ৱাদিয়া	পুথিভঁৰাল সংস্কৰণ	৮·২৫	„
৭.	ডমেষ্টিক্ এনিমেলচ্	জনপ্ৰিয় সংস্কৰণ	৪·২৫	„
	শ্ৰী হৰবনছ্ সিং	পুথিভঁৰাল সংস্কৰণ	৮·৫০	„
৮.	ফৰেষ্ট এণ্ড ফৰেষ্ট্ৰী	জনপ্ৰিয় সংস্কৰণ	৫·২৫	„
	শ্ৰী কে. পি. ছাগ্ৰীয়া	পুথিভঁৰাল সংস্কৰণ	৮·২৫	„
৯.	জিয়গ্ৰাফী অৱ্ ৰাজস্থান	জনপ্ৰিয় সংস্কৰণ	৬·০০	„
	ডঃ ডি. চি. মিশ্ৰ	পুথিভঁৰাল সংস্কৰণ	৮·২৫	„
১০.	গাৰ্ডেন ফ্লাৱাৰছ্	জনপ্ৰিয় সংস্কৰণ	৬·০০	„
	ডঃ বিষ্ণু স্বৰূপ	পুথিভঁৰাল সংস্কৰণ	৯·৫০	„
১১.	পপ্লেছন	জনপ্ৰিয় সংস্কৰণ	৩·৭৫	„
	ডঃ এছ. এন. আগৰৱালা	পুথিভঁৰাল সংস্কৰণ	৭·০০	„
১২.	নিকোবৰ আইলেণ্ডচ	জনপ্ৰিয় সংস্কৰণ	৫·৫০	„
	শ্ৰী কে. কে. মাথুৰ	পুথিভঁৰাল সংস্কৰণ	৯·০০	„

১৩. কমন বাৰ্ডচ্			
ডঃ ছেলিম আলি আৰু			
মিচেছ লাইক ফটেহেলী	পুথিভঁৰাল সংস্কৰণ	১৫˙০০৲	„
১৪. ভিজিটেবলছ	জনপ্ৰিয় সংস্কৰণ	৫˙২৫	„
ডঃ বি. চৌধুৰী	পুথিভঁৰাল সংস্কৰণ	৮˙২৫	„
১৫. ইকনমিক জিয়গ্ৰাফী			
অৱ্ ইণ্ডিয়া	জনপ্ৰিয় সংস্কৰণ	৫˙২৫	„
প্ৰফেঃ ভি. এছ. গণনাথন	পুথিভঁৰাল সংস্কৰণ	৮˙২৫	„
১৬. ফিজিকেল জিয়গ্ৰাফী			
অৱ্ ইণ্ডিয়া	জনপ্ৰিয় সংস্কৰণ	৫˙৭৫	„
প্ৰফেঃ চি. এছ. পিচ্চামুথুৰ	পুথিভঁৰাল সংস্কৰণ	৮˙২৫	„
১৭. মেডিচিনেল প্লাণ্টচ্	জনপ্ৰিয় সংস্কৰণ	৫˙৭৫	„
ডঃ এছ. কে. জৈন	পুথিভঁৰাল সংস্কৰণ	৯˙০০	„
১৮. জিয়গ্ৰাফী অৱ্ ৱেষ্ট			
বেঙ্গল	জনপ্ৰিয় সংস্কৰণ	৬˙০০	„
প্ৰফেচাৰ এছ. চি. বোস	পুথিভঁৰাল সংস্কৰণ	৯˙০০	„
১৯. জিয়লজী অৱ্ ইণ্ডিয়া	জনপ্ৰিয় সংস্কৰণ	৫˙২৫	„
ডঃ এ. কে. দে	পুথিভঁৰাল সংস্কৰণ	৮˙৫০	„
২০. ৰাজস্থান	জনপ্ৰিয় সংস্কৰণ	৪˙৫০	„
ডঃ ধৰমপাল	পুথিভঁৰাল সংস্কৰণ	৭˙৭৫	„
২১. দি মনচুনছ	জনপ্ৰিয় সংস্কৰণ	৪˙২৫	„
ডঃ পি. কে. দাস	পুথিভঁৰাল সংস্কৰণ	৭·৫০	
২২. ইণ্ডিয়া এ জেনেৰেল			
ছাৰ্ভে	জনপ্ৰিয় সংস্কৰণ	৬˙০০	„
ডঃ জৰ্জ কুৰিয়ান	পুথিভঁৰাল সংস্কৰণ	৭˙৫০	„

জাতীয় জীৱনী চৰিতমালা

প্ৰকাশিত পুথি

১.	গুৰু গোবিন্দ সিং (তৃতীয় সংস্কৰণ)	ডঃ গোপাল সিং	২·০০
২.	গুৰু নানক (দ্বিতীয় সংস্কৰণ)	ডঃ গোপাল সিং	২·২৫
৩.	কবীৰ	ডঃ পৰেশনাথ তেৱাৰী	২·০০
৪.	ৰহিম	ডঃ সমৰ বাহাদুৰ সিং	২·০০
৫.	মহাৰাণা প্ৰতাপ (হিন্দী)	শ্ৰী আৰ· এছ ভাট	১·৭৫
৬.	অহল্যাবাঈ (হিন্দী)	শ্ৰী হীৰালাল শৰ্মা	১·৭৫
৭.	ত্যাগৰাজ	প্ৰফেচাৰ পি শম্বামূৰ্ত্তি	২·০০
৮.	পণ্ডিত ভাট খাণ্ডে	ডঃ এছ্. এন ৰতনঝঙ্কাৰ	১·২৫
৯.	পণ্ডিত বিষ্ণু দিগম্বৰ	শ্ৰী ভি· আৰ অথাৱলে	১ ২৫
১০.	শঙ্কৰদেৱ	ডঃ মহেশ্বৰ নেওগ	২·০০
১১.	ৰাণী লক্ষ্মী বাঈ (হিন্দী)	শ্ৰী বৃন্দাবন লাল বৰ্মা	১·৭৫
১২	সুব্ৰমনা ভাৰতী	ডঃ (মিচেছ) প্ৰেমান্দ কুমাৰ	২·২৫
১৩.	হৰ্ষ	শ্ৰী ভি ডি গঙ্গাল	১·৭৫
১৪.	সমুদ্ৰগুপ্ত (হিন্দী)	ডঃ লালনজী গোপাল	১ ৫০
১৫.	চন্দ্ৰগুপ্ত মৌৰ্য্য (হিন্দী)	ডঃ লালনজী গোপাল	১ ৫০
১৬.	কাজি নজৰুল ইছলাম	শ্ৰী বসুধা চক্ৰবৰ্ত্তী	২·০০
১৭.	শঙ্কৰাচাৰ্য্য	প্ৰফেচাৰ টি· এম· পি মহাদেৱন	২·০০
১৮.	আমিৰ খশ্ৰু	শ্ৰী ছৈয়দ গোলাম চমানানি	১ ৭৫
১৯.	নানা ফাদনবিশ	ডঃ ওৱাই· এন· দেৱধৰ	১ ৭৫
২০.	ৰঞ্জিৎ সিং	শ্ৰী ডি আৰ্ স্কুড	২·০০
২১.	আৰ. ডি. ভাণ্ডাৰকাৰ	ডঃ এইচ্· এ· ফাড্কে	১·৭৫
২২.	হৰি নাৰায়ণ আপ্তে	ডঃ এম· এ কৰান্দিকৰ	১·৭৫
২৩.	মথুস্বামী দিক্ষীতৰ	জাষ্টিচ টি এল ভেঙ্কটৰাম আয়াৰ	২·০০
২৪.	মীৰ্জা গালিব	শ্ৰী মালিক ৰাম	২·০০
২৫.	সুৰদাস (হিন্দী)	শ্ৰী ব্ৰজেশ্বৰ ভাৰ্ম্মা	১·৭৫
২৬.	ৰামানুচাৰ্য্য	শ্ৰী আৰ্· পাৰ্থসাৰথি	২·০০
২৭.	ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ	শ্ৰী এছ· চি· বোস	২·০০

অসমীয়াত প্ৰকাশিত পুথিৰ তালিকা

ভাৰত-মাটি আৰু মানুহ

১। অসমীয়া সাহিত্য—হেম বৰুৱা
অনুবাদিকা—অনু বৰুৱা ... ... ৪·৭৫

২। গুৰু নানক—ডঃ গোপাল সিং
অনুবাদক—অমূল্য ফুকন ... ... ২·২৫

৩। শঙ্কৰদেৱ—মহেশ্বৰ নেওগ
অনুবাদক—মুকুন্দ মাধৱ শৰ্ম্মা ... ১·৭৫

নেহৰু বাল পুস্তকালয়

১। আমাৰ নদ-নদী—লীলা মজুমদাৰ
অনুবাদক—অমূল্য ফুকন ... ... ১·৫০

২। বাপু (প্ৰথম ভাগ) এফ. চি. ফ্ৰীটাছ
অনুবাদিকা—অনু বৰুৱা ... ... ১·৫০

৩। বাপু (দ্বিতীয় ভাগ)—এফ. চি. ফ্ৰীটাছ
অনুবাদিকা—অণু বৰুৱা ... ... ১·৫০

৪। কাশ্মীৰ—মালা সিং
অনুবাদক—অমূল্য ফুকন ... ... ১·৫০

৫। শিখৰে শিখৰে—ব্ৰিগেডিয়াৰ জ্ঞান সিং
অনুবাদক—অমূল্য ফুকন ... ... ১·৫০

৬। পখী জগত—জমাল আৰা
অনুবাদিকা—সাবিত্ৰী বৰুৱা ... ... ১·৫০

৭। সৰগলৈ ভ্ৰমণ—লীলাৱতী ভাগৱত
অনুবাদক—ৰমা বেজবৰুৱা ... ... ১·৫০

৮। পোহৰ আৰু আনন্দৰ সাধু—মনোজ দাস
অনুবাদিকা—অণু বৰুৱা ... ... ১·৫০

আদান প্ৰদান

১। কথা পাঞ্জাব—ডক্টৰ হৰভজন সিং
অনুবাদক—লোকনাথ ভৰালী ৪ ২৫

২। মৰ্হি যোবা ছবি—ভগৱতী চৰণ বৰ্ম্মা
অনুবাদক—পুলিন বিহাৰী বৰঠাকুৰ ... ৯·০০

৩। কথা ভাৰতী—তামিল কাহিনী—সম্পাদক— মী. প. সোমসুন্দৰম
অনুবাদিকা—অণু বৰুৱা ... ... ৪·৫০

সাধাৰণ

১। আকবৰ—লৰেঞ্চ বিনিয়ন
অনুবাদক—সত্যেন্দ্ৰ নাথ শৰ্ম্মা ... ... ১·৫০

২। মহান বিদ্ৰোহী—ডোনিচ-কিন বোইদ
অনুবাদক—সতীশ চন্দ্ৰ ৰাজখোৱা ... ... ৪·৫০